# বৰভগীয়ান

৪৩ তম্ সংখ্যা, ২০১৯-২০



সম্পাদক ঃ কংকন কলিতা




# বৰভগীয়ান, ২০১৯-২০

## বৰভাগ মহাবিদ্যালয় আলোচনী

৪৩ সংখ্যক প্ৰকাশ ঃ ২০১৯-২০ ইং বৰ্ষ

# BARBHAGIAN

## Barbhag College Magazine

43rd Issue : Session : 2019-20

ড° বিপুল কলিতা
তত্ত্বাৱধায়ক

কংকন কলিতা
সম্পাদক

# বৰভগীয়ান

**বৰভাগ মহাবিদ্যালয় আলোচনী**

**৪৩ সংখ্যক প্ৰকাশ ঃ ২০১৯-২০ ইং বৰ্ষ**

২০১৯-২০ ইং শিক্ষাবৰ্ষৰ

**'বৰভগীয়ান' সম্পাদনা সমিতিৰ বিষয়ববীয়াসকল**

উপদেষ্টা মণ্ডলী ঃ

| | |
|---|---|
| সুশান্ত নাৰায়ণ চৌধুৰী | শ্ৰীপুলমা তালুকদাৰ |
| ড° ধনেশ্বৰ বৈশ্য | ড° নমিতা দেৱী |
| ড° বিপ্লৱ ডেকা | ড° বণ্টুমণি ডেকা |
| ড° চন্দন কলিতা | |
| ড° নন্দিতা গোস্বামী | শ্ৰীকৈলাশ চন্দ্ৰ দাস |

**তত্ত্বাৱধায়ক ঃ** ড° বিপুল কলিতা

**সভাপতি ঃ** ইউনুচৰ ৰহমান

**সম্পাদক ঃ** শ্ৰীকংকন কলিতা

**সদস্যসকল ঃ**

ৰাকেশ মজুমদাৰ, ৰঞ্জিত কলিতা, ময়ুৰ ৰহমান

প্ৰাঞ্জল কলিতা, দিপাংশু ভট্টাচাৰ্য্য, কংকন হালৈ

চাজিদ আহমেদ, জুবলি দাস

**পৰিকল্পনা ঃ** সম্পাদক

**অন্তৰভাগৰ চিত্ৰণ ঃ** বিকৰ্ণ তালুকদাৰ

**শেষ পৃষ্ঠাৰ চিত্ৰণ ঃ** বিভুতি শৰ্মা

**বেটুপাত ঃ** বিকৰ্ণ তালুকদাৰ

**মুদ্ৰণ ঃ** অংকিতা কম্পিউটাৰ প্ৰেছ, পল্লা ৰোড, নলবাৰী

(যিকোনো আপত্তিজনক লেখাৰ বাবে সম্পাদনা সমিতি দায়বদ্ধ নহয়।)



# ভাৰপ্ৰাপ্ত অধ্যক্ষৰ কলমেৰে-

চমু লেখনীৰ আৰম্ভণীতে আটাইলৈ শুভ কামনা জনালোঁ। বিভিন্ন শ্ৰেণীৰ শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত অনুষ্ঠানটিৰ বাৰ্ষিক মুখপত্ৰখন সমূহ ছাত্ৰ-ছাত্ৰী শিক্ষক-শিক্ষয়িত্ৰী লগতে কৰ্মচাৰীসকলৰ বাবে অনুষ্ঠানটিৰ সাহিত্য সংস্কৃতি, বৌদ্ধিক তথা আবেগিক অনুভূতিৰ সামূহিক প্ৰকাশ বুলিব পাৰি। ছাত্ৰ-ছাত্ৰীৰ বাবে এই বাৰ্ষিক আলোচনীখনক তেওঁ লোকৰ সুকুমাৰ কলা সংস্কৃতিৰ বিকাশ সাধনৰ প্ৰয়োজনীয় সামূহিক ক্ষেত্ৰ বুলি গণ্য কৰা হয়। এই মুখপত্ৰ বা আলোচনীখনৰ যথোচিত উপস্থাপন আৰু প্ৰস্তুত কৰণে অনুষ্ঠানটিৰ বৌদ্ধিক ক্ষেত্ৰত আগবঢ়োৱা অৰিহণাৰ স্বাক্ষৰ বহন কৰে।

ইং ২০১৯-২০ বৰ্ষৰ ৪৩ তম সংখ্যক মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী, 'বৰভগীয়ান'খন অলপতে প্ৰকাশ হৈ ওলাব বুলি জানি খুৱেই সন্তোষ পাইছোঁ। সংশ্লিষ্ট অধ্যাপক তত্বাৱধায়ক তথা বিভাগীয় সম্পাদকক আগতীয়া শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

এইখিনিতে, এটি কথা ক'বলগীয়া হৈছে যে মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন সময় মতে প্ৰকাশ পালে বা প্ৰকাশৰ প্ৰচেষ্টা হাতত ল'লে সকলো শিকিবৰ বাবে শুভ কাৰক হয়। এই ক্ষেত্ৰত বহুতৰে আপত্তি শুনা যায়। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কমকৰ্তা, বিভাগীয় সম্পাদক তথা অধ্যাপক-তত্বাৱধায়ক গৰাকীয়ে আলোচনীখন উপযুক্ত সময়ৰ ব্যৱধানত প্ৰকাশ কৰি উলিয়াবলৈ সততে যত্নপৰ হোৱা দেখা যায় যদিও বিভিন্ন কাৰণত সেইটো হৈ নুঠেগৈ। মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি মোৰ চমু কাৰ্য কালৰ ভিতৰত এই বাৰ্ষিক আলোচনীখন আগৰ বছৰবোৰৰ আলোচনীসমূহ সময়মতে প্ৰকাশ পাই নহা বাবে পিছৰবোৰৰ ক্ষেত্ৰতো অনিচ্ছাকৃত বিলম্ব হ'বলৈ পাইছে। তাৰোপৰি অতি মহামাৰী 'ক'ৰনা' আৰু 'লকডাউন'ৰ বাবে নিয়মিত কাৰ্যকলাপ বন্ধ হৈ পৰা বাবেও বাৰ্ষিক আলোচনী প্ৰকাশত বাধা আহিছে।

মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ খনি ছাত্ৰ-ছাত্ৰীৰ কোমল তথা অপৈনত হাতৰ পৰশত প্ৰাণ পাই উঠা আবেগ-অনুভূতি আৰু বিদ্যায়তনিক তথা সাহিত্যিক সৃষ্টিশীলতাৰ প্ৰাৰম্ভিক ৰূপৰেখা বুলিব পাৰি। এই ক্ষেত্ৰখনৰ পৰাই মহান কবি-সাহিত্যিক ঔপন্যাসিক সাহিত্য সমলোচকৰ সৃষ্টি হয়। এই সৃষ্টিশীলতাৰ উদ্যাগে তেওঁলোকক ভৱিষ্যত জীৱনত স্থায়ী তথা সন্তোষজনক বৃত্তিৰ সন্ধান দিয়ে। তাৰোপৰি শিক্ষানুষ্ঠানৰ এই বাৰ্ষিক মুখপত্ৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ হৃদয়ৰ চিন্তা-ধাৰাক ভাষাৰ মাধ্যমত প্ৰকাশ কৰাৰ সুবিধা পায় আৰু এনে সুবিধাই যাতে তেওঁলোকৰ মনস্তাত্বিক দিশৰ উত্তৰণ ঘটায়- সেইটোৰ ওপৰত সকলো পক্ষই সচেতন হোৱা উচিত।

মোৰ চমু কাৰ্যকালত মহাবিদ্যালয়ৰ বিভিন্ন সমস্যাৰ মাজতে আমি সকলোৱে মহাবিদ্যালয়ৰ বিদ্যায়তনিক দিশৰ উন্নয়নৰ লগতে আভ্যন্তৰীণ কাম-কাজ কৰি মহাবিদ্যালয়ৰ পাৰিৱেশিক দিশটো সুস্থ কৰি ৰখাৰ যত্ন কৰি আহিছোঁ- তাৰেই এটা গুৰুত্বপূৰ্ণ দিশ এই মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ প্ৰকাশ।

আশা ৰাখিছোঁ বৰভাগ মহাবিদ্যালয়ৰ আলোচনীখন পূৰ্ণৰূপত সময়মতে প্ৰকাশ পাব আৰু মননশীল লেখনীৰ সম্ভাৰেৰে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকলক সাহিত্যৰ আনন্দৰ খোৰাক যোগাব। ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল আবেগ অনুভূতিৰ যথোচিত প্ৰকাশেৰে এখন উৎকৃষ্ট মানৰ আলোচনী প্ৰকাশ হৈ ওলাওঁক আৰু সকলো শ্ৰেণীৰ ছাত্ৰ ছাত্ৰীয়ে যাতে ইয়াৰ ভাগ পায় তাৰেই কামনাৰে লেখনিৰ মোখনি মাৰিছোঁ।

"জয়তু বৰভাগ মহাবিদ্যালয়।

"VIVA LA DA BARBHAG COLLEGE"

**ইউনুছৰ ৰহমান**
ভাৰপ্ৰাপ্ত অধ্যক্ষ, বৰভাগ মহাবিদ্যালয়



# তত্ত্বাৱধায়কৰ কলমেৰে

সাহিত্যই সমাজৰ কথা কয়। সমাজ এখনৰ জীৱন চৰ্যাক সাহিত্যই ধৰি ৰাখে। এই সাহিত্য কৰ্ম কৰাৰ বাবে, লেখকৰ মন মগজুৰ চিন্তাক আন কাৰোবাক জনোৱাব বাবে একো একোটা মাধ্যমৰ প্ৰয়োজন হয়। সম্প্ৰতিক সময়ত সাহিত্য চৰ্চাৰ মাধ্যম অনেক। ছাত্ৰ ছাত্ৰীসকলে এই মাধ্যমবোৰৰ যোগেদি সাহিত্য চৰ্চা কৰা দেখা যায়। কিন্তু শিক্ষানুষ্ঠান এখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক উৎকৃষ্ট সাহিত্য চৰ্চাৰ মাধ্যম হ'ল শিক্ষানুষ্ঠানখনৰ আলোচনীখন। এই আলোচনীৰ বুকুৰেদি বগুৱা বাই অনেক সময়ত বহুতো লোক বিখ্যাত সাহিত্যিক হোৱাৰ উদাহৰণো অলেখ পোৱা যায়। সেয়ে শিক্ষানুষ্ঠান এখনৰ বাবে আলোচনীখন অপৰিহাৰ্য।

'বৰভগীয়ান' বৰভাগ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী। সমান্তৰালভাৱে আমাৰ মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ পৰা প্ৰাচীৰ পত্ৰিকা প্ৰতি বছৰে প্ৰকাশ হৈ আহিছে। আলোচনীখন, প্ৰাচীৰ পত্ৰিকাৰ লগতে বছৰৰ বিভিন্ন সময়ত যিকোনো সাহিত্যধৰ্মী অনুষ্ঠান, প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়, যিবোৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰি আহিছে। অৱশ্যে ই জেঠীনেগুৰীয়া ৰূপতহে। বাৰ্ষিক আলোচনীখনৰ বাবে প্ৰয়োজনীয় লেখা ছাত্ৰ ছাত্ৰীসকলৰ মাজৰ পৰা সময়মতে নোপোৱা হেতু বহু সময়ত আলোচনীখন প্ৰকাশত বিলম্ব হয়। ৪৩ সংখ্যক 'বৰভগীয়ান'ৰ ক্ষেত্ৰতো সেই একেই কথা। বহুসময়ত ছাত্ৰ ছাত্ৰীৰ লিখনিসমূহৰ কিছু অংশ সাহিত্যিক মূল্যমানৰ তুলাচনীখনৰ পৰা আঁতৰাই তেওঁলোকক উদ্‌গনি জনোৱাটোতহে গুৰুত্ব দিবলগীয়া হয়। এই সংখ্যাৰ আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰতো উক্ত দিশটোক আওকান কৰা হোৱা নাই।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ লগতে সম্পাদনা সমিতিৰ আটাইগৰাকী সদস্যই কৰা সহায়ৰ কথা আমি সদায়ে মনত ৰাখিম। বিভাগীয় সম্পাদক শ্ৰীমান কংকন কলিতাৰ তৎপৰতাক আমি শলাগিছোঁ। আগত সময়ত মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ ছাত্ৰীয়ে 'বৰভগীয়ান'ৰ মাজেৰে সাহিত্য কৰ্মত প্ৰবৃত্ত হওঁক। তাৰেই কামনাৰে...

।। জয়তু বৰভাগ মহাবিদ্যালয়।।

**ড° বিপুল কলিতা**



# সম্পাদকীয়-

সূৰ্য উদয় যদি লক্ষ্য আমাৰ
সূৰ্যাস্তৰ পিনে ধাৱমান কিয়?
শীতল বৃষ্টি যদি কাম্য আমাৰ
অনাবৃষ্টি খেদি ফুৰিছোঁ কিয়?
ফুৰিছোঁ কিয়?
- ড° ভূপেন হাজৰিকা

সম্পাদকীয়ৰ প্ৰাৰম্ভণীতে, যিসকল মহান ব্যক্তিৰ আশাসুধীয়া প্ৰচেষ্টাত বানপীড়িত বৃহত্তৰ বৰভাগ অঞ্চলত উচ্চ শিক্ষাৰ প্ৰাণ কেন্দ্ৰস্বৰূপ 'বৰভাগ মহাবিদ্যালয়'ৰ দৰে পবিত্ৰ অনুষ্ঠান গঢ় লৈ উঠিছে, সেইসকল চিৰনমস্য ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছো আৰু যিসকল ব্যক্তিৰ যৎপৰোনাস্তি প্ৰচেষ্টা আৰু অকৃত্ৰিম সঁহাৰিৰ ফলত বৰভাগ মহাবিদ্যালয়ে আজিৰ এইখিনি পৰ্যায়ত উপনীত হৈছেহি তেওঁলোকক মই শ্ৰদ্ধাৰে প্ৰণাম জনাইছোঁ।

২০১৯-২০ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত কৰি আলোচনী বিভাগৰ দৰে গুৰু দায়িত্ব অৰ্পণ কৰাৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

আলোচনী এখন হ'ল মহাবিদ্যালয়ৰ বাৰ্ষিক দলিলস্বৰূপ। ই ছাত্ৰ-ছাত্ৰীক বিভিন্ন জ্ঞানৰ পৰিসৰ বৃদ্ধিত সহায় কৰে। ই ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীবৃন্দৰ সাহিত্য চৰ্চাৰ এক উপযুক্ত মাধ্যম। ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভা বিকাশৰ এক অন্যতম মাধ্যম। কিন্তু বৰ্তমান সময়ত দেখা গৈছে যে অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে সাহিত্য চৰ্চাৰ প্ৰতি অনীহা ভাৱ পোষণ কৰাৰ বিপৰীতে ছচিয়েল মেডিয়াৰ প্ৰতি অধিক আকৰ্ষিত হোৱা পৰিলক্ষিত হৈছে। তাৰ সঠিক প্ৰমাণ মহাবিদ্যালয় সপ্তাহত সাহিত্য বিভাগীয় প্ৰতিযোগিতা সমূহত কম সংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি আৰু আলোচনী প্ৰকাশৰ বাবে জাননী যোগে বাৰম্বাৰ লেখা বিচৰাৰ পিছতো সময়মতে লেখা নাপায় থাবলগীয়া হোৱা হাবাথুৰি পৰিস্থিতিয়ে প্ৰতিফলিত কৰে। যাৰ বাবে মহাবিদ্যালয়খনৰ বাৰ্ষিক মুখপত্ৰ তথা আলোচনীখন সময়মতে প্ৰকাশ কৰাটো কঠিন হৈ পৰিছে। ইয়াৰোপৰি অতিমাৰী ক'ৰনা মহামাৰী আৰু ইয়াৰ ফলশ্ৰুতিত চৰকাৰে জাৰি কৰা তলাবন্ধ অৱস্থাৰ বাবেও সময়মতে আলোচনীখন প্ৰকাশ কৰাত বাধা জন্মিছে। কিন্তু সি যিয়েই নহওক আলোচনীখন প্ৰকাশ হ'বই লাগিব। ইয়াৰ প্ৰতি দৃষ্টি ৰাখি মই, ছাত্ৰ-ছাত্ৰী (বৰ্তমান আৰু প্ৰাক্তন) আৰু শিক্ষক-শিক্ষয়িত্ৰী (বৰ্তমান আৰু অৱসৰী) ফোনযোগে বা বাৰ্তাযোগে আনকি ঘৰত গৈ হ'লেও লেখাবোৰ এক নিৰ্দিষ্ট সময়ৰ ব্যৱধানত সংগ্ৰহ কৰাৰ ক্ষেত্ৰত ক্ৰুটি কৰা নাছিলো। যাৰবাবে হয়তো আলোচনীখন পলমকৈ হ'লেও আপোনাসবৰ হাতত তুলি দিলো। এই ক্ষেত্ৰত আলোচনী সম্পাদনা সমিতিখনৰ যোগাত্মক সঁহাৰিয়ে বাৰুকৈ সহায় কৰিছিল।

ক্ষমা প্ৰাৰ্থনা : আলোচনীখন প্ৰকাশ কৰাত বহখিনি পলম হ'ল। ইয়াৰ বাবেময়ো কম-বেছি পৰিমাণে জগৰীয়া বুলি ভাবো নিজকে, কিয়নো ইফালে গুৱাহাটী বিশ্ববিদ্যালয়ত শিক্ষা গ্ৰহণ আৰু আনফালে আলোচনী প্ৰকাশৰ দায়িত্ব এই ক্ষেত্ৰত মই বহখিনি সমস্যাৰ সন্মুখীন হৈছিলোঁ। তৎস্বত্বেও যিমান পাৰি আলোচনীখন প্ৰকাশ কৰাত ময়ো বহখিনি চেষ্টা কৰিছোঁ। আলোচনীখনৰ মানদণ্ডৰ বিচাৰৰ ভাৰ আপোনাসবৰ ওচৰত এৰি দিলো। প্ৰকাশ হোৱাত পলম হোৱা বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

ছাত্ৰ-ছাত্ৰীৰ প্ৰতি : মই আশা কৰিছোঁ, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ছচিয়েল মিডিয়াৰ সমান্তৰালকৈ সাহিত্য চৰ্চা অব্যাহত ৰাখি মোৰ পৰৱৰ্তী আলোচনী সম্পাদকসকলক সময়মতে লেখা প্ৰেৰণ কৰি আলোচনীখন প্ৰকাশ কৰাত সহায় কৰে যেন। যাতে মোৰ দৰে বাবে বাৰে উজুতি খাব নালাগে।

কংকন কলিতা
সম্পাদক, 'বৰভগীয়ান'-২০১৯-২০ ইং বৰ্ষ

# অৰ্পণ

'বৰভাগ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ
সৈতে জড়িত মহৎ সকলৰ
লগতে শিক্ষানুষ্ঠানখন যিসকল
ব্যক্তিৰ অতুলনীয় অৱদানৰ
ফলত আজিৰ স্থানত উপনীত
হৈছে, সমাজ পৰিৱৰ্তনৰ বাবে
যিসকলে প্ৰচেষ্টা অব্যাহত
ৰাখিছে- যিসকল পৰিৱৰ্তনকামী,
দুখৰ বতাহতো যিসকল হাউলী
নপৰিল, যিসকলে এতিয়াও স্বপ্ন
দেখা বাদ দিয়া নাই, যিসকলে
এতিয়াও বিশ্বাস ৰাখে মানুহত,
দেশৰ স্বাৰ্থত যিসকল এতিয়াও
যুঁজাৰু কিম্বা যোদ্ধা তেওঁলোকৰ
হাতত আৰু প্ৰতিজন
বৰভগীয়ানৰ হাতত আলোচনীৰ
এই সংখ্যাটো অৰ্পণ কৰিলোঁ।

**- সম্পাদক**

# শ্ৰদ্ধাৰ্ঘ্য

'মই নাথাকিলেও
সাঁজৰ তৰাই
মোৰ কথাকে ক'ব...।"

- কা আন্দোলনৰ ছজন শ্বহীদ ছেম ষ্টেফৰ্ড, ঈশ্বৰ নায়ক, দীপাঞ্জল দাস, দ্বীজেন্দ্ৰ পাংগিং, আব্দুল হালিম।
- ক'ভিড মহামাৰীৰ সময়ত মৃত্যুবৰণ কৰা কভিড যোদ্ধাসকল।
- অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, প্ৰাক্তন কেন্দ্ৰীয়মন্ত্ৰী, জনসমাদৃত নেতা তৰুণ গগৈ।
- ডেথ, দ্য চেয়াৰ, এই হট নিউজ ইত্যাদি বিখ্যাত চিত্ৰৰ নিৰ্মাতা বিশিষ্ট চিত্ৰশিল্পী বেনুমিশ্ৰ।
- ভাৰতবৰ্ষৰ প্ৰাক্তন বৈদেশীক মন্ত্ৰী, দিল্লীৰ প্ৰথম গৰাকী মহিলা মুখ্যমন্ত্ৰী সুষমা স্বৰাজ।
- শান্তনুকুলনন্দন, গজৰাজ ইত্যাদিৰ ৰচক, সাহিত্য একাডেমি বঁটা প্ৰাপক বিশিষ্ট ঔপন্যাসিক পূৰবী বৰমূদৈ।
- দেশৰ দশমগৰাকী নিৰ্বাচনী আয়ুক্ত টি. এন. শেচান।
- শিল্পী অৰ্চনা মহন্ত, সুৰেন মহন্ত, জীৱেশ্বৰ ডেকা
- ফুটবল খেলুৱৈ মাৰাডোনা
- বিশিষ্ট সাংবাদিক, সাহিত্যিক হোমেন বৰগোহাঞিঃ
- বিশিষ্ট সাহিত্যিক লক্ষ্মীনন্দন বৰা।
- প্ৰাক্তন অসম আৰক্ষী সঞ্চালক খগেন শৰ্মা
- প্ৰাক্তন মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মন
- শিল্পী সুদক্ষিণা শৰ্মা
- বৰভাগ মহাবিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী অমল বৰুৱা।

এই স্বনামধন্য ব্যক্তিৰ উপৰিও আমি কাৰ্যভাৰ লোৱাৰ পৰা আলোচনীখন প্ৰকাশ কৰাৰ সময়লৈকে শিক্ষা, সাহিত্য, বিজ্ঞান, খেল আদি বিভিন্ন ক্ষেত্ৰত অসম তথা আমাৰ দেশলৈ নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই এই পৃথিৱীৰ পৰা গুচি যোৱা সেইসকল ব্যক্তিলৈ সম্পদনা সমিতিৰ তৰফৰ পৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

— সম্পাদক

# শলাগৰ শৰাই

- ভাৰপ্ৰাপ্ত অধ্যক্ষ ইউনুচৰ ৰহমান
- নিবেদিতা গোস্বামী, উপাধ্যক্ষ
- ড° বিপুল কলিতা, তত্বাৱধায়ক
- ড° ধনেশ্বৰ বৈশ্য, সহযোগী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ
- ড° অজিত কুমাৰ শৰ্মা, সহযোগী অধ্যাপক, ইংৰাজী বিভাগ
- শৰৎ মেচ, সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
- ড° চন্দন কলিতা, সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ
- ৰহিম, ৰাজ, অনুপম, অঞ্জন, গণেশ, ৰণজিৎ, ময়ুৰ, অনুপম, অনুপ, জ্যোতিস্মিতা, পাৰবিন মেহেৰ, জিয়াউৰ, নিজৰা, কৌশিক, চাজ্জিদ, পিকোমণি, হিমাশ্ৰী, জয়শ্ৰী, বিভূতি, মুন্না, বিকৰ্ণ, কিশোৰ, ৰমজান আৰু সীমান্ত।
- অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, সদৌ অসম ছাত্ৰ সন্থা, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ (বৰভাগ মহাবিদ্যালয় গোট)
- ছাত্ৰ একতা সভাৰ বিভিন্ন বিভাগৰ বিষয়ববীয়াসকল।
- বৰভগীয়ান-২০১৯-২০ বৰ্ষৰ সমূহ লেখক-লেখিকা
- বৰভগীয়ান-২০১৯-২০ ৰ সম্পাদনা সমিতিৰ সন্মানীয় বিষয়ববীয়া
- বৰভগীয়ান-২০১৯-২০ ৰ প্ৰকাশ আৰু সম্পাদনাত জড়িত ব্যক্তিসকল।

আটাইকে ধন্যবাদ ও কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

— সম্পাদক

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

Prof. **Pratap Jyoti Handique**
Vice-Chancellor
E-Mail ID : vc@gauhati.ac.in



# শুভেচ্ছা বাণী

নলবাৰী জিলাৰ অন্তৰ্গত বৃহত্তৰ বৰভাগ অঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ বৰভাগ মহাবিদ্যালয়ৰ ৪৩ সংখ্যক বাৰ্ষিক মুখপত্ৰ **'বৰভগীয়ান'** প্ৰকাশ কৰিবলৈ সিদ্ধান্ত লোৱা বুলি জানিবলৈ পাই আনন্দিত হৈছোঁ। আশা কৰিছোঁ মুখপত্ৰখনত সন্নিৱিষ্ট লিখনিসমূহৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিভা বিকাশৰ সুযোগ লাভ কৰিব। মোৰ বিশ্বাস আলোচনীখনত প্ৰকাশ পাবলগীয়া লিখনিসমূহে সমাজলৈ এক শুভ বাৰ্তা কঢ়িয়াই আনিব আৰু অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিব। মুখপত্ৰখনৰ লগত জড়িত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী সকলোকে মই আন্তৰিক অভিনন্দন জনালোঁ।

(ড° প্ৰতাপজ্যোতি সন্দিকৈ)
উপাচাৰ্য
গুৱাহাটী বিশ্ববিদ্যালয়

# সূচীপত্ৰ


**কবিতা —**

✦ মই ডাঙৰ হলো ঐ আই / মৃন্ময় লহকৰ /১
✦ আশা / আৰিফুল আলি /২
✦ পোৱা নোপোৱা আশাবোৰ / পৰিস্মিতা লহকৰ/২
✦ প্ৰিয়তমা/ ৰাজু শৰ্মা /৩
✦ বকুল / চাইদুল হুছেইন /৩
✦ আউলী নৈৰ বাউলী প্ৰেম / দীপাংকৰ কলিতা /৪
✦ শান্তি / দৰ্শনা দেৱী /৫
✦ আবেলি পৰৰ কবিতা /হিৰণ্য তালুকদাৰ/৫
✦ উচ্ছেদৰ জাননী / দণ্ডীৰাম দাস /৬
✦ ৰজা / হিমাংশু প্ৰসাদ দাস/৬
✦ জোনবাই/ সাগৰিকা দেৱী/৭
✦ বহাগ / কাবেৰী ডেকা /৭
✦ শব্দহীন কবিতা / ৰক্তিম ভৰদ্বাজ/৮
✦ পূৰ্ণ মোৰ বুকুৰ ডায়েৰী / পাৰবিন মেহেৰ চুলতানা /৮
✦ পাৰ্থক্য /দেৱাশীষ গোস্বামী/৯
✦ নেদেখা নদীৰ ঘাট/ হিৰক জ্যোতি শৰ্মা/৯
✦ অতীত সুঁৱৰি / কৰিস্মা ৰেজবৰুৱা/১০
✦ কেনভাচ/ তুষাৰ শৰ্মা/১০
✦ নাৰী / যুগল কিশোৰ বেজবৰুৱা/১১
✦ শপত / হিমাশ্ৰী ডেকা/১১
✦ জীৱন যুদ্ধ / পাৰ্থপ্ৰতীম শৰ্মা/১২
✦ সুখৰ ছাতি /পংকজ কুমাৰ কলিতা/১২
✦ Lockdown ৰ কবিতা সৌ সিদিনালৈকে..../ ফনীধৰ ডেকা/১৩
✦ স্বাগতম / প্ৰাঞ্জল কলিতা/১৪
✦ ভাষা / দিব্যজ্যোতি লহকৰ /১৪
✦ ৰোমন্থন এটি সময়ৰ / নবেন শৰ্মা /১৫
✦ মানুহ / মঃ ৰমজান আলী /১৫
✦ বিস্ময় /অপূৰ্ব চক্ৰবৰ্তী /১৬
✦ মোৰ সপোনৰ স্বৰগখনি / বৰষা কাকতি/১৬
✦ এখন নদীৰ দুখ / মধুস্মিতা দাস/১৭
✦ আপুনি আহিব / অনামিকা কলিতা/১৭
✦ এখন প্ৰেমৰ নদী... / মানিক চন্দ্ৰ নাথ /১৮
✦ তেজৰঙী গাভৰুজনী / আমানুৰ হক/১৮
✦ কলিজা তিয়োৱা বাট / ড° কুকিলা গোস্বামী/১৯
✦ মোৰ মাতৃভূমি / জুমি কলিতা /২০
✦ কলংকিত মানৱজাতি / পৰাগ বৈশ্য /২০
✦ ষ্ট্ৰীট লাইটৰ দেশখন/ নিকুঞ্জ শৰ্মা /২১
✦ জীৱন যুদ্ধ / পাৰ্থ প্ৰতীম শৰ্মা /২১
✦ আচলতে আপুনি বিছাৰে কি? / মৃন্ময় চৌধুৰী/২২
✦ উত্তৰ পুৰুষৰ বাবে /শ্ৰী কনক চন্দ্ৰ লহকৰ /২৩
✦ চিত্ৰ /ৰেনম আহমেদা /২৩

**গল্প —**

✦ মাকন পেহী / নৱজ্যোতি কলিতা /২৪
✦ বুকুৰ সৌন্দৰ্য্য / ফনীধৰ ডেকা /২৭
✦ ভগ্ন হৃদয়ৰ প্ৰশান্তি / জ্যোতিস্মিতা শৰ্মা /২৯
✦ বিয়া/ভাস্কৰ জ্যোতি তালুকদাৰ /৩১
✦ আশংকা / কুলেশ চন্দ্ৰ ডেকা /৩৩
✦ জীৱনৰ দোলন / শ্ৰীজেউতি মিশ্ৰ /৩৫
✦ নাৰী তুমি অনন্যা / ডলি ডেকা /৩৬

**অনুগল্প —**

✦ প্ৰাপ্তিৰ ভিক্ষা /কিশোৰ দাস /৩৭
✦ **নীলা খামৰ চিঠি...**/ হিমাশ্ৰী কলিতা /৩৮

**সাক্ষাৎকাৰ —**

✦ ময়ুৰ বৰা ছাৰৰ সৈতে বিশেষ সাক্ষাৎকাৰ/৩৯

**প্ৰবন্ধ —**

✦ ৰাজহুৱা বক্তব্য ঃ এক সম্মোহনী কলা / অজিত কুমাৰ শৰ্মা /৪৩
✦ বাস্তৱ জীৱনৰ অবাস্তৱ ছবি /দ্বীপেন কুমাৰ দাস /৪৭
✦ অসমীয়া সমাজত নাৰীৰ স্বাধীনতা / ৰিতুপৰ্ণা ডেকা /৪৯
✦ শিশুৰ সু-অভ্যাস কিদৰে গঠন কৰিব /ড° নিতুমণি দাস /৫২
✦ অসমৰ আত্মনিৰ্ভৰশীল অৰ্থনীতি ধ্বংস হ'ল কিয়? /অনন্ত কলিতা /৫৪
✦ অসমীয়া নাটকত শ্বেইক্সপিয়েৰৰ প্ৰভাৱ / আকাশ প্ৰতিম বৰা/৫৭
✦ অসমৰ এক অন্যতম জনগোষ্ঠী ৰাভাসকল এটি চমু অৱলোকন / চাজিদ আহমেদ /৫৯

**সংগ্ৰামী জীৱন গাঁথা —**

✦ বিশ্বনায়ক ফিডেল কাষ্ট্ৰোৰ সংগ্ৰামী জীৱন গাঁথা / প্ৰসেনজিৎ ডেকা /৬১

লোক সংস্কৃতি —
✦ অসমৰ লোক-উৎসৱ ভঠেলী / কংকনা শৰ্মা /৬৪
✦ অসমৰ এটি প্ৰাচীন নৃত্যগীত ঃ ওজাপালি / ৰিংকিমনি তালুকদাৰ/৬৬
ইতিহাস —
✦ চকৰীফেঁটী বুৰঞ্জী / কংকন কলিতা/৬৭
দিহিং পাটকাই —
✦ অসম চৰকাৰৰ দ্বাৰা সদ্যঘোষিত ৰাষ্ট্ৰীয় উদ্যান- দিহিং পাটকাই / ময়ুৰ ৰহমান/৬৮
জীৱন আৰু জীৱনী —
✦ ভাৰতৰ পাৰমাণৱিক শক্তি বিজ্ঞানৰ জনক হোমী জাহাংগীৰ ভাবা/ ধ্ৰুৱজ্যোতি তালুকদাৰ/৬৯
✦ জ্ঞানপীঠ বঁটা বিজয়ী গোলাপী জামুৰ লগ্নৰ কবি নীলমণি ফুকন /চনম আহমেদা /৭০
✦ মহিয়সী নাৰী সৰোজনী নাইডু (দ্য নাইটিংগেল অব ইণ্ডিয়া)/মানসী কলিতা/৭১
✦ অসম গৌৰৱ লাভলীনা বৰগোহাঁই /শ্ৰী বন্দিতা দাস /৭২
✦ সুগন্ধি পখিলাৰ কবি হীৰেণ ভট্টাচাৰ্য্য/ ৰাকেশ মজুমদাৰ/ ৭৩
অন্যান্য প্ৰবন্ধ —
✦ আন্তৰ্জাতিক শ্ৰমিক দিৱস পালনৰ আঁৰত থকা কাহিনী/ ছয়নিকা কলিতা /৭৪
✦ অষ্টাংগিক মাৰ্গ / কুসুম দলে /৭৬
✦ ভাৰতীয় মহিলাৰ ক্ৰিকেট / শ্ৰী ধীতাশ্ৰী কলিতা /৭৮
✦ তন্ত্ৰ-মন্ত্ৰৰ দেশ মায়ং /বিপুল পুৰু /৭৯
✦ আধ্যাত্মিক কথাৰে/ কনক চন্দ্ৰ হালৈ /৮১
অতিথি লিখকৰ প্ৰবন্ধ —
✦ জাতীয় উন্নয়ন আৰু ভৱিষ্যতৰ প্ৰসংগত শিক্ষাৰ লক্ষ্য/ড° বীৰেন্দ্ৰ ডেকা/৮৪
✦ সংগীত আৰু ইছলাম সমাজত সংগীতৰ প্ৰভাৱ/ চৈয়দ মফিজুদ্দিন আহমেদ হাজৰিকা/৮৭
স্মৃতিৰ জলঙাৰে —
✦ মোৰ সেৱাৰ থলী ঃ বৰভাগ কলেজ /ৰজত চন্দ্ৰ কলিতা/ ৮৯
অনুভৱৰ শিতান —
✦ গুৱাহাটী বিশ্ববিদ্যালয় আৰু মই ঃ কেইটামান স্নেপশ্বট্/ ৰিংকুমনি কাকতি /৯২
মহৎলোকৰ বাণী, কুইজ, সাথঁৰ, কৌতুক, অন্যান্য / ৰঞ্জিত কলিতা/১০০
ইংৰাজী শিতান —
✦ THE BIOGRAPHY OF A STAR / Pulama Talukdar /103
✦ MOTHER TERESA-AN ICON OF WOMAN EMPOWERMENT / Prativa Deka /105
✦ See the self : upanishadic mysticsm / Bijoy Kr. Das / 107
✦ 'Jou': The Traditional beverage of Boro Tribe of Assam / Monalisha Brahma /111
✦ A SIMPLE STUDY ON GENDER BASED VIOLEN- CE 1N CONFLICT AND POST-CONFLICT ZONEAND THE ROLE OF GENDER 1N CONFLICT RESOLUTION/ Unusar Rahman /113
✦ Larvivorous Fishes / Dr. Rantu Mani Deka / 115
✦ EDUCATION AND COVID-19 PANDEMIC / Nibedita Kalita /117
✦ CONSTITUTIONAL EFFORTS TOWARDS WOMAN'S DEVELOPMENT IN INDIA IN LATE 20 TH CENTURY / Chayanika Das / 121
✦ Article on pollution / Jublee Das /123
✦ Women in Political Movement in Assam / Kangkan Kalita /124
✦ Opium War in China / Kamal Talukdar /128
✦ Potential Of Historical Tourism in Mayong / Dimpi Das /132
✦ Apartheid-Meaning, Beginning & Facts / Latiful Ali /137
✦ Bhakti-an analysis with special reference of society /Ranjit Kalita /139
✦ ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ প্ৰতিবেদন/১৪১-১৫৩
✦ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ সম্পাদকসকলৰ তালিকা/১৫৪

✦✦✦✦

# মই ডাঙৰ হলো ঐ আই

**মৃন্ময় লহকৰ**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰ



জীৱনৰ নতুন স্বপ্ন-
বুকুৰ উমত বান্ধি লৈ,
ওলাই আহিছিলো এদিন
স্বাৰ্থপৰ মহানগৰীৰ আঁৰত জিৰাবলৈ
(মনত পৰেনে আই, তোৰ সেই কথাবোৰ-)

অভিমান.......
ক'ত যে কিমান কৰিছিলো নহয়,
এই মায়ানগৰীৰ মোহত তই হবলা পাহৰাইয় নাই !!
নুশুনি ভুল কৰিছো জান আই
আচলৰ আৰত বহি তই মোক কোৱা কথাবোৰ,
সেয়ে এতিয়া উচুপিছো অ' আই
নিজৰ কপাল ধিয়াই।

চহৰৰ সংগ ভাল নহয় অ' আই
সিহঁতে হোনো মোক......!
মদ-ড্ৰাগছৰ তৃপ্তি কি শিকাই
এতিয়া বৰকৈ দুৰ্বল হৈ পৰিছো জান আই-
মাজে মাজে মূৰৰ কোবে মোক
মৃত্যুৰ ৰঙীন ছবিখনো দেখুৱাই.......।
চাচোন আই, ডাক্তৰ চাহাবৰ কথা
মোৰ হেনো ব্লাড কেঞ্চাৰ।।

মোৰ আৰু বেছি সময় নাই অ' আই
উশাহবোৰো দেখোন চুটি হৈ যায়।
মৃত্যুক বৰ ভয় লাগে জান আই মোৰ
বিশেষকৈ চিতাৰ জুইকুৰালে।।
পাৰিলে,........
এবাৰ আহি যাবি অ' আই
মোৰ চিতাৰ আঁৰত জিলিকি থকা মুখনিত
হেপাঁহ পলুৱাই চুমা খাবলৈ,
তই চাগে নোৱাৰিবি নহয়
পুত্ৰ শোকৰ অন্তিম ক্ষণক জিনিবলৈ।
তথাপি আহিবি অ' এবাৰ
মোৰ মৃত্যুত তোৰ চকুপানীকন মচিবলৈ....।
এতিয়া বিদায় দে অ আই।।
বিদায় দে.....।।

# আশা

**আৰিফুল আলি**
প্ৰাক্তন ছাত্ৰ, বুৰঞ্জী বিভাগ



তুমি শৰততো নাহিলা
মোৰ পদুলিৰ তলসৰা
শেৱালি বুটলিবলৈ,
তুমি ফাগুনটো নাহিলা
পচোৱাক ৰোকোছাত লৈ
প্ৰেমৰ অব্যক্ত সুৰ হৈ
বহাগত আহিবা নেকি?
বৰদৈচিলা হৈ মোৰ বুকুৰ
উৰুখা পজাঁ ভাঙিবলৈ।
জেঠত আহিবা নেকি?
ভাগৰুৱা পথিকৰ টোপনি ভাঙিবলৈ,
মোৰ মন বননিৰ গুটিফল,
আধাখায় আধা এৰি যাবলৈ,
আহাৰ শাওনত আহিবা
নেকি মেঘ- গাজনিৰে বৃষ্টি হৈ
মোৰ দুচকুৰে জীয়াঢল বোৱাবলৈ।
তোমাৰ বাবেই মই অপেক্ষাৰত।
তোমাৰ বাবেই মই জ্বলাইছো
এগছি বন্তি
মোৰ আগচোতালত
তুলসীগুৰিত।

# পোৱা নোপোৱা আশাবোৰ

পৰিস্মিতা লহকৰ,
স্নাতক ষষ্ঠ ষাম্মাসিকৰ ছাত্ৰী

ৰঙীন সপোনে ভৰা নিশাটো
ডুবি আছিল সূৰ্য্য উদয়ৰ ক্ষণ
কুকুৰাৰ ডাকত নৱ আশালৈ নামিল
এন্ধাৰে ঢকা হেঙুলীয়া কিৰণ
নৱ প্ৰভাতৰ গুন গুননিত ডেউকা নামিল
দিগন্তৰ নীলা চুবলৈ যৌৱনা কপৌজনী
নিয়তিৰ খেলাত সৰি পৰিল
ওঠত হাঁহি, বুকুত সপোনলৈ
ডেউকা নচুৱা পখি
মায়াময় নিশা জোনৰ আলোকত
গগন ভৰা তৰাৰ মিতিৰালী
চুমা আঁকিলে কলিয়া ডাৱৰে
জোন ধুনীয়া মুখনিত
কাঁপলীত যৌৱন সনা বুকুত
উপঙিছিল মৰমত মেটেকা
বাৰিষাৰ ঢলে কঠিয়া তলিত
গাঠিছিল পলাসৰ
অশ্ৰুৰ মালাধাৰি।

# প্ৰিয়তমা

ৰাজু শৰ্মা
স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ

মোৰ প্ৰিয়তমা
মোক যে বহুত সুখী ৰূপত দেখিছা তুমি !
দেখিছানে কেতিয়াবা
মোৰ বুকুত জ্বলা জুইৰ ফিৰিঙতিবোৰ
এক অবুজ অনুভৱে হেঁচা মাৰি ধৰে,
উজাগৰী ৰাতি দুচকুত বয়
অশ্ৰুৰ নিজৰা,
কিন্তু প্ৰভাতী কিৰণৰ দৰেই
হাঁহিৰে উপচাও,
কিয় জানানে....!!!
কাকো যে ক'ব নোৱাৰো মনৰ কথা,
মনৰ শোক মনতে মাৰ যায়,
তুমিও নুবুজা মনৰ আৱেগক

আহিবা এদিন নিৰৱে
মোৰ বন্ধ কোঠালীত
খুলি ক'ম মনৰ কথা,
আহিবা এদিন অকলে
চাই যাবা মোৰ প্ৰকৃতৰূপ,
আহিবা নে তুমি...!!!
ৰৈ থাকিম পদূলি মূৰত তোমালৈ
অধীৰ আগ্ৰহেৰে



# বকুল

চাইদুল হুছেইন
স্নাতক তৃতীয় ষান্মাসিকৰ ছাত্ৰ

পদুলি মুৰৰ বকুল
আজি মৰহি গ'ল,
অস্ত সূৰুযৰ কোমল স্পৰ্শও
যেন আৱেগিক হ'ল !
বকুল তই স্বাৰ্থপৰ।
তোৰ উমান পাই
বৰষা নামিছিল,
চেঁচা বতাহেও
তোৰ যৌৱনত
জোৱাৰ তুলিছিল।
শুদা শুদা ক্ষণত
পৰিছে তোলৈ মনত
চৰাইৰ মাততো
সুৰ ধৰিছিল।
তোৰ মিঠা ৰসত।
উদঙাই দিলি তই
ৰঙীন পদূলি
মনত পৰিছে আজি
বকুল তোলৈ শ্ৰদ্ধাঞ্জলী।

# আউলী নৈৰ বাউলী প্ৰেম

**দীপাংকৰ কলিতা**
স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ



উকা উকা বিষাক্ত সন্ধিয়াটোৰ অন্তত
সি মনত কৰিছিল যোৱাবাৰ বাৰিষাত
লগ পোৱা তাৰ প্ৰেয়সীৰ কথা।
মনত পৰিছিল তাৰ ধুমুহাৰ সেই সময়বোৰ
যেতিয়া সি বৈছিল তাৰ প্ৰেয়সীৰ বুকুৰে।

তাৰ পিছত নমা দুৰ্যোগবোৰ,
তাক প্ৰেয়সীৰ পৰা আতৰ কৰা অভিসন্ধিবোৰ
এতিয়াও মনত আছে তাৰ।

আকৌ নামিছিল বাৰিষা,
আকৌ বাঢ়িছিল তাৰ প্ৰেয়সীক লগ পোৱা হেপাঁহবোৰ,
বৈছিল উত্ৰাৱলতাৰ সোঁতবোৰ।

শেষ হৈছিল বাৰিষা,
শেষ হৈছিল তাৰ সপোনৰ বৰষুণ।
কিন্তু ৰোৱা নাছিল তাৰ প্ৰেয়সীক লগ পোৱা
হেপাঁহৰ সোঁতবোৰ।
গভীৰ হৈ থকা তাৰ বুকু ভৰিছিল
সপোনৰ আৱৰ্জনাৰে।
মাথোঁ অপেক্ষা আছিল তাৰ শুভাকাংক্ষী বাৰিষালৈ।

অপেক্ষাৰ অন্ত ! বৰষুণৰ সেই নিতাল সন্ধিয়াটোত
আৰম্ভ হৈছিল তাৰ মাতাল যুদ্ধ,
তাৰ সপোনৰ যুদ্ধ,
তাৰ প্ৰেয়সীক নিজৰ কৰা যুদ্ধ।
আৰম্ভ হৈছিল গৰাখহনীয়া,
তাৰ সোঁতবোৰ হৈছিল শক্তিশালী

বাৰে বাৰে আঘাত কৰিছিল,
উপত্যকাৰ মাথাউৰিত।
তাৰ প্ৰহাৰত চূৰ্ণীকৃত হৈছিল মথাউৰি,
তাৰ উত্ৰাৱলিত সোঁতবোৰ বৈছিল
সেই ভগা মথাউৰিৰ বুকুৰে।

এক হৈছিল দুয়ো,য'ত নাছিল কোনো বাধা,
নাছিল কোনো প্ৰাচীৰ।
য'ত আছিল মাথো নিৰৱতা ভংগ কৰা,
দুয়োৰে সোঁতৰ কোলাহল।
আনন্দতে দুয়ো বৈছিল বহু দূৰলৈ
বহল হৈছিল দুয়োৰে মৰমবোৰ,
সৃষ্টি কৰিছিল সিহঁতৰ সতি-সন্ততিবোৰ
আজিও দুয়ো বৈ আছে,
দুয়োৰে বহল বুকু এক কৰি।
প্ৰেমৰ গভীৰতাৰে,
য'ত নাই কোনো বাধা,
নাই কোনো প্ৰাচীৰ,
নাই কোনো উপকূলৰ মথাউৰি।
মাথো চাৰিওফালে তাৰেই ৰাজকতা।

# শান্তি

দৰ্শনা দেৱী
স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী

শান্তি !
মই তোমাৰ বাবে অপেক্ষাৰত,
মই জানো মোৰ বাবে তুমি বৰ্তমান অপ্ৰাসংগিক।
এতিয়া মোৰ বাবে তুমি মাথোঁ এটি শব্দ !
তথাপি মোৰ স্বপ্নই বাৰে বাৰে খেদি ফুৰে তোমাক
হৃদয়ে কঢ়িয়াই তুমিহীনতাৰ বেদনা।
যেতিয়াই নৈৰাশ্যতাই
মোক লৈ যাব খোজে অতল গহ্বৰলৈ
তেতিয়াই মই খামুচি ধৰো
তোমাৰ বাবে গঢ়ি উঠা আশাৰ বৃক্ষজোপাত
কিন্তু, এতিয়া যে তুমি মোৰ বাবে
মৰুভূমিৰ এক মৰীচিকা।
যি মৰুভূমিৰ উষ্ণতাই মোক
লাহে লাহে ৰূপান্তৰ কৰিছে জীৱন বিমুখীতালৈ
তথাপিও মই আশাবাদী হৈ ৰওঁ
মোৰ মনৰ মৰুভূমিত তুমি
এডাল কেক্টাছ হ'বা বুলি
দুৰ্বোধ্য বাস্তৱৰ ভয়ংকৰ বিভীষিকাৰ
সন্মুখীন হোৱা মুহূৰ্তত
মোৰ মন দিগন্ত ৰঙীন হৈ উঠিব খোজে
তোমাৰ হেঙুলী আভাৰে
মই তুমি হৈ উৰিব বিচাৰোঁ
এই পৃথিৱীৰ প্ৰান্তে প্ৰান্তে
তোমাৰ দ্বাৰা প্ৰতিষ্ঠা কৰিব বিচাৰোঁ
মোৰ কল্পনাৰ ৰাম ৰাজ্য
শান্তি !
আহিবানে তুমি মোৰ স্বপ্নৰ পৃথিৱীলৈ
তোমাৰ অপেক্ষাত মোৰ অন্তৰত
উদ্ভাষিত জ্বলোচ্ছাস নিগৰে অশ্ৰু হৈ ।
তুমি আহিবই লাগিব।
এই অন্ধকাৰ ৰাত্ৰিৰ গভীৰতা আঁতৰাই
জন্ম দিব লাগিব নৱ প্ৰভাতৰ।।



# আবেলি পৰৰ কবিতা

**হিৰণ্য তালুকদাৰ (প্ৰাক্তন ছাত্ৰ)**
কালাগ, বৰভাগ, নলবাৰী

ৰঙচুৱা বেলিটোৱে চুইছেহি জাতিবাঁহৰ আগলি
দিন এটাৰ যেন
শেষৰ টো এঙামুৰি।

তোমাৰ শেতা হাঁহি
ঘোলা চাৱনি
মূক হৈ পৰিছে তৰাফুলৰ জোনাক।

মই চুই চালোঁ তোমাৰ দুহাতৰ শীৰ্ণকায় আঙুলি
ৰ'দে ধুই নিয়া শুকান চৰ্ম
তোমাৰ আঙুলিৰ ফাঁকেৰে সৰি পৰিছে
গাভৰু দিনৰ সূৰ্য।

এতিয়া তুমি তুমি নহয়
এতিয়া মই মই নহয়।
এতিয়া দিন এটা দীঘল সোঁৱৰণিৰ বাট।

এতিয়া তোমাৰ হাঁহিত ফুলি উঠা নাই
জলফাই টেঙাৰ ৰ'দ।

# উচ্ছেদৰ জাননী

**দণ্ডীৰাম দাস**
প্ৰাক্তন ছাত্ৰ, বৰভাগ মহাবিদ্যালয়

তাই
ওৰেটো দিন সূৰ্যটো মূৰত লৈ
বিচাৰি ফুৰিছে
শিপামেলি থিয় হৈ থকা
বৃক্ষজোপাৰ ছাঁ

তাই জানে
শিপাৰে কুঁহিপাতলৈ বগাই অহা
বিষাক্ত পোকবোৰৰ কথা
তুমি নিঃসন্দেহে ক'ব পৰা
তোমাৰ দুখৰ কথা

তাই জানে
দুখৰ সৈতে কেনেকৈ সহবাস কৰিব পাৰি

শিল ভাঙি ভাঙি
শিল হোৱা হাত দুখনেৰে তাই ছবি আঁকে
কঠিন শিলবোৰৰ বুকুফালি
কেনেকৈ ফুল ফুলাব পাৰি
তাইৰ জীৱনৰ বাটত এটা সোনালী সপোন

তাই জানে
নাঙঠ সপোনৰ বুকুৰে কেনেকৈ খোজ কাঢ়িব পাৰি

মন গ'লেই তুমি খুলিব পৰা
তাইৰ দুৱাৰ
তাই কোনোদিনে কৰা নাই বিচাৰ
বৰণ-বৰ্ণ
দিয়া-নিয়াৰ

দুখৰ বেচত নাথাকে তেজৰ দাম
ভোকৰ উশাহ টানি
শুই পৰে তাই ৰাতিৰ কোলাত

কেতিয়াবা সাৰ পাই উঠে
ৰাতি আহে নেকি হাতী
ডিঙিত ওলোমাই উচ্ছেদৰ জাননী।।



# ৰজা

**হিমাংশু প্ৰসাদ দাস**
বিশিষ্ট কবি

বহুজনে মানি লোৱাৰ বাবেই-
এজন ৰজা হয় ৰজা
আদেশ শুনিবলৈ বহুজনে আছে বাবেই
এজন ৰজা হয় ৰজা
এখন দেশ- এজন ৰজা
এখন দেশ- অলেখ প্ৰজা
দুখন দেশৰ যুঁজ নে দুজন ৰজাৰ যুঁজ
ৰজাই পায় বিজয়ীৰ সন্মান- প্ৰজাই পায় শ্বহীদৰ
প্ৰজা আছে বাবেই ৰজা হোৱাৰ নিচা
ৰজা হৈ থাকিবৰ বাবেই
প্ৰজাক নিচাত ৰখাৰ আখৰা।
ৰজাবোৰ ৰজা হৈ থাকিবৰ বাবেই
কিমান যে মিছা কথা....।
এজন ৰজাক আঁতৰাই আন এজন ৰজা
তাৰ পিছত আৰু এজন
তাৰ পিছত আৰু এজন।
ৰজাবোৰ সলনি হয়- সিংহাসন একেই থাকে
ৰজাবোৰ সলনি হয়- আদেশবোৰ একেই থাকে
পিছে, প্ৰজাবোৰ ৰজা নোহোৱালৈ
ৰজাবোৰো জানো নিৰাপদ
অনাগত সকলোবোৰ সময়লৈ ।



# বহাগ

# জোনবাই

সাগৰিকা দেৱী
স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী

সুদূৰত তোৰ হাঁহিটো
খুবেই ধুনীয়া লাগিছে জান
মন মুগ্ধ কৰে এই হাঁহিটোৱে
তোৰ কোলাত মুৰ থৈ
মুকলিকৈ উশাহ লৈছোঁ আজি
মুকলি আকাশৰ তলত।

আকৌ বিচাৰি পাইছোঁ আজি
পুৰণিৰ সেই মিঠা সুবাস,
আজি আকৌ আপোন পাহৰা হৈছোঁ
তোমাৰ পৰশ পাই.....
তুমি কিয় ইমান ধুনীয়া অ'
জোনবাই !

## বহাগ

কাবেৰী ডেকা
স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী

বহাগ মাথো এটি মাহ নহয়
দি যায় সি সৃষ্টিৰ বতৰা
ৰিব্‌ৰিব্ মলয়াই সুহুৰি বজায়
হিৰ্‌হিৰ্ শব্দই মাদল কোবাই
বৃষ্টিয়ে আনে সৃষ্টি
নৈ হয় যৌৱনমতি।
বহাগ মাথো এটি মাহ নহয়
দি যায় সি সৃষ্টিৰ বতৰা
এজাৰ ফুলে, পলাশ ফুলে
কুলি-কেতেকীৰ সুৰলা মাতত
ভাল পাওঁ মই বহাগক
হিয়াৰ আপোন সি
দেও দি যায় হৃদয়ত
বহাগ মাথো এটি মাহ নহয়
দি যায় সি, সৃষ্টিৰ বতৰা।

# শব্দহীন কবিতা

**ৰক্তিম ভৰদ্বাজ**
স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ



এখন উকা কাগজ আৰু কিছু বহুৰঙী আক্-বাক্
নীলাৰ বুকুত শুকুলা মেঘৰ ধীৰ গতি
উদিত সূৰ্য্যৰ সেন্দুৰীয়া ফেঁটি
মৌপিয়া চৰাইৰ ধেনুভেৰীয়া ঠোঁট
দিন-ৰাতি, ৰ'দ-বৰষুণ, স্বৰ্গ-মৰ্ত্য...
সেউজীয়া পাহাৰৰ খলা-বমা
কংক্ৰিতৰ মায়াপুৰী...।

বহুৰঙী আক্-বাকৰে
এখন জীৱন্ত ছবি

হৃদয়ৰ ছন্দময় অনুভুতি....
ছবিয়ে কথা কয়, গান গায়
মিছিকিয়াই হাঁহে, হিয়া উজাৰি
কান্দে !

চুকে কোনে উৰি ফুৰে
সুখৰ সংজ্ঞা বিচাৰি
সাক্ষী হয় অলেখ বেদনাসিক্ত অন্তৰৰ।
সময়ৰ সাচিপাতত
চিত্ৰকৰৰ মনৰ দাপোন...
লোক কৃষ্টিৰ এক স্বচ্ছ প্ৰতিচ্ছবি।

চঞ্চলা নিজৰাৰ ধাৰ
অব্যক্ত-প্ৰণয়ৰ সংযমহীন অভিব্যক্তি
শোষণৰ বিৰুদ্ধে মৌন শোভাযাত্ৰা
যুদ্ধজয়ৰ বৰ্ণিল ইতিহাস।

বুকুত কঢ়িয়াই ফুৰা
এটি শব্দহীন কবিতা।

# পূৰ্ণ মোৰ বুকুৰ ডায়েৰী

**পাৰবিন মেহেৰ চুলতানা**
স্নাতক পঞ্চম যান্মাসিকৰ ছাত্ৰী

বিষাদময় জীৱনৰ হুমুনিয়াহবোৰেৰে লিখা আছে,
মোৰ বুকুৰ ডায়েৰীত এহাল ব্যৰ্থ প্ৰেমিকৰ
শেতা পৰা হাঁহিৰ শব্দবোৰ।
অতীত নামৰ পৃষ্ঠা লুটিয়াই চাব মই নোৱাৰো
ক'লা পৰা কলিজা কঁপি উঠিব দুনাই।।
নতুনকৈ লিখিবও নোৱাৰো মোৰ উশাহবোৰে
কষ্ট পাব।।
পাহৰিবও নোৱাৰো জীৱনে ধিক্কাৰ
দিব মোক।
অসম্পূৰ্ণ হ'লেও সপোনবোৰক দায়ী
নকৰো
তথাপিও পূৰ্ণ মোৰ বুকুৰ ডায়েৰী।।

# পাৰ্থক্য

দেৱাশীষ গোস্বামী
স্নাতক তৃতীয় ষান্মাসিকৰ ছাত্ৰ



হয় পাৰ্থক্য, পাৰ্থক্য আছে,
সকলোতে পাৰ্থক্য আছে।
সিহঁতৰ বিলাসিতাবোৰৰ লগত
তাৰ সৰলতাবোৰৰ পাৰ্থক্য আছে।।

পাৰ্থক্য আছে সিহঁতৰ ছাদবোৰৰ লগত
তাৰ ভগা জুপুৰিৰ ওপৰত পৰা,
বৰষুণৰ টোপালৰ শব্দবোৰৰ।
তাৰ ভগাবেৰৰ ফাঁকেৰে সোমোৱা
ফাগুনৰ ধুলিকণাবোৰৰ লগত,
সিহঁতৰ মনবোৰৰ পাৰ্থক্য আছে।।
পাৰ্থক্য আছে ৰাতিপুৱা বেৰৰ জলঙাৰে
তাৰ চাঙত পৰা সূৰুযৰ কিৰণৰ
লগত সিহঁতৰ দামী এল.ই.ডি বোৰৰ।
দুপৰিয়াৰ গৰমত, সন্ধিয়াৰ ধুমুহাত
কপা তাৰ শৰীৰৰ লগত সিহঁতৰ
বিলাসীতাৰ পাৰ্থক্য আছে।।
পাৰ্থক্য আছে সিহঁতৰ বিনিদ্ৰ ৰজনীৰ
লগত তাৰ ৰাতিৰ নিৰৱতাবোৰৰ।
সিহঁতৰ আৰামী চকীৰ ওপৰৰ চিন্তাবোৰৰ,
লগত তাৰ ভগা চাঙৰ ওপৰৰ চিন্তাবোৰৰ
এই পাৰ্থক্য মাথোঁ সিহঁতৰ,
মনবোৰৰ, লগতে কামবোৰৰ
য'ত লুকাই আছে,
অগণন মানৱতাৰ যোগ-বিয়োগ।।
কিন্তু,
পাৰ্থক্য নাই মাথো সিহঁতৰ
ৰক্ত সঞ্চালিত শৰীৰৰ লগত
তাৰ ক্ষুৰধাৰ কলমৰ লেখাবোৰৰ।
যি কলমৰ এটা লেখাই যথেষ্ট,
দুয়োৰে মাজৰ পাৰ্থক্য ভাঙিবলৈ।।

# নেদেখা নদীৰ ঘাট

হিৰক জ্যোতি শৰ্মা
স্নাতক প্ৰথম ষান্মাষিকৰ ছাত্ৰ

সময়ৰ সোঁতে সোঁতে
বৈছে নৈ
নৈৰ মাজত বঠাহীন
নাওৰ হৈ-চৈ।
যুঁজৰ বঠা হেৰুৱাই
জীৱন বৈ যায়।
হেৰুৱা বঠা বিচাৰি
নাৱৰীয়াই হাবাথুৰি খাই।
বাৰে বাৰে আগুৱাই
পাৰ হে নাপায়
জীৱন নদীৰ ঢৌত
আশাবোৰ ভটিয়াই যাই।
সপোনৰ সোণালী বাট
বৈ আছে আগলৈ
দিশহাৰা নাওঁ চলাবলৈ
নাৱৰীয়াৰ হৈ চৈ
অদৃশ্য হ'লেও হয়টো
আছে কৰবাত
নেদেখা নদীৰ ঘাট !

# অতীত সুঁৱৰি

**কৰিস্মা ৰেজবৰুৱা**
স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী

অতীত সুঁৱৰি
পিছুৱাই নাযাবা
পুনৰাই নাহে আগুৱাই
যি গ'ল গলেই
সেয়া মাথো অতীত স্মৃতি
ভাবি থাকি
মন কষ্ট ভুগি
কোনো লাভ নাই।।
ফুলাম গামোছাখন
ডিঙিত ললেই
নেতা হ'ব নোৱাৰি,
যদিহে গুণগত অৰ্হতা নাথাকে
বক্তৃতাৰ ফুল জাৰিৰে
মঞ্চ কপালে
প্ৰকৃত দেশ সেৱক হ'ব নোৱাৰি
যদিহে কুকৰ্মত ব্ৰতী হৈ
স্বাৰ্থৰ বাবে কৰে অভিনয়।।
এন্ধাৰ বিনাশিবলৈ
পোহৰৰ হয় প্ৰয়োজন।
'সমাজ গঢ়িম'
মনোভাৱেৰে
দেশ সেৱা'
কৰাৰ প্ৰতিশ্ৰুতিৰে
প্ৰকৃত নেতা হব নোৱাৰি
ত্যাগ আৰু আদৰ্শৰে।।
ৰজা হোৱাৰ
সপোন ত্যাগ কৰি
সন্যাসী ৰূপেৰে
সকলো প্ৰাণীকে আত্মজ্ঞান কৰি
মায়া-মোহ ত্যাগ কৰিলেহে
অতিত হৈ পৰিব মহান
এয়া মোৰ নহয় নীতিবচন।।





# কেনভাচ

**তুষাৰ শৰ্মা**
স্নাতক তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ

সপোনবোৰ থানবান হৈ ভাঙিব
ধৰিছে
সেউজীয়া পাহাৰখনৰ পৰা
জিৰজিৰকৈ বৈ অহা পানীবোৰ
এতিয়া যেন স্তব্ধ হৈ পৰিছে??
দূৰণিৰ নীলা আকাশখন
ক'লা ডাৱৰে আৱৰি ধৰিছে
অসহায় তাই আজি..
দানৱৰ দৰে মানুহবোৰে
তাইৰ কোমল দেহ তোৰ
সোৱাদ ল'ব ধৰিছে
তাই বাৰে বাৰে চিঞৰি উঠিছিল
মোৰ জীৱনটো এখন
কেনভাচেৰে অঁকা ছবি নহয়
যাক মচি আকৌ আকিব
এখন ৰঙীন ছবি।

# নাৰী

যুগল কিশোৰ বেজবৰুৱা
স্নাতক দ্বিতীয় যান্মাসিকৰ ছাত্ৰ

নাৰী তুমি বৰ ৰহস্যময়ী
তোমাৰ ক্ষণময়ী অৱতাৰ আচাৰ্য্যময়
তুমি কেতিয়াও সলনি নোহোৱা
পৃথিৱীৰ দীঘল পৰিধি
তুমিয়েই এই ধৰাৰ
সন্তানৰ জন্মদাতা,
বিপদৰ সময়ত সংহাৰ ৰূপ
তোমাৰ বাবেই আছে
এই পৃথিৱীৰ সৃষ্টি।

তোমাৰ অভাৱক কোনেও
নোৱাৰে কৰিব পূৰণ
ক্ষুদ্ৰ মনৰ বিশাল পৰিধি
জননী হৈ জগত জিলিকিল।
বসুন্ধৰা হৈ জগতভাৰ বহন কৰিলা

সাধৰণ নাৰী হৈ সৃজনী ৰূপমালা
তুমি বৰ কৌশলী
নাৰী তুমি বৰ বৈচিত্ৰময়ী।



# শপত

হিমাশ্ৰী ডেকা
স্নাতক তৃতীয় যান্মাসিকৰ ছাত্ৰী

পঢ়া-শুনা কৰি আমি
ভাল মানুহ হ'ম,
কাৰো ক্ষতি নকৰিম
এই জ্ঞান ল'ম।
সকলোকে আদৰিম
যেন ভাই-ভনী,
এক জাতি এক প্ৰাণ
এই কথা মানি।
সত্যৰ আলোকেৰে
জিনিম হৃদয়, মন
নতুন সূৰুযৰ
নৱ শুভ জাগৰণ।
নালাগে আমাক ধন,
লাগে মাথোঁ এটি মন,
সুন্দৰৰ সাধনাত
নতুন জীৱন প'ণ।
মনত কেতিয়াও
বেয়া ভাব নাৰাখি
সকলোৱে সুখে-দুখে
থাকিম আমি ঘৰত।

# জীৱন যুদ্ধ

পাৰ্থপ্ৰতীম শৰ্মা
স্নাতক তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ



এয়াই জীৱন
হাঁহি কান্দোন ব্যৰ্থতাৰে ভৰা,
অন্ধ মায়া মোহে আবৰা
এটি নিষ্ঠুৰ জীৱন।
ক্ষণে ক্ষণে পলে পলে
চক্ৰবেহু সাঁজি আঁৱৰি ধৰে,
মুক্ত হোৱা কঠিন
বিফল জীৱন।
তথাপি মনত সাজি
অকলে আগুৱাই যোৱা,
পণ হ'ব লাগিব মুক্তি
বাধাৰ প্ৰাচীৰ।
দুখৰ প্ৰতিবন্ধক
হেৰা এৰা ! পৰিহাৰ কৰা,
মনৰ দৃঢ়তাৰে সুখৰ বাট
উলিয়াই লোৱা।
মনৰ গভীৰ চিন্তন
কৰি লোৱা সাৰথি,
নহ'লে সমাপ্তি নহ'ব
জীৱন যুদ্ধ।।

# সুখৰ ছাতি

**পংকজ কুমাৰ কলিতা**
প্ৰাক্তন ছাত্ৰ, বৰভাগ মহাবিদ্যালয়

বুকুৰেদি পোনাই
কলিজা নামৰ কেঁকুৰিটো ঘুৰিলেই
মোৰ নতুন ঠিকনা
বিষাদ চহৰ !

সম্প্ৰতি এই চহৰৰ বাসিন্দা মই
বিষাক্ত য'ত হাঁহি নামৰ নদীখনি
সুখবোৰ আবৰ্জনা

সম্প্ৰতি এই চহৰৰ বাসিন্দা মই
নীৰৱে স্বপ্নৰ বেহেলা বজাও
সুৰবোৰ বিচাৰি নাপাও

এনেতে এজাক মুষলধাৰ বৰষুণ
তিতি উঠা বুকুৰ বাট !
ছাতিটো ক'ত
সুখৰ ছাতি !

# Lockdown ৰ কবিতা

## সৌ সিদিনালৈকে......

(এটা অচিন কীটৰ সন্ত্ৰাসৰ অন্য এক অনুভৱ)

**ফনীধৰ ডেকা**
অৱসৰ প্ৰাপ্ত ভাঃ অধ্যক্ষ

হয়, সৌ সিদিনালৈকে...
বালিবাহি টেক্টৰৰ কৰ্কশ শব্দত
ভাঙিছিল মোৰ পুৱাৰ টোপনি....
যান্ত্ৰিকতাৰ বেসুৰা ৰেৱাজত হেৰাইছিল
মাজনিশাৰ কেতেকীৰ মাত,
প্ৰত্যুষৰ কুলিৰ পঞ্চসুৰ.....।
হয়, সৌ সিদিনালৈকে,
ডায়েৰীৰ পৃষ্ঠাত নুজুৰিছিল,
মোৰ দৈনিন্দিন কাৰ্যসূচীৰ তালিকা...
কলেজৰ দায়িত্ব, সভা-সমিতিৰ আৰ্জি,
নিমন্ত্ৰণ ৰক্ষাৰ প্ৰসঙ্গ,
ৰাতিৰ সাজৰ 'লোকেল' ৰ তাগিদাত
আঠ বজাত 'দ্বিতীয়' বজাৰ যাত্ৰা...
উস্, চৌৱিশ ঘন্টা..... কিমান যে কাম !!
শুবলৈ নিমিলে চাৰিটা ঘন্টা.....!

হয়, সৌ সিদিনালৈকে
বিশ্ব শান্তিৰ ! স্থানীয় ধৰ্মানুষ্ঠান সমূহত
সভাপতিৰ পদবীৰে মযে লভিছিলো দ্বিজত্ব !
গেৰুৱা অথবা শুভ্ৰ বসনমালাই
পৰিচয় দিছিল মোৰ ধৰ্মীয় সত্তাৰ...
ৰাতি বাৰ বজাতো লুটিয়াও, পিচদিনাৰ ডায়েৰী,
নহলে যেন স্তব্ধ হ'ব পৃথিৱীৰ এটা অংশ !!!

হয়, সৌ সিদিনালৈকে
পাঁচখনকৈ বাতৰি কাকতে
বাৰাণ্ডাত বিজ্ঞাপন দিছিল মোৰ ষ্টেটাছ চিম্বলৰ !
যাৰ হেডলাইন কেইটা পঢ়াৰ নামত
মোৰ লগত নাছিল পাচমিনিটকৈ সময় !!
ডি এ, এৰিয়াৰ, ৰিভাইচ
চেকেণ্ড প্লট, থাৰ্ড ফ্লোৰ আদি ফৰ্মাইচৰ মাজত
হেৰাই গৈছিল মোৰ বৃদ্ধ মা-দেউতা,
কৃষক ভাইটো, শুভাকাংক্ষীসমাজ
গাঁৱলীয়া স্বভাৱজাত নিভাঁজ সপোনবোৰ !!

আৰু আজি.....
এক অচিন ঘাটকৰ সন্ত্ৰাসৰ আৱৰ্তত
গৃহবন্দী মোৰ জীৱশ্ৰেষ্ঠ(!) সগোত্ৰীয়
ত্ৰি ভুৱনৰ অধীশ্বৰৰ ঠিকনা কোঠাৰ চাৰিবেৰ !
সৌ সিদিনাৰ পেপাৰৰ অনাদৃত পৃষ্ঠাত
অথবা টেলিভিছনৰ পৰ্দাত,
অহৰ্নিশে আৱিস্কাৰ কৰিছো মাথোঁ মানুহ।
ৰোম, বাৰ্লিন, পেৰিছ, লণ্ডন, দিল্লী, মুম্বাই
নিউইয়ৰ্ক, তেহৰান, মস্কো অথবা ৱাচিংটন,
বিচাৰি ভাগৰিছো- সভ্যতাৰ ভেম অথবা
সৌ সিদিনাৰ যান্ত্ৰিকতাৰ খদমদম !!
চৌদিশে মাথোঁ নিস্তব্ধতা- মৰিশালিৰ
সকৰুণ পৰিণতি জীৱশ্ৰেষ্ঠ !

সৌ সিদিনালৈকে
হিন্দু, মুছলমান, খৃষ্টান হোৱা ধাৰ্মিকবোৰ
আজি দেখোন মানুহ হ'ল !!!
অনুভৱৰ দলিচাত আৱিস্কৃত হলো
শৈশৱৰ 'ধুলিকনা মই' ।
প্ৰকৃতিৰ পৰিয়ালৰ সকলোকে ঠগি
যুগে, যুগে সৃজিলো মোৰ আমোদৰ ৰহঘৰা
যি আজি ৰূপান্তৰিত হ'ল
এক বিংশ শতিকাৰ জতুগৃহলৈ...

এৰা সৌ সিদিনালৈকে যিবোৰ আছিল
সেইবোৰ আছিল অনাহুত, অবাঞ্চিত...
.....সেইবোৰ। আজিৰ বোৰত' বিলীন হওক।
হেল্প লাইনত গাৰ্হস্থ্য হিংসাৰ বৰ্ধিত কলবোৰ
নিজামুদ্দিন মাৰ্কাজৰ খবৰবোৰ
বিধে বিধে ভগৱানৰ নামবোৰ..... ইত্যাদি
আজিৰ অবাঞ্চিতবোৰৰো
অৱসান ঘটক অচিন ঘাটকৰ সৌজন্যত......!!!

# স্বাগতম

প্ৰাঞ্জল কলিতা
স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ

স্বাগতম জনাইছোঁ তোমাক
মোৰ পবিত্ৰ জীৱনলৈ
আহিবানে তুমি মোৰ
সপোনবোৰ সাৰ্থক কৰিবলৈ ?

মই জানো, তুমি নিশ্চয় আহিবা
কিন্তু ভয়, লাগে ভৱিষ্যত লৈ ,
ক'ব নোৱাৰাকৈয়ে দুদিনতে তোমাৰ মই
প্ৰেয়সী হৈ গ'লো
হ'বানে তুমি মোৰ সপোনৰ 'সপোন কোঁৱৰ' ?
অপেক্ষা কৰি যাম তোমাক
সদায়..........।

তোমাৰ কাৰণেই মই জন্ম লৈছোঁ
তুমিয়ে মোৰ যাত্ৰাপথৰ আপোন লগৰী
আগবাঢ়ি যাম দুয়ো......
সপোনবোৰ সাৰ্থক কৰিবলৈ।
জীৱনৰ গভীৰ যাত্ৰাপথত হয়তো
তুমি মোক পাহৰি যাব পাৰা,

কিন্তু অন্ধকাৰলৈ ভয় কৰা ছোৱালী মই নহয়
চেষ্টা কৰিম আগবাঢ়ি যাবলৈ
মাত্ৰ তোমাক 'স্বাগতম' জনাবলৈ
মোৰ এই জীৱনলৈ।।



# ভাষা

দিব্যজ্যোতি লহকৰ
স্নাতক তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ

স্নিগ্ধ ভাষা
অনন্ত আশা।
ভাবিছা কেতিয়াবা
বিশ্বৰ শ্ৰেষ্ঠ আৱিস্কাৰ কিবা ?
তুমি ক'বা জুই
সি ক'ব চকা।
মই মাথো হাঁহো ! আৰু হাঁহো
অলপ ৰওঁ আৰু হাঁহো
বলিয়াৰ দৰে হাঁহো।
যি নহলে নাথাকে চিনাকি
নহয় নেকি সৰ্বশ্ৰেষ্ঠ সি ?
ভাবা আৰু ভাবা
অনুভৱ কৰা ভাষা,
আৰু ন'কবা কথা
মাথো অনুভৱ কৰা।
অতীতৰ পৰা ভৱিষ্যতলৈ
বৈ যোৱা চিৰ প্ৰবাহী নদী।
নহয় জানো ভাষা মানুহৰ
শ্ৰেষ্ঠতম্ আৱিষ্কাৰ ?

# ৰোমন্থন এটি সময়ৰ

**নবেন শৰ্মা**
প্ৰাক্তন ছাত্ৰ,সাংবাদিক হিচাপে কৰ্মৰত



কালি গধূলি
হঠাতে অহা বতাহজাকে
মোক সুহুৰিয়াই
জোকাই থৈ গ'ল,

নিলাজ বতাহে
চিঞঁৰি চিঞঁৰি মোক ক'লে
তাহানিৰ স্মৃতিবোৰ,

আলফুলে লিৰিকি বিদাৰি
মোৰ মুৰত গুজিলে
আহিনৰ বৰ্ষাসিক্ত নিৰ্মালি,

সন্ধিয়াৰ
জোনাকত তিৰবিৰাই উঠা
সেউজীয়া মুকুতাবোৰ
বতাহৰ গছ ক'ত হেৰাল,
এই যে ঘাহঁনিৰ মুকুতাবোৰ,
সিহঁতবোৰৰ নাই সপোন
নাই আশা
নাই কোনো শিখৰ বগোৱাৰ হেপাঁহ,

যতে উপজে
ততে মৃত্যু সিহঁতবোৰৰ,

মাথো জীয়াই থাকে
শব্দৰ মায়াজালত
সিহঁতৰ স্মৃতি।।।

# মানুহ

**মঃ ৰমজান আলী**
স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ

মানুহ কিয় লাগে
নাই যদি মানৱতা
সমাজ কিয় লাগে
নাই যদি সংস্কাৰ
ৰাজনীতি কিয় লাগে
নাই যদি সত্যতা
দেশ কিয় লাগে
নাই যদি ভাতৃত্ব
বন্ধু কিয় লাগে
নাই যদি বিশ্বাস
যদি মানুহ হোৱা
মানৱতা আৰ্জি লোৱা
যদি সমাজ বিচৰা
সংস্কাৰ গঢ়ি লোৱা
কু-সংস্কাৰ অন্ধবিশ্বাস ত্যাগ কৰা
যদি ৰাজনীতি লাগে,
সঁচা কৰলৈ শিকা
দেশ যদি বিচৰা
ভাতৃত্ববোধ বজাই ৰাখা
বন্ধু যদি লাগে,
বিশ্বাস গঢ়ি লোৱা।

# বিস্ময়

**অপূৰ্ব চক্ৰৱৰ্তী**
স্নাতক তৃতীয় বৰ্ষ, বিজ্ঞান শাখা

আউল-বাউল হৈ থকা চুলিটাৰি
খোপা বান্ধি লৈ তাই ওলাই গৈছে,
যান্ত্ৰিকতাৰ চহৰত নিজকে ব্যস্ত কৰিবলৈ।
ধুলিময় পথৰ যান-জঁটৰ কাষেৰে
আগবাঢ়ি যোৱা পদপথেৰে তাই
ধাৱমান হৈছে, তাইৰ সোণালী
সপোনৰ দিশলৈ।
অৱকাশ নোহোৱা সপোনৰ অৱশেষত তাই
এটা ঠাইত থমকি ৰৈছে,
আৰু দুই ওঁঠত বিৰিঙাইছে
শান্তিৰ এক সন্তীয়া হাঁহি।
আৰু সেই হাঁহি লৈয়েই
তাই উভতিছে,
পুনৰ এক নতুন পদপথেৰে,
য'ত তাই প্ৰতিদিনে এৰি দিয়ে
প্ৰতি শ্ৰুতিবদ্ধ এটা এটা
ব্যস্ততাৰ খোজে।।



# মোৰ সপোনৰ স্বৰগখনি

**বৰষা কাকতি**
উচ্চতৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী

সোণৰ দেউকা কান্ধত পিন্ধি
আহিলো জিলিকাম বুলি
দেখিলো সেই নেদেখা
সুন্দৰ স্বৰগখনি।

এটোপ এটোপকৈ হয় এসাগৰ পানী,
এখোজ এখোজ আগুৱালো
সফলতা আনিমেই বুলি।
তুমি দিয়া জ্ঞানেৰে
তোমাকে দিম দান
নিদিও হ'বলৈ কাহানিও
তোমাৰ অপমান।

# এখন নদীৰ দুখ

**মধুস্মিতা দাস**
স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগ

জঠৰ হোৱা আকাশখনে
হেৰাই পেলাইছিল তাৰ সজিৱতা
মেঘবোৰো ঘূৰি ফুৰিছিল ৰং সলাই
কজলাৰ পৰা শুকুলালৈ
দুখীয়া নৈ খন
লাহে লাহে ক্ষীণাই গৈছিল।
দুৰ্বল হৈ পৰিছিল তাইৰ বুকু
যেতিয়া খননৰ খাবে পৰিছিল শেনচকু।
এতিয়া নৈ খনৰ খোজবোৰ
একেবাৰে লেহেমীয়া,
আহো বুলিও আহিব নোৱাৰে পাৰলৈ।
মানৱতাই ভূ-লুণ্ঠিত কৰা
নদীৰ গাঁত
আজি অজস্ৰ তেজৰ দাগ।
এইখন নদীয়ে আছিল খৰস্ৰোতা
ওফন্দিছিল ফেনে-ফোটোকাৰে
প্ৰাচুৰ্যৰে ভৰাই তুলিছিল
ধাৰৰ বুকু সংগোপনে।
অজস্ৰ সপোন ডিঙা খেলিছিল
এইখন নদীৰ বুকুতেই।
নৈখনৰ আজি এটাই দুখ
ইচ্ছা কৰিও সলাব নোৱাৰে
নিজৰ ৰূপ।



# আপুনি আহিব

**অনামিকা কলিতা**
স্নাতক দ্বিতীয় বৰ্ষ, শিক্ষা বিভাগ

আপুনি আহিব বুলি গোটেই সন্ধিয়াটো
জপনাখনৰ ওচৰতে বৈ থাকিলো,
তুলসী জোপাৰ চাকিগছেও
জীপাল কৰি ৰাখিছিল সন্ধিয়াটো।
পদুলিৰ তগৰ জোপাইও
সুগন্ধিত কৰিছিল চৌপাশ......
আকাশৰ জোনবাইও মিচিকিয়াই
লুকাই গৈছিল ডাৱৰৰ মাজলৈ
হয়টো আপুনি অহাৰ উমান পাইছিল।
প্ৰকৃতিৰ বুকুত নতুনকৈ পোখা মেলিছিল
বসন্তই
হয়টো আপুনি অহাৰ বাতৰি লৈ ।
ক্ৰমান্বয়ে সময় বাগৰি গ'ল
তুলসী জোপাৰ চাকিগছো নুমাই গ'ল,
আকাশৰ জোনবাইটি ক'ৰবাত হেৰাই গ'ল।
পদুলিৰ বকুল জোপাও মৰহি গ'ল।
হয়টো আপুনি নহাৰ বাতৰিটো সিহঁতে
আজি আকৌ গম পাই গ'ল।
মই হঠাৎ কেলেণ্ডাৰ খনত তাৰিখটি চালো
আপুনি মোক এৰি যোৱা আজি বহু দিনে
হ'ল।

# এখন প্ৰেমৰ নদী...

মানিক চন্দ্ৰ নাথ
সহকাৰী অধ্যাপক, ইতিহাস বিভাগ
বৰভাগ মহাবিদ্যালয়, নলবাৰী

প্ৰেমৰ নদী দেখিছানে তুমি !
নাই দেখা, শুনাওঁ নাই !!
কি আচৰিত তুমি আজিও দেখা নাই , শুনা নাই
ওঁহো নাই শুনা, নাই দেখা
তোমাৰ প্ৰতিটো সুখ-দুখৰ সাক্ষী হোৱা
য'ত তুমি আনন্দৰে সাতুৰি আত্মহাৰা হোৱা
এনে সুন্দৰ অপৰূপ নদীখন দেখা নাই তুমি !
আৱেগৰ জোৱাৰতু নিৰবিচ্ছন্নভাৱে বৈ যায়
বিপদৰ হাজাৰ প্ৰতিবন্ধকতাকো নেওঁচি
নিজ গতি পথত সদায় সুচল
অবিৰত সময়ৰ পৰা অনাদি সময়লৈকে বৈ থাকে
তেনে বিশাল নদীকো তুমি চিনা নাই !
যাৰ গুণ আৰু ৰূপৰ কাৰো সৈতে তুলনা নহয়
যি নদীৰ ধাৰে কাকো সৰ্বস্বান্ত নকৰে
যি নদী হয় আৰ্তজনৰ সহায়ৰ একমাত্ৰ ভৰসা
এনে সৰ্বগুণী সৰ্বব্যাপী থকা নদীক তুমি জনা নাই।
শব্দৰ কথোৱা মাত, হাই-উৰুমিৰ উৎশৃঙ্খলতাত
অশান্তিৰ পথাৰতো শান্তিৰ প্ৰতিমূৰ্তি হৈ
দুৰ্দশা, হতাশা, আনন্দ, হাঁহি আৰু কান্দোনত

ভাৰাক্ৰান্ত হাজাৰ বিজাৰ জনৰ একমাত্ৰ
আস্থা, প্ৰশান্তিৰ চিনাকি ঠাই এই নদী
তথাপি তুমি চিনা নাই আজিও !!
শুনা তেন্তে চিনাকি কৰি দিওঁ এই নদী
সৃষ্টিৰ আদিতে আছিল প্ৰবাহিত হৈ, অনাদি কালতো থাকিব
সাগৰ সদৃশ গভীৰতা, নদীৰ দৰেই কোৱাল নদী
হিমালয়ৰ দৰে স্থিৰ, বৰফৰ দৰে চেঁচা
ৰ'দৰ দৰে উত্তাপ, বায়ুৰ দৰে প্ৰশান্তি
এইয়া মোৰ আইৰ অন্তৰৰ কোঁহে কোঁহে
সাৰে থকা এখন মৰমৰ নদী।।



# তেজৰঙী গাভৰুজনী

আমানুৰ হক
স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰ

সুৰভী শীতল তোমাৰ পৰশ লাগি,
হেৰুৱালো মোৰ ৰিক্ত হৃদয়ৰ ডোঁৱাৰ।
"তোমাৰ এই গোলাপী ওঁঠৰ আঁৰে আঁৰে
আছে জানো কিবা ভাষা ?"
মাজে মাজে বুকুৰ নৈয়েদি
ওপঙি আহে আবিৰ ভাবনা,
অতি নিকা, অতি বিতোপন।
উফ্..... খিড়িকীৰে বাউলী দিয়া সেই
চুলিতাৰী,
তোমাৰ পিৰিকিয়াই চোৱা চকু যুৰি,
কুলিৰ কোলাহল এৰি
চকুৰ আগত যেন ৰূপালী পৰ্দাৰ ছবি,
তোমালৈ ভাবৰি স্ফৰিত নেত্ৰেৰে,
মাথো আছিল আগ্ৰহপূৰ্ণভাৱে
তোমালৈয়ে দৃষ্টিপাত।
মোৰ তুলিকাৰে তোমাৰ কেনভাছত
আঁকিম আমাৰ প্ৰতিকৃতি,
ত্ৰিদিশৰ দিগন্ত মুকলি।

# কলিজা তিয়োৱা বাট

ড°কুকিলা গোস্বামী
বৰভাগ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী



বাটবোৰ পুৰণি হ'ল
অতদিনে

কত দিনৰ
কত যে হেপাঁহৰ ছবি আঁকিলো
বাটবোৰত খোজ থৈ

ক্ৰমশঃ গভীৰ হৈ অহা
পুৰণি প্ৰেমৰ সম্পৰ্কৰ দৰে গোন্ধায়
কলিজাত খোদিত বাটবোৰ

বাটবোৰক কেতিয়াবা মোৰ
গোল নেমুৰ আচাৰৰ দৰে লাগে

আয়ে যে আইনাৰ বটলত
টুপ থকা ঢাকোন মাৰি সাঁচি ৰাখে
বছৰৰ পিছত বছৰ
যিমানে পুৰনি হয়, সিমানে ভাল হয়

বাটবোৰে মুখৰ কৰি ৰাখে
মোৰ, বুকুৰ চোতাল

পোহৰ কৰি থয়, নিৰলে
কিৰিলী এজাকক হৈ
বন ফৰিঙৰ দৰে জপিওৱা
হাঁহিৰ নিজৰা হৈ...

শৈশৱৰ চিনাকি বাটবোৰত
আপোন মনে মই ঘূৰি ফুৰোঁ
দুচকু মুদি মুদি

চকু মেলিলেই যে
ক'ভিড আক্ৰান্ত ৰোগীৰ দৰে
বাটবোৰে হেৰুৱাব চিনাকি গোন্ধ
উশাহ হেৰুৱাব খুজিলে
ক'ত পাম অক্সিজেনৰ চিলিণ্ডাৰ

মই, মোক বিচাৰি
ঘূৰি ঘূৰি
উভতিব লাগিব
শূন্য দুহাত লৈ
ভগা হিয়া খামুচি
তাতকৈ
সপোনতে জীয়ন দি থোৱা ভাল
মোৰ কলিজা তিয়োৱা
হেপাঁহৰ বাটবোৰ।

# মোৰ মাতৃভূমি

জুমি কলিতা
স্নাতক তৃতীয়বর্ষ

সুন্দৰ মোৰ অসম ভূমি
ৰূপৰ তুলনা নাই,
বিশ্বৰ শ্ৰেষ্ঠ সবাতকৈ শুৱনি
সেউজৰ তীৰ্থ ঠাই।
শস্যশ্যামলা সুজলা সুফলা
অ মোৰ মাতৃভূমি
তোমাৰ শুৱনি মাতে
বিশ্ব আছে চানি।
মোৰ দেশ মোৰ প্ৰাণ
হৃদয় স্পন্দন তোমাৰ নাম
ৰাখিব খোজা তোমাৰ মান
সেয়েহে হেজাৰ বাৰ কৰো প্ৰণাম।
পাহাৰ ভৈয়াম শুৱনি কৰি
নৈ নিজৰা বোৱাইছা তুমি
অ মোৰ প্ৰাণৰ মাতৃ
বিশ্ব প্ৰকৃতিৰ বাণী।



# কলংকিত মানৱজাতি

পৰাগ বৈশ্য
স্নাতক প্ৰথম বাৰ্ষিক

এখন ব্যস্ত চহৰ,
পূৰ্ণিমাৰ কোনো বা এটা অন্ধাকাৰ নিশা।
টিকিম-টামাক ষ্ট্ৰীট লাইটবোৰ ,
তাতেই এজাক নৰ পিশাচৰ মুক্ত বিচৰণ,
এজনী দেৱীৰ এটি বিৰাট চিঞৰ,
সহায়ৰ অজুহাতত শূন্যত ওপঙি থকা কিছু
মানৱতা।
চমুকৈ এটি জঘন্যকৰ হত্যাকাণ্ড
নাম- ধৰ্ষন !!
প্ৰতিক্ৰিয়াত,
এজন পিতৃৰ এটা বিৰক্তি হুমুনিয়াহ,
এজনী মাতৃৰ হিয়াভঙা কান্দোন,
মানৱতাৰূপী এচামৰ বিপ্লৱী চিঞৰ,
পিছলৈ আকৌ নিৰৱতা !!
জীৱশ্ৰেষ্ঠৰ প্ৰতিযোগিতাত
ৰক্তাক্ত আজি মানৱতা
এচাম পিশাচৰ কবলত
আজি কলংকিত এক জাতি
নাম- মানৱজাতি !!
প্ৰশ্ন মাথোঁ এটাই
- আৰু কিমানদিন বাকী ?

# ষ্ট্ৰীট লাইটৰ দেশখন

নিকুঞ্জ শৰ্মা
স্নাতক ষষ্ঠ ষাণ্মাসিক, ৰাজনীতি বিভাগ

ষ্ট্ৰীট লাইটৰ দেশখন,
যাৰ নাথাকে কোনো লিখিত সংবিধান।
এই দেশত নাথাকে কোনো
মন্ত্ৰী-বিধায়ক, নাথাকে কোনো ধৰ্মৰ লেকাম।
ষ্ট্ৰীট লাইটেই যাৰ একচ্ছত্ৰী শাসক.
যাৰ আদেশে মাত্ৰ শাসন নীতি।
নাথাকে ভেদ-বিভেদ, নাথাকে উচ্চ নিচ,
নাথাকে আত্মকেন্দ্ৰীক দালালৰ আহ-যাহ।
নাগৰিকত্বৰ নাথাকে কোনো চিন-চাব,
সেইবাবেই চাগে জন্ম হয় ষ্ট্ৰীট লাইটৰ দেশবোৰ।
এই দেশত থাকে পোহৰ সন্ধানী এজাক নৈশ নাগৰিক
পোহৰৰ সন্ধানত ষ্ট্ৰীট লাইটৰ তলতে প্ৰসৰ কৰে একোখন দেশৰ
বহু দেশৰ দুৱাৰে দুৱাৰে টুকুৰিয়াই
ভাগৰি পৰা এই নাগৰিকৰ থাকে জীয়াই থাকি
মানুহ হোৱাৰ এমুঠি সপোন,
আৰু এই সপোনৰ চাকনৈয়াত সৃষ্টি হয়
ষ্ট্ৰীট লাইটৰ দেশবোৰ।
ভিতৰতে সৃষ্টি আৰু এখন দেশৰ,
সংবিধানৰ ভিতৰতে সৃষ্টি হয় অলিখিত সংবিধানৰ।
শাসকৰ নাথাকে কোনো খবৰ।
যুগে যুগে জন্ম হয় এনে অঘোষিত দেশৰ,
নামেই যাৰ পৰিচয়, ষ্ট্ৰীট লাইটৰ দেশ।
প্ৰতি গণতান্ত্ৰিক দেশৰ হৃদয় সংযোজিত
নাগৰিকৰ অন্তৰাত্মাত লম্বমান হয় এনে
অঘোষিত দেশৰ উত্তম প্ৰতিবিম্ব,
প্ৰহৰে প্ৰহৰে লাঞ্চিত-বঞ্চিত,প্ৰতাৰিত,
নিপীড়িত জনগণৰ কণ্ঠস্বৰ হয় এনে
অঘোষিত দেশৰ জয় গান।
তেন্তে ক'তেইবা থাকিল গণতান্ত্ৰিক
দেশৰ গণতন্ত্ৰৰ মান?



# জীৱন যুদ্ধ

পাৰ্থ প্ৰতীম শৰ্মা
তৃতীয় ষাণ্মাষিক

এয়াই জীৱন -
হাঁহি কান্দোন ব্যৰ্থতাৰে ভৰা,
অন্ধ মায়া মোহে আবৰ।
ক্ষণে ক্ষণে পলে পলে
চক্ৰবেহু সাঁজি আঁবৰি ধৰে,
মুক্ত হোৱা কঠিন
বিফল জীৱন।
তথাপি মনত আজি
পণ হ'ব লাগিব মুক্তিৰ
হেৰা এৰা ! পৰিহাৰ কৰা,
মনৰ দৃঢ়তাৰে সুখৰ বাট
উলিয়াই লোৱা।
মনৰ গভীৰ চিন্তন
কৰি লোৱা সাৰথি,
নহ'লে সমাপ্তি নহ'ব
জীৱন যুদ্ধ।।

# আচলতে আপুনি বিছাৰে কি ?

মৃন্ময় চৌধুৰী
স্নাতক তৃতীয় বৰ্ষ

আপুনি জানে আৰু বিশ্বাস কৰে মোত কৈও
আপুনি অধিক শক্তিশালী
যিদৰে মই নাজানো আপোনাতকৈ মই'
কিহত দুৰ্বল।
আত্ম বিশ্বাস মোৰ ভাল লাগে, আপোনাৰ
অধিক বিশ্বাসত মোৰ সন্দেহ থাকে ....
আপুনি মোক বাৰে বাৰে প্ৰতাৰিত কৰিব খোজে
মই জানো জয়ে আপোনাৰ একমাত্ৰ লক্ষ্য,,
যিদৰে আপুনি নাজানে হাঁৰি যোৱাতো
মোৰ কাম্য নহয় !!
আপোনাক লৈয়ে জমি উঠে মোৰ প্ৰতিটো আদ্দা
কেতিয়াবা যদি প্ৰশংসা, কেতিয়াবা সমালোচনা...
মই জানো আপোনাৰ প্ৰতিটো আদ্দাৰ
ময়েই মধ্যমণি,,
সৃষ্টিৰ চলেৰে মোক ধ্বংস কৰা ষড়যন্ত্ৰ চলে
আপোনাৰ প্ৰতিখন বৈঠকত !!
হয়টো বিশ্বাসত কুঠাৰাঘাত কৰাতো
আপোনাৰ নিচা যি দৰে বিশ্বাসঘাতকক
ঘৃণ কৰাতো মোৰ সংস্কাৰ।
ভালকৈ চকু ফুৰাই চাওঁকচোন এবাৰ,,
প্ৰতিটো বিশ্বাসঘাতকৰ কাঁহিনি পঢ়কচোন এবাৰ,,
সময়ৰ বানত কেনেকৈ বিদ্ধস্ত হৈছে বুজকচোন এবাৰ
আপুনিওঁতো নেদেখা নহয়,, নুবুজা নহয় !!
তথাপিওঁ ??

আপোনাৰ প্ৰিয় শব্দ কি মই নাজানো
মিথ্যাচাৰ নে ভণ্ডামি ??
যিদৰে নাজানো শোষক নে শাসক
আপুনি !!
আপোনাৰ প্ৰতি মোৰ কোনো আক্ৰোশ
অথবা ক্ষোভ নাই, হয়তো মোৰ প্ৰতিও
আপোনাৰ মৰম নাই।
স্বাৰ্থ সিদ্ধিৰ বাবে আপুনি মোক
ভালপোৱাৰ নাটক কৰে !! মই জানো
কাৰণে আপোনাক মোৰ ঘৃণ লাগে...
ঐক্য ভঙাৰ কাৰণে আপুনি ষড়যন্ত্ৰ
কৰি আহিছে বাৰে বাৰে !!
মই কিন্তু প্ৰশ্ৰয় দিয়া নাই আজিলৈ
আপোনাৰ দৰে কাকোয়ে....
কিমানখন চিতা জ্বলাইছো নিজৰ বুকুত,
কিমানখন চুৰিঘাট খায়ওঁ থিয় হৈ আছো
নিজৰ স্থিতিত........ আপুনি মোৰ প্ৰিয় নহয়
কোনোদিন !!
আপোনাক মই বুজি নুঠিম কোনোদিনে
আপুনিও মোক বুজাৰ চেষ্টা নকৰিব
কোনোদিন !!
এনেকৈ বুজা নুবুজাৰ মাজেৰে চলি থাকিব আমাৰ সংগ্ৰাম
এনেকৈ বুজা- নুবুজাকৈয়ে হাঁৰি যাব আপুনি।
মই আকৌ জিকিম.... স্বাৰ্থৰ কাৰণে
আপুনি মোৰ ধ্বংসৰ কামনা কৰিব....
মোৰ প্ৰতি থকা প্ৰেমৰ কাৰণে আকৌ
হাজাৰ জনে মোৰ সৃষ্টি কৰিব !!!

# উত্তৰ পুৰুষৰ বাবে

**শ্ৰী কনক চন্দ্ৰ লহকৰ**
প্ৰাক্তন মুৰব্বী অধ্যাপক,
অৰ্থনীতি বিভাগ,বৰভাগ মহাবিদ্যালয়

কোন দ্বীপত মই বৰ্ত্তমান
মোৰ উপলব্ধি নাই !
কঠোৰ বাস্তৱতাৰ মাজত
মন আউল বাউল।
পুঞ্জীভূত বেদনাৰ মাজত
হেৰাই গ'ল মোৰ
মূল্যবান মুহূৰ্ত্ত
আৰু স্বপ্নৰ কবিতা।
বিনন্দীয়া পৃথিৱীত
খোদিত কৰিব খুজিলো
মোৰ আত্ম-কথাবোৰ
মোৰ জীৱন উপলব্ধি।
ভগ্ন হৃদয়ৰ বুকুৰ
বৰফ সদৃশ তেজবোৰে
মোৰ শ্বাসৰুদ্ধ কৰিলে
পালো মাথোঁ খেলি মেলিবোৰ।
মই বৰ্তমান এক অজান দ্বীপত
স্থিতিহীন আৰু কিংকৰ্তব্যবিমূঢ়
ৰৈ আছো মাথোঁ
মাতৃপূজা কৰিবলৈ
মোৰ উত্তৰ পুৰুষৰ বাবে।

# চিত্ৰ

**ৰেনম আহমেদা**
অসমীয়া বিভাগ

সপোনৰ আকাশত
আকোঁ সদায় তোমাৰেই চিত্ৰ
দিঠকত হ'বানে মোৰ
মনৰ আকাশৰ উজ্জ্বল তৰাটি
জিলিকি উঠা মোৰ মনৰ আকাশত
তোমাৰ সেই মৌ সনা ওঠঁ দুটিৰ
মিঠা হাঁহিটি
শুনিবানে মোৰ হৃদয়ত হৈ থকা
বাঁহীৰ সুৰটি
বিচাৰিছো তোমাক কাষৰতে
জীৱন বাটৰ সাৰথি ৰূপে।



গল্প

# মাকন পেহী


**নৱজ্যোতি কলিতা**
প্ৰাক্তন ছাত্ৰ




মাকন পেহী মৰিল...

কোনোবা এজনে বাটত চিঞৰি কৈ গল। হলধৰে তামোল এখন মুখত সোমাই বলধ যোৰ যুটি লগাবলৈ লৈছিলহে মাথোঁ আকৌ পঘাৰে বান্ধি ৰাস্তালৈ ওলাই আহিল, বুকুত মেখেলা খন খুচি লৈ পথাৰলৈ ওলোৱা চম্পাও বাৰান্দাত মেলি দিয়া চাদৰ খন টানি আনিলে। কলাফুল ঢাক খোৱাকৈ মেখেলা খন নমাই চাদৰ খন মুৰৰ ওপৰৰে পাক মাৰি এটা আচল দাঁতেৰে কামুৰি হলধৰৰ পিছে পিছে ওলাই আহিল। ৰাস্তাত ইতিমধ্যে মানুহৰ আহ যাহ বাঢ়িছে। শাওন মাহ, বতাহ জাকে কেচাঁ মাটিৰ গোন্ধ এটা কঢ়িয়াই লৈ ফুৰিছে। খেতিয়কৰ প্ৰিয় গোন্ধ। গোটেই বছৰটোৰ সপোন বোৰ এইখিনি সময়তে ৰুৱে। পাম ধৰিবৰ বাবে বেলেগ ঠাইৰ পৰা উঠি অহা মানুহ খিনিৰ বেছিভাগে খেতিয়ক। এইখিনি সময়ত খেতিয়কৰ অন্তহীন ব্যস্ততা কিন্তু এই ৰাতিপুৱাৰ খবৰটোৱে গোটেই গাঁৱৰ অংকতে আউল লগালে।

- কেনেকৈ হ'ল? হলধৰে উৎসুক ভাৱেৰে মহিমৰ ফালে চালে।

- সঠিক নাজানোঁ। দুদিন আগত আবেলি মই গোলাপ মহাজনৰ দোকানৰ সন্মুখত দেখিছোঁ। যোৱাকালি দিনত আমাৰ ঘৰলৈ আহা বুলি মালতীয়ে কৈছিল আৰু ৰাতিপুৱা হঠাৎ...।

মহিমে কান্ধৰ গামোচা খনেৰে মুখখন এবাৰ মচি ললে। লেতেৰা চাদৰ এখন গাত মেৰিয়াই গাঁৱৰ ইমুৰৰ পৰা সিমুৰলৈ ঘুৰি ফুৰা চাপৰ, ক্ষীণ মানুহ জনীৰ ছবি খন হলধৰৰ চকুত ভাহি উঠিল। ভাদ মহীয়া নামৰ পৰা আই নামলৈ, প্ৰতিটো শুভ অশুভ কামৰ অবিচ্ছেদ্য অংগ আছিল মানুহ জনী। এখন তামোল আৰু অলপ চাধাত সন্তুষ্ট হোৱা মানুহ জনী কেতিয়া গাঁৱলৈ আহিছিল কাৰো মনত নাই অথবা মনত ৰখাৰ প্ৰয়োজন অনুভৱ কৰা নাছিল। কা কা কৈ চিঞৰি দুটা কাউৰী সিহঁতৰ মূৰৰ ওপৰেৰে পাৰ হৈ গ'ল।

অমঙ্গলীয়া চাল্লা।- মহিমে মুখৰ ভিতৰতে ভোৰভোৰালে।

ক'লা ৰঙৰ বস্তুবোৰ সাধাৰণতে অমঙ্গলীয়া বুলি ধৰা হয়। মাকন পেহীৰ ক'লা মুখখন তাৰ চকুত ভাঁহি উঠিল। ক'লা ৰঙে সহ্য কৰিব পাৰে সকলো, পোহৰৰ দৰে শক্তিকো গিলিব পাৰে।

নামঘৰৰ সন্মুখত গাঁৱৰ মানুহ গোট খাইছে। সকলোৰে মুখত একেই কথা। ইটোৱে সিটোক সুধিছে,সিটোৱে সিটোক উত্তৰ কিন্তু একেটাই...। গুৱৰ ওপৰত ভেনা মাখি পৰা দি সৰু সৰু ল'ৰা ছোৱালীবোৰেও তাতেই উবুৰি খাই পৰিছে। মাজতে কোনোবা এজনে খেদিলে এখন হাতেৰে পেন্টটো ধৰি দৌৰ মাৰে, দুই মিনিট মান পিছত আকৌ থিয় হয়। নাকৰ পৰা বৈ অহা শেঙুনৰ টোপালতো হাতেৰে মচি ভীৰৰ মাজত সোমাব সিটো পাৰে থকা স্কুল খনৰ বন্ধ তলাটোৰ ফালে চাই এজনে চিঞৰে..

আজি স্কুল বন্ধ,
গোলাপ ফুলৰ গোন্ধ।

তাৰ লগত ছন্দ মিলাই আন কেইটামানেও চিঞৰি চিঞৰি পুখুৰী পাৰে পাৰে দৌৰি যায়।

গল খেকাৰি গোলোক পণ্ডিত নামঘৰৰ সকলোতকৈ ওখ চিৰিটোত ঠিয় হ'ল। লগে লগে মানুহ বোৰৰ চিঞৰ বাখৰবোৰ গুণগুণনিলৈ পৰিৱৰ্তন হ'ল। কাঢ়া ইস্ত্ৰিৰ বগা ধুতি- পাঞ্জাবী আৰু পকেটত জাৰ্মান ঘড়ী এটা লৈ ফুৰা খঙাল মানুহ জনক কোনে কেতিয়া পণ্ডিত উপাধি দিছিল, কোনেও নাজানে। কিন্তু গাৱঁত পণ্ডিতৰ সন্মুখত কথা কব পৰা মানুহ কোনো নাই।

কথাটো সকলোৱে গম পাইছই। গতিকে ইয়াত এনেকৈ থাকি আৰু লাভ নাই, শ টো সৎকাৰৰ দিহা কৰিব লাগে। সকলোৱে ঘৰৰ পৰা যি পাৰে দুই এদাল খৰি লৈ আহকগৈ।

অলপ আগতে পকুৰাৰ দৰে থুপ খাই থকা জাকটো কোনোবাই চপৰা এটা দলিয়াই দিলে আঁতৰি যোৱাৰ দৰে মানুহবোৰো থুপৰ পৰা ফালৰি কাটিলে। কোনোবাই আকৌ পুৰণি কথা মনত পেলাই চকুপানী টুকিছে। সাধাৰণতে মৃত্যুৰ পিচত মানুহবোৰ বেছি প্ৰয়োজনীয় হৈ উঠে। জীয়াই থাকোঁতে চাহ একাপ যাচিবলৈ টান পোৱা মানুহজনে এতিয়া শেষ দেখাৰ স্মৃতি ৰোমন্থন কৰিব লৈছে। ঘৰৰ পৰা শুকান কাঠ এডোখৰ হাতত লৈ আৰু দা খন পিন্ধি থকা গামোচাখনত খুচি মাকন পেহীৰ ঘৰৰ ফালে বাট পোনালো।

গাওঁখনৰ একেবাৰে শেষৰ ঘৰটোৱে মাকন পেহীৰ ঘৰ। গাৱঁৰ আন মানুহবোৰৰ ঘৰবোৰ পাৰ হৈ এখন সৰু, ঘন এবা বাৰী। এবা বাৰীখন পাৰ হৈ সৰু জানটো, জানটোৰ ওপৰৰ সৰু বাহঁৰ সাকোঁখন পাৰ হৈ গ'লে মাকন পেহীৰ ঘৰটো। আচলতে সেইটো ঘৰ বুলিব পৰা অধিকাৰ কাহানিবাই হেঁৰাই গৈছে। শুকাই যোৱা টঙালি কেইদালে কোনোমতে বাহঁৰ বেৰ চাৰিখন ধৰি আছে, ওপৰত ছখন মান মামৰে ধৰা টিনে অলসভাৱে খুটা চাৰিটোৰ ওপৰত শুই আছে। চোতাল বুলিবলৈ ঠাই নাইয়ে, চাৰিওফালে বনৰীয়া গছ, বনে ছানি ধৰিছে। ঘৰটোত মাকন পেহী অকলে থাকে। গাৱঁৰ মানুহৰ আহ যাহ এইফালে খুব কমেই হয়। দিনটো ঘুৰি ঘুৰি সন্ধিয়া ঘৰ সোমোৱা পেহী ৰাতিটো কেনেকৈ কটাই, কি খাই, সেই বিষয়ে কোনেও একো নাজানে। পেহীৰ ঘৰৰ পিছফালৰ বিশাল বাৰীখনত বিভিন্ন ধৰণৰ গছ। গুৰি বোৰত ঘাঁহ বন, দেখিলেই ধৰিব পাৰি বহু বছৰ ধৰি বাৰীত কাৰো হাতৰ স্পৰ্শ পৰা নাই। ঘৰটোৰ একেবাৰে কাষতে বৃহৎ ক'লা জামু এডাল, পকা জামু বোৰ সৰি তলতে পচি গৈছে। পচা জামুৰ গোন্ধটো হলধৰৰ নাকত লাগিল। সৰু বোকাময় বাটটোত কিছুমান ঘৰমুৱা খোজৰ চাপ। হলধৰে চাপ কেইটাৰ ফালে চালে, যোৱাকালিৰ খোজৰ চাপ চাগে। চাপ কেইটাও চাগে ৰাতিপুৱাৰ বিপৰীত মুখী নতুন প্ৰলেপৰ অপেক্ষাত আছিল, কোনোদিনে পূৰণ নোহোৱা অপেক্ষা...। খোজৰ চাপ কেইটাই হলধৰৰ বুকুৰ কোনোবা এটা কোণত বিষ এটা এৰি দিলে...।

সৰু বাটটোৰে সন্তৰ্পণে হলধৰ আগবাঢ়িল পিছে পিছে মহীন আৰু যোগেন...। চোতাল আৰু ঘৰৰ ওখ ঢাপটোৰ মাজত সমন্বয় ৰক্ষা কৰিছে কেইটামান ইটা আৰু তাৰ ওপৰত এটা বস্তা, ভিতৰত সম্ভবতঃ কিছু পৰিমাণে বালি আছে। বস্তাটোৰ দুয়োকাষে সেউজীয়া বৰণৰ শেলুৱৈ খামুচি আছে। সিহঁতৰ পিছে পিছে গাৱঁৰ আন মানুহবোৰো চোতাল পালেহি। সৰু ল'ৰা-ছোৱালী কেইটাই চিধাই জাম গছৰ তলত জামু বিচৰাত লাগিল।

কেৰৰৰ... শব্দ কৰি বাহঁৰ দৰ্জাখন খোল খালে। মানুহবোৰ কমটোৰ ভিতৰত সোমাই গ'ল। সৰু কম অলপ সময়ৰ ভিতৰতে ভৰ্ত্তি হৈ গ'ল। কমত বস্তু বুলিবলৈ নাইয়ে, এটা চুকত সৰু চৌকা, এটা সৰু কেৰাহী। কেৰাহীটোত কেহেৰাজ বৰণীয়া ভেকুঁৰ চাগে কোনোবা দিনতে কিবা আঞ্জা বনাই তেনেকৈ থৈ দিছিল। সৰু বিছনা খনৰ ওপৰত মাকন পেহী লেতু হেতু হৈ শুই আছে। কোনোদিনে শেষ নোহোৱা টোপনি। বিচনাখনে কোনোমতেহে মানুহজনীৰ ভৰটো ৰক্ষা কৰি আছে। বিছনা খনত পাৰি থোৱা চাৰি খনৰ সৈতে মানুহ জনীক দাণ্ডি বাহিৰলৈ উলিয়াই আনিলে। বাহিৰৰ মানুহ খিনিয়ে উৎসুকভাৱে মৃতদেহটোলৈ চাই থাকিল। চাদৰ আৰু উৰা কাপোৰ খনৰ সৈতে লেতু সেতু হৈ দেহটো পৰি আছে। দুই এজনৰ মুখত দেহটোৰ জীৱিত অৱস্থাৰ প্ৰশংসা। মাকন পেহীয়ে কোনোদিন শুনিব নোপোৱা হেজাৰ কথা...।

-ঐ কাপোৰ বিছনা সকলো উলিয়াই দে। সকলো পুৰি পেলাব লাগিব।

ভিৰৰ মাজৰ পৰাই এজনে চিঞৰিলে। বস্তু বুলিবলৈ ঘৰত একোৱেই নাই। আচলতে পেহীয়ে কেতিয়াও কাৰো পৰা একো লোৱাও নাছিল। দুবাৰ চৰকাৰে দিব খোজা ঘৰতো, মোক চৰকাৰৰ বস্তু নালাগে বুলি চিঞৰি কৈ আহিছিল। তিনি টকীয়া কাৰ্ডখন দোকানীৰ সন্মুখত দলিয়াই কৈছিল- নাখাই মৰিম, কিন্তু চৰকাৰী চাউল নাখাওঁ।

হলধৰ আৰু দুজনমান ঘৰটোৰ ভিতৰলৈ সোমাই গ'ল। বিছনা খনৰ পিছফালে সৰু আলনা খন, তিনিওজনে লগ লাগি বিছনা খন ডাণ্ডি অলপ আতঁৰাই আনিলে। আলনাখনত দুই চাৰিখনমান চাদৰ মেখেলা। আলনা খনৰ চেন্দেল থোৱা ঠাই খিনিত এটা টিনৰ বাকচ, বাকচটোৱে নিজৰ আচল ৰঙটো কেতিয়াবাই পাহৰিছে। ঠাণ্ডাৰ দিনত হাতৰ চাল এৰি যোৱাৰ দৰে বাকচ টোৰো ৰঙখিনি চকলা চকলকৈ এৰিছে। বহুদিন অৱহেলিত হৈ থকা বুলি সহজে অনুমান কৰিব পাৰি। বিছনাখন বাহিৰলৈ লৈ আহিল ভৰাতকৈ বহু বেছি ওজন অনুভৱ কৰিলে হলধৰে। বাকচটোত ওলমি থকা তলাটোৱে সকলোৰে চাৱনিত প্ৰশ্নবোধক এটি দি গ'ল। মানুহবোৰ বাকচটোৰ ফালে চাপি আহিল। জামু খাব যোৱা ল'ৰা-ছোৱালী কেইটাও ইতিমধ্যে হেঁচি ঠেলি ভিৰৰ ভিতৰলৈ সোমাই আহিল। সোমাব সুবিধা নোপোৱা দুই চাৰিটাই বাহিৰতে আন মানুহবোৰক, কি হৈছে বুলি সুধি জনাৰ চেষ্টা কৰিছে...।

হলধৰে পুৰণি তলাটো এবাৰ জোকাৰি দিলে, সৰু শব্দ

এটাৰ সৈতে তলাটো আকৌ আগৰ স্থিতি ল'লে। কিছু সময় আগলৈ মুখ্য আকৰ্ষণ হৈ থকা মাকন পেহীৰ পৰা সকলোৰে চকু আতৰিলে, এতিয়া সকলোৰে চকু বন্ধ বাকছটোৰ ওপৰত। ভীৰৰ মাজৰ পৰা কোনোবা এজনে চিঞৰিলে- তলাটো ভাঙি দে। হলধৰে এবাৰ পণ্ডিতৰ ফালে চালে, পণ্ডিতেও মূৰ জোকাৰি হয়ভৰ দিলে। পিন্ধি থকা গামোচা খনত খুচি থোৱা বৰুনলীয়া কটাৰীখন উলিয়াই তলাটোত কোবাব ধৰিলে। দুকোব মান মাৰাৰ পিছত তলাটো খুলিল। বাকচটোৰ ঢাকনিখন খোলাৰ লগে লগে অদ্ভুত ধৰণৰ গোন্ধ এটা বিয়পি গ'ল। মানুহবোৰ বাকচটোৰ ফালে চাপি আহিল। হলধৰে বাকচৰ ভিতৰৰ পৰা এসোপা মান কাগজ উলিয়াই আনিলে। কাগজবোৰ হালধীয়া বৰণ লোৱাৰ উপক্ৰম হৈছিল। চিয়াহীৰ দাগবোৰ কাগজৰ পিছফালৰ পৰা স্পষ্টকৈ চিনা গৈছিল, দুই এঠাইত চিয়াহীবোৰ অনৰ্থকভাৱে বৈ আহিছিল। হলধৰে কাগজৰ জাপটো পণ্ডিলৈ আগুৱাই দিলে। গলত ওলমি থকা মোটা ফ্ৰেমৰ চচমা যোৰ চকুত তুলি, পণ্ডিতে কাগজবোৰ চাব ধৰিলে। প্ৰয়োজনতকৈ কিছু সৰুকৈ মাতটো উলিয়াই তেওঁ কাগজবোৰ পঢ়ি গ'ল...।

ইতিমধ্যে মানুহৰ জুমটোত নিশাহৰ শব্দবোৰো স্পষ্টকৈ শুনিব পৰা হৈছিল। সকলোৰে লক্ষ্যস্থান পণ্ডিতৰ হাতত থকা কাগজবোৰ...। - মৰমৰ...

এয়া মোৰ ১০ নং চিঠি তোলৈ। আগৰ ৯ খনৰ দৰে ইও সম্ভৱতঃ মোৰ বিছনাৰ তলত বা বাকচৰ কোণত পৰি থাকিব। তোৰ ঠিকনা হেৰুৱাৰ বহুদিনেই হ'ল। আজিকালি মোৰ তোলৈ ঘনাই মনত পৰে। তোৰ বাৰু মোলৈ মনত পৰেনে? শেষবাৰৰ বাবে এৰাবাৰীৰ আহত জোপাৰ তলত মোৰ কোলাত মূৰটো থৈ শুই আছিলি আৰু মই কেৱল তোৰ ফালে চাই হাঁহি আছিলো। তই হবলা পাহৰিলি, সেই দিনটো পাৰ হোৱা আজি ছবছৰে হ'ল। যোৱা মাহত যক্ষ্মা হৈ পিতাইও ঢুকাল। ঘৰখনত এতিয়া অকলে মই। আজিকালি আগৰ সপোনবোৰে মোক আমনি নকৰা হ'ল তথাপি দিনটো পিৰালিত বহি তোৰ কথাই ভাৰি থাকো মই। এদিন যে তই কৈছিলি - হোমৰ গুৰিৰ পৰা মোক লৈ যাবি আৰু সেইদিনাৰ পৰা মই কেৱল তোৰ হম... কেৱল তোৰ। সেই দিনটোৰ বাবেই অপেক্ষা কৰিছো জান? কেতিয়া আমাৰ নিজৰ এখন ঘৰৰ হ'ব, এখন নতুন ঘৰ? কেতিয়া জোনাকত বহি তোৰ কবিতা শুনিম? নতুন কবিতা... ! বহুদিনেই হ'ল জপনা মুখত তোৰ চাইকেলৰ টিলিঙা নুশুনাৰ। তোৰ মনত আছেনে মোৰ বাবে যে তই লিখিছিলি

- পানীৰ যুৱলিত গাভৰু চন্দ্ৰটো কপাৰ দৰে তোৰো ওঁঠ যুৰি কঁপিব এদিন...।

পিতাই শোৱা ঠাইখিনি দেখিলে কেতিয়াবা মনটো বেয়া লাগে। তথাপি হাঁহি থাকো মই, তোৰ বাবে...। বিহু পালেহিয়ে নহয়, গাৱঁত হুচৰিৰ প্ৰস্তুতি আৰম্ভ কৰিছেই। এইবাৰো মই নানাচো। তই অহাৰ দিনা তোৰ ঢোলৰ ছেৱত ককাল ভাঙি নাচিব মন মোৰ । তই সোনকালে ঘূৰি আহ। বিহুৱান খনি সাচি থৈছো তোলৈ। অহা বহাগলৈ আহিবিনে তই...?

ইতি

তোৰ মৰমৰ মাকন।

পণ্ডিতৰ হাতৰ পৰা চিঠিৰ জাপটো পৰি চোতালত সিচৰিত হৈ গ'ল। পণ্ডিত লাহে লাহে আগবাঢ়ি আহিল বাকচটোৰ ফালে। বাকচটোৰতলিত এখন পুৰণি বাতৰি কাকত, সৰু আখৰবোৰ উৰলি যাব ধৰিছে। ডাঙৰ আখৰ কেইটা পঢ়িব চেষ্টা কৰিলে-

সেনা বাহিনীৰ গুলীত নিহত দুৰ্ধৰ্ষ আলফা কেদাৰ সমৰ হাজৰিকা ওৰফে....।✦

# বুকুৰ সৌন্দৰ্য্য

ফনীধৰ ডেকা

মালতীয়ে যিমানেই খৰধৰ কৰিব বিচাৰিছে, তাইৰ সাতমহীয়া ছোৱালী জনীয়েও যেন সিমানেই আকোৰগোঁজ হৈ পৰিছে। ... নাই, তাই মুখখন এবাৰলৈ নিব খোজা নাই। 'বোধহয় তাইৰ পিয়াহ পলোৱা নাই'- ভাবিলে মালতীয়ে। ৰাতি পুৱাই বিচনাতে এৰি অহা ছোৱালীজনীলৈ তাইতো এবাৰো ফিৰি চাবলৈ সময় পোৱা নাই! ঘৰৰ বাহীবন খিনি কৰি অতাই, গা-পা ধুই তিনিবছৰীয়া ল'ৰাটো আৰু ভৰি ভাঙি বিচনাত পৰি থকা গিৰিয়েকলৈ ভাত পানী বনাই, লগতে কনমানি জনীলৈ উখোৱা গুড়ি সিজাই উঠালৈকে মালতীৰ অন্য কথা ভাবিবলৈ এক মিনিট সময়ো নেথাকে! তাৰ পিছতহে ফিকা চাহটোপা খাই উঠি নমহীয়া কণমানি জনীক কোলাত লৈ সৰু ওঠ দুটিৰ মাজত মেলি দিয়ে তাইৰ শুভ্ৰন ভাণ্ডাৰৰ অমৃতৰ প্ৰসৱন....। নিৰ্বোধ জনীয়েও দৈনন্দিন অভিজ্ঞতাৰে বুজি উঠিছে যে এই অমৃত ভাণ্ডাৰ দীৰ্ঘ সময়ৰ বাবে তাইৰ পৰা আতৰি যাব, গতিকে তায়ো আকণ্ঠস গলাধহন কৰি লব বিচাৰে, মাকৰ বুকুৰ অমৃতৰ সমস্ত তাকৰীয়া ভৰাঁলতো!

সেইখিনি সময়লৈ অপেক্ষা কৰাতো মালতীৰ প্ৰতিদিনৰ অভ্যাস... পিছে আজিৰ কথাটো সম্পূৰ্ণ সুকীয়া। কামকৰা মানুহ ঘৰৰ মালিকনী আৰু বোৱাৰীয়েকে কালি দঢ়াই দঢ়াই কৈ পঠাইছে- মালতীয়ে যাতে আজি কোনো কাৰণতে দেৰি নকৰে।... কথাটো মনত পৰাৰ লগে লগেই তাই হঠাৎ সজাগ হৈ উঠিল। ছোৱালীজনীৰ আপত্তি জনক আচৰনকো নেওচি তাইৰ মুখৰ পৰা তাই গাখীৰটো এবাৰলৈ আনিলে। ল'ৰাটো আৰু গিৰিয়েকক গতানুগতিক কথাখিনি কৈ তাই ৰাজপথ পালেহি।

তাই কাম কৰা মালিকনীৰ ঘৰলৈ প্ৰায় দুই কিলোমিটাৰ দুৰ। তাই খৰখেদা লগালে। বাৰে বাৰে তাই উদিত বেলিটোলৈ চাই সময়টো অনুমান কৰাৰ চেষ্টা কৰিলে। নাই ৯-০০ বাজিবৰ হোৱা নাই! মালিকনীয়ে শুভ সময় চাই আহিছে ৯-০০ তাৰ আগত নহ'ব! তাই সময়মতে গৈ পোৱাতো বিচাৰিছে। আচলতে মানুহ ঘৰক তাই অলপো অসন্তুষ্ট কৰিব নিবিচাৰে । কাৰন অসুখীয়া গিৰিয়েকটোক লৈ ল'ৰা-ছোৱালী দুটাৰে সৈতে এই ঘৰ খনেই তাইৰ এতিয়া একমাত্ৰ ভৰসা । তাইৰ লগত কাম কৰা তিৰোতা বিলাকৰ দৰমহা হেনো ১৫০০/২০০০, অথচ তাইৰ ৩০০০। তাৰোপৰি ল'ৰা-ছোৱালী দুটাৰ কাপোৰ-কানি, পূজাই-সবাহে অতিৰিক্ত পইচা-পাতিবোৰো আছেই। শাহুৰেক ঢুকাওতেই আৰু গিৰিয়েকৰ এৰি যোৱা সময়তো ঘৰখনে তাইক কমখন সহায় কৰিছেনে! মাষ্টৰনী মালিকনীয়ে প্ৰায়ে তাইক মনে মনে পইচা দিয়ে আৰু ফুচ-ফুচাই কয়-"তই আমাক নেৰিবি বুজিছ, মোৰ যিহে বোৱাৰী, তাই ল'ৰা-ছোৱালী লৈ গৃহস্থলী ধৰিব-হৈছে আৰু, তই দৰমহাৰ কথা চিন্তা নকৰিবি"। বোৱাৰীয়েকে নুশুনাকৈ কোৱা কথাখিনিত মালতীয়েও পূৰ্ণ সহাঁৰি যোগায়। তাইৰনো কি আছে, যাই। ন বজাৰ পৰা তিনি বজালৈ তাই কাম কৰিব লাগে- বচ। মালতীয়ে তাইৰ নিজৰ ল'ৰাটোৰ ৯ মহীয়াতে এইখন ঘৰলৈ আহিছিল। বুঢ়ী শাহুৰেকসহ ৪ জনীয়া পৰিয়ালটোৱে চলিব নোৱাৰিব সেয়া তাইৰ "পোৱাঁতী ভোক" তোৱে তাইক সোৱঁৰাই দিছিল। পেটত কোনো ভাল খাদ্য নপৰাকৈ, শাহুৱেকে যিমান "আহাৰ বড়া" বনদৰৰ ঔষধ আনি দিলেও যে একো কামত নাহিব, সেয়াও তাই অনুভৱ কৰিছিল । দিনতো তাইৰ বুকুৰ মাজত অভিযান চলাইও ল'ৰাপোৱালীটোৱে পিয়াহ মিতাব পৰা নাছিল।....তাৰ পৰিণতিতেই এদিন তাইৰ প্ৰৱেশ ঘটিছিল এইঘৰ মালিকনীৰ গৃহত। প্ৰথম দিনাই এইখন ঘৰত আহি লগপোৱা দহমহীয়া ছোৱালী শিশুটিৰ খাদ্য প্ৰণালী দেখিহে মালতীৰ চকু কপালত উঠিছিল। ফ্ৰীজত বিধে বিধে ফল, ফলৰ ৰস, চেৰেলেককে ধৰি বিভিন্ন শিশুখাদ্য মজুত কৰি ৰখা হৈছে ছোৱালীজনীৰ বাবে! সেইবোৰ দেখি মালতীৰ চকু বিস্ময়াভূত হৈ উঠিছিল..... এনে সামগ্ৰীসমূহৰ কোনোদিনে মুখ নেদেখা তাইৰ ল'ৰাটোৰ মুখ খনলৈ মনত পৰি তাইৰ মনতো সেমেকি উঠিল। পিছে অন্য কিছু দৃশ্য দেখিহে মালতী আৰু বেছি আচৰিত হ'ল- মালিক, মালিকনী, পুতেক-বোৱাৰিয়েক আটাইকেইটা লগ লাগিও ছোৱালীজনীক খুৱাবলৈ যথেষ্ট কষ্ট কৰিবলগীয়া হৈছে। "ইমান ধুনীয়া ধুনীয়া বস্তুবোৰ তাই কিয় খাব খোজা নাই বাৰু? - ভাবি মালতী আচৰিতহে হ'ল। তাইৰ ল'ৰাটোতকৈ যথেষ্ট ক্ষীণ হৈ থকা ইমান ধনী ঘৰৰ ছোৱালী (!) জনীৰ চেহেৰাটোৱেও তাইক আচৰিত কৰিলে। সুন্দৰ

সাজপাৰেৰে ফিটফাট হৈ থকা বোৱাৰী জনীয়ে ছোৱালীজনীক এবাৰো গাখীৰ খুৱুৱাটোওৱ দিনটোৰ ভিৰতৰ তাইৰ চকুত নপৰিল ! শুভতাৰ বেলিকা মালতীয়ে এইবোৰ কথাকে ভাবি আছিল। তাইক দেখোন সিহঁতৰ গাৰঁৰ "আশা" বাইদেউয়ে মাকৰ গাখীৰহে শিশুৰ বাবে উত্তম বুলি কৈছে। মালিকনীৰ ঘৰত টি.ভি চাওঁতেও দেখোন মহিলা এজনীয়ে এই কথা ক'লে। বাইদেউহঁতে এইবিলাক শুনা নাই জানো। ....বোৱাৰী নোহোৱা অৱস্থাত শাহুৱেকক সুধিহে মালতীয়ে গম পালে যে ছয় মাহৰে পৰা বোৱাৰীয়েকে তাইক গাখীৰ খুওৱা বাদ দিছে। "কি কবি আই, মোৰ ল'ৰাই মোৰ গাখীৰ খাইয়ে ডাঙৰ- হৈছিল, এতিয়া তাৰ ঘৈনীয়েকে চেহেৰা বেয়া হোৱাৰ ভয়ত চলিক গাখীৰ নুখুৱাই। " মালিকনীৰ কথাখিনিত মালতীয়ে অনুভৱ কৰিছিল বেদনা আৰু ক্ষোভৰ সুৰ।

....এইবাৰ নতুনকৈ এটি ল'ৰা সন্তানে আহিছে মালিকনীৰ ঘৰলৈ। ঘৰখনত আনন্দৰ জোৱাৰ উঠিছে। পাছদিনীয়া গণনী, এমহীয়া অশৌচ আৰু ক'ত কি- যে উৎসৱ !! যোৱা কিছুদিনৰ পৰা বোৱাৰীয়েকে প্ৰতিনিয়ত মালতীক সুধি আছে- তাইনো তাইৰ ছোৱালীজনীক কেনেকৈ গাখীৰ খুৱাই থাকিব পাৰিছে? "মই নোৱাৰো দেই। ছয় মাহতো হ'লে বাচি যাঁও । মোৰ গাখীৰ পুৰা বন্ধ কৰি দিম। বৰ দিগদাৰি বুজিছ। বুকুখনৰ সৌন্দৰ্য্য নাইকিয়া হৈ যাব।" - বোৱা লাগি চাই ৰয় মালতীয়ে.....

মালতীয়ে আহি পায় মানে ইতিমধ্যে প্ৰাৰম্ভিক আয়োজন শেষেই হৈছে। মামাক হৰ্তৰ ফালৰ পৰাও ককাক-আইতাক আহিছে ! আগদিনাখনতে অনা চেৰেলেকৰ পেকেট, ষ্টেইনলেছ ষ্টীল বাচন, চামুচ, মসৃন-কোমল টাৱেল আদি সজাই ডাইনিং টেবুলৰ চৌদিশে সকলোৰে অৱস্থান লৈছে। মালতীয়ে অনা কুহুমীয়া পানীত চেৰেলেকৰ মিশ্ৰন আৰম্ভ হৈছে.... মামা আইতাৰ কোলাত বংশৰ প্ৰদীপ, ককা আইতাৰ হাতত চেৰেলেকৰ চামুচ.... একোনত থিয় হৈ থকা মালতীৰ চকু বোৱাৰীয়েকৰ সযত্ন সজোৱা বুকুত..... লাহে লাহে তাইৰ চকু নিবদ্ধ হৈছে এটি ছয়মহীয়া নিস্পাপ শিশুৰ মুখমণ্ডলত- যিয়ে মাকৰ "বুকুৰ সৌন্দৰ্য্য" নষ্ট কৰাৰ অপৰাধত বঞ্চিত হব মাতৃৰদুগ্ধ গ্ৰহণৰ পৰা। মুদখাই অহা চকুদুটিত ভাহিঁ উঠিল এখনি মুখ-অলপ আগতে তাইৰ গাখীৰটো এৰি দিব নোখোজা অন্য এটি নিস্পাপ শিশুৰ! .... চৰম প্ৰশান্তিৰে তাই সৌহাতখন বুলাই লৈ গ'ল তাইৰ বুকুৰ ওপৰেৰে .... কেবাবাৰো.....

---

**লেখক-অৱসৰী ভাৰপ্ৰাপ্ত অধ্যক্ষ, বৰভাগ মহাবিদ্যালয়।**



# ভগ্ন হৃদয়ৰ প্ৰশান্তি

জ্যোতিস্মিতা শৰ্মা

"মচা ঘৰটো নুশুকাওতে তইঁতে খোজ দিছহি কিয় হয়নে? যা ইয়াৰ পৰা। পুৱা উঠাৰ পৰা পেহীয়েৰক অশান্তি দিলেহে হয় তইঁতৰ... অসুৰ পোৱালিকেইটা...মোৰ মূৰ চোবাবলৈ জন্মিছ। এটা দিনো মোক ভালকৈতো মাতিয়েই নাপালি। দাদা-বৌ ইমান ভাল। তইঁত কেইটাহে

ঃ কি হ'ল অ' ৰুনু। কিয়নো ভোৰভোৰাই আছহি?

ঃ এই নক'বা দিয়া বৌ।

এইজনী ৰুনুৰ বৌয়েক। তাই মুখ মেলিলেই গৰ্ভ দেখা পোৱা বৌয়েক। বৌয়েকজনী নথকা হ'লে তাইৰ যে কি দুৰৱস্থা হ'লহেতেন তাই ভাবিবও নোৱাৰে। অইন ছোৱালীৰ দৰে সুন্দৰ সংসাৰ গঢ়াৰ সপোন লৈ তাইও বিয়া হৈছিল। কইনা চাবৰে অহাৰ পৰা দৰাঘৰীয়া সকলে বৰ মৰম কৰিছিল তাইক। বিয়া ঠিক হোৱাৰ দিনাখনতো হ'বলগীয়া শাহুৰেকজনীয়ে গালতে চুমা খাইছিল তাইক। সেইজনী শাহুৰেক ...অজানিতে ব্যঙ্গাত্মক হাঁহি এটা ওঁঠেৰে বাগৰি গ'ল ৰুনুৰ।

এনেকুৱা কিয় হয় মানুহবোৰ... বাহিৰত এটা ভিতৰত এটা। বাহিৰখন চাই কোনেও গম ধৰিবলৈকে নাপালে ইমান যে কপটতা সোমাই আছিল সিহঁতৰ মনত। প্ৰায় এটা বছৰ ধৰি তাই তিল-তিলকৈ দিনবোৰ নিয়াইছিল। তেতিয়ালৈকে ককায়েকৰ বিয়া হোৱা নাছিল। বৌয়েকজনী বিয়া হৈ ঘৰখন সামৰি লোৱাৰ লগতে তাইকো যেন পঢ়াবলৈ চেষ্টা কৰিছিল। গম পাইছিল তেওঁ, যে তাই মানুহক দেখুৱাবলৈহে সুখী। এদিন ঘৰলৈ আহোঁতে অসাৱধানৱশতঃ সদায় পিঠিখন ঢাকি ৰখা চাদৰখন খহি পৰোতেই বৌয়েকৰ আশ্চৰ্যকৃত মাত-

ঃ ৰুনু কি এইবোৰ?

ঃ একো নাই- একো নাই বৌ- কিবা খজুৱতি হৈ দাগ বান্ধিছে হ'বলা- চাদৰখন পিঠিলৈ টানি টানি তাই ক'লে।

বৌয়েকে "ইফালে আহা" বুলি তাইৰ হাতত ধৰি ককায়েকৰ ওচৰলৈ লৈ গৈছিল। সেই তেতিয়াই সিদ্ধান্ত লোৱা হৈছিল তাইক আকৌ শহুৰেকৰ ঘৰলৈ ওভতাই নপঠিওৱাৰ। গিৰিয়েকে নিবলৈ আহোতে ৰুনুৰ ককায়েক বৌয়েক আৰু ভায়েকে সকলো কথা গম পোৱা বুলি কটু বাক্যবানেৰে থকা-সৰকা কৰিছিল তেওঁক। হয়। তাইৰ গিৰিয়েকৰ এটা অবৈধ সম্পৰ্ক আছিল যিটো সম্পৰ্ক বৈধ কৰাতো মুঠেই সম্ভৱপৰ নাছিল আৰু সেই কাৰনেই শাহুৱেক আৰু গিৰিয়েকে সৰলমনা ৰুনুক বিয়াৰ বাবে বাচনি কৰিছিল।

ঃ অ' ৰুনু ইফালে আহাচোন...ইহঁত আহি পাবহিয়েই।

ছেঃ কিবোৰ যে চিন্তা কৰি আছে তাই। অঘাইটং ভতিজাক কেইটাককে এজাউৰি দিবলৈ মন গ'ল তাইৰ। কোনোদিনে ভাল, মৰমৰ মাত এষাৰ নামাতিলে সিহঁতে। যেতিয়াই-তেতিয়াই

জোকাই থৈ যায় তাইক। মাক-বাপেকৰ দৰেই ৰুনু বুলি মাতে সিহঁতে, পেহী নহয়।

আজি ভায়েক-ভাইবোৱাৰীয়েক আহিব সিহঁতৰ অলপতে জন্মা কেচুঁৱাটোক লৈ। ভাইবোৱাৰীৰ প্ৰতি বৰ মৰম ৰুনুৰ। বিয়াৰ পিছৰে পৰা তাইৰ পিছ নেৰে ভাইবোৱাৰীয়েকে। নতুন নতুন কাপোৰ আনি দিয়ে। ৰুনুয়েও ন-কইনা বুলি কোনো কামেই কৰিব নিদিয়ে। ধনী ঘৰৰ ছোৱালী। ইমান মৰমলগা হাত-ভৰিবোৰ... তাইক আৰু কাম কৰিব দিব পাৰিনে !! নিজৰ আৰু বৌয়েকৰ হাত-ভৰিবোৰ চাই চাই ভাবে তাই। আনকি বৌয়েকে ন-কইনাক কিবা কাম কৰিবলৈ দিওঁতে তাই দৌৰি গৈ কামটো নিজৰ আওতাত আনি লৈছিল। বৌয়েকে গালি দিছিল তাইক ভাইবোৱাৰীয়েকৰ চাকৰনী বুলি। সেই ভাইবোৱাৰীয়েকৰ কেচুঁৱা জন্ম পাইছে। কিমান বা মৰম লগা। তায়েইতো চম্ভালিব লাগিব সকলো। ইমান আলসুৱা ন- কইনাজনীয়ে কেনেকৈ চম্ভালিব পাৰিব বাৰু। তাই পুৱাৰ পৰা ঘৰ চোতাল সাৰি-মচি সেন্দুৰ পেলাই তুলিব পৰা কৰি ৰাখিছিল। কেচুঁৱাটো ডাঙৰ হৈ তাইক পেহী বুলি মাতিব, তাইৰ কোলাই বোকোচাই উঠি উমলিব। বৌয়েকে তাইক পেহী বুলি মাতিবলৈ ল'ৰা-ছোৱালীকেইটাক শিকোৱাই নাছিল ছাগে। নকইনাই কেচুঁৱাটিক নিশ্চয়কৈ শিকাব তাইক পেহী বুলি মাতিবলৈ।

সৌৱা আহিলেই সিহঁত... উফ্...উধাতু খাই দৌৰি গ'ল ৰুনু। ন-কইনাই গোলাপী পুতলা এটা লৈ গাড়ীৰ পৰা নামিছে। ৰুনুৱে হাত মেলি দিলে কেচুঁৱাটো ল'বলৈ বুলি !

ঃ বাইদেউ দূৰত থাকক দেই। মোৰ কেচুঁৱাৰ ওচৰলৈ নাহিব। ইমান লেতেৰা লেতেৰা কামবোৰ কৰি থাকে আপুনি। ঠাইতে থৰ লাগিল ৰুনু। একমূহুৰ্তৰ বাবে ন-কইনালৈ চাই থাকি নিজৰ ৰুমটোলৈ দৌৰি গ'ল ৰুনু। তাই লেতেৰা কাম কৰে.... কাৰ লেতেৰা চাফা কৰে তাই? ন-কইনাৰ লেতেৰা ৰুমটো, লেতেৰা কাপোৰ- কানিবোৰ চাফা কৰোতে কিয় এবাৰলৈও কোৱা নাছিল এইশাৰী বাক্য? কান্দি কান্দি চুকটোত বহি পৰিল তাই। তাইৰ ভায়েকেও একো নক'লে।

এনেতে ভতিজাককেইটা সোমাই আহিল ৰুমলৈ। তাই সংযত হৈ সিহঁতক ধমক দিবলৈ লওঁতেই সিহঁতে এটা এটাকৈ ক'লে-

ঃ পেহী টিকু মইনাই ডাঙৰ হ'লে তোৰ লগতে থাকিব নহয়... মায়ে কয় তয়েই হেনো আমাক লৈ লৈ ডাঙৰ কৰিলি। এতিয়া কান্দি নাথাকিবি... ভাত খাবি আহ, মায়ে বৈ আছে। ভতিজাক দুটাই তাইৰ দুয়োখন হাতত ধৰি খোজ আগবঢ়ালে। তাই বাধা নিদিলে। তাইৰ চকুত আকৌ চকুপানী। এইবাৰ মুখত প্ৰশান্তি।

---

লেখক- প্ৰাক্তন ছাত্ৰী, ইংৰাজী বিভাগ

# বিয়া

ভাস্কৰ জ্যোতি তালুকদাৰ

আজিৰ নাটকৰ যৱনিকা পৰিল বুলি এক গহীন কণ্ঠস্বৰেৰে এখন কলা পৰ্দাৰে সম্পূৰ্ণ মঞ্চখন ঢাক খাই পৰিল। সময়ৰ আগত দৌৰিব খোজা জীৱ শ্ৰেষ্ঠবোৰে লাইটৰ পোহৰ থিয়েটাৰ হ'লত নপৰোতেই নিজ নিজ আসনৰ পৰা উঠি ঠেলা-হেঁচা কৰিব ধৰিলে। কিন্তু নয়নাই মাকক হাতত ধৰি ক'লে-

ঃ লাইট নজ্বলালৈ চকীতে অলপ বহ, ভিৰো কমিব অলপ। মাকৰ বয়স প্ৰায় তিনিকুৰিৰ কাষ চাপিছে। ভিৰ কমাত মাকক হাতত ধৰি হল (Hall)ৰ পৰা ওলাই আহিল। ৰাস্তাত মাক আৰু তাইৰ নাটকৰ আলোচনা, নিবিৰে কল্যানক হত্যা কৰি ভাল কৰিলে, নে বেয়া কৰিলে, গেলাৰিৰ হাল্লা, নাটকৰ গানবোৰ ইত্যাদি। তেনেতে এগৰাকী মহিলাই পিছফালৰ পৰা মাত দিলে-

ঃ নয়না মজুমদাৰ হয়নে?

তাই পিছফালে ঘূৰি দেখিলে এয়াছোন ৰমলা বাইদেউ, হাইস্কুলত তাইক সমাজবিজ্ঞান পঢ়াইছিল তাই এইবোৰ ভাবি থাকোতেই তেওঁ আৰু মাতিলে-

ঃ নয়না চিনি পোৱা নাই নেকি?

ঃ পাইছো, পাইছো বাইদেউ, আপোনাক আৰু কিয় চিনি নাপাম।

ঃ অ....মই আৰু ভাবিছিলো, পাহৰিলাই নেকি?

তাৰ পিছত তেওঁ নয়নাৰ মাকক মাতিলে-

ঃ বৌ ভালনে আপোনাৰ?

ঃ অ ৰমলা... আছো দিয়া ভালে, পিছে তোমাৰ খবৰ কেনে? আজিকালিটো লগেই নোপোৱা হলো।

ঃ হয় দিয়ক...কামৰ ব্যস্ততাত ওলাবলৈ সময়ে নাপাওঁ, তাতে আৰু যোৱা বছৰ অধ্যক্ষৰ পদটো পালো, দায়িত্ব বাঢ়িলেহে।

এনেদৰে তিনিও কথা পাতি আহি থাকোতে ৰমলা বাইদেউ হঠাৎ নয়নাৰ মাকৰ পিনে চাই ক'লে-

ঃ বৌ, নয়নাৰ বিয়াৰ কথা ভবা নাই নেকি? এইৰ লগৰবোৰ সকলোৰে কেতিয়াবাই বিয়াত বহিল।

ঃ ভাবিছো কিয় নাভাবিম, কিন্তু আজিকালি ভাল ল'ৰা পোৱাই টান হৈছে। যিহে সমাজ মদ, ভাঙ, নোখোৱা ল'ৰা পাবলৈও টান।

ঃ সেইটোও হয়, মানে বৌ মোৰ এজন চিনাকী ল'ৰা আছিল। শিক্ষকতা কৰে মোৰে স্কুলত। ল'ৰাটোও ভাল, স্বভাৱ-চৰিত্ৰও ভাল, যদি আপুনি কয়....?

ঃ ভাল ল'ৰা যদি আগবাঢ়িব পাৰি, পিছে বয়স কিমান মান হৈছে ল'ৰা জনৰ?

ঃ বৰ্তমান ৩৬ বছৰ চলি আছে।

বয়সৰ কথা শুনি উৎফুল্লিত নয়নাৰ মাকৰ মুখখন সেমেকি গ'ল। ৰমলা বাইদেউৱে সেইটো লক্ষ্য কৰিব পাৰিছিল।

ঃ বয়স বহুখিনিয়ে হৈছে।

নয়নাৰ মাকৰ এইষাৰ বাক্য শুনি বাইদেউৱে মুখৰ ভিতৰতে ঠাট্টাৰ সুৰেৰে কলে- "নিজৰ জনি জানোছা ফুল কুমলিয়া।"

কথাখিনি মাকে শুনা নাপালে যদিও নয়নাই ঠিকেই শুনিছিল। তাৰপিছত বাইদেউ অৰ্থাৎ ৰমলা কলিতা আন এটা পথেৰে আৰু নয়না আৰু মাকে আন এটা পথেৰে ঘৰমুৱা হ'ল। ঘৰত আহি ভাত-পানী খাই নিজৰ নিজৰ কোঠাত দীঘল দি পৰিল। মাকৰ বিচনাত পৰিয়ে টোপনি গ'ল, কিন্তু নয়না...।

নয়না সৰুৰ পৰা এজনী মেধাৱী ছাত্ৰী আছিল সকলোতে আগবঢ়া ছাত্ৰী আছিল। মেট্ৰিক পৰীক্ষাটো স্কুলৰ ভিতৰত আটাইতকৈ ভাল ফল দেখুৱাইছিল। ৰমলা বাইদেউ তেতিয়াৰে চিনাকী। মেট্ৰিকৰ ফলাফল দেখি দেউতাকে সিদিনাতে ঠিক কৰিছিল, যে নয়নাক তেওঁ এজন প্ৰশাসনীয় বিষয়া বনাই হে এৰিব। কিন্তু তাৰে এবছৰ নহোতেই অচিনৰোগত আক্ৰান্ত হৈ তাইৰ দেউতাক ঢুকাল। ঘৰত শোকৰ ছা পৰিল, মাকে সৰু

পৰিয়ালটোৰ ভাৰ নিজৰ কান্ধত তুলি ল'লে। পৰিয়াল বুলিবলৈ যদিও নয়না আৰু নয়নাৰ মাক, তথাপিটো এগৰাকী অকলশৰীয়া মহিলাৰ কাৰণে সেয়া বহুখিনি কঠিন। দেউতাকৰ পেঞ্চনৰ পইচাৰে মাকে কিবাকৈ ঘৰখন চলাই থাকিল। নয়নাক বহুত পঢ়ুৱালে, দেউতাকৰ সপোন পুৰণ কৰাৰ কাৰণে নয়নাইও যথেষ্ট চেষ্টা কৰিলে। কিন্তু বৰ্তমান পেঞ্চনৰ পইচা কেইটাৰে ঘৰ নচলা হ'ল। তাই কামৰ সৰু-ল'ৰা আৰু ছোৱালীবোৰক পঢ়ুৱাই অলপ চলপ পইচাও উপাৰ্জন কৰাত লাগিল। পঢ়া পাতিৰ প্ৰতিও নয়নাৰ গুৰুত্ব কমি আহিল। মাকেও তাইক বিয়া দিয়াৰ চিন্তাত লাগিল। বহুত সম্বন্ধও আহে, কিন্তু মাকৰ মন ছোৱালীৰ গুণৰ সমান ল'ৰা নাপায়। বৰ্তমান নয়না ৩০ ৰ দেওনাত ভৰি দিলে। তাকে এতিয়াও দৰাৰ কাৰণে ল'ৰা বিচাৰি নয়নাৰ বয়সো মাকে ২৫ মান বুলিহে কয়, কিন্তু মেট্ৰিকৰ চাৰ্টিফিকেটে জানো মিছা ক'ব? এনেদৰে দিন বাগৰিল, বাহিৰত ওলালে সমাজে ইতিকিং কৰে বুঢ়ী বুলি। তাই ভাবি নাপায় পঢ়া শুনা নকৰি ১৫, ১৬ বছৰতে বিয়া হোৱা ছোৱালীয়ে কি সাহসত এগৰাকী শিক্ষিত ছোৱালীক ইতিকিং কৰিব পাৰে। এতিয়া তাই সেইবোৰ হজম কৰিব পৰা হ'ল। এইবোৰ ভাবি বিচনাত নিদ্ৰাৰ কোলাত শুই পৰিল।

পিছদিনা কাহিলী পুৱাতে উঠি মাকৰ বাবে পানী গৰম কৰি, চোতাল শাৰী থাকোতে হঠাৎ দেউতাকৰ শেষ চিন ৰূপে থকা দেউতাকৰ মোবাইলটো বাজি উঠিল। তাই কোনেনো ইমান পুৱাই ফোন কৰিছে বুলি চালে, তাৰ পিছতে কব নোৱাৰাকৈ মুখত এটা হাঁহি ফুটি আহিল, ফোনটো ধৰিলে-

ঃ হেল্লো

ঃ হেল্লো, মই মানসে কৈছো, চিনি পাইছানে?

ঃ আৰে কি নো ৰাতিপুৱাখন ধেমালি কৰি আছা, কিয় চিনি নাপাম।

ঃ নহয় নাপাবও পাৰা, এতিয়ানো আমাক ক'ত মনত থাকিব, ডাঙৰ মানুহ হৈ গ'লা।

ঃ হেই, কি কৈ আছা বুজি পোৱা নাই।

ঃ তুমি কি সঁচায় একো গম পোৱা নাই।

ঃ নাই।

ঃ আৰে, তুমি যে যোৱা মাহত UPSC দিছিলা তাৰে RESULT চোন কালি ৰাতিতে দিছে, তুমি TOP কৰিছা।

তাই স্তব্ধ হৈ পৰিল, বুকুৰ ঢপঢপনি বাঢ়ি আহিল, ম'বাইলটো হাতৰ পৰা ওলাই মাটিত পৰি বেটাৰিটো ওলাই লৰ মাৰিলে। চকুটো ভিজি গ'ল, এনেতে মাক ওলাই আহি জীয়েকৰ স্তব্ধ ৰূপ দেখি আহিল, মাকে গাত ধৰি মতাত হে তাই আগৰ অৱস্থাত ঘূৰি আহিল। কান্দি কান্দি সকলো বিবৰি কলে আৰু আনন্দতে মাকক সাৱতি ধৰিলে, আৰু সংকল্পবদ্ধ হ'ল তাই আৰু বিয়া নহয়।

কিন্তু মানস... সি কি ভাবি আছে তাই জানো জানে?

---

লেখক- স্নাতক তৃতীয় বৰ্ষৰ ৰাজনীতি বিভাগৰ ছাত্ৰ।

# আশংকা

কুলেশ চন্দ্ৰ ডেকা



পৰাশৰ ছাৰ্টটিৰ বুকুভাগত স্পষ্ট কৈ লাগি থকা ৰঙা দাগটোত বাৰে বাৰে চাবোন সানিও গুচাবলৈ চেষ্টা কৰি ব্যৰ্থ হোৱা অৰুনিমা সচাঁকৈয়ে ব্যথিত হৈ পৰিল। তাইৰ চকুহাল সেমেকি উঠিল। বুকুখনত এক কপঁনি! বিশ বছৰীয়া পুত্ৰৰ স্খলন? কিয় এনে হ'ল?

কিয়??

কিয়???

নে সকলো পুৰুষেই একে? পৰাশৰে কলেজলৈ নগৈ তেন্তে পাৰ্কত কোনো নাৰীৰ লগত.... আৰু অধিক ভাবিব নোৱাৰিলে তাই। এক অস্থিৰ কপঁনি এটা অনুভৱ কৰিলে তাই! পৰাশৰক এজন আদৰ্শৱান ব্যক্তিৰূপে গঢ়ি তুলিবলৈয়ে তাই ইমান বোজা মূৰৰ ওপৰত লৈয়ো আজি ইমান দিনে নূন্যতম কষ্টখিনি অনুভৱ কৰা নাছিল। আজি যেন তাই সচাঁকৈয়ে অৱসাদ গ্ৰস্ত হৈ পৰিছে। এক ভাবিব নোৱাৰা জটিল পৰিস্থিতিৰ গৰ্ভত পৰাশৰক তাই জন্ম দিব লগীয়া হৈছিল। তাইৰ সুন্দৰ দেহটিয়ে এদিন তাইৰ বাবে কালস্বৰূপ হৈ পৰিছিল। হয়, সিদিনা তাইক যি তিনিজন ব্যক্তিয়ে ধৰ্ষন কৰিছিল তাৰে আটাইকেইজনক তাই ভালদৰে জানে। পৰিচিত ব্যক্তি। তথাপি তাই সিঁহতক ক্ষমা কৰি দিছিল। কাৰণ তাইৰ গৰ্ভত থিতাপি লোৱা ভ্ৰূণটোৰ পিতৃ সিঁহতৰ মাজৰে যে কোনোবাজন! যিহেতু তাই গৰ্ভৰ সন্তানটোক হত্যা নকৰো বুলি দৃঢ় প্ৰতিজ্ঞ হৈছিল, সেই সন্তানটিৰ পিতৃক কাৰাগাৰৰ বন্দী বুলি পৰিচয় দিবলৈ তাইৰ ইচ্ছা নাছিল। বৰং তাই সন্তানটিক সজ মানুহ কৰি গঢ়ি তুলি তাই সিহঁতৰওপৰত

এক ব্যতিক্ৰমী প্ৰতিশোধ লোৱাৰ হে ইচ্ছা কৰিছিল। সেয়ে তাই মৰমৰ গাওঁখনি এৰি গুচি আহিছিল বহুত দূৰলৈ। তাই গাওঁখনলৈ হয়টো পুনৰ সেইদিনা আহিব যিদিনা তাই পৰাশৰক প্ৰতিষ্ঠিত কৰিব তুলিব পাৰিব।

নৈখন,বৰ আহত জুপি, লগ সমনীয়াৰ মৰম আৰু আৱেগিক সম্বন্ধ, কঁকা দেউতাকৰ চকুলো- সকলো উপেক্ষা কৰি তাই আতঁৰি আহিছিল প্ৰায় এশ মাইল আঁতৰৰ এখন ঠাইলৈ। তাই এতিয়া যিখন ঠাইত থাকে, সেইখন ঠাইৰ মানুহে তাইক এগৰাকী বিধৱা মাতৃ বুলিয়েই জানে। কিন্তু নিজৰ গাওঁখনত তাই শুনিবলগীয়া হোৱা ঠাট্টা মস্কৰাখিনি অন্ততঃ তাই শুনিবলগীয়া হোৱা নাই। হজম কৰিবলগীয়া হোৱা নাই কাৰো অশ্লীল ইংগিত! অৱশ্যে এইখিনি সময়ত তাইক সকলো কাৰ্যতে সহায় কৰা বিজিতৰ ত্যাগক কোনোদিনেই পাহৰিব নোৱাৰে। বিজিতে তাইক নিজৰ মামীয়েকৰ হাতত গতাই দিছিল। যেন এগৰাকী মানৱী ৰূপী দেৱী! অৱশ্যে তেতিয়াৰ পৰাই তাই এইখন ঘৰৰ সমগ্ৰ দায়িত্বও মূৰ পাতি লৈছিল। ঘৰখনৰ খেতিৰ কামৰ পৰা পাকঘৰ পৰিচালনালৈ একো কামেই তাই নহ'লে নচলে

এতিয়া। তাইৰ সংগ্ৰামখনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত বিজিতে তাইক বিবাহৰ প্ৰস্তাৱো দিছিল, যদিও সেয়া তাই প্ৰত্যাখ্যান কৰিছিল। কাৰণ তাই অনুভৱ কৰিছিল বিজিতৰ মাক-দেউতাকে তাইক বোৱাৰী ৰূপে গ্ৰহণ কৰিবলৈ মানসিকভাৱে প্ৰস্তুত নাছিল। তাই বিজিতক মাক-দেউতাকৰ কাষৰ পৰা আতৰাই অনাৰ বাবেও প্ৰস্তুত নাছিল। অৱশ্যে তাইৰ বাৰম্বাৰ অনুৰোধ নেওচি বিজিতে আজিলৈকে বিবাহো কৰা নাই। সি হয়তো বিয়াত নবহিবই নেকি ! সেইটোৱেহে মাজে মাজে তাইক ব্যথিত কৰি তোলে। কেতিয়াবা তাই অপৰাধবোধতো ভুগে। তদুপৰি তাই পুনৰ বিবাহত বহিলে জানোচা পৰাশৰৰ জীৱনলৈ জটিলতা নামি আহে। পৰাশৰেও জানে যে তাৰ জন্মৰ পূৰ্বে দেউতাকৰ মৃত্যু হৈছিল। গতিকে মাকজনীৰ দুখৰ সমভাগী হৈয়েই সি সদায় চলিছিল। মাকজনীক কিবা কষ্ট দিয়াৰ কথা সি ভাবিবই নোৱাৰিছিল। সেয়ে সি পঢ়া-শুনাত যথেষ্ট মন দিছিল, যাতে মাকৰ সপোনক বাস্তৱায়িত কৰিব পাৰে। সন্ধিয়া তাৰ পঢ়া টেবুলৰ কাষত চাহ কাপ থৈ অৰুনিমাই ছাৰ্টৰ দাগটোৰ প্ৰসংগটো উলিয়াবলৈ আওঁপকীয়াকৈ পাতনি মেলিলে।

"তোমাক কলেজলৈ পঢ়িবলৈহে পঠিয়াইছিলো পৰাশ! কিন্তু তুমি....? " "নপঢ়া বুলি কিহত গম পালা মা? এইবাৰ মেজৰত কলেজৰ সকলো বিভাগৰ ভিতৰতে দেখোন সৰ্ব্বোচ্ছ নম্বৰ পাইছো "

"অকল নম্বৰ পালেই হ'ব নে?"

গহীন ৰূপত মাকৰ কণ্ঠেৰে ওলাই অহা শব্দকেইটা শুনি হতভম্ব হৈ পৰা পৰাশৰ মৌন হৈ পৰিল। বিগত দিন কেইটাৰ এক চমু খতিয়ান ল'লে নিমিষতে। ক'তা? একোচোন মনত নপৰে- সি জানি শুনি এনে এটা কাম কৰা নাই যাৰ দ্বাৰা মাকজনীক আঘাত দিব পৰা পৰিস্থিতি সৃষ্টি হ'ব পাৰে। কিছুসময়ৰ মৌনতা; যি মৌনতাক পৰাশৰে সচাঁকৈয়ে ভয় কৰে। অথচ মাকক কিবা এটা সোধাৰ সাহসখিনিও যেন সি গোটাব পৰা নাই। প্ৰীতিবাক সি ভাল পায়- সেই কথাতো মাকৰ দৃষ্টিতচোন ইমান ডাঙৰ অপৰাধ হ'ব নালাগে। নে কোনোবাই বেয়া কৈ লগাইছে কিবাকিবি?...."ছাৰ্টটিত এই সেন্দুৰৰ দাগবোৰ ক'ৰ পৰা আহিল?"

মৌনতাৰ ৰুদ্ধ দুৱাৰৰ খিলি আঁতৰাই অৰুনিমাই প্ৰশ্ন কৰিলে। অৰুনিমাৰ কণ্ঠত প্ৰৱল উৎকণ্ঠাৰ চাপ ! "অ' মা কথা সেইটোহে ! "হাঁহি মাৰি ক'লে পৰাশৰে।" "জানো আজি আমাৰ কলেজৰ হায়াৰ চেকেণ্ডাৰী ছেকেণ্ড ইয়েৰৰ ছাত্ৰী এজনীক ডাঙৰ বিপদৰ পৰা ৰক্ষা কৰিলো দুজন লম্পটৰ হাতৰ পৰা। এখন টেম্পোত তাইক তুলি লৈ ঘৰত থৈ আহিম বুলি বহুত দূৰলৈ লৈ গৈছিল। পিছত মোৰ সন্দেহ হোৱাত অনুসৰণ কৰিলো বন্ধু এজনৰ লগত বাইকেৰে। বোধহয় তাইক টনা আজৰা কৰোতে ছাৰ্টটিত..."

পৰাশৰে কথাখিনি শেষ নকৰোতেই অৰুনিমাৰ চলচলীয়া হৈ পৰা অক্ষিযুগলত এটি হাঁহি বিৰিঙি উঠিল।

---

লেখক- সভাপতি, বৰভাগ কৰ্মচাৰী পৰিষদ



# জীৱনৰ দোলন

**শ্ৰীজেঁউতি মিশ্ৰ**
*শিক্ষা বিভাগ, বৰভাগ মহাবিদ্যালয়*

হঠাৎ মিনতিৰ হাতৰ পৰা কাচৰ গিলাচটো পকাত পৰি একেবাৰে চুৰ্ণ-বিচূৰ্ণ হৈ গ'ল। পকাত পৰা কাচৰ গিলাচটোৱে মিনতিৰ ঘৰখন যেন ক্ষন্তেকৰ বাবে হুলস্থুলীয়া কৰি তুলিলে।

ল'ৰা ছোৱালী কেইটাই চিঞৰি সুধিলে "মা কি হ'লনো? কি হ'ল মা?

নিম্ন স্বৰৰে মিনতিয়ে কলে, "নাই অ' একো নাই।"

এনেতে হঠাৎ অতি হুটা মাতেৰে মিনতিৰ স্বামীয়ে ক'লে,"সদায় সদায় যে তুমি এই গিলাচ বোৰ ভাঙি থকা এইবোৰ তোমাৰ টকাৰে আনিছা নেকি? কেতিয়াবা এটকা উপাৰ্জন কৰি চাবাচোন?"

ঠিকেই মিনতিয়ে ভাবিলে মইতো আজিলৈ এটকাও উপাৰ্জন কৰি পোৱা নাই। ঠিক গিলাচটোৰ দৰেই একে সময়তে মিনতিৰ অন্তৰখনো চুৰ্ণ-বিচূৰ্ণ হৈ গ'ল যিটো কোনোৱে দেখাই নাপালে। ভাঙি যোৱা গিলাচটোৰ নিচিনা এনেকুৱা দহটা গিলাচ মিনতিৰ ঘৰত আছে। কিন্তু মিনতিয়ে অন্তৰত যিটো আঘাত পালে সেইটো হয়টো কাহানিও মুচিব নোৱাৰি।

কাচৰ গিলাচটো ভৰিত লাগি ইতিমধ্যেই মিনতিৰ ভৰিখন তেজেৰে লুতুৰী পুতুৰী হৈ গৈছে। যিটো মিনতিৰ স্বামীয়ে দেখাই নাপালে।

দুচকুৰে বৈ অহা সেই যন্ত্ৰনাময় চকুপানীখিনি কোনোৱে নেদেখাকৈ সাউতকৈ মুচি দিলে। তাইৰ বুকুখন বৰকৈ বিষাইছিল। একো নাই এই যন্ত্ৰণা তাই সহ্য কৰিবই লাগিব।

মিনতিৰ হঠাৎ মনত পৰিছিল তেওঁৰ স্বামী ৰবিনে বিয়াৰ আগত মিনতিৰ মাক-দেউতাকক কথা দিছিল যে মিনতিৰ চাকৰি কৰাৰ একো প্ৰয়োজন নাই আৰু ভৱিষ্যতে একোৰো অভাৱ হ'বলৈ নিদিয়ে।

উহ..........এটি কৃত্ৰিম হাঁহিৰে মিনতিয়ে বৈ অহা চকুলোখিনি মচি দিলে।

ঠিকেই অভাৱ! এই অভাৱৰ সংজ্ঞাটো তাই এতিয়া ভালকৈ বুজিছে। জীৱনৰ মৰম ভালপোৱাবোৰ যেতিয়া বন্ধকত ৰাখিব লগা হয় তাতকৈ ডাঙৰ অভাৱ হয়তো আন একোৱেই নাই।

জীৱনৰ দোলনবোৰ হয়তো এনেকুৱাই। মিনতিয়ে ভাবিলে আমিবোৰ আচলতে অপ্ৰয়োজনীয় বোজাহে নেকি?✦



# নাৰী তুমি অনন্যা

ডলি ডেকা
*পঞ্চম ষাণ্মাষিক, ইংৰাজী বিভাগৰ ছাত্ৰী*

"....নাৰী এক অনুপম শক্তি। Social Media, Newspaper যিমানে নাৰী সুৰক্ষাৰ বিষয়ে আলোচনা নহওঁক কিয় আজিৰ সমাজখনত নাৰী মুঠেও সুৰেক্ষিত নহয়। অকল পুৰুষৰ হাততে যে নাৰী শোষিত হৈ আছে তেনেকুৱা নহয়, নাৰীৰ হাততেই নাৰী নিৰ্মিতিত হৈ আছে ..." গোটেই সভাঘৰতো হাতচাপৰিৰে ৰজনজনাই গ'ল। ভাষনটো শেষ কৰি সকলোকে ধন্যবাদ জনাই মূৰ্চ্ছনা মঞ্চৰ পৰা তাৰাতাৰি তললৈ নামি আহি মাত্ৰ দুই এজনৰ লগত কথা পাতি পুনৰ গাড়ীত বহিল। চহৰখনৰ আঢ্যৱন্ত ব্যৱসায়ী সমৰ চক্ৰৱৰ্তীৰ উচ্চ শিক্ষিতা পত্নী মূৰ্চনা চক্ৰৱৰ্তী। আজিৰ দিনতো মূৰ্চনাৰ ব্যস্ততাই ব্যস্ততা। আজি ৮ মাৰ্চ, নাৰী দিৱস ইফালে তেওঁলোকৰ একমাত্ৰ কণ্যা নেন্সীৰ আজি সাত বছৰীয়া জন্মদিন। ঘৰতো ডাঙৰকৈ Party arrange কৰিছে। ঘৰ পাওঁতে পাওঁতে দেৰিয়েই হ'ব চাগে। ইফালে ৰাণীয়ে গোটেই ঘৰতো সৰা-মচা, চাফ-চিকুন কৰি আজৰিয়ে হব পৰা নাই। বেলুন ৰিবন আদি লগাব আছেই। সমৰো বজাৰৰ পৰা আহি এ.চি টো অন কৰি ছোফাখনতে অলপ গা টো এৰি দিছে। "আজিৰ পৰা কমেও দহ বছৰ আগৰ সম্পৰ্ক মূৰ্চ্ছনা আৰু সমৰৰ মৰম,ভালপোৱাৰ সেই মধুৰ সম্পৰ্কটো যে আজি এনেকুৱা মোৰ লৰ সমৰে কেতিয়াও ভৱা নাছিল। বিয়াৰ আগৰ সেই সহজ সৰল মূৰ্চ্ছনা জনী আৰু এতিয়াৰ মূৰ্চ্ছনা জনী কিমান পৃথক! "পাপা, পাপা (নেন্সীৰ চিএৰত সমৰ উচপ খাই উঠিল) যোৱানা মোৰ Birthday Gift টো আৰু Cake টো লৈ আনাগৈ।" কণ মানি জনীৰ এক ঘেয়ামী দৈনন্দিন ৰুটিনখনত যেন মাকৰ Part নাইয়েই। ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি শুৱা লৈকে ৰাণীৰ লগতে তাইৰ সকলো। আবেলি সময় খিনি দেউতাকৰ সানিধ্যই তাইক মাকৰ অনুপস্থিতিৰ কথা পাহৰাই ৰাখে। Artificial সুখ বিলাকৰ পিছত সময়ৰ আগতেই দৌৰা নাছিল। এতিয়াও নদৌৰে কিন্তু মূৰ্চ্ছনাই এতিয়া সেই বিলাকৰ বাবে Time নাপায়। ৰাতিপুৱাৰ পৰা ৰাণীয়ে নেন্সীক গাখীৰ গিলাচ খুৱাব পৰা নাই , এতিয়া যেন সমৰেহে তাইক কিবা এটা খুৱাবলৈ সক্ষম হ'ল। ৰাণীয়ে সকলো কাম সামৰি সমৰ আৰু নেন্সীৰ কাৰণে ভাত বাঢ়িলে। ইফালে Party ৰ guest আহিবৰো হ'ব, তেনেতে গাড়ীৰ Horn বাজিলে, "মানে মেডাম আহি পালে, মেডাম নথকা সময় খিনি যেন তাইৰ কাৰণে মুক্ত বিহংগৰ নিছিনা" তাৰাতাৰি গৈ তাই দৰ্জাখন খুলি দিলে। মূৰ্চ্ছনাই ভাগৰুৱা শৰীৰেৰে ভাতকেইটা খাই ৰাণীৰ কামখিনি এবাৰ তদাৰক কৰি বিছনা লৈ গ'ল। এঘন্টা ধৰি আইনাৰ সন্মুখৰ পৰা মূৰ্চ্ছনাই ৰুমৰ পৰা ওলাল। গোটেই Hall টো guest ৰে ভৰি পৰিল। ৰাণীও সাধৰণ ফ্ৰক এটা পিন্ধি ওলাই আহিল। হঠাতে মূৰ্চ্ছনাই তাইক হাত এখনত ধৰি ঘপহকৈ ভিতৰলৈ লৈ গ'ল। "এনেকৈ ওলাই মানুহৰ সন্মুখত মোৰ নাক কাটিবি নেকি" নিজৰে এযোৰ পুৰণি কাপোৰ পিন্ধাই তাইক বাহিৰলৈ উলিয়াই আনিলে। নেন্সীৰ আজি বিৰাত স্ফুৰ্তি, লগৰ কেইটাক লগত কেৱল দৌৰি ফুৰিছে। হঠাৎ নেন্সী লগৰজনীৰ লগত দৌৰি আহি ৰানীৰ লগত খুন্দা খালে আৰু ৰাণীৰ হাতৰ Serve কৰিবলৈ চৰবতৰ দুটা গিলাচ মূৰ্চ্ছনাৰ বান্ধৱী বৰুৱানীৰ শাৰীখনত পাৰি লেতেৰা কৰি পেলালে। মূৰ্চ্ছনা খণ্ডত অগ্নিশৰ্মা হৈ ৰাণীক ভিতৰলৈ টানি নি দুই চৰ শোধালে। কান্দি কান্দি ৰাণী বিছনাখনত বাগৰি পৰিল। বাহিৰৰ পৰা অহা হাই- উৰুমি বোৰে তাইৰ কাণত, বুকুত হুলে বিন্ধা দি বিন্ধিব ধৰিলে। ভাগ্যৰ কাৰণে তাইৰ আৰু ভগবানক দোষ দিবলৈ মন নগল। সকলো খং তাতেই সামৰি নিজকে আগতকৈ আৰু অলপ সহনশীল কৰি তাই পুনৰ নিজৰ দায়িত্বৰ ফালে আগবাঢ়িল। ✦



# প্ৰাপ্তিৰ ভিক্ষা

কিশোৰ দাস

গধুলি আঠমান বাজিছে ঢলংঢপংকৈ সি তাৰ গন্তব্য স্থানলৈ ওভতিছে। পকেটত থকা এশ টকাৰ নোটখন একমাত্ৰ সম্বল অহা কেইবাদিনলৈ। তাকো সি এজন বন্ধুৰ পৰা দানত পাইছে। সি আগবাঢ়ি থাকোতে হঠাৎ উচপ খাই উঠিল সি দেখিলে তাৰ নিচেই ওচৰত এজন ভিক্ষাৰী শুই আছে। ভিক্ষাৰীজনৰ হাতখন অলপ ওপৰমুৱাকৈ খোল খাই আছে। সি মনতে ভাবিলে-"যদি মই ইয়াৰ হাতত এশ টকাৰ নোটখন গুজি দি যাওঁ, অভাৱনীয়ভাৱে ৰাতিপুৱা সি শুই উঠি নোটখন নিজৰ হাতত আৱিষ্কাৰ কৰি কিমান সুখী হ'ব।" এইবুলি ভাবি তাৰ মুখত এটা হাঁহি বিৰিঙি উঠিল। সি শুই থকা ভিক্ষাৰীটোৰ হাতত এশ টকাটো গুজি দি ঢলংঢপংকৈ নিজৰ স্থানত আগবাঢ়িল। দূৰনিত কৰবাত বাজিছিল মানুহে মানুহৰ বাবে.... নাভাবে। ✦

---

*লেখক- স্নাতক তৃতীয় বৰ্ষৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ।*




**মৰমৰ,**

*মোৰ হৃদয়ৰ গভীৰতম প্ৰদেশত তোমাৰ বাবে আলফুলে সাঁচি থোৱা হিয়াৰ সুৰভি ভাষাৰ জৰিয়তে অৱগত কৰিব বিচাৰিছোঁ। আকাশৰ বুকুৰ পৰা আচম্বিতে খহি পৰা পপীয়া তৰাৰ দৰে ময়ো যেন ভাব জগতৰপৰা ওলাই আহি বাস্তৱৰ মুখামুখি হ'ব বিচাৰোঁ। তোমাৰ হেঙুলীয়া ওঠঁৰ মিচিকিয়া হাঁহিয়ে মোৰ নিদ্ৰা হৰে।*

*তুমিতো জানাই*

*"শৈশৱৰ চকুপানী কান্দোনৰ প্ৰতীক*
*যদিওৱা যৌৱনৰ চকুপানী ভালপোৱাৰ প্ৰতীক"।*

*মুক্ত আকাশৰ তলত মুক্ত মন আৰু মুক্ত চিন্তা লৈ মোৰ এয়া তোমালৈ একলম। মোৰ বিবেক অবাধে গতি কৰিছে তোমাৰ দিশে মাথো একান্ত আত্মীয়তাৰে প্ৰতীক্ষাৰত মই আৰু কেৱল মই, একাঁজলি সঁহাৰিৰ আশাৰে। মোৰ  ৰিক্ত হৃদয়ক তুমি যেন এধাৰি নিঃস্বাৰ্থ মৰমেৰে ওপচাই দিবাহি... অনুভৱৰ ৰঙেৰে ৰঙীন কৰিবাহি মোক আৰু কেৱল মোক...*

*"দুহাত মেলিলে আল্লা*
*দুহাত জপালে ঈশ্বৰ"*
*তেন্তে কিহৰ ভয় কিম্বা শংকা...*
*মাথো তুমি সঁহাৰি দিয়া প্ৰিয়া...*

*মই মাথো তোমাক দিব পাৰো আজীৱন ভালপোৱাৰ প্ৰতিশ্ৰুতি... এতিয়া তুমি বিবেকৰ তুলাচনীৰে জুখি চাবা মোৰ প্ৰশ্নক... এটা ইতিবাচক উত্তৰৰ বাবে অধীৰ অপেক্ষাৰত মই... এজাঁক বৰষুণ আহিব বুলি...*

ইতি
একান্ত অন্তৰংগতাৰে

**শ্ৰীহিমাশ্ৰী কলিতা**
প্ৰাক্তন ছাত্ৰী, শিক্ষাবিভাগ



বিশিষ্ট লেখক, সমালোচক

# ময়ুৰ বৰা ছাৰৰ সৈতে

# বিশেষ সাক্ষাৎকাৰ

**প্ৰশ্ন ঃ** সম্প্ৰতি দেখা গৈছে যে বিশ্বায়নৰ প্ৰক্ৰিয়াই বিশ্বৰ ক্ষুদ্ৰ জাতি জনগোষ্ঠীৰ ভাষা সংস্কৃতি আদিৰ প্ৰতি ভাবুকি সৃষ্টি কৰিছে। অসমীয়া জাতিৰ ভাষা-সংস্কৃতিৰ প্ৰতিও এনে ভাবুকি অহা বুলি আপুনি ভাবে নেকি?

**উত্তৰ ঃ** তোমাৰ কথাটো মিছা নহয়। অসমীয়া ভাষা কোৱা মানুহৰ সংখ্যা যিহেতু প্ৰায় ডেৰ কোটিমান, সেয়েহে তুমি যিটো প্ৰশ্ন কৰিছা সেই প্ৰশ্নটোৰ কিছু বাস্তৱ সন্মত যুক্তি বা ভিত্তি আছে। কোৱা মানুহৰ পিনৰ পৰা অসমীয়া পৃথিৱীৰ পঞ্চাছটা মান ভাষাৰ ভিতৰত পৰে তথাপিও অসমীয়া ভাষাক আৰু এচাম শিক্ষিত মধ্যবিত্তই বিশেষকৈ নগৰত বসবাস কৰা তেওঁলোকে অলপমান অৱহেলা বা অৱমাননা কৰে। তাৰ লগতে যিটো তুমি বিশ্বায়নৰ কথা উল্লেখ কৰিছা এই দুয়োটা কথাৰ বাবে অসমীয়া যিটো সত্বা- যিটো সত্বাৰ লগত অসমীয়া ভাষা, সাহিত্য সংস্কৃতি জড়িত হৈ আছে- সেই সত্বাটো কোনো কোনো সময়ত নিশকতীয়া হৈ পৰা যেন লাগে। তোমাৰ মনলৈ হয়তো ঠিক তেনেকুৱা চিন্তা এটা আহিছে বাবে তুমি আজি মোক এই প্ৰশ্নটো কৰিছা। এই প্ৰশ্নটোৰ লগত যিখিনি চিন্তা সোমায় আছে সেইখিনি কথালৈ প্ৰতিজন সজাগ-সচেতন মানুহে ভাবিব লগীয়া বহু আছে। চিন্তা কৰিবলগীয়া বহুত আছে আত্মসমালোচনা কৰিব লগীয়া আছে- আৰু মই ভাবো নতুন প্ৰজন্ম আৰু পুৰণা প্ৰজন্মৰ একাংশলোকে ভাষাটোৰ বাবে অসমীয়া সত্বাটোৰ বাবে যাক আমি অসমীয়াত্ব বুলি কও যি ধৰণে কাম কৰি আছে ইমান প্ৰত্যাহ্বানৰ পাছতো মই ভাবো এই ধৰণৰ যি অসুবিধা প্ৰতিবন্ধকীগতিৰোধক এইবোৰ আমি অতিক্ৰম কৰিবলৈ সক্ষম হম। মই আশাবাদী।

**প্ৰশ্ন ঃ** অসমৰ জাতি গঠন প্ৰক্ৰিয়াত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে গুৰি বঠা ধৰিছিল। আজিৰ পৰা প্ৰায় ছশ বছৰ পূৰ্বে মহাপুৰুষজনাই যি উদাৰতাৰ নিদৰ্শন দাঙি ধৰিছিল তাক আজিৰ ক্ষমতা কেন্দ্ৰিক ৰাজনীতিয়ে আঘাত কৰা বুলি আপুনি নাভাবেনে?

**উত্তৰ ঃ** আজি বুলি ক'লে ভুল হ'ব। শংকৰদেৱ আছিল ৰূপান্তৰৰ খনিকৰ।তেওঁৰ যিটো ধৰ্ম প্ৰণালী আছিল সেয়া হিন্দু ধৰ্মত সেই সময়ত দেখা পোৱা যিটো জটিল, খৰচী আৰু আড়ম্বৰপূৰ্ণ ধৰ্ম পদ্ধতি ঈশ্বৰ প্ৰাপ্তি বা মোক্ষ প্ৰাপ্তি তাৰ বিৰুদ্ধে কেৱল শংকৰদেৱে নহয় ভাৰতৰ বিভিন্ন সংখ্যক পুৰুষে আধ্যাত্মিক আন্দোলন গঢ়ি তুলিছিল। যাক আমি ভক্তি আন্দোলন বুলি কওঁ। এই কথাটো গুৰুত্বপূৰ্ণ যে কেৱল অসমত

নহয় এই আন্দোলন সমগ্ৰ ভাৰতত আৰম্ভ হৈছিল কাৰণ সমগ্ৰ ভাৰতত আচলতে প্ৰবৃত্তি মাৰ্গ বুলি কোৱা এই প্ৰক্ৰিয়াটো- ঈশ্বৰ উপসনাৰ বাবে, মোক্ষপ্ৰাপ্তিৰ বাবে যিবোৰ যাগ-যজ্ঞ, জটিল উপায় আছিল সেই উপায়বোৰে সৰ্বসাধাৰণ মানুহক জুৰুলা কৰিছিল। কাৰণ ই খৰচী, আড়ম্বৰপূৰ্ণ আছিল আৰু এটা বিশেষ শ্ৰেণীৰ বাবে ভগৱানৰ ওচৰলৈ যোৱাত যিটো পথ সেইটো মুকলি হৈ আছিল। তেনে প্ৰেক্ষাপটত শংকৰদেৱে যেতিয়া ভক্তি আন্দোলন বা এক শৰণ হৰি নাম ধৰ্ম আৰম্ভ কৰিলে তাত তেওঁ আধ্যাত্মিক সাম্যবাদৰ আধাৰ নিৰ্মাণ কৰিলে। তেওঁ ক'লৈ এক বৈপ্লৱিক কথা যিটো আজি প্ৰতিজন অসমীয়াই গৰ্বিত কৰা উচিত যে হৰি নাম লোৱা চণ্ডাল হৰিনাম নোলোৱা ব্ৰাহ্মণতকৈ উচ্চ। শংকৰদেৱে জাতিভেদ প্ৰথাক একেবাৰে গুৰিয়ে পোখাই উঠাই দিবলৈ চেষ্টা কৰা নাছিল। তেওঁ ভাবিছিল আধ্যাত্মিক জগতত মানুহ আহিব আৰু মধ্যযুগত আধ্যাত্মিক জগতখন আজিৰ দিনতকৈ বহুবেছি প্ৰসাৰিত আছিল ।

মধ্যযুগৰ আধ্যাত্মিক জগতখনত যেতিয়া শংকৰদেৱে ক'লে যে হৰিনাম লোৱা সকলো লোক সমান তাৰমানে এটা পৰ্যায়লৈকে সমাজত থকা সকলো লোকে সমতাৰ এটা বাণী যিটো আগতে নাছিল সেইটো পালে। সেইবাবে যিটো বৈপ্লৱিক একশৰণ হৰি নাম ধৰ্ম- দেখাত যদিও সৰ্বাত্মকভাৱে জাতিভেদ প্ৰথাক নিৰ্মূল কৰা নাই কিন্তু ভিতৰি ভিতৰি জাতিভেদ প্ৰথাক আক্ৰমণ কৰিছে দুৰ্বল কৰিছে আৰু অসমীয়া এখন সমদৰ্শী সমাজৰ ভেটি নিৰ্মাণ কৰিছে আৰু সেইবাবে শংকৰদেৱক আমি সংকীৰ্ণতা আৰু সাম্প্ৰদায়িকতাৰ উৰ্ধলৈ গৈ অসমীয়া জাতিক আধ্যাত্মিক , সাংস্কৃতিক, সাহিত্যিক আৰু ভাষিক দিশৰ পৰা নৱজাগৰণৰ মূল কাণ্ডাৰী বুলি কওঁ।

**প্ৰশ্ন ঃ** বংগমূলীয়া মুছলমান সকলে অসমলৈ আৰু কিছুমানৰ মতে অসমীয়া জাতি লৈ সংকট সৃষ্টি কৰা বুলি বহুজনে ক'ব খোজে। এইক্ষেত্ৰত আপোনাৰ মত কি?

**উত্তৰ ঃ** এই কথাটোৰ দুটা দিশ আছে। প্ৰথমকথা তেওঁলোক এই ভূ-খণ্ডৰ লগত বৰ্তমানৰ বাংলাদেশ ব্ৰিটিছ শাসনৰ সময়ত এখন দেশ- দেশ মানে স্বাধীন দেশ নহয় পৰাধীন দেশ- ব্ৰিটিছৰ অধীনত আছিল গতিকে স্বাধীনতাৰ আগত যিখিনি মানুহ উনবিংশ শতিকাৰ শেষত আৰু বিংশ শতিকাৰ আৰম্ভনিত আহিছিল তেওঁলোক অনুপ্ৰৱেশ কৰি নহয় তেওঁলোক প্ৰব্ৰজিত হৈ আহিছিল । সাম্ৰাজ্যবাদী ব্ৰিটিছৰ মূল উদ্দেশ্য আছিল আমাৰ পৰা যিমান পাৰি সিমান খাজনা আদায় কৰা সেইবাবে মানৰ আক্ৰমনৰ সময়ত অসমৰ জনসংখ্যা কমি গৈছিল যদিও অসমত বহুতো সাৰুৱা মাটি আছিল গতিকে, এইমাটিত তেওঁলোকে বাহিৰৰ পৰা মানুহ আনি খেতি কৰিবলৈ লৈছিল যাতে তেওঁলোকে খাজনা বহুত পায়, সেইবাবে সেইসময়ত বহুতো বৰেণ্য অসমীয়া মানুহেও এই বাহিৰৰ পৰা মানুহ অনাটো বেয়া পোৱা নাছিল। বিশেষকৈ অসমৰ কালিৰাম মেধিয়ে ইয়াকসদৰ্থক ভাৱে কোৱা দেখিবলৈ পোৱা যায়। নবীন চন্দ্ৰ বৰদলৈয়ে সদৰ্থক ভাৱে কৈছিল মানুহ আছে ঠাই আছে আহক ভবা নাছিল এই কথাটোৱে এক ভয়াবহ সমস্যাৰ সৃষ্টি কৰিব। স্বাধীনতাৰ আগত চৈয়দ মহম্মদ ছাদুল্লা যেতিয়া অসমৰ প্ৰধানমন্ত্ৰী আছিল সেইসময়ত তেখেতেওঁ Grow More food এই আচনিৰ অধীনত বহুতো মানুহ মৈমন সিং অঞ্চলৰ পৰা মানুহ আনিছিল বা প্ৰব্ৰজনৰ বাবে তেওঁলোকৰ সংখ্যা গোৱালপাৰা, বৰপেটা, নগাওঁ, মৰিগাওঁ দৰং এইবোৰ অঞ্চলত বৃদ্ধি পালে লাহে লাহে তেওঁলোকে স্বাধীনতাৰ পিছত বিশেষ কিছুমান ৰাজনৈতিক দল বিশেষকৈ কংগ্ৰেছ দলে তেওঁলোক লৈ ভোট বেংকৰ ৰাজনীতি আৰম্ভ কৰিলে। আৰু যেতিয়াই ভোট বেংকৰ ৰাজনীতি আৰম্ভ হ'ল তেতিয়াই তেওঁলোকৰ মাজলৈ বেছি সাহস আহিল। তেওঁলোকে অনুপ্ৰৱেশ কৰি বেলেগ এখন দেশৰ পৰা ইয়ালৈ আহিল। প্ৰথমতে পূব পাকিস্তান আৰু পিছলৈ বাংলাদেশ গঠন কৰাৰ পিছত বাংলাদেশৰ পৰা তাৰ ফলশ্ৰুতিতে এই ১৯৭৯ চনত ঐতিহাসিক অসম আন্দোলন হয় কাৰণ অসমীয়া মানুহৰ যিটো তেওঁলোকৰ বুকুৰ মাজত জ্বলি থকা খং - নিজৰ ঠাইতে তেওঁলোকে সংখ্যা লঘু হৈ পৰিব নেকি? ইয়াৰ বাবে অসম আন্দোলন হৈছিল যদিও তাৰ ইপ্সিত ফলাফল আৰু ঘোষিত লক্ষ্যৰ পৰা এতিয়াও আমি দূৰত তথাপিও এই আন্দোলনৰ এটি বিশেষ ন্যায্যতা আছিল কাৰণ খিলঞ্জীয়া মানুহৰ স্বতস্ফূৰ্ত বহিপ্ৰকাশ আছিল যে দীৰ্ঘদিন ধৰি তেওঁলোকৰ যিটো সমস্যা প্ৰব্ৰজনৰ সমস্যা এই সমস্যাটোক দিল্লীয়ে কোনোদিনে গুৰুত্ব দিয়া নাছিল। অৰ্থাৎ চাবলৈ গ'লে অসমখনক বিদেশীৰ বাবে স্বাধীনতাৰ পিছত ৰম্যভূমি বুলি ক'লো। গতিকে সেই দিশৰ পৰা চাবলৈ গ'লে- তেওঁলোকৰ উপস্থিতি বা সংখ্যাধিক্যই আমাৰ খিলঞ্জীয়া অসমীয়া মানুহলৈ শংকাৰ সৃষ্টি কৰিছে। ইয়াৰ বাবে কিছু ব্যক্তিগতভাৱে কোনোবা এজন প্ৰব্ৰজিত বা অনুপ্ৰৱেশ কাৰীক দোষ দিয়া উচিত কাৰণ এখন দেশত যেতিয়া দেশখনৰ অৱস্থা উন্নত হ'ব এই দেশখনলৈ আহিবৰ বাবে কোনো কাঁটাতাৰ বা বেৰ নাথাকিব তেতিয়া মানুহ এজনে নিজৰ জীৱনৰ উত্তৰণৰ বাবে তালৈ যাবয়ে এইবোৰ কাৰণতে পুব-পাকিস্থান বা বাংলাদেশৰ পৰা ইয়ালৈ আহে।

**প্ৰশ্ন ঃ** অসমৰ প্ৰায় সকলো জনগোষ্ঠীয়েই এতিয়া নিজকে অসমীয়া বুলি ক'ব নোখোজে। তেওঁলোকেতো আত্মীকৰণৰ

(Assimilation) জৰিয়তে অসমীয়া জাতিৰ অংশীদাৰ হৈ আছিল। আজি যে তেওঁলোকে ইয়াৰ বিপৰীত স্থিতি লৈছে তাৰ বাবে জগৰীয়া কোন? উগ্ৰ জাতীয়তাবাদী সকল নেকি?

**উত্তৰ ঃ** মূল জগৰীয়া অসমীয়া ভাষী উগ্ৰজাতীয়তাবাদী লোকসকল কাৰণ এটা সময় আছিল চাইমন কমিছন অহাৰ সময়ত আমাৰ যেতিয়া বড়োসকলে চাইমন কমিছনৰ আগত স্মাৰক দিছিল তেওঁলোকে এটা কথা কৈছিল যে আমি অসমীয়া কিন্তু তাৰ পৰৱৰ্তী সময়ত প্ৰায় প্ৰতিটো ক্ষেত্ৰতে একাংশ আধিপত্য কামী অসমীয়া মানুহে তেওঁলোকৰ আধিপত্য আৰু একধৰণৰ প্ৰাধান্য / প্ৰভূত্ব জনগোষ্ঠীয় মানুহসকলৰ ওপৰত বিস্তাৰ কৰিবলৈ চেষ্টা কৰিছিল আৰু বহু জনগোষ্ঠীয় মানুহক হেয় জ্ঞান কৰিলে, অৱমাননা কৰিলে কেতিয়াবা প্ৰত্যক্ষভাৱে কেতিয়াবা খুব কৌশলভাৱে আৰু এটা সময়ত এই জনগোষ্ঠীয় মানুহসকলে শিক্ষা-দীক্ষাও পাছ কৰা আছিল বাবে এটা পৰ্যায়লৈকে মানি লৈছিল কিন্তু তেওঁলোকেনো কিয় মানি ল'ব- সেইবাবে তেওঁলোকে এটা সময়ত বিদ্ৰোহ কৰিব ল'লে তেওঁলোকৰ এই বিদ্ৰোহত খংৰ যুক্তি সংগত ভিত্তি আছে। এই খং তেওঁলোকৰ কেতিয়াবা কেতিয়াবা বেছি উঠা যেন লাগে কিন্তু আজি মূল দোষ কিন্তু উগ্ৰজাতীয়তাবাদ। আমি যদি প্ৰকৃতাৰ্থত এটি Inclusive মন লৈ সকলোকে সন্মান জনাও, সমমৰ্যদা আৰু সমঅধিকাৰ দিলোহেঁতেন- মানুহক দেখুৱায় নহয় তেতিয়ালৈকে তেওঁলোকে এনেকৈ গুচি যাবলৈ- তেওঁলোকে যে কয় আমি নোৱাৰো আমি অসমীয়া নহয় আদি বৰ বৰ কথাবোৰ নুশুনিলোহেঁতেন মূলত ইয়াৰ বাবে মূল দোষ এচাম উগ্ৰ জাতীয়তাবাদী লোক বুলি মই ভাবো।

**প্ৰশ্ন ঃ** অসমীয়া ভাষালৈ (প্ৰায় সকলো জনগোষ্ঠীয় ভাষালৈ) শাসকসকলৰ ফালৰ পৰাই আক্ৰমণ আৰম্ভ হৈছে। ইয়াৰ আঁৰৰ কাৰণ কি? ইংৰাজী ভাষাক অধিক গুৰুত্ব দি এক গিমিক সৃষ্টি কৰি সাধাৰণ মানুহক মোহাচ্ছন্ন কৰিব বিচাৰিছে নেকি? নে ইংৰাজী মাধ্যমত ল'ৰা ছোৱালীক পঢ়ুওৱা মধ্যবিত্ত সকলক তুষ্টিকৰণৰ ৰাজনীতি কৰিব বিচাৰিছে?

**উত্তৰ ঃ** খুব ভাল প্ৰশ্ন কৰিছা। দ্বিতীয় কাৰণটো ইয়াৰ কাৰণ বুলি নাভাবো অৰ্থাৎ মধ্যবিত্তই সাধাৰণতে ইমান তুষ্টি কৰন নকৰে আজিৰ এই চৰকাৰ তেওঁলোক যি দলৰে নহওঁক তেওঁলোকে হিতাধিকাৰী সৃষ্টি কৰে আৰু সমাজত মেৰুকৰনৰ ৰাজনীতিৰ সৃষ্টি কৰে। তেওঁলোকে মধ্যবিত্ত মানুহৰ পৰা আয়কৰ পাই বিভিন্নধৰণৰ কৰ, Tax পায়। সেই দি চলি থাকে। মধ্যবিত্তক বৰকৈ তুষ্টিকৰন নকৰে। মধ্যবিত্তই ভাল পাব সেইবাবে নাই কৰা তেওঁলোকক মোৰ লাগে বৰ্তমানত যিটো শাসকীয় দল তেওঁলোকৰ উদ্দেশ্যটো এনেকুৱা যে গোটেই ভাৰতবৰ্ষত আমি সকলো ভাৰতীয় আমি একেটা ধৰ্মৰ - একেটা ধৰ্মৰ নহলেও আমি হিন্দু এনেকৈ কয় আৰু অ একেটা সংস্কৃতি হিন্দু ভাষাৰ প্ৰতি তেওঁলোকৰ খুব বেছি সদভাৱ দেখিবলৈ পোৱা যায়। সদভাৱ থকাটো বেয়া কথা নহয় কিন্তু জোখতকৈ বেছি তেওঁলোকে হিন্দু ভাষাটোক promote কৰিব বিছাৰে গতিকে সেই গোটেই প্ৰেক্ষাপটত এটা সন্দেহ হয় যে কেৱল ইংৰাজীয়ে নহয় হিন্দীভাষাৰ জৰিয়তে তেওঁলোকে একধৰণৰ একশৈলীক জাতীয়তাবাদ বা ৰাষ্ট্ৰীয়তাবাদ এইধৰণৰ একশৈলীক কথা জনপ্ৰিয় কৰিব বিচাৰিছে মানুহৰ মনত সোমোৱাই দিব বিচাৰিছে সেইবাবে হয়তো মোৰ লাগে মোৰ অনুভৱ যদি মিছা প্ৰমানিত হওঁ মই সুখী হম আমি ভালপোৱা গণতান্ত্ৰিক ভাৱে নিৰ্বাচিত চৰকাৰেও শেষত গৈ কৰবাত নহয় কৰ বাত সেই অসমীয়া সত্বাটোক যে স্পৰ্শ কৰিছে। ঋনাত্মকভাৱে বা তেওঁলোকৰ অৱমাননা কৰিছে এনেভাৱ আমাৰ মজুত হয়।

**প্ৰশ্ন ঃ** ৰাইজে অশেষ কষ্ট স্বীকাৰ কৰি প্ৰতিষ্ঠা কৰা বহুতো শিক্ষানুষ্ঠান চৰকাৰে বিভিন্ন অজুহাতত বন্ধ কৰিবলৈ লৈছে। ই কিদৰে অসমৰ শিক্ষা ব্যৱস্থাত প্ৰভাৱ পেলাব? শিক্ষানুষ্ঠান সমূহ বন্ধ নকৰাকৈ ইয়াৰ উন্নতিৰ কাৰণে চৰকাৰে প্ৰচেষ্টা চলোৱাটো উচিত আছিল বুলি আপুনি নাভাবেনে?

**উত্তৰ ঃ** একেবাৰে ভাবো, প্ৰথম কথা বন্ধ কৰাটো কেতিয়াও সমাধান সূত্ৰ হ'ব নোৱাৰে আৰু বন্ধ কৰাৰ সময়ত আমি অসমৰ স্বাধীনোত্তৰ কালৰ প্ৰতিজন শিক্ষামন্ত্ৰী আৰু প্ৰতিগৰাকী মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰিব লাগিব যে শিক্ষাক্ষেত্ৰত তেওঁলোকে কি কৰিলে যোৱা ১৫ /২০ বছৰ বৰ্তমানৰ সন্মানীয় মুখ্যমন্ত্ৰী অসমৰ শিক্ষামন্ত্ৰী আছিল তেখেতৰ দিনত এইখিনিয়েই উন্নতি হ'ল নেকি যে অসমত এটা সময়ত শিক্ষানুষ্ঠান সমূহ বন্ধ কৰি দিব লগা হ'ল, হয় সকলো দোষ চৰকাৰৰ বুলি নাই কোৱা, কিয়নো আজি আমাৰ গ্ৰামাঞ্চলতো একাংশ দৰিদ্ৰ ঘৰৰলোকে তেওঁলোকৰ ল'ৰা-ছোৱালীক অসমীয়া মাধ্যমৰ বিদ্যালয়ত নপঢ়ায় মানে তেওঁলোকৰ হাতত যদি বিকল্প থাকে মানে তাৰ অৰ্থ এইটো নহয় কিন্তু বহু অসমীয়া মাধ্যমত চৰকাৰী বিদ্যালয় সমূহে বহু প্ৰত্যাহ্বানৰ মাজেদিও বহু ভাল কাম কৰি আছে আৰু আমি এবছৰতে পাইছো শিৱসাগৰ জিলাৰ অন্যান্য অঞ্চলত চৰকাৰী মাধ্যমৰ বিদ্যালয়ত নামভৰ্ত্তিৰ বাবে এচাম অভিভাৱকে কিমান আগ্ৰহেৰে স্কুললৈ গৈছে তাক আমি বাতৰি কাকতৰ যোগেদি পাইছো। গতিকে বন্ধ কৰি দিয়া আৰু সংলগ্নকৰন দুটা বেলেগ কথা। কৰ'বাত হয়তো ল'ৰা-ছোৱালী একেবাৰে নাই, এতিয়া কিছুমান স্কুলত এটা-দুটা ল'ৰা-ছোৱালী আছে

তেনেক্ষেত্ৰত সংলগ্নকৰন বা একত্ৰিতকৰন কৰিব পাৰে কিন্তু তাতো এটা কথা আছে, সেই কথাটো হ'ল একত্ৰিতকৰনৰ সময়ত যদি কোনো স্কুল মহান মনিষীৰ নামত স্থাপিত হয় তেতিয়াহ'লে সেই একত্ৰিতকৰণৰ ক্ষেত্ৰত চাব লাগিব যে মহান মনিষীজনৰ নাম যাতে লোপ নাপায়। দ্বিতীয়তে, কাৰো চাকৰিত আঘাত সানিব নালাগে। চাকৰি সকলোৰে থাকিব লাগে- তেওঁলোকৰ স্কুলত যদি ছাত্ৰ-ছাত্ৰী নাই তেন্তে তেওঁলোকক কাষৰ স্কুললৈ বদলি কৰিব লাগে- এইবোৰ একোটা প্ৰশাসনিক সিদ্ধান্ত কিন্তু বিদ্যালয় এখন বন্ধ কৰি দিয়া সকলো বিদ্যালয় একত্ৰিতকৰণ কৰা একত্ৰিতকৰনটো মাজে-সময়ে কৰা একত্ৰিতকৰনটো মাজে-সময়ে য'ত প্ৰয়োজনীয় তাত কৰিব বন্ধ ক'তো হ'ব নালাগে। আৰু শিক্ষাখণ্ডৰ যিটো আমূল সংস্কাৰ সেইটো কৰিব লাগে আৰু লগত ৰাইজেও তেওঁলোকৰ শিক্ষা খণ্ডৰ প্ৰতি থকা দায়িত্বও বা কৰ্তব্য পালন কৰিব লাগে।

**প্ৰশ্ন ঃ** সাম্প্ৰতিক সময়ৰ অসমৰ যুৱ শক্তিক আপুনি কি পৰামৰ্শ আগবঢ়াব ?

**উত্তৰ ঃ** যুৱ শক্তিক এই কথায়েই কম যে আমাৰ নিজৰ কামটো কৰিবই লাগিব- পঢ়া শুনা কৰিবই লাগিব। নিষ্ঠা, সততা, সাহস লাগিবই আৰু এটা কথা কও Social Media ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত অলপ সংযমী হব লাগিব। সামাজিক মাধ্যম যেনে Facebook, Twitter, Whatsapp আদি পঢ়াৰ সময়ত কৰিব নালাগে। নালাগে বুলি নাই কোৱা, দিনটোৰ ২৪ ঘন্টাই যদি অনবৰতে Facebook বা Whatsapp ত থাকো তেতিয়াহ'লে আমাৰ কোনোৰে চিন্তা শক্তি তথা বৌদ্ধিক ক্ষেত্ৰখনত বিকাশ নহ'ব। পুথিভঁৰালৰ লগত নিজকে সংযোগ কৰিব লাগিব। কেৱল পাঠ্যক্ৰমৰ মাজতে সীমাবদ্ধ হৈ থাকিব নালাগিব- পাঠ্যক্ৰমৰ বাহিৰতো আমি জ্ঞান চৰ্চা কৰিব লাগিব।

**প্ৰশ্ন ঃ** আপোনাৰ প্ৰিয় গ্ৰন্থ পাচঁখন কি কি ?

**উত্তৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ কীৰ্তন ঘোষা, মহাপুৰুষ শ্ৰী শ্ৰীমাধৱদেৱৰ নামঘোষা, হোমেন বৰগোহাঁঞিৰ আত্মানুসন্ধান, হীৰেন গোহাঁইৰ- হীৰেন গোহাঁইৰ ৰচনাৱলী - প্ৰতিজন অসমীয়াই পঢ়িব লাগে। (সাহিত্য সংস্কৃতি সকলোখিনি দিশ আলোচনা কৰাৰ ক্ষেত্ৰত তেওঁ যি প্ৰজ্ঞতা, মেধা বিচক্ষনতাৰ দিশ দেখুৱাইছে সেইবাবে সেইখন পঢ়িব লাগে।) আৰু নগেন শইকীয়াৰ অসমীয়া মানুহৰ ইতিহাস এই পাচঁখন গ্ৰন্থ মই ভাবো প্ৰতিজন অসমীয়াই পঢ়িব লগীয়া গ্ৰন্থ।

**প্ৰশ্ন ঃ** আপুনি শুনি ভাল পোৱা সংগীত কি আৰু সংগীত শিল্পী কোন ?

**উত্তৰ ঃ** মই মাটিৰ গোন্ধ থকা গান ভাল পাওঁ আৰু জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, ভূপেন হাজৰিকা, খগেন মহন্ত, জয়ন্ত হাজৰিকাৰ গীত এই সকলো গীত মই ভাবো অসমৰ একেবাৰে সংস্কৃতিৰ লগত, মাটিৰ লগত আমাৰ পাৰিপাৰ্শ্বিকতাৰ লগত জড়িত। গতিকে তেওঁলোকৰ গীত শুনি মই ভাল পাওঁ। ✦



# ৰাজহুৱা বক্তব্য ঃ এক সন্মোহনী কলা

অজিত কুমাৰ শৰ্মা

বিশ্ববিশ্ৰুত নাট্যকাৰ উইলিয়াম শ্বেক্সপীয়েৰৰ দ্বাৰা ৰচিত এখনি উল্লেখযোগ্য আৰু বিখ্যাত নাটক হৈছে 'জুলিয়াচ চিজাৰ' যিখন নাটক বহুজন সমাদৃত হিচাপে বিশ্বনাট্য সাহিত্যত জিলিকি আছে আৰু এই বুৰঞ্জীমূলক বিয়োগান্তক নাটকখনিৰে এটি গুৰুত্বপূৰ্ণ চৰিত্ৰ হৈছে 'এন্টনিঅ'। এক ষড়যন্ত্ৰ ৰচনা কৰি ব্ৰুটাচ, কেচিয়াচ, কাস্কা আদিয়ে যেতিয়া জুলিয়াচ চিজাৰক হত্যা কৰিলে, তাৰ পিছৰ পৰ্যায়তেই দৰাচলতে এন্টনিঅ' নামৰ চৰিত্ৰ গুৰুত্ব বহু বেছি পৰিমানে বাঢ়ি যায়, তাৰ কাৰণ আছিল এন্টনিঅ'ৰ বাক্পটুতা আৰু বাকচাতুৰ্য্য আৰু আন মানুহক কথন কলাৰে বিমোহিত কৰিবপৰা এক অনন্য, একক আৰু ব্যতিক্ৰমী গুণ যিটো সৰহ সংখ্যক মানুহৰেই নাথাকে। কথন, ভাষণ বা ৰাজহুৱা বক্তব্যৰ এই সন্মোহনী কলা আয়ত্ত কৰিবপৰা কাৰনে ই এন্টনিঅ' ৰ মুখেৰে নিঃসৃত হোৱা কথাই ৰাইজক বিমোহিত কৰি জুলিয়াচ চিজাৰৰ হত্যাকাৰীহঁতৰ ওপৰত নাৰকীয় প্ৰতিশোধ লোৱাত সহায় কৰিছিল। ৰাজহুৱা সভা সমিতি বুলিয়েই নহয়, ব্যক্তিগত পৰ্যায়তো মানুহৰ কথন ভংগী আৰু প্ৰকাশভঙ্গীয়ে আনক অতি সহজতে আপ্লুত আৰু প্ৰলুব্ধ কৰিব পাৰে আৰু আন কিছুমানৰ ক্ষেত্ৰত অসন্তুষ্টি বা হিংসাৰ দাবানল জ্বলাব পাৰে। কথাত কটা যায়, কথাত বঁটা পায় - এই আপ্তবাক্যটি এই ক্ষেত্ৰত পুৰামাত্ৰাই খাটে। ৰাজহুৱা বক্তব্য বা ভাষণ প্ৰদানৰ ক্ষেত্ৰত Woodrow Wilson এ এযাৰ বৰ গুৰুত্বপূৰ্ণ কথা কৈ গৈছে- " If I am to speak for ten minutes, I need a week for preparation; if fifteen minutes, three days; if half an hour, two days; if an hour, I am ready now.''অৰ্থাৎ চিন্তাপ্ৰসূত, তত্বগধুৰ, দিক্নিৰ্ণয়কাৰী, জ্ঞানগৰ্ভ ভাষণ যদি কৰবাত দিবলগা হয় তেনেহ'লে তাৰ প্ৰস্তুতিৰ কাৰনে এক দীঘলীয়া সময়ৰ প্ৰয়োজন হয়। কাৰণ ১০ বা ১৫ মিনিটৰ বক্তব্য এটি প্ৰদান কৰিবলৈ যাওঁতে নিৰ্বাচিত শব্দ বিন্যাস বা শব্দচয়নৰ প্ৰতি মনোযোগ দিয়াৰ উপৰিও সি চিন্তাউদ্ৰেককাৰী হয়নে নহয় তাৰ প্ৰতিও নজৰ দিবলগীয়া হয়। কিন্তু আৱেগসৰ্বস্ব, যুক্তিহীন, চালেবেৰে কোবোৱা বক্তব্য কোনো প্ৰস্তুতি অবিহনেই এঘন্টা বা তাতোধিক সময়ৰ বাবে উপস্থাপন কৰিব পাৰি যিহেতু 'হঠাৎ পেট্ৰিয়ট'ৰ নিচিনা শ্ৰোতাৰ মনস্তাত্বিক জগতখনলৈ লক্ষ্য নকৰি, ভাষণৰ গুৰুত্ব আৰু তাৰ সম্ভাব্য প্ৰভাৱ আদি বিবেচনা নকৰি ইয়াক মঞ্চৰ সন্মুখলৈ গৈ উপস্থাপন কৰিব পাৰি। এনেকুৱা অধ্যয়নহীন আৰু তৰল বক্তব্যাই কিবা হিতসাধন কৰিব পাৰে বুলি মনে নধৰে। Lewis Carroll ৰ মতে Take care of the sense, and the sounds will take care of themselves.

যিকোনো বিষয় বা সমস্যাৰ

ক্ষেত্ৰত ৰাজহুৱা বক্তব্য প্ৰদান কৰাতো তেনেই উজু কথা নহয় যদিও বাহ্যিক দৃষ্টিকোণেৰে নিৰীক্ষণ কৰিলে ইয়াক অত্যন্ত সহজ কাম বুলিয়েই ভাব হয়। ৰাজহুৱাভাবে কোনো মত প্ৰকাশ কৰিবলৈ যাওঁতে বা বক্তব্য উপস্থাপন কৰিবলৈ হ'লে প্ৰথমতেই গুৰুত্ব দিবলগীয়া বিষয়টোৱেই হৈছে শ্ৰোতামণ্ডলীৰ আগ্ৰহ আৰু বৌদ্ধিক মানদণ্ড। কাৰণ আমি যি বিষয়ৰ ওপৰত আলোচনা বা বক্তব্য আগবঢ়াও সন্মুখত থকা শ্ৰোতাগণৰ বোধগম্য হবনে নহয় তালৈ বিশেষভাৱে নজৰ দিয়াটো একান্তই আমাৰ দায়িত্ব। স্কুল বা কলেজৰ কম বয়সীয়া ল'ৰা-ছোৱালী বিলাকৰ আগত অত্যন্ত জটিল দাৰ্শনিক দৃষ্টিভংগী বা সূত্ৰৰ ব্যাখ্যা কৰি আমাৰ পাণ্ডিত্য আৰু আত্মভিমান প্ৰকাশ কৰিবলৈ যোৱাত হব এক বাতুলামি। ঠিক তেনেকৈ উচ্চশিক্ষিত, জ্ঞান, মেধা, অধ্যয়নপুষ্ট শ্ৰোতা মণ্ডলীক সাধুকথা বা তৰল, মুখৰোচক, ব্যপ্তিবিহীন কথাৰে তেওঁলোকৰ মন জয় কৰা কিম্বা বিষয়বস্তুৰ প্ৰতি আকৰ্ষিত কৰা কথাটোও সমানেই নিন্দনীয়। প্ৰাথমিক ভাৱে চাবলৈ গলে ৰাজহুৱা বক্তব্যৰ প্ৰশিক্ষণ কেতিয়াও বাহ্যিকতাৰ বিষয়বস্তু নহয়, আনহাতে মৌলিকভাবে বিচাৰ কৰিলে ই অনুকৰণৰ বিষয়বস্তুও নহয়। সেই কাৰণে বক্তব্য প্ৰদান কৰিবলৈ যাওঁতে বক্তাই সদায় শ্ৰোতাৰ মনস্তত্ব আৰু মানদণ্ড বিচাৰ কৰি কোনবিলাক বিষয়ক অগ্ৰাধিকাৰ দিব তাৰ প্ৰতি নজৰ ৰখাতো খুবেই প্ৰয়োজন। অন্যথা বক্তাৰ ভাষণ বা বক্তব্য শ্ৰোতাগণৰ বাবে বিৰক্তিকৰ হৈ উঠিব পাৰে। কাৰণ সঁচা কথাতো হৈছে এয়ে যে আনসকলো গন্ধৰ্ব বিদ্যাৰ দৰে ৰাজহুৱা বক্তব্য প্ৰদান কৰাটোও এক সন্মোহনী ক'লা যাৰদ্বাৰা আপুনি, মই সকলোৱে আনৰ অন্তৰ জয় কৰি এক নান্দনিক আনন্দ লাভ কৰিব পাৰো। সংস্কৃতত এষাৰ কথা আছে "কিং কৰিষ্যতি বক্তাৰ ; শ্ৰোতা যত্ৰ ন বুদ্ধতে।" অৰ্থাৎ ছাত্ৰ-ছাত্ৰীয়েই হওঁক বা অন্য শ্ৰোতাই হওঁক যদি বিষয় বস্তু হৃদয়ঙ্গম কৰিব নোৱাৰে তেনেহলে তাৰবাবে বক্তাই সমস্ত দোষ মুৰ পাতি লব লাগিব। আনক আকৰ্ষণ কৰিব নোৱাৰাতো বক্তাৰ চূড়ান্ত বিফলতা বুলিয়েই কব লাগিব।

ৰাজহুৱা বক্তব্য প্ৰদান কৰিবলৈ যাওঁতে যিসকলে এইক্ষেত্ৰত ন-শিকাৰু বা নতুন তেওঁলোকে তিনিটা কথাৰ ওপৰত গুৰুত্ব দিয়াটো নিতান্তই প্ৰয়োজন। প্ৰথম কথা-সামগ্ৰিকভাবে সৰ্বসন্মতভবে কোন বিলাক গুণ আহৰন কৰিলে তেওঁ এজন সফল বক্তা হব পাৰে; দ্বিতীয়তে সুবক্তা হবলৈ বা বাগ্মিতা আহৰণ কৰিবলৈ যিবিলাক গুণৰ প্ৰয়োজন তাৰ অন্ততঃ কিছু আয়ত্ব কৰি লবলৈ কি পন্থা তেওঁ অৱলম্বন কৰিব পাৰে তাৰ প্ৰতি মনোযোগী হোৱা আৰু তৃতীয়তে সেই গুণসমূহ আহৰন কৰিবলৈ যাওঁতে তেওঁৰ বক্তব্যৰ কোনবিলাক ভুল বা বেয়া অভ্যাসে এই ক্ষেত্ৰত ক্ৰিয়া কৰি আছে তাৰ প্ৰতি সম্যক আভাষ থকাতো দৰকাৰ। এইবোৰ ক্ষেত্ৰত 'অভিজ্ঞতা'ই হৈছে বক্তাৰ বাবে শ্ৰেষ্ঠ প্ৰশিক্ষক। এজন অভিনেতা, এজন শিক্ষক, এজন গায়ক বা যিকোনো এজন ৰাজহুৱা বক্তাই অভিজ্ঞতাৰ পৰা বহুতো সময় আহৰণ কৰিব পাৰে।

ৰাজহুৱা বক্তব্যৰ ক্ষেত্ৰত আত্ম-নিয়ন্ত্ৰণ আৰু আত্ম-সচেতনতাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শ্ৰোতামণ্ডলী-সৰহসংখ্যক বা কম পৰিসৰতেই হওঁক মূলকথা বক্তাসকলে কেইটিমান গুৰুত্বপূৰ্ণ বিষয়ৰ প্ৰতি সচেতন নহলে গোটেই কাৰবাৰটোৱেই খেলিমেলি হব পাৰে নতুবা 'বহ্বাৰম্ভে লঘুক্ৰিয়া'ত পৰিণত হব পাৰে। সাধাৰণতে এইবিলাক বিষয়ত গুৰুত্ব দিবলগীয়া মূল কথা কেইটামান হ'ল-

(ক) শ্ৰোতা বা দৰ্শকৰ সন্মুখত নিজকে আত্মবিশ্বাসী ৰূপত প্ৰতিষ্ঠা কৰা।

(খ) বক্তব্য আগবঢ়াবলগীয়া বিষয়বস্তুত নিজকে সম্পূৰ্ণৰূপে আত্মনিয়োগ কৰা।

(গ) বক্তব্য প্ৰদান কৰিবলৈ পৰিপূৰ্ণৰূপত নিজকে সাজু কৰা। কোনোধৰণৰ প্ৰস্তুতি অবিহনে অথবা বিষয়বস্তু সম্পৰ্কে যদি সম্যক জ্ঞান নাথাকে তেতিয়াহলে বক্তাজনে নিশ্চিতভাবে এক অনাহত পৰিস্থিতিৰ মুখামুখি হ'ব।

(ঘ) What and How- অৰ্থাৎ কি আৰু কেনেকৈ বক্তব্য উপস্থাপন কৰিব তাৰ সম্যক আভাষ থকা দৰকাৰ। বিখ্যাত আমেৰিকান চুটিগল্পলেখক, নিবন্ধকাৰ, জীৱনীলেখক আৰু বুৰঞ্জীবিদ ওৱাশ্বিংটন আৰভিঙে ভিক্টোৰিয়ান যুগৰ প্ৰখ্যাত ঔপন্যাসিক চাৰ্লচ ডিকেন্সক এটা ডিনাৰ পাৰ্টিত চিনাকী কৰি দিবলৈ গৈ সংকটত পৰিছিল। চিনাকী পৰ্বৰ মাজতে হঠাৎ আৰভিঙৰ খোকোজা লাগিল আৰু নিজৰ বক্তব্য সাৱলীলভাবে প্ৰকাশ কৰিব নোৱাৰি বিৰক্ত হৈ বহি পৰিল। তেওঁৰ কাষতে থকা এগৰাকী চিনাকী বন্ধুলৈ লক্ষ্য কৰি তেওঁ চিংকাৰ কৰি উঠিল- "মই তোমাক আগতেই কোৱা নাছিলোনে যে মই নোৱাৰিম।" সেয়েহে বক্তব্য প্ৰদানৰ আগতে কোনো বক্তাই এইদৰে ভাবিব নালাগে যে তেওঁ নোৱাৰিব বা বিফল হব।

(ঙ) দৰ্শক বা শ্ৰোতাৰ সন্মুখত বক্তাসকলে সদায় সপ্ৰতিভ আৰু সাহসী ৰূপত নিজকে উপস্থাপন কৰিব লাগে।

সদায় নিজকে শান্ত অথচ আত্মপ্ৰত্যয়ী কৰি গঢ়িব পৰাৰ ওপৰত এজন বক্তাৰ ব্যক্তিত্ব গঢ় লৈ উঠে আৰু তাৰ ওপৰতেই তেওঁৰ বক্তব্যৰ প্ৰভাব আৰু সফলতা নিৰ্ভৰ কৰে।

(চ) ভাষণ দিবলৈ বা বক্তব্য প্ৰকাশ কৰিবলৈ কেতিয়াও লৰধৰ কৰিব নালাগে । এই গুণে বক্তাৰ আত্মনিয়ন্ত্ৰণৰ ওপৰত

বিৰূপ প্ৰভাৱ পেলায়।

(ছ) বক্তব্য কেতিয়াও একঘেয়ামী হব নালাগে আৰু বক্তাই একেই কথনভংগী বা সুৰেৰে, একেই স্বৰ ব্যৱহাৰ কৰি বক্তব্য ৰাখিবলৈ গলে ই আমনিদায়ক হৈ পৰে। এই ক্ষেত্ৰত Emerson এ এষাৰ সুন্দৰ কথা কৈ গৈছে- "The virtue of art lies in detachment, in sequestering one object from the embarrasing variety." মূল কথাটো হৈছে এয়ে যে যদি কোনোবাই কাৰোবাক কিবা শিকাব বিচাৰে বা প্ৰভাৱিত কৰিব বিচাৰে, তেওঁৰ একমাত্ৰ কৰ্ত্তব্য হব লাগিব শ্ৰোতা বা দৰ্শকক বাক্‌চাতুৰ্য্য আৰু বাক্‌শৈলীৰে সন্তুষ্টি প্ৰদান কৰি আনন্দ জগাই তোলো।

(জ) কথনভংগীৰ লগতে ৰাজহুৱা বক্তব্য আগবঢ়াবলৈ যোৱা বক্তাজনে শব্দচয়ন আৰু শব্দশৃংখলৰ প্ৰতিও সমানেই গুৰুত্ব দিব লাগিব। বাচকবনীয়া শব্দসম্ভাৰ আৰু সেই সম্ভাৰক শৃংখলিত ৰূপত, মাৰ্জিতভাৱে, ক্ষন্তেক ৰৈ ৰৈ যদি উপস্থাপন কৰিব পৰা নাযায় তেনেহলে তেনেকুৱা বক্তব্যই কিমানখিনি প্ৰভাব পেলাব পাৰিব তাত সন্দেহৰ অৱকাশ আছে।

মেল-মিটিং বা যিকোনো ৰাজহুৱা স্থানত ভাষণ দিয়া বা বক্তব্য ৰখাৰ ক্ষেত্ৰত গুৰুত্ব দিবলগীয়া শ বা হাজাৰটা বিষয়ৰ ভিতৰত ওপৰত মাথো কেইটামানহে উনুকিয়াই দিয়া হৈছে। সচাঁ কথা কবলৈ গ'লে গোটেই কাৰবাৰটোৱেই জটিল। কিন্তু Practice makes a man perfect বুলি কথা এষাৰ আছে। অনুশীলন কৰিলে সকলো কথাই সময়ত উজু হৈ পৰে। সফল বক্তাৰূপে প্ৰতিপন্ন হবলৈ হলে নিখিলাৰ্ত মানৱতাৰ প্ৰতি সহানুভূতিশীল হোৱাৰ প্ৰয়োজনীয়তাও অস্বীকাৰ কৰিব নোৱাৰি। স্বাৰ্থপৰতা হৈছে সকলো ধৰণৰ পাপ অনুভূতিৰ মূখ্য আৰু মৌলিক কাৰণ, পৃথিবীৰ সকলোবোৰ ধৰ্ম আৰু দৰ্শনে স্বাৰ্থপৰতাক মানৱতাৰ পৰিপন্থী বুলিয়েই বিশ্বাস কৰে। সচাঁ সহানুভূতি আৰু প্ৰেমময় অন্তৰৰ পৰা নিঃসৃত হোৱা বক্তব্যইহে মানৱতাক সঠিক পথৰ সন্ধান দিব পাৰে, এক নতুন জীৱন জগাই তুলি তেওঁলোকৰ অন্তৰত গভীৰ চিন্তাৰ উদ্ৰেক ঘটাব পাৰে। এইক্ষেত্ৰত প্ৰাক্তন আমেৰিকান চিনেটৰ এলবাৰ্ট জে বিভাৰিজে এষাৰ গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰি গৈছে-"And he would greatly influence the people bt uttering their unformed thoughts must have this great and unanalyzable bond of sympathy with them." মূল কথা কোনো প্লেটফৰ্ম বা মঞ্চৰ পৰা বক্তাই তেওঁৰ শব্দৰ পৰা যিখিনি ভাব প্ৰকাশ কৰিব বিচাৰে, তেওঁৰ কণ্ঠ বা দৃষ্টিভংগীয়ে যদি অন্যফালে নিৰ্দেশ কৰে তেনেহলে তেনেকুৱা বক্তব্যৰ প্ৰতি শ্ৰোতা দৰ্শকে কোনো আগ্ৰহ প্ৰদৰ্শন নকৰে। সাৱধানতা হৈছে ব্যক্তিতাৰ মূল জকা বা আত্মা আৰু ইয়াক বক্তাই নিশ্চিত ভাৱে অনুধাৱন কৰিব লাগিব।

কেতিয়াবা দেখা যায় কোনো কোনো বক্তাই ভাষণ দি থকাৰ মাজতে খোকোজা লাগি ৰৈ যাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। এইখিনিতে উল্লেখ কৰিবলগীয়া এষাৰ কথা হৈছে এয়ে যে বক্তৃতাৰ মাজে মাজে pause দিয়াটো বক্তা এজনৰ মহৎ গুণ। কিন্তু কিংকৰ্তব্য বিমূঢ় হৈ মঞ্চত বা ৰাজহুৱা স্থানত থিয় দি থাকিবলগীয়া হোৱাতো দৰাচলতে এক অনাহুত পৰিস্থিতি। এনেকুৱা ধৰণৰ অবাঞ্চিত আৰু অনাকাংক্ষিত পৰিস্থিতি এৰাই চলিবলৈ হলে প্ৰস্তুতিৰ মাধ্যমেৰে বাক্‌শৈলীৰ সাৱলীলতা আহৰণ কৰি লোৱাতো বক্তা এজনৰ বাবে অত্যন্ত প্ৰয়োজনীয় হৈ পৰে। ৰাজহুৱা ভাষণ, বক্তৃতা বা কথনৰ ক্ষেত্ৰত বক্তব্যৰ স্পষ্ট আৰু পোনপটীয়া নিক্ষেপন নিসন্দেহে এপাত শক্তিশালী অস্ত্ৰ আৰু শ্ৰোতাৰ মনোজগত অধিকাৰ কৰি তেওঁলোকৰ অন্তৰত নতুন তৃষ্ণা জগাই তুলিব পাৰে।

শ্ৰোতাৰ অন্তৰত অনুভূতি আৰু উৎসাহ জগাই তোলাৰ কৌশল যিগৰাকী বক্তাই আয়ত্ব কৰিব পাৰে তেওঁ নিজৰ অৰ্থত পুৰামাত্ৰাই সফল হোৱাৰ সম্ভাৱনা থাকে। অজুৎসাহৰ গুণতেই ইউৰোপীয়ানসকলে ধৰ্মীয় বিষয়ত সুদীৰ্ঘ ৩০ বছৰ ধৰি যুদ্ধৰত হৈ থকাৰ ক্ষমতা অৰ্জন কৰিছিল। এই প্ৰসঙ্গত ইংৰাজ লেখক কাৰ্লাহ'লে এষাৰ বৰ সুন্দৰ কথা কৈছে- "Every great movement in the annals of history has been the triumph of enthusiasm."The London Times অৰ নাট সমালোচক এগৰাকীয়ে ঘোষণা কৰি কৈছিল যে অভিনয় ক'লাৰ দহভাগৰ ন ভাগেই হৈছে কণ্ঠক'লা। ৰাজহুৱা ভাষণৰ ক্ষেত্ৰতো একে কথাই কব পাৰি। এটা অতি চহকী, স্পষ্ট আৰু গলগলীয়া কণ্ঠই নিমিষতে আনৰ মন অধিকাৰ কৰি লব পাৰে। বক্তৃতা বা ভাষন দিবলৈ যাওতে পৰিস্কাৰ আৰু প্ৰভাৱশালী কণ্ঠৰ অধিকাৰী হবলৈ বক্তাৰ বাবে তিনিটা মূখ্য বিষয় আহৰন কৰাটো অত্যন্ত জৰুৰী। কণ্ঠৰ সেই নীতি তিনিটা হৈছে স্বাচ্ছন্দ্য, মুক্ততা আৰু অগ্ৰগামীতা। এইকেইটা নীতি অনুসৰণ কৰি আয়ত্ব কৰি ললে দুৰত্বত থকা শ্ৰোতাদৰ্শকৰ কৰ্ণকুহৰতো ই প্ৰভাৱ বিস্তাৰ কৰিব।

বক্তাৰ শৰীৰী ভাষা আৰু শৰীৰ সঞ্চালনো ৰাজহুৱা বক্তব্যৰ এক অবিচ্ছেদ্য অংগৰূপে বিবেচনা কৰা হয়। তাৰোপৰি তেওঁৰ মুখৰ অভিব্যক্তি, ভাবাৱেশ আদিও সমানেই গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হয়। বিষয়বস্তুৰ গভীৰতা বা মানদণ্ড নিৰূপণ কৰি হাস্যৰসৰ সৃষ্টি কৰিব পৰাটোও বক্তা এজনৰ বাবে সঁচাৰ কাঠি ৰূপে চিহ্নিত হয়। একে ভংগীতে থিয় দি থাকি একঘেয়ামী ভাবে স্থান সলনি নকৰাকৈ, শৰীৰী ভাষা প্ৰদৰ্শন নকৰি যদি

বক্তাই ভাষণ দি থাকে তেনেকুৱা ভাষনে কোনো ধৰণৰ নতুনত্ব বা নান্দনিক আবহাৱাৰ সৃষ্টি কৰিব নোৱাৰে।

সামূহিক বা ৰাজহুৱা মঞ্চত সফলভাবে বক্তব্য প্ৰদান কৰিব পৰাটো এক নান্দনিক ক'লা। এই কলাক পৰিপূৰ্ণৰূপত আয়ত্ত কৰিবলৈ যথেষ্ট অনুশীলনৰ প্ৰয়োজন হয়। বিষয়বস্তুৰ সুক্ষ্ম ব্যাখ্যা, বিশ্লেষনাত্মক দৃষ্টিভংগী, কথা কোৱাৰ ভংগী, বৰ্ণনাৰ কৌশলৰ মাধ্যমেৰে প্ৰভাৱ বিস্তাৰ, উপদেশ আৰু পৰামৰ্শ প্ৰদান কৰি সমস্যাৰ সমাধানৰ বাবে দিয়া ফলপ্ৰসূ উপায়, যুক্তিৰ মাধ্যমেৰে বাস্তৱ আৰু সত্যান্বেষী ধাৰণাৰ উপস্থাপন আদি এশ এবুৰি দক্ষতা আহৰণ কৰি সুবক্তা ৰূপত নিজকে উদ্ভাষিত কৰি তুলিব পৰাটো দৰাচলতে এক মহৎ গুণ। তাৰোপৰি সংচিন্তা আৰু ব্যক্তিত্ব আহৰণ কৰাটোও ৰাজহুৱা বক্তা এজনৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ। কাৰন বক্তাৰ চিন্তা আৰু মানসিক দৃষ্টিভংগীয়েহে দৰাচলতে তেওঁক সফল বা বিফল বক্তা হিচাপে ৰাইজৰ আগত চিনাকী কৰাই দিয়ে। ✦

---

লেখক- মুৰব্বী অধ্যাপক, ইংৰাজী বিভাগ, বৰভাগ মহাবিদ্যালয়।

**নলবাৰী জিলাত প্ৰচলিত প্ৰবাদ-প্ৰবচন ঃ**

* ধৰ্‌বা লাগে গাইৰ বাতোত ধোৰে হাউলাৰ বাতোত। (হক কথাত নালাগি অহক কথাত লগা)
* আপাচোলি মোইজাৰ মাটি আপিচোলি বেৰাৰ মাটি লাত্‌থি মাইল্‌লি জাবো ফাটি। (ল'ৰা সন্তানৰ প্ৰতি আগ্ৰহ আৰু কন্যাৰ প্ৰতি অৱহেলা)
* গাঅতু জাই চাইআতু নাজোই। (বেজীৰ জলা মনা কুঠাৰৰ জলা নমনা)
* ৰাজাই ভাল পাউএ জাক হাতী ঘোঁৰা নাঙ্গে তাক। (ৰাজ আদৰৰ মৰণ নাই)
* হাউচে বিদ্‌দা কিৰ্‌পিনোদ্‌ ধন। (একাগ্ৰতাই আচল কথা)



# বাস্তৱ জীৱনৰ অবাস্তৱ ছবি

দ্বীপেন কুমাৰ দাস

বাস্তৱ জীৱনত মানুহে নিজৰ ৰুচি-অভিৰুচি অনুসৰি সামাজিক নীতি-নিয়মৰ মাজেৰে জীৱন-যাপন কৰে। কিন্তু যেতিয়া পৰিস্থিতি অনুসৰি মানুহে স্বাভাৱিক জীৱন যাত্ৰাৰ পৰা অনিচ্ছা স্বত্বেও বাধ্যত পৰি নিজক জীয়াই ৰাখিবৰ বাবে আঁতৰি আহি কিছুমান আচহুৱা অস্বাভাৱিক নীতি-নিয়ম মানি জীৱন নিৰ্বাহ কৰিবলগাত পৰে, তেতিয়াই জীৱনটোৱে বাস্তৱজীৱনৰ গতানুগতিকৰ পৰা এক অবাস্তৱৰ সন্মুখীন হব লগা হয়। অবাস্তৱৰ বিৰুদ্ধে জীয়াই থকাৰ এই সংগ্ৰামত যিয়েই জয়ী হয় সিয়ে বৰ্তি থাকে আৰু পৰাজিত জন সময়ৰ চাকনৈয়াত হেৰাই যায়।

বৰ্তমান সমগ্ৰ বিশ্বব্যাপি সম্প্ৰসাৰিত মহামাৰী কভিড-১৯ ৰ ভয়াৱহতাই সমগ্ৰ মানৱ জাতিৰ জীৱনশৈলীৰ ৰূপান্তৰ ঘটাইছে। মানুহে বাস্তৱ জীৱনত কিছুমান নাভূত-নাশ্ৰুত অবাস্তৱ পৰিৱেশৰ সন্মুখীন হবলগীয়া হ'ল। অৱশ্যে পৃথিৱীত সময়ে সময়ে বহুতো মহামাৰীৰ প্ৰাৰ্দুভাৱ ঘটি মানৱ জীৱনলৈ শংকা নমাই আনিছিল আৰু কম সময়তে সেইবোৰ নিয়ন্ত্ৰিত হৈছিল। কিন্তু অতিমাৰী কভিড-১৯ ৰ ভয়াৱহ সংক্ৰমণে সমগ্ৰ বিশ্বতে মানৱ জাতিৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। ভাইৰাছ বিধৰ বহুৰূপিতাই সমগ্ৰ বিজ্ঞান মহলত এক আলোড়নৰ সৃষ্টি কৰিছে। দেশে-বিদেশে বৈজ্ঞানিক সকলো এইবিধ ভাইৰাছৰ লক্ষণ পৰ্যৱেক্ষন কৰি জিন ক্ৰমৰ পৰিৱৰ্তনৰ জৰিয়তে ইয়াক প্ৰতিৰোধৰ চেষ্টাত লাগি গ'ল। WHO ৰ নিৰ্দ্দেশ অনুসৰি সমগ্ৰ বিশ্বৰ Lock-down ৰ বাদে অন্য উপায় নাছিল। এই Lock down য়ে সমগ্ৰ বিশ্বৰ জনগণৰ জীৱন ধাৰণ প্ৰণালীক সলনি কৰি দিলে। ফলত বাস্তৱ জীৱনতে কিছুমান অবাস্তৱ নিয়মৰ সন্মুখীন হৈ মানৱ জাতি জুৰুলা হৈ পৰিল। Covid-19 virus টো হাঁচি-কাঁহ স্পৰ্শৰ দ্বাৰা ইজনৰ পৰা সিজনৰ গা-লৈ বিয়পে বাবে ইজনে-সিজনৰ মাজত কমেও দুইমিটাৰ ব্যৱধান ৰখাটো প্ৰয়োজন। অনবৰতে, হাতধোৱা, চেনিটাইজাৰৰ ব্যৱহাৰে জনজীৱনক খৰচাস্ত কৰিলে। Lock-down, Curfew ইত্যাদি কঠোৰৰ পৰা কঠোৰতমভাৱে বলবৎ কৰিবলৈ চৰকাৰ তৎপৰ হৈ পৰিল ভাইৰাছৰ সংক্ৰমনৰ প্ৰতিৰোধ কৰিবলৈ । Lock-down, Curfew ইত্যাদিয়ে কিছু পৰিমাণে ভাইৰাছৰ সংক্ৰমণত বাধাৰ সৃষ্টি কৰিলেও সামাজিক, অৰ্থনৈতিক আৰু শৈক্ষিক দিশত একবিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। সামাজিক নীতি-নিয়ম, বিয়া বাৰু, উৎসৱ, পূজা পাৰ্বন আদিত যুগ যুগ ধৰি চলি অহা পৰম্পৰাত ব্যাঘাত ঘটিল বিয়া বাৰু উৎসৱ আদিত কভিড বিধি মানি সীমিত সংখ্যক মানুহৰে পালন কৰিবলগীয়া হল। তীৰ্থ ভ্ৰমণ, বনভোজ, পাৰ্কত বিলাসভ্ৰমণ আদি বাস্তৱ জীৱনত স্তিমিত হ'ল। ৰাস্তা-ঘাট বজাৰ সমাৰ দোকান-পোহাৰ জনশূন্য হৈ পৰিল। Lock-down য়ে মানুহক জীৱজন্তুৰ দৰে ঘৰতে পিঞ্জৰাবদ্ধ কৰিলে। কোনেও কাকো স্পৰ্শ কৰিব নোৱাৰা হ'ল, আনকি কোনেও কৰোবাৰ ঘৰলৈ যোৱাত বাধাৰ সৃষ্টি হ'ল। আত্মীয় স্বজনৰ মৃত্যু হলেও কোনেও কাৰো খবৰ লব নোৱাৰা হ'ল, যিটো বাস্তৱ জীৱনত কল্পনাতীত আছিল। কভিড-১৯ মহামাৰীয়ে দেশৰ অৰ্থনৈতিক ব্যৱস্থাৰ ৰাজহাড় বেকা কৰি পেলালে। বিভিন্ন

ঠাইত শ্ৰমিক হিচাপে নিয়োজিত শ্ৰমিক কৰ্মচাৰীসকলে কৰ্ম সংস্থান বাদ দি ঘৰমুৱা হ'ল জীৱনৰ মমতাত। কৰ্মহীনতাই সকলোৱে ঘৰে ঘৰে হাঁই-কাজিয়া, দ্বন্দ-খৰিয়ালৰ সৃষ্টি কৰিলে। বহুতেই অনাহাৰে-অনিদ্ৰাই দিন পাৰ কৰিব লগীয়াত পৰিল। কোনেও কাকো সহায় কৰিব নোৱাৰা অৱস্থা হ'ল। চিনেমাৰ প্ৰযোজক, ভ্ৰাম্যমানৰ মালিক, অভিনেতা-অভিনেত্ৰী, কলা-কুশলী কৰ্মচাৰীৰ জীৱনলৈ অমানিশাৰ এন্ধাৰ নামি আহিল, সকলোৱে অৰ্থনৈতিক দিশত দিশহাৰা হ'ল। আনকি বৃহৎ বৃহৎ হোটেল ৰেস্তোৰা, শ্বপিংমল'ল সমূহ বন্ধকৰি দিয়া হ'ল । মালিকৰ লগতে হাজাৰ কৰ্মচাৰীৰ উপাৰ্জনৰ পথ ৰুদ্ধ হ'ল। ভিক্ষাৰীয়েও ঘৰে ঘৰে গৈ ভিক্ষা কৰাৰ মুদা মৰিল। আন্তঃজিলা যাতায়তি বন্ধই ব্যৱসায়-বাণিজ্যত ৰাম-টাঙোন বহালে। হাট-বজাৰৰ অভাৱত খেতিয়কৰো খেতিৰ উৎপাদিত শস্য খেতিপথাৰতে নষ্ট হ'ল। বয়-বস্তুৰ আকাশলঙ্ঘী দামে জনজীৱনক নগুৰ-নাৰ্কটি কৰিলে। পেট্ৰ'ল-ডিজেলৰ সঘন মূল্যবৃদ্ধিয়ে যান-বাহনৰ চলাচলতো বাধাৰ সৃষ্টি কৰিলে। বহুতো ডেকাই আকৌ কভিড পৰিস্থিতিৰ সুযোগ লৈ ড্ৰাগছৰ ৰমৰমীয়া বেহাত লিপ্ত হ'ল। এনেকুৱা এক অবাস্তৱ পৰিস্থিতিয়ে দেশৰ অৰ্থনৈতিক বান্ধোন থানবান কৰি সামাজিক বিশ্ব শৃংখলতাৰ সৃষ্টি কৰিলে।

কভিড ১৯ য়ে দেশৰ শৈক্ষিক দিশতো যি সুদূৰপ্ৰসাৰী কু-প্ৰভাৱ পেলালে তাক পুনৰুদ্ধাৰ কৰি থিক্ ঠাক্ কৰোতে বহুতো সময়ৰ প্ৰয়োজন হোৱাটো ধ্ৰুপ। কভিড পৰিস্থিতিয়ে বহুতো নৱ প্ৰজন্মৰ শৈক্ষিক ক্ষেত্ৰখন কোঙা কৰি দিলে। Online শিক্ষা ব্যৱস্থা আৰু Mobile ৰ ব্যৱহাৰে কণ কণ চেমনীয়াৰ পৰা ডেকালৈ নৈতিক চৰিত্ৰৰ অধঃপতন ঘটালে। স্কুল-কলেজলৈ নোযোৱাকৈ Mobile ৰ জৰিয়তে Online শিক্ষা ব্যৱস্থাই বহুতৰ শিক্ষা গ্ৰহণত বাধাৰ সৃষ্টি কৰিলে। বিশেষকৈ দুখীয়া ঘৰৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে Mobile ৰ অভাৱত এনেকুৱা শিক্ষা ব্যৱস্থাৰ পৰা বঞ্চিত হব লগা হ'ল। আনকি বহুতো ঠাইত Internet সংযোগ নথকাত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত বহুতো আহুকালৰ সন্মুখীন হ'ব লগা হ'ল। পৰীক্ষাৰ্থী সকলেও "Open Book System" ত Online ৰ জৰিয়তে পৰীক্ষা দিব লগা হোৱাত পাঠ্যপুথিৰ পৰা আয়ত্ত কৰিব লগীয়া জ্ঞানৰ মুদা মৰিল। বহুতেই আকৌ স্কুল-কলেজ নেদেখাকৈয়েই ইটোৰ পিছত সিটো শ্ৰেণীলৈ উত্তীৰ্ণ হ'ল। ফলত সঠিক জ্ঞান আহৰণৰ পৰা বঞ্চিত হ'ল।

কভিড-১৯ ৰ ভয়াবহ সংক্ৰমণে দেশে বিদেশে লাখ লাখ মানুহৰ অকাল বিয়োগ ঘটালে। বহুতো বিখ্যাত গায়ক-গায়িকা, অভিনেতা-অভিনেত্ৰী, ৰাজনৈতিক নেতাৰ লগতে বহুতো চিকিৎসক, চিকিৎসক কৰ্মচাৰীয়ে এইৰোগৰ দ্বাৰা আক্ৰান্ত হৈ কম বয়সতে মৃত্যুক সাবতি ল'ব লগা হল। মৃতদেহ সৎকাৰৰ বাবে ঠাইৰ নাটনিয়ে দেখা দিলে। এই ভয়াবহ অতিমাৰী প্ৰতিৰোধৰ বাবে বিশ্ব বিজ্ঞানীসমাজে ৰাতিক দিন কৰি বিভিন্ন পৰীক্ষা নিৰীক্ষাত উঠিপৰি লাগিল। চৰকাৰী পক্ষইও যুদ্ধ কালীন তৎপৰতাৰে কভিড নিয়ন্ত্ৰণৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাই থাকিল। ডাক্তৰ-নাৰ্ছ, পুলিচ-মিলিটাৰী আদিৰ স্বাভাৱিক কামতকৈ অধিক কামৰ হেচাঁ পৰিল বৈজ্ঞানিকসকলৰ অহোপুৰুষাৰ্থ চেষ্টাৰ ফলস্বৰূপে কেইবিধমান ভেকচিনৰ আৱিষ্কাৰ হ'ল যদিও জনসংখ্যা অনুপাতে ইয়াৰ উৎপাদন সীমিত হোৱাত ভেকচিন ল'বলৈ অহা মানুহৰ দীঘলীয়া শাৰীৰ সৃষ্টি হ'ল। যদিও ভেক্‌চিন আৱিষ্কাৰ হ'ল তথাপি এই টিকাকৰণ আচঁনিখন সম্পূৰ্ণ হওঁতে যথেষ্ট সময়ৰ প্ৰয়োজন হোৱাটো খাটাং। তদুপৰি কভিডৰ বহুৰূপীতাই চিকিৎসকসকলক বাৰুকৈয়ে বিপদত পেলোৱাটোও পৰিলক্ষিত হৈছে। এই কভিড পৰিস্থিতিয়ে নিজকে সভ্যতাৰ শিখৰত আৰোহণ কৰা, বৈজ্ঞানিক যুগৰ মানুহ বুলি দম্ভালি মৰা মানৱৰ গতানুগতিক জীৱনধাৰাক ভৱিষ্যতে কি এক অবাঞ্চিত বাস্তৱৰ ফালেলৈ যাব পাৰে সেইটো সময়ে নিৰ্ধাৰণ কৰিব। কভিডৰ এই অবাস্তৱ ছবিখনক কভিডৰ আগৰ বাস্তৱ পৰিৱেশৰ ৰূপ দিবলৈ হলে চৰকাৰ, জনসাধাৰণ আৰু সকলোৱে বদ্ধপৰিকৰ হৈ কভিড যুদ্ধত অৱতীৰ্ণ হ'ব লাগিব আৰু চিকিৎসা বিজ্ঞানীসকলক পাৰ্য্যমানে সুস্থভাৱে চিন্তা-পৰ্য্যৱেক্ষণ কৰাৰ সুযোগ সুবিধা শান্তি প্ৰদান কৰিব লাগিব, নহলে আধুনিক সভ্য মানৱৰ অস্তিত্ব এদিন বিশ্বৰ বুকুৰপৰা হেৰাই যোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। ✦

---

লেখক- মুৰব্বী অধ্যাপক, উদ্ভিদ বিজ্ঞান বিভাগ।

# অসমীয়া সমাজত নাৰীৰ স্বাধীনতা

ৰিতুপৰ্ণা ডেকা

**প্ৰস্তাৱনা ঃ**

স্বাধীন বুলি ভাবিলেও আজিৰ নাৰী স্বাধীন নে? ই এটি ডাঙৰ প্ৰশ্ন। স্ব-অধীন অৰ্থাৎ নিজে নিজৰ অধীন। নিজে স্বাধীন হ'বলৈ হ'লে পোনতে নিজকে শিক্ষাৰ শিকলিৰে মেৰিয়াই লব লাগিব, অৱশ্যে বিদ্যালয়ৰ শিক্ষা বা কিতাপৰ শিক্ষাৰে শিক্ষিত নোহোৱাকৈও শিক্ষিত হ'ব পাৰি। দৰাচলতে এই শিক্ষা ব্যৱহাৰিক জীৱনৰ শিক্ষা ।আধুনীক যুগত নাৰীয়ে স্বাধীনতাৰ কথা অধিক পৰিমাণে উপলব্ধি কৰিছে। স্বাধীনতা, ই হৈছে এক প্ৰকাৰৰ অধিকাৰ, ই এক জন্মগত অধিকাৰ। জীৱন লভাৰ লগে লগে আমি স্বাধীনতাও অৰ্জন কৰিছো। স্বাধীনতা অৰ্জন কৰিবলৈ সক্ষম বুলি তেতিয়াহে ক'ব পাৰি যেতিয়া স্বাধীনতাৰ প্ৰতি মনত স্পৃহা জন্মিব। স্বাধীনতা নথকা জীৱন শুকান কাঠৰ দৰেই নীৰস। নিজৰ মনটো স্বাধীন কৰিব পাৰিলেহে স্বাধীনতাৰ মৰ্ম উপলব্ধি কৰিব পাৰিব। প্ৰাচীন কালত নাৰীসকল স্বাধীন নাছিল। আদিম যুগত খাদ্যৰ সন্ধানত নাৰী- পুৰুষ উভয়ে একেলগে ঘূৰি ফুৰিছিল, তেতিয়া তেওঁলোকৰ মাজত কোনো লিংগ বিভাজনৰ বৈষম্য আহি পৰা নাছিল। সময় যোৱাৰ লগে লগে যেতিয়াৰ পৰা মহিলাসকল ঘৰুৱা কামত, শিশু পালন কৰাৰ কামত গৃহবন্দী হৈছিল তেতিয়াৰ পৰাই পুৰুষসকলে কৃষি কৰ্মত, চিকাৰ কামত, সমাজ আৰু ৰাষ্ট্ৰ গঠনৰ কামত নিজকে নিয়োজিত কৰা কাৰ্যই তেওঁলোকক উচ্চ পৰ্যায়লৈ ধাৱিত কৰিলে। আকৌ, নাৰী সকলৰ গৃহস্থালি চম্ভালা কামক নিম্ন পৰ্যায়ৰ বুলি বৈষম্যমূলকভাৱে মূল্যায়ন কৰা হ'ল। নাৰীসকল ঘৰুৱা কামত ইমানেই ব্যস্ত হৈ পৰিবলগীয়া হ'ল যে বাহিৰৰ জগতৰ লগত সম্পৰ্ক ৰখাৰ সময়কণ নোহোৱা হৈ পৰিল। সেই সময়ৰ পৰাই নাৰীসকলক পুৰুষৰ পদানত ৰাখিলে। ফলত নাৰীৰ মন, মগজু, দেহ একাকাৰ হৈ পৰিল। এক কথাত ক'বলৈ হ'লে পুৰুষৰ চকুত নাৰীৰ কেৱল যৌন সত্তাটোহে জীয়াই থাকিল, অন্তৰ্নিহিত মানবীয় সত্তাটো অন্ধকাৰৰ পোতাশালত জাহ গ'ল ।



**মূল বিষয়বস্তু ঃ**

অতীতৰে পৰা নাৰীক শক্তি ৰূপে পূজা উপাসনা কৰাৰ প্ৰথা প্ৰচলিত। এই প্ৰথাৰ প্ৰয়োজনীয়তা আছেনে? যিখন সমাজত নাৰীয়ে স্বাধীনভাৱে জীয়াই থাকিব নোৱাৰে, সেইখন সমাজত শক্তিৰ পূজাৰ প্ৰচলনৰ প্ৰয়োজনীয়তা কিমান? পুৰণি সেই সমাজ ব্যৱস্থাৰ আঁত ধৰি আজি পৰ্যন্ত নাৰীক যুগে যুগে দমন আৰু অত্যাচাৰ কৰি অহা অলেখ ঘটনাৰ উদাহৰণ আমি পাওঁ। ইয়াৰ

অন্ত কেতিয়া পৰিব। ই এটি গুৰুত্বপূৰ্ণ প্ৰশ্ন।"উনবিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধ আৰু বিংশ শতাব্দীৰ প্ৰথমাৰ্ধৰ ভাৰত বৰ্ষত সমাজত নাৰীৰ স্থান সম্পৰ্কীয় প্ৰশ্নটোৱে মহাত্মা গান্ধী প্ৰমুখ্যে সামাজিক নেতা কৰ্মী তথা সৰ্বসাধাৰণৰ মনত গুৰুত্ব লাভ কৰিছিল। এইছোৱা কালতেই নাৰীৰ ব্যক্তিগত স্বাধীনতা তথা নিজৰ জীৱন সম্পৰ্কে নিজে সিদ্ধান্ত গ্ৰহণ কৰাৰ অধিকাৰৰ ধাৰণা সম্পৰ্কে মানুহৰ সজাগতা স্পষ্ট হ'ল। ই সামাজিক বিতৰ্কৰো বিষয় হৈ উঠিল। আজি-ৰ যুগত সমান অধিকাৰৰ কথা কোৱা হয় যদিও সেয়া বাস্তৱ ক্ষেত্ৰত সম্পূৰ্ণৰূপে শেষ হৈ যোৱা নাই। আজিও কেৱল শাৰীৰিক সম্পৰ্কতে সীমাবদ্ধ হৈ ৰৈ গৈছে স্বামী আৰু স্ত্ৰীৰ মাজৰ সম্পৰ্ক। সংখ্যাগৰিষ্ঠ পুৰুষৰ দৃষ্টিত নাৰী কেৱল মাত্ৰ উপভোগৰ সামগ্ৰী আৰু সন্তান জন্ম দিয়া এক যন্ত্ৰহে মাথোন। পুৰুষৰ কামনা পূৰ্ণ কৰিব নোৱাৰা আৰু সন্তান জন্ম দিব নোৱাৰা নাৰীক সমাজত কি দৰে দিনে দিনে মানসিকভাৱে অত্যাচাৰ কৰা হয় তাৰ লেখ নাই।

**নাৰীৰ জীৱনৰ আতঙ্ক ঃ**

এগৰাকী নাৰীৰ মাতৃগৰ্ভ ভ্ৰূণ অৱস্থাতে আৰম্ভ হয় এক অবিবেচিত তুমূল দ্বন্দ । কিছু কিছু ঠাইত আজিও কন্যা শিশু হত্যা কৰা হয়। শিশু অৱস্থাৰ পৰাই এগৰাকী নাৰী পদে পদে অৱহেলিত হয়, শিক্ষা ক্ষেত্ৰত বঞ্চিত হয়। পুতলা খেলাৰ বয়সতে এতিয়া বিয়া দিয়া পৰম্পৰা নাই যদিও বিয়াৰ বাবেহে যেন কন্যাক ডাঙৰ কৰা হয় বুলি এতিয়াও এই মানসিকতা আমাৰ সমাজত আছে। এগৰাকী নাৰীৰ বিয়াৰ ক্ষেত্ৰত নিজৰ ঘৰ খনতকৈও বেছিকৈ চিন্তাৰ সমভাগী হয় সমাজখন। ছোৱালীজনীৰ বাবে গ্ৰাহক আহিছেনে? এনেধৰণৰ ঠেক মানসিকতাৰ প্ৰশ্নই বাৰে বাৰে নাৰীগৰাকীৰ মনত এক অৰ্ন্তদ্বন্দৰ সৃষ্টি কৰে। তাৰ পিছত যৌতুকৰ বাবে বলি হয় নিতৌ, পদে পদে চোকা খোৰত ভৰি দি খোজ কঢ়াৰ জীৱন। সতী দাহ প্ৰথা উঠাই দিয়া স্বত্বেও স্বামীৰ মৃত্যুৰ পাছত এগৰাকী নাৰীক আমাৰ সমাজত ধৰ্ম, ৰীতি-নীতি, পৰম্পৰাৰ দোহাই দি মানসিক ভাৱে অত্যাচাৰ কৰা হয়। সতীদাহ প্ৰথাত স্বামীৰ চিতাৰ জুইত পত্নীক দহন কৰা হৈছিল; সেই প্ৰথা নাইকিয়া হৈছে যদিও এগৰাকী বিধৱাক সমাজৰ কটু বাণীয়ে দিনে দিনে জ্বলাই মাৰিছে। সচাঁ অৰ্থতকবলৈ গ'লে স্বামীৰ চিতাৰ জুইকুৰাতকৈও ভয়ানক তথা কষ্টকৰ পল-প্ৰতিপল সমাদজখনৰ তুচ্ছ-তাচ্ছিল্যাৰে ভৰা চাৱনিৰ সন্মুখীন হোৱাটো। নিৰাপত্তাহীনতাত ভোগা নাৰীয়ে আজি স্বাধীনভাৱে মুকলি মুৰীয়াকৈ বাহিৰত ঘূৰিব নোৱাৰে। তাৰ বাবে জগৰীয়া কোন? প্ৰায়েই ঘটি থকা বলাৎকাৰৰ দৰে ঘটনাবোৰে নাৰীৰ মৰ্যদা অৱনমিত কৰিছে, সমাজক কলুষিত কৰি বিকৃত মানসিকতাৰ পৰিচয় দিছে। ইয়াৰ অৱসাদে ঘটোৱাৰ বাবে কি কৰা উচিত সেয়াও এক গুৰুত্ব বিষয়। ঘৰ এখন ভাগিলেও সদায় নাৰীকে জগৰীয়া কৰা হয়। কি কাৰণত ভাগিছে তাৰ কাৰণ জনাৰ কাৰোৰে সময় নাথাকে। পুৰুষজনৰ ভুল হ'লেও কোনেও একো নকয়। পুৰুষজন যেন ধোৱা তুলসীৰ পাতহে। সকলোৱে কেৱল নাৰীকেদোষী সাব্যস্ত কৰে। কাৰণ যিয়েই নহওক কিয়, ঘৰ ভগা নাৰীগৰাকীক শাখিনী বা ডাইনী বিভূষণেৰেও বিভূষিত কৰা হয়। এক অৰ্থত কবলৈ হ'লে কোনো স্থানতে নাৰী সুৰক্ষিত নহয়। আজিও সমাজৰ দৃষ্টিত নাৰী কেৱল পণ্য সামগ্ৰীহে। বলাৎকাৰৰ নিচিনা নিচ কৰ্ম দিনে দিনে বাঢ়িহে গৈছে। ঘৰে-বাহিৰে সকলোতে কেৱল নাৰী নিৰ্যাতিত হৈছে। ফুলনিত ফুলি থকা এপাহ ফুলে গোটেই ফুলনিখনকে সজাই তোলে। এপাহ ফুলৰ সুগন্ধ আছে, ৰং আছে, আছে আকৰ্ষণীয় গুণ। সেই একেই গুণ নাৰীৰ মাজতো বিদ্যামান। কিন্তু দেখা যায় যে ফুল মোহাৰি নেপেলালেও নাৰীক মোহাৰি পেলোৱা গৈছে পদে পদে।

পুৰুষ প্ৰধান সমাজত পুৰুষৰ চিন্তাৰ মূল্যবোধকহে প্ৰথমে আগস্থান দিয়া হয়। আজিও হিন্দুৰ মন্দিৰ, সত্ৰ আৰু মুছলমানৰ মছজিদত নাৰীৰ প্ৰৱেশ নিষিদ্ধ। তেনে ধৰ্মীয়বাদ সমাজে যুগে যুগে নাৰীক চাৰিবেৰৰ মাজত পোহনীয়া জন্তুৰ দৰে শিকলি পিন্ধাই ৰাখিছে। প্ৰাচীন কালৰেপৰা চলি অহা কিছুমান ফকৰা-যোজনাৰ সন্মুখীন হৈছে। এইবোৰৰ প্ৰচলন কিমান ন্যায় সংগত সেই এক বিষৰ্যৰ বিষয়। ঘৰ এখন ভাগিলেও সদায় নাৰীকে জগৰীয়া কৰাৰ ভিত্তিত প্ৰচলিত ফকৰা যোজনা- "ক'ৰ পৰা আহিলি শাখিনী তেজা, আহিয়েই ভাঙিলি ঘৰৰ সেজা।" ঘৰ এখনৰ লখিমী জ্ঞান কৰা নাৰীক আজিও এনেকুৱা ফকৰা যোজনাৰে শৰবিদ্ধ কৰা হয়। সমাজ ব্যৱস্থায়ো সদায় নাৰীকে অৱদমিত কৰি ৰাখিছে। 'তিৰী কুৰিতে বুঢ়ি, মতা চল্লিছতো গতা' বুলি বয়সৰ পাৰ্থক্যৰে নাৰীৰ প্ৰতি হেয়ভাৱ প্ৰতিপন্ন কৰিছে। দৰাচলতে নাৰীক বশ কৰাটোৱে যেন পুৰুষৰ মূল লক্ষ্য। ফকৰা যোজনায়ো তাৰেই পোষকতা কৰিছে প্ৰাচীন কালৰে পৰা চলি অহা পুৰুষৰ প্ৰভুত্বৰ বাবেই এনেবোৰ ফকৰা যোজনাৰ প্ৰচলন। কিন্তু এতিয়া সময় সলনি হৈছে,যুগৰ পৰিবৰ্তন ঘটিছে। মানুহ শিক্ষিত হৈছে। তৎসত্বেও কিন্তু আজিও নাৰী স্বাধীন হ'ব পৰা নাই। সমাজখনে নাৰীক এতিয়াও স্বাধীনতাৰ বেশ পৰিধান কৰিব দিয়া নাই ফলস্বৰূপে সৃষ্টি হৈছে এক আন্দোলন নাৰীবাদ। "মূল্য বা গুৰুত্বৰ পিনৰপৰা পুৰুষ আৰু নাৰীৰ মাজত কোনো প্ৰভেদ নাই- এয়াই হ'ল নাৰীবাদৰ মৌলিক ধাৰণা।"

নাৰীবাদ মতে, সমাজত মতা মানুহ আৰু মাইকী মানুহ বুলি কোনো ভেদাভেদ থাকিব নালাগিব, সমাজত সকলো কেৱল

মানুহ। পুৰুষ সত্ত্বা আৰু নাৰী সত্ত্বা বুলি কোনো ভিন্ন সত্ত্বা নাই; দুয়োটিয়েই একে মানৱ সত্ত্বা। মানুহৰ প্ৰকৃতি আৰু মূল্য লিংগৰ ভিত্তিত বিচাৰ কৰাটো উচিত নহয়।

**সামৰণি ঃ**

আজি বিশ্বৰ সৰ্বত্ৰে নাৰী স্বাধীনতাৰ বাবে আন্দোলন গঢ় লৈ উঠিছে। নাৰীসকল সমাজৰ এক গুৰুত্বপূৰ্ণ অংশীদাৰ। নাৰীৰ প্ৰতি থকা নীচ মনোভাব দূৰ নহ'লে সুস্থ সমাজ তথা শক্তিশালী দেশৰ সৃষ্টি হ'ব নোৱাৰে। পাত, ফল, ফুলেৰে সৃষ্টি হয় এজোপা গছৰ সৌন্দৰ্য্য, সমাজ এখনো পুৰুষ আৰু নাৰীৰ দ্বৈত প্ৰচেষ্টাতহে সৌন্দৰ্য্যমণ্ডিত হয়। গছজোপাৰ ফল যিমানেই ডাঙৰ নহওক কিয় সিমানেই গছজোপাৰ গুণ বৃদ্ধি হয়। ফকৰা যোজনাৰ বাণী মতে 'লাও সদায় পাতৰ তল'। নাৰী সম্পৰ্কীয় এনে মনোভাব দূৰ কৰাৰ সময় আজি সমাগত।

অৱশেষত আমি বিচাৰো নাৰীয়েও বলাৎকাৰ, নিৰ্যাতন, লাঞ্ছনা আদিৰ পৰা মুক্তি পাই স্বাধীন আৰু নিৰাপত্তা সম্বলিত জীৱন যাপন কৰক। প্ৰতিগৰাকী নাৰীয়ে স্বাধীন হৈ মুৰ দাঙি সমাজত থিয় হওক।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


চুতীয়া, প্ৰতিভা শইকীয়া ঃ পুৰুষতান্ত্ৰিক সমাজত নাৰীৰ স্থান আৰু মৰ্যাদা, মাৰ্চ - ৮, ২০২১ (প্ৰৱন্ধ- ইন্টাৰনেটযোগে সম্প্ৰাচাৰিত)

থাপা, বীৰ্কে বি ঃ নাৰীৰ স্বাধীনতা প্ৰসংগ, ছেপ্তেম্বৰ- ২৭, ২০২১ (প্ৰৱন্ধ- ইন্টাৰনেটযোগে সম্পচাৰিত)

শৰ্মা, গোবিন্দ প্ৰসাদ ঃ নাৰীবাদ আৰু অসমীয়া উপন্যাস, প্ৰকাশকঃ ৰাজেন্দ্ৰ প্ৰসাদ মজুমদাৰ, সচিব, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী- ৭৮১০২১, প্ৰথম সংস্কৰণ, ডিচেম্বৰ, ২০০৭

শইকীয়া, জ্যোৎস্না বৰা ঃ পুৰুষতান্ত্ৰিক সমাজত নাৰীৰ স্থান আৰু মৰ্যদা, মাৰ্চ- ৮, ২০২১ (প্ৰবন্ধ- ইন্টাৰনেটযোগে সম্প্ৰচাৰিত)


**পাদটীকা ঃ**

শৰ্মা, গোবিন্দ প্ৰসাদ ঃ নাৰীবাদ আৰু অসমীয়া উপন্যাস, পৃষ্ঠা নং- ১৮

শৰ্মা, গোবিন্দ প্ৰসাদ ঃ নাৰীবাদ আৰু অসমীয়া উপন্যাস, পৃষ্ঠা নং- ১


লেখক- প্ৰাক্তন অংশকালীন প্ৰৱক্তা, অসমীয়া বিভাগ, বৰভাগ মহাবিদ্যালয়।


**নলবাৰী জিলাত প্ৰচলিত লোকগীত ঃ**

নামনি অসমৰ এখন অন্যতম জিলা হৈছে নলবাৰী জিলা। অসমৰ অন্যান্য অঞ্চলৰ লগতে নলবাৰী জিলাৰ গাঁৱে-ভূঞে, চুকে-কোণে অজস্ৰ লোকগীত ঠাহ খাই আছে। সেইবোৰৰ ভিতৰত কিছুমান তলত দিয়া হ'ল— মহখেদা গীত, বিয়া গীত, নিচুকনি গীত, জগন্নাথৰ গীত, আইলা বা আউলা পূজাৰ গীত, সুভাচেনীৰ গীত, আইনাম, অপেচৰাৰ নাম, ভঠেলী গীত ইত্যাদি।



# শিশুৰ সু-অভ্যাস কিদৰে গঠন কৰিব

ড° নিতুমণি দাস

শিশুৰ সু-অভ্যাস গঠন কৰাৰ ক্ষেত্ৰত বিভিন্ন দিশৰ প্ৰতি মন কৰিবলগীয়া হয়। কোনো ক্ৰিয়াক অপৰিৱৰ্তনীয়ভাৱে পুনৰাবৃত্তি কৰাৰ ফলত অৱশেষত তাৰ স্থায়ী ৰূপ লাভ কৰি উঠা অৱস্থাই হ'ল অভ্যাস গঠন। এনে অভ্যাস দুই প্ৰকাৰৰ হ'ব পাৰে সুঅভ্যাস আৰু কুঅভ্যাস । সুঅভ্যাস গঠনৰ ফলতেই এজন লোক হয় কষ্টসহিষ্ণু, পৰিশ্ৰমী, কৰ্তব্যপৰায়ণ আৰু আন কেতবোৰ সজ গুণৰ আৰু সুখী জীৱনৰ অধিকাৰী। আনহাতে কুঅভ্যাসৰ দুখময় পৰিণতি স্বৰূপে কোনো লোক হয় কৰ্মবিমুখ, আৰামপ্ৰিয়, অকৰ্মণ্য, পলায়নবাদী আৰু আত্মপ্ৰতাৰণামূলক।

শৈশৱ আৰু বাল্যকালত শিশুৰ ওপৰত পৰা গৃহ পৰিৱেশৰ শিক্ষা আৰু অভ্যাস গঠনৰ প্ৰভাৱ ভৱিষ্যতৰ বাবে সুদূৰ প্ৰসাৰী হৈ উঠিব পাৰে। পিতৃ-মাতৃয়ে এনে প্ৰভাৱত মুখ্য ভূমিকা গ্ৰহণ কৰে। শিশুবোৰ সাধাৰণতে অনুকৰণ প্ৰিয় হয় হেতুকে সিহঁতৰ সন্মুখত পিতৃ-মাতৃয়ে সদায় অনুকৰণযোগ্য আচৰণহে প্ৰদৰ্শন কৰা উচিত । ইয়াৰ বাবে পিতৃ-মাতৃৰ লগতে ঘৰৰ আন আন সদস্যসকলকো তৎপৰতাৰ আৱশ্যক হয়। এইক্ষেত্ৰত তলত দিয়া ধৰণে কিছুমান ব্যৱস্থা গ্ৰহণ কৰা উচিত ঃ

- সু-অভ্যাস গঠণৰ বাবে এক সুস্থ বুজাপৰা আৰু আন্তৰিকতাপূৰ্ণ গৃহ পৰিৱেশক পিতৃ-মাতৃয়ে গঢ়ি তুলিব লাগে।
- শিশুৰ দৈনন্দিন ক্ৰিয়া আচৰন যেনে - হাত মুখ ধোৱা, সোনকালে শোৱাপাতি এৰা, পৰিস্কাৰ-পৰিচ্ছন্নতা, খোৱা-পিন্ধা , প্ৰাৰ্থনা গোৱা, খেলা-ধূলা কৰা, আদিক সুস্থ আৰু নিয়মিত ৰূপত গঢ় দি তুলিব লাগিব ।
- শিশুৰ সু-অভ্যাস গঠনৰ সময়ছোৱাত কোনোধৰণৰ অনিয়ম, ব্যতিক্ৰম, দুৰ্বলতা

বা বিশৃংখলতাক পিতৃ-মাতৃয়ে প্ৰশ্ৰয় দিব নালাগে।

■ শিশুৱে যাতে সু- অভ্যাস গঠন কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি পিতৃ-মাতৃয়ে সদায় তেওঁলোকৰ সন্মুখত ভাল অভ্যাসৰ আদৰ্শ দাঙি ধৰিব লাগে।

■ শিশুৰ সন্মুখত পিতৃ-মাতৃয়ে মিছা কথা কলে, আনৰ লগত কাজিয়াত লিপ্ত হ'লে, ডাঙৰক অসন্মান প্ৰদৰ্শন কৰিলে, ভাষাত অশ্লীল শব্দ প্ৰয়োগ কৰিলে সেইধৰণৰ আচৰণ শিশুৰ মাজতো পৰৱৰ্তী সময়ত দেখা পোৱা যাব।

■ শিশুৰ নৈতিক চেতনাক জগাই তুলিব পৰা নৈতিক আচৰণবোৰৰ প্ৰদৰ্শন আৰু তাৰ অনুশীলনৰ প্ৰতি পিতৃ মাতৃয়ে বিশেষ লক্ষ্য ৰাখিব লাগিব।

■ শিশুৱে যদি কোনো সু-অভ্যাস গঠন কৰিবলৈ সক্ষম হৈছে তেনে শিশুক পিতৃ-মাতৃয়ে উৎসাহ প্ৰদান কৰা উচিত।

■ শিশুৰ কিছুমান বেয়া অভ্যাস যেনে নখ কামোৰা, থুই পেলোৱা, আনক চৰ ভুকু মাৰা, চোৰ কৰা, মিছা কথা কোৱা, মুৰটো বেৰত মাৰি দিয়া আদিবোৰ দুৰ কৰিবৰ বাবে পিতৃ মাতৃ যথেষ্ট সহনশীল হোৱা উচিত।

■ ঘৰৰ বাহিৰত অসুস্থ লগ সংগৰ পৰা যাতে অসুস্থ অভ্যাস শিশুৱে গঢ়ি তুলিব নোৱাৰে তাৰ প্ৰতি পিতৃ মাতৃয়ে সতৰ্ক দৃষ্টি ৰাখিব লাগিব।

■ কু-অভ্যাসৰ কুপৰিণতিৰ বিষয়ে শিশুক কিছু পৰিমাণে হলেও জনাব পাৰিলে শিশুসকল এইক্ষেত্ৰত সজাগ হ'ব বুলি আশা কৰিব পাৰি।

■ কিছুমান কু-অভ্যাস ত্যাগ কৰি তাৰ ঠাইত সু অভ্যাস গঠন কৰিবলৈ শিশুক শিকাব পাৰি। যেনে চোৰ কৰাৰ অভ্যাস থকা শিশুক কিছুমান মূল্যৱান বস্তু যেনে ডাকটিকট, প্ৰধানমন্ত্ৰীসমূহৰ ছবি আদি সংগ্ৰহ কৰিবলৈ শিকাব পাৰি।

■ শিশুক বিভিন্ন ধৰণৰ নীতি-শিক্ষামূলক সাধুকথা শুনাইয়ো সজ অভ্যাস গঠনৰ বাবে অনুপ্ৰাণিত কৰি তুলিব পাৰি।

সজ অভ্যাস গঠনৰ দ্বাৰা শিশুৰ জীৱন সুন্দৰ কৰি তুলিবলৈ হ'লে পিতৃ-মাতৃৰ লগতে ঘৰৰ আন আন সদস্যসকলৰ মাততো মৰম স্নেহ, বিশ্বাস আৰু আন্তৰিকতা থাকিব লাগিব। শিশুৰ সজ অভ্যাস গঠনৰ আটাইতকৈ উপযুক্ত সময় হ'ল শৈশৱকালৰ সময়ছোৱা। এই সময়ছোৱাত শিশুৱে আমাক অনুকৰণ কৰি বহুত কথা শিকে। সেয়েহে এই সময়ছোৱাত শিশুক বেয়া আচৰণ শিকাব নালাগে। শৈশৱকালত গঢ় লৈ উঠা বেয়া অভ্যাস পৰৱৰ্তী সময়ছোৱাত নাইকিয়া কৰাটো অতি কঠিন হৈ পৰে। শেষত শিশুৰ সু-অভ্যাস গঠনৰ বাবে ঘৰৰ পৰিৱেশ অনুকুল কৰি গঢ়ি তুলিব লাগিব।

---

লেখক- সহকাৰী অধ্যাপক, শিক্ষা বিভাগ, বৰভাগ মহাবিদ্যালয়।

**নলবাৰী জিলাত প্ৰচলিত সাঁথৰ ঃ**

* আফ্লালি নাভাঙে টিপিলি ভাঙে। (ভাত)
* তিন কোইনাৰ মাজত খাল। ঘাৰোত ধোৰি মাৰ্বা ভাল। (জাকৈ)
* তিপ্ তিপ্ চৰে টিপা মাল্লি মৰে বাছি ধুই উইলালি আক পৰে। (তুলা)
* দুই ভাই আচি গাচোৰ দালোত। আক ভাই আচি পানীৰ তলোত। তিনো ভাই লগ লাগিল মৰাণ কালোত। (তামোল-পাণ-চূণ)
* সোৰু সোৰু চৰে লুআৰ গুৰা খাই। বৰ বৰ ভীমে হেতি যুদ্ধো কৰ্বা যায়। (কুঠাৰ)



# অসমৰ আত্মনিৰ্ভৰশীল অৰ্থনীতি ধ্বংস হ'ল কিয় ?

অনন্ত কলিতা

১৮২৬ চনৰ আগলৈকে অৰ্থাৎ ব্ৰিটিশে অসম দখল কৰাৰ আগলৈকে অসম এখন স্বাধীন দেশ আছিল। অসমৰ বাবে ৬০০ বছৰীয়া আহোম ৰাজত্ব সোণালীযুগ। আহোম ব্ৰহ্মদেশ বা মান দেশৰ শ্যান প্ৰদেশৰ 'টাই' জাতীয় বৌদ্ধধৰ্মী লোক আছিল? আহোম সকল অসমলৈ আহি নিজৰ ভাষা-সংস্কৃতি বাদ দি অসমীয়া ভাষা সংস্কৃতি গ্ৰহণ কৰিছিল আৰু হিন্দু ধৰ্ম গ্ৰহণ কৰিছিল। বিশ্বত আহোম ৰাজত্ব অতুলনীয় যে এই ৰাজত্বই এটা জাতিৰ সৃষ্টি কৰিছিল, অৰ্থাৎ উজনিৰ পৰা নামনি অসমলৈ মিলি অসমীয়া জাতি এটাৰ সৃষ্টি কৰিছিল। ভাৰতবৰ্ষৰ কোনো ৰজাৰ ৰাজত্বত এনেকুৱা উদাহৰণ পোৱা নাযায়। আহোম ৰাজত্বৰ বিশেষ কৃতিত্ব হ'ল ভাৰতবৰ্ষৰ কোনো মুছলমান সম্ৰাটে অসমক মুছলমান ৰাজত্ব বা মোগল ৰাজত্বৰ অন্তৰ্ভুক্ত কৰিব পৰা নাছিল। আহোম ৰজাৰ সৈন্যই মোগলক ওফৰাই দিব পাৰিছিল। আটাইতকৈ ডাঙৰ কথা আহোম ৰাজত্বৰ কৃতিত্ব আছিল অসমৰ বাবে আত্মনিৰ্ভৰ অৰ্থনীতি গঢ়ি তোলা। হিতেশ্বৰ বৰবৰুৱাই 'আহোমৰ দিন'ত লিখিছে,"অসম দেশখন স্বৰ্ণক্ষেত্ৰ অসম দেশ ৰত্নপ্ৰসবিনী, অসম দেশখন স্বৰ্ণক্ষেত্ৰ অসম দেশ ৰত্নপ্ৰসবিনী, অসম দেশ 'সুজলা সুফলা শস্য শ্যামলা । মনুষ্য জীৱনত যিবিলাক বস্তুৰ আৱশ্যক জীৱিকা কৰিবৰ নিমিত্তে সাধাৰণতে যিবিলাক আমাক লাগে, সেইবিলাক বস্তু বিদেশলৈ ৰপ্তানি কৰিবৰ জোখাৰে ইয়াত উৎপন্ন নহ'লেও নিজে জীৱন-নিৰ্বাহ কৰিব পৰাকৈ যে আমাৰ দেশত আছিল, এই কথা কোনেও নুই কৰিব নোৱাৰে। আহোমৰ দিনত অসমীয়াই যে কাৰো ওচৰত প্ৰায় হাত নপতাকৈ ঘৰৰ সম্পত্তি ঘৰতে ভোগ কৰি খাইছিল, তাত কোনো সন্দেহ নাই। অসম ভূমি ৰত্নগৰ্ভা অসমৰ নৈৰ বালিত, অসমৰ মাটিত সোণ, ৰূপ, লো ইত্যাদি ধাতু আছে আৰু সেইবিলাক আহোম ৰজাসকলৰ দিনত কমোৱা হৈছিল। সুদুৰ ফ্ৰান্সৰ জীন বেপ্‌টিষ্ট টেবনিয়াৰ (jean-Baptiste Tavernier)নামে এজন ভ্ৰমণকাৰীয়েও সোতৰ শতিকাত(ৰু চনত) অসম ভ্ৰমণ কৰিবলৈ আহি কৈছিল,"এছিয়া মহাদেশৰ ভিতৰত অসম দেশৰ দৰে দেশ নাছিল; এই দেশত যিহকে বিচাৰে তাকে পায়। মানুহৰ জীৱন-ধাৰণ কৰিবলৈ যি যি বস্তু লাগে, সেই সকলোবোৰ ইয়াতে পাইছিল। ইয়াত নাছিল কি? সোণ, ৰূপ, লো, তাঁখা, সীহ, মুগা, পাট, এৰী, লো ইত্যাদি সকলো আছিল।"(আহোমৰ দিন,'হিতেশ্বৰ বৰবৰুৱা,পৃষ্ঠা,৪৬৩-৬৪) [The Kingdom of Assam is one of the best countries in Asia,for it produces all that is necessary to the life of man,without being need to go for anything to the neighbouring states. There are minors of gold ,silver,steel,lead and iron and much silk.)'আহোমৰ

দিন,'হিতেশ্বৰ বৰবৰুৱা ,page no.463)

W.W Hunter এ তেওঁৰ দাখিল কৰা প্ৰতিবেদনত লিখিছে,"In the Administration Report for 1872-73,the Deputy Commissioner States as follows- 'where i go even in the heart of the mubassal,and away from the public thorough fares,I am struch with the look of real comfort about the homesteads of the rayath. The appearance of their villages and baris , with the herds of cattle , and with the pigs and poultry roaming about confirms me in the belief that the peasoutry are well-to-do,and richin the possession of a goodly stock of this rorld's goods,as far as their own wants and requirements are concerned."(W.W. Hunter-'A Statistical Account of Assam,' Vol. I,1990Ed, page 189)গেইট চাহাবেও তেখেতৰ "A History of Assam",ত লিখিছে " কৃষি উৎপাদন অসমত জনসাধাৰণৰ প্ৰয়োজনৰ বাবে যথেষ্ট আছিল, উদ্যোগ আৰু কাৰুক্ৰিয়াৰ উন্নতি ঘটাইছিল আৰু ওচৰ-চুবুৰীয়া দেশৰ লগত যথেষ্ট পৰিমাণৰ ব্যৱসায়-বাণিজ্য কৰিছিল।" আহোম ৰজাৰ দিনত কৃষি উদ্যোগৰ সমস্ত বিভাগতে স্থানীয় অৰ্থাৎ অসমৰ মানুহক দক্ষ কৰি তুলিছিল; যেনে- সোণ কমোৱাৰ বাবে সোণোৱালে, শিয়া অলংকাৰ তৈয়াৰৰ বাবে সোণাৰী, কাঁহৰ বাচন তৈয়াৰ কৰিবলৈ কঁহাৰ মৰীয়া, লো উৎপাদনৰ বাবে লো-শলীয়া; লো তীখা সঁজুলি তৈয়াৰ কৰিবলৈ কমাৰ, মাটিৰ বাচন তৈয়াৰ কৰিবলৈ কুমাৰ; শিল আদি কাটি আনিবলৈ শিলকটীয়া বা শিলাকুটী; কাঠ কাটি কাঠৰ সৰঞ্জাম আদি তৈয়াৰ কৰাৰ বাবে বাঢ়ৈ বা বাঢ়ৈ খনিকৰ ;হাতীৰ শিং বা হাতীদাতঁৰ কাম কৰাৰ বাবে বক্তাৰ খনিকৰ ইত্যাদি। আহোমৰ ৰাজত্বৰ শেষছোৱাত যদিওবা বিদেশৰ পৰা লোণ আমদানি কৰিছিল, তথাপি অসমীয়া মানুহৰ আৱশ্যক লোণখিনি অসমৰ পুংবোৰতে উৎপাদন কৰিছিল। যৰক্ষৰীয়া ফুকনে হিলৈ-খাৰ যৰক্ষাৰ তৈয়াৰ কৰিছিল। ৰেচম শিল্প উন্নয়নৰ আহোম ৰজা সকলে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে 'আহোমৰ দিন'ত এইদৰে লিখিছে, "আহোম ৰজাসকলে পাট-পলু, মুগা আৰু এৰী পুহি, তাৰ সূতাৰে কাপোৰ বোৱা শিল্পত বিশেষৰূপে মনোনিৱেশ

কৰিছিল, আৰু সেইদিনত এই শিল্প বৰ উন্নত আছিল। "ৰজাই দেশৰ সকলোকে বাধ্য কৰিছিল পাট-পলু, মুগা, এৰী উৎপাদন কৰিবলৈ। নুনীগছ ৰুবলৈ মাটি বিনা ৰাজহত আবন্টন কৰিছিল। ৰেচম শিল্প ইমান উন্নত আছিল যে বুকানম চাহাবে লিখিছিল,"ৰাণীৰ পৰা আৰম্ভ কৰি তললৈকে সকলো জাতিৰ তিৰোতাবিলাকে এই দেশত প্ৰস্তুত চাৰিবকমৰ পাট আৰু মুগাৰ কাপোৰ বয়, আৰু এই কাপোৰকে চাৰি ভাগৰ তিনি ভাগ মানুহে ব্যৱহাৰ কৰে। যথেষ্ট পৰিমাণে মুগা সূতা আৰু পাট সূতা ৰপ্তানি হয়। প্ৰত্যেক দুজনী তিৰোতাৰ ভিতৰত একোখনকৈ তাঁতশাল থাকিব পাৰে, আৰু কোনো ডাঙৰ পৰিয়ালৰ ভিতৰত আঠ-দহখনকৈও থকা দেখা যায়। প্ৰত্যেক পৰিয়ালে নিজে পোহা মুগা সূতা আৰু পাট সূতা কাটে আৰু বয়...পাট আৰু মেখেলা কৰি ব্যৱহাৰ কৰা হয় আৰু বেলেগ বেলেগ কামৰ উপযোগী কৰি বেলেগ জোখেৰে তৈয়াৰ কৰা হয়।"

পৰিতাপৰ কথা যে ,ভাৰত স্বাধীন হোৱাৰ পাছতে অসমৰ কোনো জাতীয় নেতাই অসমৰ স্বতন্ত্ৰ অৰ্থনৈতিক সম্ভাৱনাবোৰ উন্নত কৰি আত্মনিৰ্ভৰশীল অৰ্থনীতি গঢ়ি তোলাৰ প্ৰতি কোনো পদক্ষেপ নলৈ ভাৰতৰ পুঁজিপতি অৰ্থনীতিৰ লক্ষ্য অনুযায়ী অসমৰ এই স্বতন্ত্ৰ অৰ্থনৈতিক সম্ভাৱনা ধ্বংস কৰি পেলায় আৰু জনসাধাৰণক জীৱনৰ সকলো সামগ্ৰীৰ বাবে আন ৰাজ্যৰ উৎপাদিত পণ্যৰ মুখাপেক্ষী কৰি পেলালে। অসমৰ বনজ সম্পদ অসমৰ চৰকাৰ তথা অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ আমোলাৰ সহযোগত লুণ্ঠন কৰি ধ্বংস কৰিপেলালে। চাহ উদ্যোগত চাহ উৎপাদন কৰি ইয়াৰ পৰা আহৰণ কৰা পুঁজি সম্পূৰ্ণ অসমৰ বাহিৰলৈ লৈ গৈ আছে, অৰ্থাৎ ব্ৰিটিছৰ দিনৰে পৰা আজিলৈ। অসমত উদ্যোগীকৰণ আদিৰ পুঁজি গঠণৰ ক্ষেত্ৰত চাহ উদ্যোগৰ কোনো অৱিহণা নাই। আহোম ৰজাৰ দিনত অৰ্থাৎ ১৮২৬ চনৰ আগলৈকে অসমৰ জনসাধাৰণে কৃষি পণ্যৰ উপৰি অন্যান্য মানুহৰ জীৱনৰ প্ৰয়োজনীয় সামগ্ৰীৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল আছিল। পাহাৰৰ জনজাতিসকলৰ বিনিময় প্ৰথাৰে সামগ্ৰীৰ আদান-প্ৰদান কৰিছিল। লা, মুগা, সূতা, কাঠ, বাঁহ, সৰিয়হ, হাতীদাঁত, জালুক, আদা, কাঁহ-পিতলৰ বাচন, সুৰগা। অসমে মূলতঃ লোণ আমদানি কৰিছিল।

N.K .Sinha তেখেতৰ 'The Economic History of Bengali' ত লিখিছে, "For Centuries, Assam's Agricultural Economy had hael a leavining of the manufatures of house-hold items. However,withhin a few years, british policy,caital skill and outerprise brought about such a commercial revolution in the province that a new economy completely displaced the old one,and bound her economy to the heels of the british economy."(Quoted in Priyam Goswami- 'Assam in the nineteenth century: Industrialization and colonial penetration', Page No -46

দুৰ্ভাগ্যজনক যে, ব্ৰিটিশে ধ্বংস কৰা অসমৰ আত্মনিৰ্ভৰশীল অৰ্থনীতিক পুনৰুজ্জীৱিত কৰাৰ বিপৰীতে স্বাধীন ভাৰতৰ চৰকাৰে আৰু অধিক অৰিহণা যোগালে অসমৰ অৰ্থনীতি ধ্বংস কৰাত,আৰু ইয়াত সহযোগীতা কৰিছে অসমৰ চৰকাৰে আৰু অসমৰ মধ্যবিত্ত শ্ৰেণীৰ আমোলাসকলে। অসমীয়া জাতিয়ে আমাৰ বুৰঞ্জীৰ পৰা শিক্ষালৈ আমাৰ খিলঞ্জীয়া অৰ্থনীতিৰ উৎসবোৰ পুনৰুজ্জীৱিত কৰিব লাগিব। অসমৰ জনসাধাৰণে আমদানিৰ ওপৰত নিৰ্ভৰ নকৰি আহোম ৰাজত্বৰ দিনৰ নিচিনা আত্মনিৰ্ভৰশীল অৰ্থনীতি গঢ়ি তুলিব পাৰিব। ভাৰতৰ পুঁজিপতিৰ স্বাৰ্থৰ ব্ৰিটিশ আৰু ভাৰত চৰকাৰে দেশৰ পুঁজিপতিসকলৰ উৎপাদনৰ বজাৰৰ বাবে পৰিকল্পিত ভাৱে অসমৰ খিলঞ্জীয়া অৰ্থনীতি ধ্বংস কৰি দিছিল। প্ৰথম কথা হ'ল বিভিন্ন কৃষি পণ্যাকে ধৰি অসমৰ ক্ষুদ্ৰ উদ্যোগ, কুটিৰ উদ্যোগ হস্তশিল্পৰে উৎপাদন কৰা সামগ্ৰীসমূহৰ আমদানি বন্ধ কৰাৰ প্ৰয়োজন। অসমৰ খিলঞ্জীয়া উদ্যোগ , হস্তশিল্পসমূহ পৰিৱৰ্তনমূলক [Innovation] ব্যৱস্থাৰে স্বতন্ত্ৰ সম্ভাৱনাবোৰৰ সৃষ্টি কৰিব লাগিব ।

অসমৰ ডাঙৰ সমস্যা হৈছে কোনো এখন অসম চৰকাৰে অসমৰ খিলঞ্জীয়া অৰ্থনৈতিক উৎসবোৰ উন্নত কৰি আত্মনিৰ্ভৰশীল অৰ্থনীতি গঢ়াৰ প্ৰচেষ্টা হাতত নল'লে। অসমৰ সেউজীয়া প্ৰকৃতি ধ্বংস হৈ গ'ল। যিখিনি আছে সেইখিনিও বৰ্তমানৰ চৰকাৰৰ ই-আই-এ এক্টে শেষ কৰি দিব। কয়লা, তেল, গেছ আদি সকলো খনিজ সম্পদে দেশৰ পুঁজিপতিক গতাই দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। উত্তৰ-পূবৰ পানী সম্পদ ইতিমধ্যে পুঁজিপতিৰ হাতলৈ গৈছে । অসমৰ এখন চৰকাৰৰ প্ৰয়োজন যিখন চৰকাৰে অসমৰ আত্মনিৰ্ভৰশীল অৰ্থনীতিৰ ইতিহাস বুজি পায়, আৰু ইয়াৰ ভিত্তিত অসমৰ অৰ্থনীতি গঢ়ি তোলে। অসমৰ আজিৰ প্ৰজন্মইও নিষ্কৰ্মা এলেহুৱা হৈ থাকি সহজ ধনৰ পাছত দৌৰি নুফুৰি অসমৰ অৰ্থনৈতিক ইতিহাসৰ জ্ঞান লৈ অসমৰ পৰম্পৰা খিলঞ্জীয়া অৰ্থনীতি পুনৰুজ্জীৱিত কৰাৰ আন্দোলন গঢ়ি তোলাতো জৰুৰী। এইটো কৰিব পাৰিলে অসমৰ বাবে এক আত্মনিৰ্ভৰশীল অৰ্থনীতি গঢ়ি উঠিব আৰু নিবনুৱা সমস্যাবো অন্ত পৰিব, অসমৰ যুৱকে কৰ্মসংস্থান বিচাৰি বহিঃৰাজ্যলৈও যাব নালাগিব।

---

লেখক- ভাৰতীয় ষ্টেট বেংকৰ কেন্দ্ৰীয়বৰ্ডৰ প্ৰাক্তন সঞ্চালক

**অৰুণোদই** ঃ অসমৰ প্ৰথম অসমীয়া ভাষাৰ সংবাদ পত্ৰ। এই সংবাদ পত্ৰখন ১৮৪৬ চনৰ জানুৱাৰী মাহত শিৱসাগৰৰ মিছন প্ৰেছৰ পৰা প্ৰথম প্ৰকাশ পায়। এইখন সংবাদ পত্ৰক আধুনিক অসমীয়া ভাষাৰ বাটকটীয়া বুলি ক'ব পাৰি। কাৰণ এই আলোচনীৰ দ্বাৰা অসমীয়া সাহিত্যৰ ক্ষেত্ৰত এক নতুন যুগৰ সৃষ্টি কৰিছে। অৰুণোদইৰ পাততে আনন্দৰাম ঢেকীয়াল ফুকন, পণ্ডিত হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদিৰ দৰে বিদগ্ধ পণ্ডিতে সাহিত্যিক ৰূপে ভুমুকি মাৰিছিল। মূলতঃ খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ কাৰণে প্ৰকাশ কৰা হৈছিল যদিও পিছলৈ গদ্য, পদ্য, ভূগোল, ইতিহাস, নীতিকথা, দেশ-বিদেশৰ বতৰা, জীৱনী, কাহিনী আদি বিবিধ ৰচনা ইয়াত প্ৰকাশিত হৈছিল। ১৮৮৩ চনত মিছন প্ৰেছ বন্ধ হোৱাৰ লগে লগে আলোচনীখনৰ প্ৰকাশো স্তব্ধ হৈ পৰে। এই আলোচনীখনৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল ডাঃ নাথান ব্ৰাউন।

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি অনুসৰি অসম ইংৰাজৰ শাসনাধীস্থ হোৱাৰ পিছত অসমৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত এক বিৰাট পৰিৱৰ্তনৰ সূচনা হৈছিল। সাহিত্যতো ইয়াৰ প্ৰভাৱ স্পষ্ট হৈ পৰে। ১৮৩৬ চনত ইংৰাজে প্ৰশাসনীয় সুবিধাৰ দোহাই দি অসমৰ শিক্ষানুষ্ঠানসমূহৰ লগতে চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানত অসমীয়া ভাষাৰ পৰিৱৰ্তে বাংলা ভাষা প্ৰচলন কৰে। ইয়াৰ কাৰণ আছিল- ইংৰাজৰ শাসনত সহায় কৰা, পশ্চিমবংগৰ পৰা অহা বঙালী কাৰ্য্যবাহীসকলৰ যাতে সুবিধা হয়। ইতিমধ্যে অসমৰ কমিছনাৰ কেপ্টেইন ফ্ৰেন্সিছ জনকিন্সৰ আমন্ত্ৰণ ক্ৰমে অসমৰ শদিয়াত এটা খ্ৰীষ্টান মিছন পতাৰ উদ্দেশ্যৰে আমেৰিকান বেপ্টিছ মিছনেৰীসকল অসমলৈ আহে আৰু তেওঁলোকৰ উদ্যোগতে 'অৰুণোদই' প্ৰকাশ পায়। এই অৰুণোদইৰ পাততে প্ৰথম 'দেওধাই অসম বুৰঞ্জী', 'কামৰূপ বুৰঞ্জী' গুণাভিৰাম বৰুৱাৰ আধুনিক নাট 'ৰাম-নৱমী' প্ৰকাশ পায়।

# অসমীয়া নাটকত শ্বেইক্সপিয়েৰৰ প্ৰভাৱ

আকাশ প্ৰতিম বৰা

অসমীয়া নাটক বুলি ক'লেই প্ৰথমতে উল্লেখ কৰিব লাগিব মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ যুগান্তকাৰী উদ্ভাৱন 'অংকীয়া নাট'। মহাপুৰুষ জনাৰ এই সৃষ্টি, পৰম্পৰা, অবিৰতভাৱে বহুকাল চলিল। গুৰুজনাৰ মৃত্যুৰ পিছতো তেওঁৰ শিষ্য সকলে এই নাটক সমূহ সজীৱ কৰি ৰাখিলে। আৰু ঠিক তেনেদৰে পঞ্চাদশ শতিকাৰ পৰা উনবিংশ শতিকাৰ প্ৰথমাৰ্ধলৈ একেৰাহে এই অংকীয়া নাটৰ পৰম্পৰা বৰ্তী থাকিল আৰু বৰ্তমান ক্ষণলৈয়ো এই সৃষ্টি আমাৰ হৃদয়ত সজীৱ হৈ আছে।



এইদৰে ইউৰোপত ষষ্ঠদশ শতিকাত এক নাট্য আন্দোলন গঢ়ি উঠিছিল। নাট্য আন্দোলনৰ গুৰি ধৰোঁতা আছিল উইলিয়াম শ্বেইক্সপীয়েৰৰ 'হেমলেট', 'মেকবেথ', 'অথেলো', ৰেমিঅ', জুলিয়েট,' 'জুলিয়াচ চিজাৰ', 'দি টেমপেষ্ট', আদি নাটকেৰে তেওঁ এখন শুদ্ধ সমাজ গঢ়াৰ সপোন দেখিছিল। এই নাটকবোৰ আজিও সমগ্ৰ পৃথিৱী জুৰি প্ৰাসংগিক হৈ আছে। হেমলেট নাটকৰ 'ক্লডিয়াচ' চৰিত্ৰৰ বিশ্বাসঘাটকতা, 'মেকবেথ নাটকৰ 'লেডিমেকবেথ' চৰিত্ৰৰ চলনা, 'অথেলো' নাটকৰ 'অথোলা' আৰু ডেচদিমোনা চৰিত্ৰৰ হৃদয়স্পৰ্শী কাহিনী, 'ৰোমিঅ জুলিয়েট' নাটকৰ অমৰ প্ৰেম কাহিনী, 'জুলিয়াচ চিজাৰ' নামৰ নাটকত বন্ধু ব্ৰুটাচৰ ষড়যন্ত্ৰময় বিশ্বাসঘাটকতাৰ বলি হোৱা মৰ্মস্পৰ্শী চৰিত্ৰৰ জুলিয়াচ চিজাৰ, 'কিংলিয়েৰ' নাটকৰ ট্ৰেজেদিয়ে সমগ্ৰ বিশ্বত আলোড়নৰ সৃষ্টি কৰাই শ্বেইক্সপীয়েৰ শ্ৰেষ্ঠ নাট্যকাৰ হিচাপে মুৰ দাঙি উঠিছিল। তেওঁক বিশ্বৰ নাট্য সাহিত্যৰ এক প্ৰবাদ পুৰুষ হিচাপে বৰ্ণিত কৰা হৈছে। কোনো এটা বিশেষ যুগৰ সৃষ্টি হৈয়ো তেওঁ কোনো বিশেষ যুগৰ বন্দী নহয়। শ্বেইক্সপীয়েৰৰ প্ৰতিভা আমাৰ দৰে ক্ষুদ্ৰ মস্তিষ্কৰে অনুধাৱন কৰাটো সম্ভৱ নহয়।

ইংৰাজ নাট্যকাৰ, কবি উইলিয়াম শ্বেইক্সপীয়েৰ প্ৰভাৱ অসমীয়া নাট্যসাহিত্যত আধুনিকতাৰ পথ মুকলি কৰি দিয়ে। তেওঁৰ প্ৰভাৱৰ ফলত অসমীয়া নাট্য সাহিত্যৰ এক নতুন প্ৰতিশ্ৰুতি আৰু সম্ভাৱনাৰ দুৱাৰ মুকলি হ'ল। অসমীয়া নাট্য সাহিত্যতো তেওঁৰ প্ৰভাৱ নপৰাকৈ নাথাকিল। ইয়াৰে 'ৰামনৱমী' নাটকখন হৈছে উনবিংশ শতিকা (১৮৫৭) ৰ গুণাভিৰাম বৰুৱা বিৰচিত প্ৰথমখন অসমীয়া সামাজিক নাটক। এই নাটকখন বা অসমীয়া নাট্যজগতৰ প্ৰথমখন ধৰ্মনিৰপেক্ষ বা চেকুলাৰ নাটক বুলি ক'ব পাৰি। চৰিত্ৰচিত্ৰণ পৰা শ্বেইক্সপীয়েৰীয় নাটকৰ নায়ক নায়িকাৰ চাৰিত্ৰিক বৈশিষ্টৰ লগত 'ৰামনৱমী'ৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ মিল সকলোৱে লক্ষ্য কৰিব। নাটকৰ বচন বা সংলাপৰ বেলিকাও দুয়োখন নাটকৰ মাজত বহুখিনি মিল দেখা যায়। 'ৰামনৱমী' নাটকত নৱমীয়ে ৰামক কৈছিল "না! না! নামে কি কৰে? গোলাপক যদি গোলাপ নুবুলি পলাশ বোলা হয়, তেওঁৰ সুগন্ধি পোৱা নাযায়নে?" থিক একে পৰ্যায়ৰ কথা 'ৰোমিঅ' জুলিয়েট নাটকতো দেখা পোৱা গৈছিল। জুলিয়েটে ৰোমিঅ'ক কৈছে- "Whats in a name? That which call a rose by any other name would smell as sweet...."

ৰামনৱমী নাটকৰ ৰচনা কালৰ পৰা আৰম্ভ কৰি দ্বিতীয় বিশ্বযুদ্ধৰ কালচোৱাৰ লগতে দেশে স্বাধীনতা লাভ কৰা সময়লৈ অসমীয়া ৰংগমঞ্চত শ্বেইক্সপীয়েৰৰ একক প্ৰভাৱৰ ইতিহাস

বৰ্ণিল। অসমীয়া নাট্যসাহিত্যৰ আকাশত যেন কেৱল শ্বেইক্সপীয়েৰ আৰু শ্বেইক্সপীয়েৰ। শ্বেইক্সপীয়েৰক বাদ দি যেন কোনেও নাটক লিখাৰ কথা ভাবিবই নোৱাৰা হ'ল।

গুণাভিৰাম বৰুৱাৰ ঠিক পিছতেই আমি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ নাম শ্ৰদ্ধাৰে সোঁৱৰিব লাগিব। গুণাভিৰাম বৰুৱাই এৰি থৈ যোৱা নাট্য পৰম্পৰাৰ ভেটিত বেজবৰুৱাই স্বকীয় প্ৰতিভাৰে এটি জাকতজিলিকা অট্টালিকা নিৰ্মাণ কৰে। তেওঁ অনুপ্ৰেৰণা লভিলে শ্বেইক্সপীয়েৰৰ পৰা। বেজবৰুৱাই তেওঁৰ শ্বেইক্সপীয়েৰৰ প্ৰীতিৰ কথা "চক্ৰধ্বজ সিংহ" নাটকৰ (১৯১৫) ৰূপাতনিত অতি স্পষ্টভাৱে প্ৰকাশ কৰিছিল।

শেষত আৰু একাষাৰ কথা কওঁ যে মহাকবি শ্বেইক্সপীয়েৰৰ প্ৰিন্স হেনৰি, ফলষ্টাক আৰু তেওঁলোকৰ লগৰীয়াসকলৰ চৰিত্ৰৰ চানেকিৰ কিছুদুৰ অনুসৰণ কৰি, এই নাট প্ৰিয়ৰাম আৰু গজপুৰীয়া প্ৰভৃতিৰ চৰিত্ৰ এটা কৰা হৈছিল। মহাকবিৰ পদাংক অনুসৰণ কৰি তেওঁৰ আশীৰ্বাদৰ কণামাত্ৰ ভিকহ্ হোৱাহে লেখকৰ মনুকামনা।"

বেজবৰুৱাদেৱ আকৃষ্ট হৈছিল শ্বেইক্সপীয়েৰৰ বুৰঞ্জীমূলক নাটক সমূহৰ প্ৰতি। চক্ৰধ্বজ সিংহ নাটকত চিত্ৰিত হোৱা গজপুৰীয়া চৰিত্ৰটোৰ লগত মিল দেখা যায়। শ্বেইক্সপীয়েৰৰ 'হেমলেট' নাটকৰ আফলিয়াৰ লগত বেজবৰুৱাৰ 'বেলিমাৰ' নাটকৰ পিজৌ চৰিত্ৰৰ কথাখিনি মিল লক্ষণীয়। 'জয়মতী কুঁৱৰী' নাটকৰ 'ডালিমী' চৰিত্ৰটিৰ লগত শ্বেইক্সপীয়েৰৰ 'দি টেমপেষ্ট' নাটকৰ মিৰাণ্ডাৰ বহুখিনি মিল দেখা যায়।

অভিনয় পটু বেজবৰুৱা নাট ৰচনাৰ প্ৰতি হাবিয়াসৰ কথা আত্মজীৱনীত প্ৰকাশ কৰিছে এনেদৰে-- "শ্বেইক্সপীয়েৰৰ হেমলেট, কিংজনহেনৰি আৰু 'মিড চামাৰ নাইটছ ড্ৰীম' কলেজত মোৰ পাঠ্য আছিল ভাবিলোময়ো তেনে অপূৰ্ব নাটক মনচেৰেক অসমীয়াত ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল যুগমীয়া কৰি থৈ যাম। ইয়াকে ভাবি, প্ৰথমতে হেমলেটৰ আৰ্হিত হেমচন্দ্ৰ নাম দি নাট এখন লিখিবলৈ মনস্ত কৰি ভাৰবীয়া ভাৰবীয়ানী নামটোৰ থিক কৰি প্ৰথম অংকৰ দুটা কি তিনিটা দৰ্শন লিখি পেলালো। আকৌ ভাৱনা ঘৰত হেমচন্দ্ৰক সেইখিনিতে দম ল'বলৈ এৰি থৈ 'মিড্ চামাৰ নাইট ড্ৰীম' ৰ নিচিনা আন এখন নাট ৰচনাত হস্তক্ষেপ কৰিলো। এইখনৰ নামাকৰণ কৰা হ'ল "দিনৰ সপোন"। ইয়াৰো এখুটুৱা বাচি থৈ এৰি আন কিবা এটা টৌত শৰ মাৰি দিলো।'

বহুতো ব্যক্তিয়ে শ্বেইক্সপীয়েৰৰ নাটকৰ সৈতে অসমৰ নাট্যপ্ৰেমী দৰ্শক, পঠকক পৰিচয় কৰাই দিছিল। তেওঁলোক হ'ল ঘনশ্যাম বৰুৱা, ৰত্নধৰ বৰুৱা, গুঞ্জানন বৰুৱা আৰু ৰমাকান্ত বৰকাকতি। তেওঁলোকো শ্বেইক্সপীয়েৰৰ "দি কমেডি অৱ এৰৰচ্" নাটকখন অমৰংগ নাম দি অসমীয়া ৰূপ দিছিল (১৮৮৮ খ্ৰীঃত)। দুৰ্গেশ্বৰ শৰ্মাই "এজ ইউ লাইট ইট" নাটকখনৰ "চন্দ্ৰাৱলী" (১৯১০) আৰু চিম্বেলিন নাটকখনক "পদ্মাৱতী" নাম দি মঞ্চত কৰিছিল। 'মেকবেথ'ৰ অসমীয়া ৰূপান্তৰ দেবানন্দ ভৰালীৰ ভীমদৰ্পন, পদ্মধৰ চলিহাই 'ৰোমিঅ' জুলিয়েট বা অমৰ লীলা (১৯১৯) কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ কিংলিয়েৰ "বিষাদ কাহিনী", ট্ৰয়লাছ এণ্ড ক্ৰেচিদা 'তৰুণ কাঞ্চন' আৰু দি টেমিং অফ্ দা শ্ৰূৰ 'দন্দুৰী দমন' অসমীয়া ৰূপান্তৰ যুগুতাইছিল। অথেলো' ৰ মঞ্চসফল অসমীয়া ৰূপান্তৰ হ'ল শৈলধৰ ৰাজখোৱাৰ "ৰণজিৎ"। এনেকৈ বহুতো অসমীয়া নাট্যকাৰ আৰু সাহিত্যিকে শ্বেইক্সপীয়েৰৰ নাটৰ আধাৰত অসমীয়া নাটকৰ সৃষ্টি কৰি এক প্ৰগতি শীল অসমীয়া নাটৰ অট্টালিকাৰ সৃষ্টি কৰিছিল।

অসমীয়া নাটকত শ্বেইক্সপীয়েৰৰ ব্যাপক প্ৰভাৱ আজিও অব্যাহত আছে। শ্বেইক্সপীয়েৰৰ নাট প্ৰতিভাই অসমীয়া নাট্য সাহিত্যক গঢ় দিয়াত আপুৰুগীয়া অৰিহণা যোগাইছে। শ্বেইক্সপীয়েৰৰ নাটকবোৰৰ আধাৰত ৰচিত এই অসমীয়া নাটবোৰৰ দ্বাৰাই অসমৰ নাট্যপ্ৰেমী আৰু পাঠক ৰাইজে লাভ কৰিছে এক অভিনৱ সুৱাদ। বহুতো সমাজ পৰিবৰ্তনৰ মাজতো শ্বেইক্সপীয়েৰৰ প্ৰতি আমাৰ আগ্ৰহ আৰু অনুকম্পা আজিও অটুট আছে।

"To be or not to be" - (Diologue of Hamlet) ✦

# অসমৰ এক অন্যতম জনগোষ্ঠী ৰাভাসকল এটি চমু অৱলোকন

চাজিদ আহমেদ



ৰাভা জনগোষ্ঠী অসমৰ ভৈয়ামৰ জনজাতি সমূহৰ ভিতৰত অন্যতম। অসমৰ গোৱালপাৰা, কামৰূপ, আৰু দৰং জিলাত মূলতঃ এওঁলোকৰ বসতি। ৰাভাসকল বৃহত্তৰ কছাৰী জনগোষ্ঠীৰ লগত সম্পৰ্ক থকা জনগোষ্ঠী যদিও কিছু কিছু বিশেষজ্ঞই ৰাভাসকলক গাৰো সম্প্ৰদায়ৰ লগত ওচৰ সম্বন্ধ থকা বুলি ক'ব বিচাৰে। বি.এইচ হদচনৰ মতে ৰাভাসকল হ'ল বৃহত্তৰ বড়ো জনগোষ্ঠীৰ অন্তৰ্ভুক্ত। পশ্চিমবংগৰ জলপাইগুৰি অঞ্চলটোত এখেতসকলে কিছু পৰিমাণে বাস কৰে।

ৰাভাসকল বিভিন্ন ফৈদত বিভক্ত (বিশেষকৈ পাঁচটি ফৈদত বিভক্ত হানা ৰাভা, পাতি ৰাভা, হাদুৰী ৰাভা, ৰংদিনীয়া ৰাভা আৰু মায়াতুৰী ৰাভা) হ'লেও সামাজিক আৰু ধৰ্মীয় নীতি-নিয়মৰ ক্ষেত্ৰত তেওঁলোকৰ মাজত ভেদাভেদ থকা দেখা নাযায়। তেওঁলোকৰ নিজস্ব গোত্ৰৰ প্ৰতীক চিহ্ন বিদ্যামান। উদ্ভিদ, জলজপ্ৰাণী, পশু, পক্ষী, আকৰিক ধাতু আদিৰ দ্বাৰা এই গোত্ৰৰ প্ৰতীকবোৰ চিহ্নত। ৰাভাসকলৰ ধৰ্মীয় আৰু সামাজিক

**উৎসৱ ঃ** অসমত বসবাস কৰা ৰাভাসকলে বছৰৰ বিভিন্ন সময়ত বিভিন্ন ধৰ্মীয় আৰু সামাজিক উৎসৱ পালন কৰা দেখা যায়। তেওঁলোকৰ এক সামাজিক উৎসৱ হ'ল বাইখু উৎসৱ।

**বাইখু উৎসৱ ঃ** এই উৎসৱ ৰাভাসকলে ব'হাগ মাহত পালন কৰে। অসমীয়া সমাজৰ ৰঙালী বিহুৰ লগত ইয়াৰ সামঞ্জস্য দেখা যায়। এই উৎসৱ সাতদিন ধৰি চলে। ইয়াত গাঁৱৰ ডেকা, বুঢ়া, গাভৰু সকলোৱে লগ হৈ এক আনন্দ উল্লাসেৰে উৎসৱত ভাগ লয়।

**ধৰ্মীয় উৎসৱ ঃ-** ৰাভাসকলে পালন কৰা ধৰ্মীয় উৎসৱ সমূহৰ ভিতৰত- মাৰেই পূজা, নাওঁপূজা, হানাঘোঁৰা ইত্যাদি।

ৰাভাসকলৰ ভাষা ঃ- ৰাভাসকলৰ নিজস্ব ভাষা আছে। ৰাভাসকলে ৰাভা ভাষাত কথা কয়। তেওঁলোকৰ ভাষা নিজৰ মাজত সীমাবদ্ধ।

**বিবাহিক ৰীতি-নীতি ঃ-** পূৰ্বতে ৰাভাসকলৰ ল'ৰা-ছোৱালীৰ বিবাহ নিজ গোত্ৰৰ মাজত হোৱাটো নিষিদ্ধ আছিল যদিও বৰ্তমান তেওঁলোকৰ বিবাহ পদ্ধতিত কিছু পৰিবৰ্তন দেখা যায়। বৰ্তমান তেওঁলোকৰ বিবাহৰ নীতি-নিয়মসমূহ বহু পৰিমাণে শিথিল হৈছে আৰু জাত-পাতৰ কথাক বৰ বেছি গুৰুত্ব

নিদিয়ে। উপযুক্ত বয়সৰ দৰাক মাক বাপেক আৰু কন্যাৰ মাক বাপেক বিয়াৰ বাবে সন্মত হোৱাৰ পিছত 'কুৰ দিয়া' নামৰ এক অনুষ্ঠান পতা হয়। এই অনুষ্ঠানত প্ৰথমে গাঁৱৰ মুখিয়াল কন্যাক কুৰ দিয়াৰ বাবে আহ্বান জনায়। দহ-হাত দীঘল নতুন বগা কাপোৰ আনি কন্যাই দৰাৰ মূৰত পাগুৰি পিন্ধাই দিয়ে। ইয়াকে 'কুৰ দিয়া' বোলা হয়। কুৰ দিয়াৰ পিছত যদি বিয়া ভাঙে তেন্তে দৰাঘৰে ক্ষতিপূৰণ দিয়াৰ নিয়ম। এই নিয়ম সকলো ঠাইতে প্ৰচলন নায়।

**তামোল পান কটা অনুষ্ঠান ঃ** অসমৰ ৰাভাসকলৰ মাজত প্ৰচলিত এক অন্যতম অনুষ্ঠান হ'ল তামোল-পান কটা অনুষ্ঠান। এই অনুষ্ঠানত দৰাৰ ঘৰৰ পৰা কঢ়িয়াই অনা তামোল-পানেৰেই উপস্থিত ৰাইজক পৰিৱেশন কৰাৰ পিছত আলোচনাৰ সূত্ৰপাত আৰম্ভ হয়।

**ৰাভাসকলৰ বিচাৰ সভা ঃ** ৰাভাসকলৰ সমাজত 'মাৰাপচন' নামেৰে এক বিচাৰ সভা আছে। গোষ্ঠপতি জনেই এই সভাৰ বিচাৰপতি। তেওঁৰ সভাপতিত্বত সমাজত অপৰাধ আৰু অন্যান্য বাদ বিবাদৰ মীমাংসা হয়।

**চিকাৰ বৃত্তি ঃ** ৰাভাসকলে আজিত চৰাই আৰু জীৱজন্তু চিকাৰক পাহৰা নাই। তেওঁলোকে পুহ মাহৰ সংক্ৰান্তি আৰু চ'ত মাহৰ সংক্ৰান্তিৰ দিনা সামূহিক চিকাৰ যাত্ৰা কৰে। চিকাৰৰ নেতৃত্ব দিয়ে চিকাৰৰ মুৰব্বী চান্দোৱালে।

**মৃতদেহ কবৰ দিয়া নিয়ম ঃ** ৰাভাসকলে মৃতদেহ দাহ কৰা প্ৰথা গ্ৰহণ কৰিছে যদিও কিছুলোকে মৃতদেহ কবৰ দিয়াও দেখিবলৈ পোৱা যায়। মৃতকক শ্মশানলৈ যোৱা সময়ত শ্মশানযাত্ৰীসকলে একেলগে ঢোল, পেঁপা বজাই নাচিবলৈ আৰম্ভ কৰা দেখা যায়। শ্মশান পোৱাৰ পিছত মৃতদেহ চিতাত তুলি দিয়া হয়। চিতাৰ কাঠৰ খুঁটিত এটি ক ২০১২ কুকুৰা পোৱালি ওলোমাই দিয়া হয়। এই কুকুৰাৰ পোৱালিটি সেই মৃতকৰ সংগী হয়। তাৰ পিছত মৃতকৰ পুত্ৰ বা আত্মীয় স্বজনে মুখগ্নি কৰে।

**ৰাভাসকলৰ কেইগৰাকীমান বিশিষ্ট ব্যক্তি ঃ** ৰাভাসকলৰ কেইগৰাকীমান খ্যাতনামা ব্যক্তি আছিল ক্ৰমে -- কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা- তেওঁ আছিল কবি সাহিত্যিক, নাট্যকাৰ, সংগীতজ্ঞ, নৃত্যবিদ, অভিনেতা ।

(খ) ৰাজেন ৰাভা - কৃতী শিক্ষক, প্ৰথিতযশা সাহিত্যিক, আজীৱন গৱেষক ৰাজেন ৰাভাৰ জীৱন আৰু কৃতি বিকল্প।

(গ) ড°বীৰুবালা ৰাভা - ডাইনী হত্যাৰ দৰে অন্ধবিশ্বাস সমাজৰ পৰা দূৰ কৰি এক সুস্থ সমাজ গঢ়াৰ আপ্ৰাণ চেষ্টাৰে নিজকে উৎসৰ্গিত সংগ্ৰামী নেত্ৰী।

**সামৰণি ঃ-** ৰাভাসকল অসমৰ পঞ্চম বৃহত্তৰ তপশিলি ভুক্ত উপজাতি। অসমত দুই লাখ সাতসত্তৰ হাজাৰ ৰাভা লোকে বসবাস কৰে। ৰাভাসম্প্ৰদায় লোক বৃহত্তৰ ইন্দো মংগোলীয় গোষ্ঠীৰ অৰ্ন্তভুক্ত। সভ্যতাৰ অন্ধৰ অনুকৰণে ৰাভা জনজাতি সকলৰ সামাজিক ৰীতি-নীতি। জনজাতীয় ভাষা, সংস্কৃতি আদিক বিলুপ্তিৰ পথলৈ ঠেলি দিয়া পৰিলক্ষিত হৈছে। সেয়ে ৰাজ্য চৰকাৰ এই জনজাতিৰ সামাজিক ৰীতি নীতি, ভাষা আৰু সংস্কৃতিক যাতে জনজাতিসকলে ধৰি ৰাখিব পাৰে তাৰ সুযোগ সুবিধা আগবঢ়োৱা উচিত।


**সহায়ক গ্ৰন্থ ঃ**

আঠভনীৰ ৰাজ্য উত্তৰ পূৰ্বাঞ্চলৰ জনজাতি, ভুটান চন্দ্ৰ বৰ্মন

**সহায়ক প্ৰবন্ধ** (wikipedia) ঃ

ৰাভা জনজাতিৰ সামাজিক ৰীতি-নীতি ✦


---


লেখক - স্নাতক দ্বিতীয় যাণ্মাসিকৰ ছাত্ৰ



# বিশ্বনায়ক ফিডেল কাষ্ট্ৰোৰ সংগ্ৰামী জীৱন গাঁথা

**প্ৰসেনজিৎ ডেকা**
*প্ৰাক্তন ছাত্ৰ, শিক্ষা বিভাগ*

কোটি কোটি লোকৰ বাসস্থান আমাৰ এই পৃথিৱীখনত সময়ে সময়ে এনে কিছুমান ব্যক্তিৰ জন্ম হয় যাৰ জন্মই সমগ্ৰ বিশ্বৰে ৰেহ ৰূপ সলনি কৰি পেলায়। তেনে মহান মনীষীসকলৰ ভিতৰত এগৰাকী হ'ল কিউবাৰ মহান বিপ্লৱী নেতা ফিডেল কাষ্ট্ৰো। ১৯২৬ চনত ১৩ আগষ্ট সেই দিনটোত কিউবাৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰসমূহলৈ অকল্পনীয় পৰিৱৰ্তন সাধন কৰা এই মহান ব্যক্তিজনৰ জন্ম হৈছিল। সেই সময়ৰ কিউবাৰ পুব প্ৰান্তত অৱস্থিত অৰিয়ান্ট প্ৰদেশৰ বিৰান নামৰ সৰু চহৰখনত আৰ্গিজ আৰু লিনাৰুজ গঞ্জালেছৰ দ্বিতীয় পুত্ৰ হিচাপে। তেওঁৰ সম্পূৰ্ণ নাম আছিল ফিডেল আলেজেৰ্ড্ৰ কাষ্ট্ৰো ৰুজ (Fidel Alejandro castro Ruz)। অত্যাধিক ভু-সম্পত্তিৰ গৰাকী এক ধনী পৰিয়ালত তেওঁৰ জন্ম হোৱা বাৱে অভাৱ কি বস্তু বুজিব পৰা নাছিল যদিও তেওঁ সৰুৰে পৰা অন্যায়ৰ বিৰুদ্ধে মাতি গৈছিল।

ফিডেলৰ বয়স বঢ়াৰ লগে লগে মাক-দেউতাকে তেওঁক ছান্তিয়াগো দে' নামৰ কিউবাৰ এজন শিক্ষকৰ তত্ত্বাৱধানত পঢ়া-শুনা আৰম্ভ কৰোৱাইছিল। তেতিয়া মাত্ৰ বয়স ছয় বছৰ। এনেকৈ শিক্ষা জীৱনৰ কেইবাটাও পৰ্ব সমাপ্ত হোৱাৰ পাছত পিতৃ-মাতৃয়ে তেওঁক এজন প্ৰখ্যাত অধিবক্তা হোৱাটো কামনা কৰি পুনৰ ১৯৪৫ চনত হাভানা বিশ্ববিদ্যালয় ত ফিডেলক আইনৰ ছাত্ৰ হিচাপে নামভৰ্ত্তি কৰাই দিয়ে। তেতিয়া ফিডেলৰ বয়স ১৯ বছৰ। যৌৱনৰ উন্মাদনা দেহৰ শিৰে শিৰে বৈ গৈছে ফিডেলৰ। যৌৱনৰ দুৱাৰডলিত ভৰি দিয়া ফিডেলে পিছে যৌৱনৰ বন্যাত উটি যোৱা নাছিল। হাভানা বিশ্ববিদ্যালয়ত আইনৰ ছাত্ৰ হিচাপে নামভৰ্ত্তি কৰাৰ পিছতেই তেওঁ বহু জ্ঞানী গুনী লোকৰ সংস্পৰ্শলৈ আহিছিল। সেই সময়ত হাভানা বিশ্ববিদ্যালয় আছিল আছিল কিউবাৰ শৈক্ষিক ক্ষেত্ৰখনৰ প্ৰাণ কেন্দ্ৰস্বৰূপ। ৰাজনীতি, সংস্কৃতি, সমাজব্যৱস্থা, অৰ্থনীতি আদি সকলো ক্ষেত্ৰৰ বিশদ আলোচনা হৈছিল এই বিশ্ববিদ্যালয়ৰ চৌহদত। কাষ্ট্ৰোৱেও বিশ্ববিদ্যালয়ৰ বিভিন্ন অনিয়মৰ বিৰুদ্ধে মাত মাতিছিল। কেৱল সেয়াই নহয়

তেওঁ বহুতো ছাত্ৰ-ছাত্ৰীৰ সমস্যা নিজে মূৰ পাতি সমাধানৰ চেষ্টা চলাইছিল। ছাত্ৰ অৱস্থাতে তেওঁ বিভিন্ন দলৰ লগত অংশগ্ৰহন কৰি অন্যায়ৰ বিৰুদ্ধে অগ্নিবৰষা ভাষণ দি বহুতকে হতভম্ব কৰিছিল, যাৰ বাবে কিউবাৰ শাসকৰ চকুত তেওঁ সহজতে ধৰা পৰিছিল।

ছাত্ৰ অৱস্থাৰে পৰা তেওঁ আকৃষ্ট হৈছিল কাৰ্লমাক্সৰ চিন্তাধাৰাৰে। তেওঁ সেইসময়ত বুজি উঠিছিল যে পুজিবাদৰ বিৰুদ্ধে বিৰুদ্ধে বিদ্ৰোহ ঘোষনা কৰাৰ একমাত্ৰ পাশুপাট অস্ত্ৰ হৈছে সাম্যবাদ। সেইবাবে তেওঁ সাম্যবাদ প্ৰতিষ্ঠাৰ হকে সংকল্পবদ্ধ হৈছিল। ১৯৪৭ চনত কিউবাৰ প্ৰগতিশীল চিন্তাধাৰাৰ লোকেৰে গঠিত Partido Ortodoxo( পাৰ্টিডো অৰটোডক্সো) নামৰ সংগঠনটোত যোগদান কৰিছিল। ইয়াৰ পিছতে কাষ্ট্ৰো চৰকাৰী পক্ষৰ চকুত পৰে। তেওঁক মাৰিবলৈ আৰক্ষীৰ বেশত হত্যাকাৰী প্ৰেৰণ কৰিছিল চৰকাৰী পক্ষই। ১৯৪৮ চনৰ এপ্ৰিল মাহত বাগোটানৈ কাষ্ট্ৰোই কলম্বিয়াৰ বাগোটালৈ গৈছিল আৰু তাতে তেওঁ কিছু সংখ্যক লোকক সংঘবদ্ধ কৰি চৰকাৰী সেনাৰ বিৰুদ্ধে যুদ্ধ ঘোষনা কৰে, অৱশ্যে সেইবাৰ তেওঁ চৰকাৰী পক্ষৰ ওচৰত সেই মানিব লগা হয়।

একুৰা উমি উমি জ্বলি থকা জুই। পুঁজিবাদৰ বিৰুদ্ধে জ্বলি উঠা এই জুইকুৰা বুকুত কঢ়িয়াই লৈ ফুৰিছিল ছাত্ৰ ফিডেল কাষ্ট্ৰোই। এপিনে অধ্যয়নৰ হেঁচা,আনপিনে সংগ্ৰাম আগুৱাই নিয়াৰ তাগিদা। দুয়োটা কামেই সমানে চম্ভালি ল'বলৈ সক্ষম হৈছিল কাষ্ট্ৰো। ইয়াৰ মাজতে তেওঁৰ জীৱনৰ কিছু পট পৰিৱৰ্তন ঘটিছিল। সেই সময়ত কিউবাৰ নিয়ম আছিল কম বয়সতে বিবাহপাশত আবদ্ধ হোৱা। সেই নিয়মৰ পৰা সাৰি যাব পৰা নাছিল ফিডেল কাষ্ট্ৰোওঁ। পৰিয়ালৰ পৰামৰ্শ মতে ২২ বছৰ বয়সতে বিবাহপাশত আৱদ্ধ হয় মিৰ্টা ডিয়াজ বালাৰ্টৰ সৈতে। পত্নী মিৰ্টাৰ অনুপ্ৰেৰনাতে তেওঁ ১৯৫০ চনৰ ছেপ্তেম্বৰ মাহত আইন বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰে।

দুৰ্জেয় বীৰ ফিডেল কাষ্ট্ৰোক মানসিকভাৱে বিধ্বস্ত কৰিবলৈ এক ষড়যন্ত্ৰ ৰচনা কৰিছিল। কাষ্ট্ৰোৰ প্ৰধান শত্ৰু তথা সেই সময়ৰ কিউবাৰ ৰাষ্ট্ৰপতি জেনেৰেল বাটিষ্টাই। তেওঁ কাষ্ট্ৰোৰ পত্নী মিৰ্টাক বাটিষ্টা চৰকাৰৰ গৃহ দপ্তৰত চাকৰি দি মিৰ্টা আৰু কাষ্ট্ৰোৰ মাজত বিভেদৰ সৃষ্টি কৰিছিল আৰু অৱশেষত মিৰ্টা আৰু কাষ্ট্ৰোৰ মাজত বিবাত বিচ্ছেদ হয়। ইয়াৰ পিছত কাষ্ট্ৰোই ডালিয়া ছোতে ডেল ভাল্লেক দ্বিতীয় পত্নী হিচাপে গ্ৰহণ কৰে।

১৯৫৩ চনত ২৬ জুলাইত ফিডেল কাষ্ট্ৰোই তেওঁৰ অতি কম সংখ্যক সতীৰ্থ লগত লৈ মানকাজ সেনা শিবিৰত আক্ৰমন চলাইছিল। মানকাজ সেনাৰ শিবিৰত আক্ৰমন হোৱাত কাষ্ট্ৰোই ছিয়েৰা মাষ্ট্ৰা পৰ্বতলৈ পলাই গৈছিল যদিও বাটিষ্টাৰ সেনাৰ হাতত তেওঁ গ্ৰেপ্তাৰ হ'বলগীয়া হ'ল আৰু পোন্ধৰ বছৰৰ বাবে তেওঁক কাৰাদণ্ডৰে দণ্ডিত কৰা হ'ল। ২৫ জন সংগ্ৰামী সতীৰ্থৰ সৈতে প্ৰেছিডিঅ' মডেল কাৰাগাৰত বন্দীত্বৰ জীৱন অতিবাহিত কৰাৰ মাজতে তেওঁ সতীৰ্থ সকলক লৈ নতুনকৈ আৰম্ভ কৰিছিল সংগ্ৰামৰ আখৰা। কাৰাগাৰৰ ভিতৰত থকা সময়চোৱাত বিভিন্ন গ্ৰন্থ অধ্যয়নৰ জৰিয়তে কাষ্ট্ৰোই সমাজবাদ, সাম্যবাদৰ বিষয়ে পৰিপক্ক জ্ঞান অৰ্জন কৰিবলৈ সক্ষম হৈছিল। ইফালে অত্যাচাৰী বাটিষ্টাই ভাবিলে যে কাষ্ট্ৰো এতিয়া বিষহীন হৈছে, গতিকে কাৰাগাৰৰ পৰা ওলাই একো ক্ষতি কৰিব নোৱাৰে। সেই মৰ্মে **১৯৫৫** চনৰ **১৫** মে'ৰ দিনা কাষ্ট্ৰোক আৰু সহযোগীসকলক কাৰাগাৰৰ পৰা মুক্তি দিয়ে। কাৰাগাৰৰ পৰা মুক্তি দিলেও ফিডেলৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিছিল বাটিষ্টাৰ চৰকাৰে। তাৰ মাজতে বহু পৰিকল্পনাৰে কাষ্ট্ৰোৰ সেনাই **১৯৫৭** চনৰ মাৰ্চ মাহত কিউবাৰ ৰাষ্ট্ৰপতি ভৱনত আক্ৰমন চলাই। উক্ত আক্ৰমনৰ নেতৃত্ব দিছিল এন্টনিঅ' আৰু ফ্ৰাংক পাইচে। জেনেৰেল বাটিষ্টাৰ দৰে এগৰাকী মহাপ্ৰতাপী শাসকৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰাম কৰিবলৈ প্ৰয়োজন হোৱা অস্ত্ৰ-শস্ত্ৰৰ যোগান ধৰিছিল মেক্সিকোৰ অস্ত্ৰ ব্যৱসায়ী এন্টনিঅ ডেল কোণ্ডেকে।

কাষ্ট্ৰোৰ বিপ্লৱৰ জুইত দগ্ধ হৈ ১৯৫৮ চনৰ ১ ডিচেম্বৰৰ দিনা জেনেৰেল বাটিষ্টাৰ কিউবা এৰি স্পেইন লৈ পলায়ন কৰে। ১৯৫৯ চনৰ ১ জানুৱাৰীত কাষ্ট্ৰোই আৰু তেওঁৰ সতীৰ্থ সকলে বিজয়ৰ তিলক শিৰত লৈ হাভানা অভিমুখে যাত্ৰা কৰিলে। অত্যাচাৰী শাসক বাটিষ্টাক ক্ষমতাৰ পৰা অপসাৰিত কৰাৰ পিছত ফিডেল কাষ্ট্ৰোই এখন সুন্দৰ তথা উন্নত আধুনীক কিউবা গঢ় দিয়াৰ কামত মনোনিৱেশ কৰিলে আৰু ১৯৫৯ চনৰ প্ৰথম ভাগত কিউবাৰ এগৰাকী বিশিষ্ট অধিবক্তা মেনুৱেল উৰৰুছিয়া লিঅ'ক অন্তৰ্বৰ্তী কালিন চৰকাৰৰ ৰাষ্ট্ৰপতি হিচাপে নিযুক্তি দিয়ে আৰু কাষ্ট্ৰোই নিজে সেনাবাহিনীৰ পৰিচালনাৰ দায়িত্ব লয়। কাষ্ট্ৰোৰ নিৰ্দেশতে বন্ধ কৰি দিয়া হৈছিল কিউবাৰ জুৱাৰ স্থলী,বহু কাচিনো। কিউবাৰ প্ৰধানমন্ত্ৰী জোছ মিৰো কাৰ্ডিনোই কাচিনো ব্যৱসায় বন্ধ হোৱাৰ বাবে বহুলোক নিৰনুৱা হোৱা বুলি মন্তব্য কৰিছিল। এই কথাত কাষ্ট্ৰো আৰু কাৰ্ডিনোৰ মত পাৰ্থক্য হৈছিল আৰু অৱশেষত কাৰ্ডিনোই পদত্যাগ কৰিছিল আৰু আমেৰিকালৈ গুচি গৈছিল।

কাৰ্ডিনোই পদত্যাগ কৰাৰ পিছত ১৯৫৯ চনত ১৬ ফেব্ৰুৱাৰী দিনা ফিডেল কাষ্ট্ৰোই কিউবাৰ প্ৰধানমন্ত্ৰীৰ আসনত উপবিষ্ট হয়। প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত ফিডেলে কিউবাৰ ৰাজকোষ টনকিয়াল কৰাৰ লক্ষ্যৰে দেশখনৰ

পর্যটন উদ্যোগক অধিক আৰ্কষনীয় কৰি তোলাৰ পদক্ষেপ লৈছিল। দৰিদ্ৰতা নিৰ্মূল কৰাৰ কাৰণে ফিডেল কাষ্ট্ৰোই বহুতো আঁচনি আৰু পদক্ষেপ হাতত লৈছিল। তেনে আঁচনি সমূহ হ'ল- লা ফেৰিয়া,চিয়েগো মন্টেৰ,পালাদাৰ,ইটেস্কা,লা-ফাৰ্মাচিয়া,লা কপেলিয়া,লা বাগেদা। ১৯৭৬ চনত তেওঁ কিউবাৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হয়।

বিশ্বৰ কোটি কোটি মুক্তিবাদী জনতাৰ আদৰ্শৰ প্ৰতীক ফিডেল কাষ্ট্ৰোক বিভিন্ন উপায়,অৱলম্বন কৰি বিশ্বৰ শক্তিশালী ৰাষ্ট্ৰ আমেৰিকাই সৰ্বমুঠ ৬৩৮ বাৰ হত্যাৰ চেষ্টা চলাইছিল কিন্তু কোনোবাৰতে কাষ্ট্ৰো হাৰি নগ'ল। আমেৰিকাৰ সৈতে তিক্ত সম্পৰ্ক থাকিলেও ভাৰতৰ সৈতে কাষ্ট্ৰোই সু-সম্পৰ্ক বজাই ৰাখিছিল। বিশেষকৈ গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ (NAM- Non- Alignment movement) জৰিয়তে ভাৰতৰ সৈতে সুদৃঢ় সম্পৰ্ক গঢ় লৈ উঠিছিল কাষ্ট্ৰোৰ। কিউবাৰ অত্যাচাৰী শাসক জেনেৰেল বাটিষ্টাক কিউবাৰ জনসাধৰণৰ সমৰ্থন লৈ ক্ষমতাৰ পৰা উৎখাত কৰাৰ পিছত দেশখন শাসন কৰাৰ গুৰু দায়িত্ব আহি পৰিছিল ফিডেল কাষ্ট্ৰোৰ ওপৰত। কাষ্ট্ৰোই অতি নিপুনতাৰে সেই দায়িত্ব চম্ভালি ল'বলৈ সক্ষম হৈছিল। ৰাষ্ট্ৰসংঘৰ মজিয়াত ফিডেল কাষ্ট্ৰোই কিউবাৰ বৰ্ণিল ইতিহাস আৰু সেই সময়ৰ কিউবাৰ পৰিস্থিতিৰ বিষয়ে এক দীঘলীয়া বক্তব্য ৰাখিছিল। যি বক্তব্যক ৰাষ্ট্ৰসংঘৰ মজিয়াত বিশ্বৰ বিভিন্ন দেশৰ ৰাষ্ট্ৰনেতা সকলে ৰখা বক্তব্যৰ ভিতৰত দীৰ্ঘতম বুলি গণ্য কৰা হৈছিল। ১৯৬০ চনৰ ২৯ ছেপ্তেম্বৰৰ দিনা ৰাষ্ট্ৰসংঘৰ মজিয়াত ফিডেল কাষ্ট্ৰোই সুদীৰ্ঘ ৪ ঘন্টা ২৯ মিনিট ধৰি একেৰাহে ভাষণ আগবঢ়াইছিল। ইয়াৰ পিছত ১৯৮৫ চনত কাষ্ট্ৰোই তেওঁৰ নিজৰ দেশত একেৰাহে ৭ ঘন্টা ১০ মিনিট ধৰি ভাষণ দিছিল। এগৰাকী সুবক্তা হিচাপে পৰিচিত ফিডেল কাষ্ট্ৰোৰ ভাষণ আনকি তেওঁৰ শত্ৰুৰো মনক সম্মোহিত কৰি পেলাব পাৰিছিল।

আধুনিক কিউবা গঢ়াৰ লক্ষ্যৰে উদয়াস্ত শ্ৰম কৰি এটা সময়ত যেন ভাগৰি পৰিছিল যুগ নায়ক মুক্তিকামী জনতাৰ আদৰ্শৰ প্ৰতীক ফিডেল কাষ্ট্ৰো। ২০০৬ চনৰ প্ৰথম ভাগতে সাধৰণ ব্যাধিয়ে টলাব নোৱাৰা ফিডেল কাষ্ট্ৰো হঠাৎ দুৰ্বল হৈ পৰে। ২০০৬ চনৰ ৩১ জুলাইৰ দিনা ভাতৃ ৰাউল কাষ্ট্ৰোৰ হাতত সমসাময়িক ভাৱে কিউবাৰ দায়িত্ব অৰ্পন কৰে ফিডেল কাষ্ট্ৰোই। শাৰিৰীক অসুস্থতাৰ বাবে ২০১১ চনৰ ১৯ এপ্ৰিলত ফিডেল কাষ্ট্ৰোই কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় সমিতিৰ পৰা পদত্যাগ কৰে আৰু তেওঁৰ ঠাইত নিযুক্তি দিয়ে ভাতৃ ৰাউল কাষ্ট্ৰোক। অসুস্থতাৰ মাজতে ২০১৪ চনৰ ডিচেম্বৰ মাহত চীনৰ চৰকাৰে কাষ্ট্ৰোক দেশখনৰ সন্মানীয় কনফুচিয়াছ শান্তি বঁটা প্ৰদান কৰিছিল। ২০১৬ চনৰ মাৰ্চ মাহত পুনৰ কিউবালৈ আহিছিল মাৰ্কিন ৰাষ্ট্ৰপতি বাৰাক অ'বামা। বহু দশকৰ পিছত মাৰ্কিন ৰাষ্ট্ৰপতি এগৰাকী অহাৰ পিছতো ফিডেল কাষ্ট্ৰোই কোনো উৎসাহ প্ৰদান কৰা নাছিল। তেওঁ আনকি অ'বামাক সাক্ষাৎয়ে কৰা নাছিল। ২০১৬ চনৰ এপ্ৰিল মাহত কাষ্ট্ৰোই শেষবাৰৰ বাবে ৰাজহুৱা দৰ্শন দিছিল। কমিউনিষ্ট পাৰ্টীৰ এখন সভাত কাষ্ট্ৰোই কৈছিল যে তেওঁ এতিয়া ন'ৱৈ বছৰত ভৰি দিছে আৰু তেওঁৰ মৃত্যু আসন্ন। তেওঁৰ মৃত্যুৰ পিছতো যাতে কিউবাত কমিউনিজমৰ আদৰ্শ প্ৰতিষ্ঠা হৈ থাকে তাৰ প্ৰতি সতৰ্ক হৈ থাকিবলৈ তেওঁ কিউবা বাসীক আহ্বান জনায়।

২০১৬ চনৰ ২৫ নৱেম্বৰৰ নিশা কিউবাবাসীৰ লগতে সমগ্ৰ বিশ্ববাসীয়ে লাভ কৰে এই দুঃসংবাদটো। ফিডেল কাষ্ট্ৰোৰ ভাতৃ তথা কিউবাৰ ৰাষ্ট্ৰপতি ৰাউল কাষ্ট্ৰোই সংবাদ মাধ্যমক জনায় যে চিন্তাৰ যাদুকৰ আৰু ৰূপান্তৰৰ খনিকৰ ফিডেল কাষ্ট্ৰো আৰু নাই। ২৫ নৱেম্বৰৰ নিশা দীৰ্ঘদিনীয়া অসুস্থতাৰ অন্তত ফিডেল কাষ্ট্ৰোই শেষ নিশ্বাস ত্যাগ কৰে। ফিডেল কাষ্ট্ৰোৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে সমগ্ৰ বিশ্বৰ মুক্তিকামী জনতা শোকত ভাগি পৰে আৰু কিউবাত 'ন' দিনীয়াকৈ শোক দিৱস পালন কৰে। বিশ্ব নায়ক কাষ্ট্ৰোৰ মৃত্যুৰে পৃথিৱীৰ কোটি কোটি জনতাক যেন অভিভাৱকহীন কৰি তুলিলে। ✦



# অসমৰ লোক-উৎসৱ ভঠেলী

কংকনা শৰ্মা

আদিম কালৰ পৰাই মানুহ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। প্ৰাচীন জীৱিকাৰাজিৰ মাজত পশুপালন আৰু কৃষি আছিল অন্যতম। বিভিন্ন প্ৰাকৃতিক দুযোৰ্গ, বনৰীয়া পশু ইত্যাদিৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ তথা সমূহীয়াভাৱে খেতি-বাতি কৰিবৰ বাবে মানুহ দলবদ্ধভাৱে থাকিবলৈ লয়। এইদৰেই মানুহৰ মনত সমাজৰ ধাৰণা আহি পৰে।

সমাজপ্ৰিয় মানুহৰ মুখে মুখে প্ৰচলিত হৈ অহা জ্ঞান, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, লোকবিশ্বাস আদি সংস্কৃতিৰ অপৰিহাৰ্য উপাদান। কেতিয়াবা মানুহে সমূহীয়াভাৱে আনন্দ প্ৰকাশ কৰিবলৈ আৰু কেতিয়াবা লোকবিশ্বাসৰ ওপৰত ভিত্তি কৰি উৰ্বৰা পৃথিৱীৰ বুকুত অধিক শস্য উৎপাদনৰ কামনা কৰিবলে অথবা প্ৰাকৃতিক দুৰ্যোগ আদিৰ পৰা ৰক্ষা পাবলৈ সামাজিক উৎসৱ পালন কৰিবলৈ আৰম্ভ কৰে। পৰাম্পৰাগতভাৱে চলি অহা বিভিন্ন উৎসৱে অসমীয়া লোক-সংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰিছে। অবিভক্ত কামৰূপ জিলাত ব'হাগ মাহত পালন কৰা এবিধ অতি জনপ্ৰিয় উৎসৱ হৈছে ভঠেলী। গাওঁখনৰ ডেকাৰে পৰা বুঢ়ালৈকে সকলোৱে এই উৎসৱ উপভোগ কৰে।

এই উৎসৱক বাঁহ পূজাৰ উৎসৱ বুলিও ক'ব পাৰি। মূঢ়াৰে সৈতে দীঘলকৈ দুডাল বাহঁ কাটি আনি গোটেই বাহঁ দুডাল ভালদৰে চাচি লৈ ৰঙীন কাপোৰেৰে মেৰিয়াই সুন্দৰকৈ সজায়। ইয়াৰে এডালক 'হৰ' অৰ্থাৎ পুৰুষৰূপে গণ্য কৰা ডাল বাহঁৰ গাত চোঁৰৰ বান্ধি দিয়া হয়। এইদৰে সুন্দৰকৈ সজোৱা বাহঁডালক

পাৰ (নলবাৰী জিলাৰ টিহু অঞ্চলৰ নাম্নাট্টাৰী গাঁৱত ইয়াক পাউৰা) বুলি কোৱা হয় আৰু ইয়াক সজোৱা কাপোৰখিনি 'পাৰৰ কাচ' বুলি কোৱা হয়। সুন্দৰকৈ সজাই লোৱা পাৰ দুটি গাৱঁৰ কোনো সুস্থ-সবল ডেকা এজনে হাতত লৈ মুক্ত আকাশৰ তলত কেইপাক মান ঘূৰাই আৰু ঘূৰোৱাৰ অন্তত কোনো গছত ভেজা দি থৈ দিয়ে।

ভঠেলী উৎসৱৰ আইন এটি দিশ হ'ল ভঠেলী ভঙা, এডাল প্ৰায় ১০ ফুটমান দীঘল গুৱিৰ ফালৰ বাহঁ কাটি ভালদৰে চাঁচি লৈ প্ৰায় আধালৈকে মাটিৰ তলত পুতি দিয়ে। ইয়াৰ পিছত বাহঁডালত যথেষ্ট পৰিমানে মিঠাতেল সানি দি ইয়াক পিছল কৰি লোৱা হয়। ইয়াকেই ভঠেলী বুলি কয়। ভঠেলীটো ভাঙিবলৈ কাষৰ গাঁৱৰ ডেকা সকলক নিমন্ত্ৰণ কৰি অনা হয়। পাৰ ঘূৰোৱা পিছত গাৱঁৰ মানুহ খিনিয়ে নাম কীৰ্ত্তন কৰে আৰু তাৰ পিছত নিমন্ত্ৰিত ডেকা বিলাকক ভঠেলীটো ভাঙিবলৈ দিয়া হয়। তেলেৰে চিলচিলিয়া পিছল হৈ থকা বাঁহ ডাল ভঙা সহজ নহয়। অনুষ্ঠানটোত গোটেই ডেকাসকল ভাগৰি পৰে। কেতিয়াবা আকৌ নিজৰ গাঁৱৰ ডেকাসকলেও ইয়াত ভাগ লয়হি। এই দৃশ্যটো যথেষ্ট উপভোগ কৰিবলগীয়া হৈ পৰে। কিছুমান গাঁৱত বাঁহ আৰু খেৰেৰে সৰুকৈ ঘৰ এটি সাজি লয়। ইয়াক 'ভঠেলী' বুলি কয়। এই ঘৰৰ ভিতৰত বিভিন্ন উপকৰণেৰে সৈতে নৈবেদ্য আৰু নগদ টকা এটা থোৱা হয়। নিমন্ত্ৰণ কৰি অনা ডেকাবিলাকে এই ভঠেলীটো ভাঙি টকাটো লৈ নৈবেদ্য ভগাই খায়। ভঠেলী উৎসৱ উপলক্ষে গোটেই দিনটো বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। লোকবিশ্বাস অনুযায়ী ভঠেলী এটা প্ৰজনন লোক উৎসৱ মুক্ত আকাশখনক স্ত্ৰীৰ ৰূপত সুন্দৰকৈ সজোৱা বাঁহডালক পুৰুষৰ সংসৰ্গত কল্পনা কৰা হয়। সেইবাবে মুক্ত আকাশৰ বুকুত বাহঁডাল ঘূৰালে পৃথিৱী গৰ্ভৱতী হৈ অধিক শস্যৰ উৎপাদন হয় বুলি বিশ্বাস কৰে।

প্ৰযুক্তি বিদ্যাৰ অগ্ৰগতিৰ লগে লগে অসমৰ বুকুৰ পৰা লোক-উৎসৱ বিলাক দ্ৰুতগতিত অন্তৰ্নিহিত হৈ আহিছে। ই সমগ্ৰ জাতিটোৰ বাবেই ক্ষতিকাৰক। অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত থকা লোক উৎসৱসমূহৰ জৰিয়তেহে এটা গোষ্ঠীয়ে অইন এটা গোষ্ঠীক বুজি পোৱাটো সম্ভৱ। লোক-সংস্কৃতিৰ সংৰক্ষন তথা প্ৰচাৰৰ অভাৱত বিভিন্ন গোষ্ঠীবিলাকৰ মাজত বুজাপৰা নাইকিয়া হৈ ইজনে সিজনৰ পৰা লাহে লাহে আতৰি যাব ধৰিছে। ইয়াৰ ফলতে দেশত গোষ্ঠীগত সংঘৰ্ষই গা কৰি উঠিছে। লোক-সংস্কৃতিৰ বিজ্ঞানসন্মত সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে চৰকাৰী বা বেচৰকাৰী প্ৰতিষ্ঠানসমূহ আগবাঢ়ি আহিলেহে দেশত শান্তি স্থাপন হ'ব বুলি আশা কৰিব পাৰি। ✦

লেখক- স্নাতক তৃতীয় বৰ্ষৰ শিক্ষা বিভাগৰ ছাত্ৰী

খগেন মহন্ত (১৯৪২ -২০১৪) ঃ
অসমীয়া লোক সংগীতৰ একান্ত সাধক গণশিল্পী খগেন মহন্তদেৱে ১৯৯২ চনত সংগীত নাটক একাডেমী বঁটা লাভ কৰে। বিহু সম্ৰাট হিচাপে খ্যাত মহন্ত দেৱৰ প্ৰতিটো গানে শ্ৰোতাৰ মাজত সদায়ে সজীৱ হৈ থাকিব। পত্নী অৰ্চনা মহন্ত আৰু পুত্ৰ অঙ্গৰাগ মহন্ত অসমীয়া সংগীত জগতৰ চিনাকি নাম।



# অসমৰ এটি প্ৰাচীন নৃত্যগীত ঃ ওজাপালি

ৰিংকিমনি তালুকদাৰ

ওজাপালি অসমৰ এক অৰ্দ্ধনাটকীয় পৰিৱেশ্য কলা। ওজাপালি অসমৰ এটি প্ৰাচীন নৃত্যগীত, জনপ্ৰিয় লোকনাট্যনুষ্ঠান। এইবিধ লোকনাট্য অনুষ্ঠানৰ লগত অসমৰ লোকজীৱনৰ একগভীৰ সম্পৰ্ক আছে। ওড্ৰ-মাগধী শৈলীৰ চৰিত্ৰৰ লগত ভালেখিনি খাপখোৱা ওজাপালি অনুষ্ঠান ভাৰতীয় মাৰ্গীয় সংগীত পৰম্পৰাত জন্ম। ইয়াৰ উদ্ভৱ আৰু বিকাশত ধৰ্মানুষ্ঠানৰ যথেষ্ট অৰিহণা আছে। এই ওজাপালিৰ উদ্ভৱ আৰু বিকাশ সন্দৰ্ভত বিভিন্ন মিথ(myth) আৰু জনশ্ৰুতি জড়িত হৈ আছে। এক দৈৱিক মতবাদ মতে বৃহন্নলাৰূপী অৰ্জুনৰ দ্বাৰা এইবিধ কলা স্বৰ্গৰ পৰা মৰ্ত্যত প্ৰচলিত হয়। পাৰিজাত নামৰ এগৰাকী মহিলাই স্বপ্নৰ দ্বাৰা এই কলা আয়ত্ত কৰি শিষ্যসকলক শিকাই বুলিও বিয়াহৰ ওজাপালিসকলে বিশ্বাস কৰে। ব্যাসকলাই আৰু কেন্দুকলাই এই দুগৰাকী ব্যক্তি বিশেষো ওজাপালিৰ জনক বুলি জনশ্ৰুতি প্ৰচলিত। অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত এই স্বৰ্গীয় সংগীত পৰম্পৰাই মহাকাব্য অথবা পুৰাণৰ কাহিনী গীত, নৃত্য আৰু অভিনয়ৰ মাধ্যমেৰে প্ৰচাৰ কৰা এক জনচিত্ত বিনোদক শৈলীৰূপে বৰপীৰা পাৰি বহিল।

অবিভক্ত কামৰূপ আৰু দৰং জিলাৰ আপী ওজাপালি অনুষ্ঠানটি আকৌ মহিলাসকলৰ দ্বাৰাহে পৰিৱেশিত হয়। আপী ওজাই খুটি তালৰ সলনি হাত চাপৰি বজায়।

ওজাপালি অনুষ্ঠানৰ মুখ্য পৰিচালকজনেই হ'ল ওজা। ওজা আৰু পালি এই দুইবিধ নিৰ্বাহিকাৰ দ্বাৰা ওজাপালি অনুষ্ঠান সংগঠিত। পালি আকৌ দুবিধ দাইনাপালি আৰু সাধাৰণপালি। ওজাপালিত সাধাৰণতে পাঁচগৰাকী ব্যক্তি থাকে- এগৰাকী ওজা, এগৰাকী দাইনাপালি আৰু তিনিগৰাকী গীত গোৱা পালি। নৃত্য-গীত, বাদ্য, ৰাগ গতি, মুদ্ৰা, ভংগী আদিত সুদক্ষ ওজাৰ শাৰিৰীক গঠন আকৰ্ষণীয় হোৱা উচিত। ওজাপালিৰ ৰূপ অনুসৰি ওজা আৰু পালিসকলৰ সাজ-পোচাক বিভিন্ন ধৰণৰ। সকলোৱে বিভিন্ন ধৰণৰ আ-অলংকাৰ পৰিধান কৰে। ড° সত্যেন্দ্ৰ নাথ শৰ্মাই এই বিষয়ে সুন্দৰ ব্যাখ্যা দাঙি ধৰিছে-

"ওজাৰ পোচাক বিশিষ্ট ধৰণৰ
মুৰত পাগ, ভৰিত নূপুৰ
গাত চাপকম চোলা,
দুইকাষে ওলমি পৰা চাদৰ
কপালত চন্দনৰ ফোট
কাণত উন্তি ইত্যাদি।"

মুখ্যত ঃ ধৰ্মীয় দিশৰ লগত সম্পৃক্ত বাবেই ওজাপালিৰ সকলোৱে শুদ্ধ পোচাক পৰিধান কৰে। সকলোৱে চুৰিয়া চোলা পিন্ধে আৰু ডিঙিত চেলেং লয়। পালি সকলোৱে সোঁ হাতত একোযোৰ খুঁটি তাল মেৰিয়াই লয়। প্ৰখৰ স্মৃতি শক্তি ওজাৰ এক প্ৰয়োজনীয় গুণ। নৃত্য-গীতৰ পৰিচালক ওজাই দিহা, ৰাগ আদি প্ৰথমে লগাই দিয়ে আৰু পালিবিলাকে সেই দিহা পুনঃ পুনঃ দোহাৰে। দাইনাপালি বা অন্য পালিসকলে ওজাই পৰিৱেশন কৰা গীতবোৰ কথিত গদ্যত ৰসালভাৱে অথবা অভিনয় ভংগীত দৰ্শকক বুজায় দিয়ে। পালিয়ে গীত অংশ দোহোৰা সময়টোত ওজাই হাতৰ মুদ্ৰা আৰু ভৰিৰ তাল সহ বৰ্ননীয় বিষয় নৃত্যৰ যোগেদি ৰূপায়িত কৰে। তেওঁৰ লগে লগে দাইনা পালিয়েও নাচি-বাগি অনুষ্ঠানৰ সৌন্দৰ্য্য বৃদ্ধি কৰে। মাজে মাজে ওজাই শ্ৰোতা আৰু দৰ্শকৰ আগত আকৰ্ষণীয়ভাৱে উপস্থাপন কৰিবলৈ দাইনাপালিৰ লগত সংলাপ আৰম্ভ কৰে। এই সংলাপ পূৰ্বনিদ্ধাৰিত বা লিপিবদ্ধ নহয়। দৰ্শকক আকৰ্ষণ কৰিবলৈ মাজে মাজে খুহতীয়া কথা আৰু সাময়িক সমস্যাও ইয়াত অৱতাৰণা কৰা হয়। সচৰাচৰ ওজাপালি অনুষ্ঠানত পঞ্চতন্ত্ৰ বা পঞ্চঅংগৰ সংযুতি পৰিদৃশ্যমান। অসমত পৰম্পৰাগতভাৱে প্ৰচলিত লোকনাট্য অনুষ্ঠান ওজাপালি আজি আধুনিকতাৰ কোবাল সোঁতত নিঃশেষ হৈ যোৱাৰ উপক্ৰম হৈছে। এই অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত শিল্পীসকলে আধুনিক বুলি দাবী কৰা সমাজত বিশেষ সমাদৰ নোপোৱাৰ বাবে তেওঁলোকে এনে অনুষ্ঠানবোৰক এৰিবলৈ আৰম্ভ কৰিছে। তৎসত্বেও অসমৰ বিভিন্ন প্ৰান্তত ওজাপালিৰ প্ৰচলনে সমাজ জীৱনৰ গতি সলনি কৰা বুলি দাবী কৰিব পাৰি। ✦

লেখক- স্নাতক তৃতীয় বৰ্ষৰ শিক্ষা বিভাগৰ ছাত্ৰী



# চকৰীফেঁটী বুৰঞ্জী

কংকন কলিতা

বুৰঞ্জী লিখা প্ৰথাটো আহোম সকলৰ সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। চুকাফাৰ দিনৰ পৰাই এই প্ৰথা আৰম্ভ হৈছিল। টাইভাষাত বুৰঞ্জী মানে মূৰ্খ বা নজনা মানুহৰ শিক্ষাৰ ভঁৰাল (বু মানে মূৰ্খ বা অজ্ঞ, ৰঞ্জ মানে শিক্ষা আৰু জী মানে ভৰাঁল)। ড°সূৰ্যকুমাৰ ভূঞাৰ মতে বুৰঞ্জী শব্দৰ অৰ্থ হ'ল মূৰ্খৰ জ্ঞানৰ ভৰাঁল। তেওঁ কৈছে বুৰঞ্জীৰ জ্ঞান থকা লোক জ্ঞানী।

আহোম যুগত ৰচিত বুৰঞ্জীসমূহৰ ভিতৰত এখন উল্লেখযোগ্য বুৰঞ্জী হ'ল চকৰীফেঁটী বুৰঞ্জী। অষ্টাদশ শতিকাত স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত ৰাজমন্ত্ৰী লাইথেপেনা বৰগোঁহাইৰ পুত্ৰ নুমলী বৰগোঁহায়ে এইখন বুৰঞ্জী লিখিছিল। ইয়াত গদাধৰ সিংহৰ দিনৰ পৰা ৰাজেশ্বৰ সিংহৰ দিনলৈকে- এই কালছোৱাৰ বৰ্ণনা আছে। বুৰঞ্জীখনত আহোম ৰজাঘৰীয়া কাৰ্যকলাপ আৰু সেই সময়ত সংঘটিত যুদ্ধ-বিগ্ৰহৰ বিৱৰণ থকাৰ বিপৰীতে ইয়াত আহোম সকলৰ খেল, ফৈদ আদিৰ বুৰঞ্জীৰ উপৰি নতুনকৈ আহোম সম্প্ৰদায়ভুক্ত হোৱা বহুতো লোকে উচ্চমান মৰ্যদা আৰু বিষয়বাব লাভ কৰি ক্ৰমাৎ তেওঁলোকে অহংকাৰী আৰু ক্ষমতাশালী হৈ কেনেদৰে পূৰ্বৰ পদ-মৰ্যদা সম্পন্ন আহোমলোকক অৱমাননা কৰিছিল, সেই সম্পৰ্কে ইয়াত উল্লেখ কৰিছে। বুৰঞ্জীখনত সেই সময়ৰ দাম্ভিক, ক্ষমতাশালী, অহংকাৰী গেন্ধেলা বৰবৰুৱা অৰ্থাৎ কীৰ্তিচন্দ্ৰ বৰবৰুৱাক 'জলমবটা' অৰ্থাৎ বংশপৰিচয়হীন আৰু নকল আহোম বুলি আখ্যা দিছিল। কীৰ্তিচন্দ্ৰ বৰবৰুৱাই এনে কাৰ্যত অপমানিত হৈ ৰাজ্যত থকা সকলো বুৰঞ্জী পুথি সংগ্ৰহ কৰি জ্বলাই দিছিল। তেওঁৰ বুৰঞ্জীদাহ কাৰ্য তেওঁৰ চৰিত্ৰৰ এক মচিব নোৱাৰা কলংক।কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ বুৰঞ্জী দাহ কাৰ্যই অসমৰ বহু গুৰুত্বপূৰ্ণ ঐতিহাসিক সমল নোহোৱা কৰি পেলাইছিল।

চকৰী ফেঁটী বুৰঞ্জীখন অগতানুগতিক আছিল। বুৰঞ্জীখনৰ নাম কেতিয়া কোনে চকৰীফেঁটী ৰাখিছিল তাক ঠাৱৰকৈ ক'ব নোৱাৰি। প্ৰাপ্ত তথ্য অনুসৰি, বুৰঞ্জীখনৰ পাতত বা বেটুপাতত স্পষ্টকৈ এই নামৰ উল্লেখ নাই। চকৰীফেঁটীয়ে যেনেদৰে কাকো আক্ৰমন কৰিবলৈ পিছ নুহুঁকে, ঠিক তেনেদৰে এইখন বুৰঞ্জীয়ে যাৰে নহওঁক লাগে সচা কথা লিখিবলৈ পিছ হোঁহকা নাছিল। ইয়াৰ পৰাই বুৰঞ্জীখনৰ নামটো আহিছে বুলি জনা যায়। এক কথাত কবলৈ গ'লে চকৰী ফেঁটী বুৰঞ্জী। অসমৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক জীৱনৰ ৰূপ ৰেখা অংকন কৰিবৰ জোখাৰে সঞ্চিত হৈ থকা এক তথ্যৰ সমলহে।

**সহায়ক গ্ৰন্থসমূহ ঃ**

অসমৰ ইতিহাস - ড ° প্ৰাঞ্জল ভূঞা

অসম বুৰঞ্জী - তচদ্দুক আমানুল হুছেইন

অসম ইয়েৰ বুক(২০২২) - শান্তনু কৌশিক বৰুৱা

অসম বুৰঞ্জী - পদ্মনাথ গোঁহাই বৰুৱা ✦

**লেখক- স্নাতক দ্বিতীয় বৰ্ষৰ বুৰঞ্জী বিভাগৰ ছাত্ৰ।**

# অসম চৰকাৰৰ দ্বাৰা সদ্যঘোষিত ৰাষ্ট্ৰীয় উদ্যান- দিহিং পাটকাই

মযুৰ ৰহমান



দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানখন উজনি অসমৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ মাজত অৱস্থিত। ই অসমৰ প্ৰথমখন বৰ্ষাৰণ্য । এই ৰাষ্ট্ৰীয় উদ্যানখন অৰুণাচল প্ৰদেশৰ টিৰাপ আৰু চাংলাং জিলা পৰ্যন্ত বিয়পি আছে। সমগ্ৰ অঞ্চল সামৰি ভাৰতৰ সৰ্ববৃহৎ ক্ৰান্তীয় বৰ্ষাৰণ্য হিচাপে পৰিগণিত হৈছে আৰু ইয়াৰ বাবে বতৰ সদায় সেমেকা হৈ থাকে। বিস্তৃত আৰু ঘন বনাঞ্চলৰ বাবে ইয়াক পুবৰ আমাজান (The Amazon Of The East) বুলি কোৱা হয়। অসম চৰকাৰে ২০০৪ চনৰ ২৩ জানুৱাৰীত দিহিং পাটকাইক অভয়াৰণ্য হিচাপে স্বীকৃতি দিয়ে। পৰবৰ্তি সময়ত অৰ্থাৎ ২০২১ চনৰ ১৫ জুনত ইয়াক ৰাষ্ট্ৰীয় উদ্যানৰূপে ঘোষণা কৰে। দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যান তিনিটা অংশৰে গঠিত- জয়পুৰ, দিহিং আৰু ডিৰাক বৰ্ষাৰণ্য। এই বৰ্ষাৰণ্যখন অসমৰ তিনিখন জিলাৰ(ডিব্ৰুগড়, তিনিচুকীয়া আৰু শিৱসাগৰ) প্ৰায় ২৩৪ বৰ্গ কিলোমিটাৰ জুৰি বিস্তৃত হৈ আছে। এই বনাঞ্চলৰ এটা অংশ অসম চৰকাৰে বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে ঘোষণা কৰে, বাকী অংশ ডিব্ৰু দেওমালি হস্তী সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্ভুক্ত। দিহিং পাটকাইৰ সমগ্ৰ অঞ্চলটোত ৪২ বিধ স্তন্যপায়ী প্ৰাণী, ২৯৩ বিধ বনৰীয়া চৰাই, ৪০ বিধ সৰীসৃপ আৰু উভচৰ, ৩০ বিধ পখিলা চিনাক্ত কৰা হৈছে। এই বৰ্ষাৰণ্য পৃথিৱীৰ ভিতৰতে বান্দৰ জাতীয় প্ৰাণীৰ অন্যতম সৰ্বোৎকৃষ্ট বাসস্থান। ইয়াত সচৰাচৰ দেখিবলৈ পোৱা বন্যপ্ৰাণীবোৰ হ'ল- হলৌবান্দৰ, লাজুকী বান্দৰ গাহৰিনেজীয়া বান্দৰ, সেন্দুৰী বান্দৰ, টুপীমুৰীয়া বান্দৰ, হাতী, বাঘ, বনগৰু, হিমালয়ৰ কেৰ্কেটুৱা, নাহৰফুটুকী, লতামাকৰী, গোধাফুটুকী, শৰ পহু, বনৰৌ, কেটেলা পহু, কেঁকোৰা খোৱা নেউল, ভালুক আদি। ইয়াত দেখিবলৈ পোৱা চৰাইৰ ভিতৰত হয়কলি, ৰাজধনেশ, দেওহাঁহ, হুদু, বাটৈটোকা, মাপকটা, শেন, ঈগল,চুলটান টিট, ৰূপহী হাইঠা ইত্যাদি পৰিদৃশ্য। বিশ্বৰ সৰ্বসংখ্যক দেওঁহাঁহ ইয়াত সংৰক্ষিত হৈ আছে। ইয়াত এইবোৰৰ উপৰিও বিভিন্ন উদ্ভিদ প্ৰজাতি যেনে- হোলোং, মেকাই, ধুনা, উৰিয়াম, নাহৰ, চামকঠাঁল, ভেৰ, শলখ, ঔটেঙা, ডিমৰু আদি পৰিলক্ষিত। তদুপৰি ইয়াত নানাপ্ৰকাৰৰ ঢেকীয়া জাতীয় উদ্ভিদ, অৰ্কিড, লতা জাতীয় উদ্ভিদ, ঘাহঁজাতীয় উদ্ভিদ আদি দেখা পোৱা যায়। বৰ্তমানলৈকে ইয়াত ৪৫ গোত্ৰৰ প্ৰায় ১০১বিধ অৰ্কিডৰ প্ৰজাতি পোৱা গৈছে। এই অৰ্কিড সমূহৰ ভিতৰত 'Thrixspermum acuminatissimum' নামৰ প্ৰথমবাৰৰ বাবে পোৱা গৈছে। গতিকে ক'ব পাৰি যে, পৰিৱেশ সুৰক্ষাৰ সৈতে পৰ্যটনৰ সম্ভাৱনাময় ক্ষেত্ৰ হিচাপে বিখ্যাত দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যান প্ৰাকৃতিক সম্পদ তথা জীৱকুলৰ বাবে চহকী।

দিহিং পাটকাই বনাঞ্চলক সামৰি প্ৰতিবছৰে তিনিচুকীয়া জিলাৰ লেখাপানীত অনুষ্ঠিত হয় দিহিং পাটকাই উৎসৱ। পাটকাই আৰু দিহিং নদীৰ নাম অনুসৰি এই উৎসৱৰ নাম ৰখা হৈছে। ২০০২ চনৰ ডিচেম্বৰ মাহৰ পৰা এই উৎসৱ নিয়মীয়াকৈ পালন কৰি অহা হৈছে। ভাৰতৰ পূৰ্বৰ ৰাষ্ট্ৰপতি এ.পি.জে আব্দুল কালামে এই উৎসৱৰ বিশেষ অতিথি হিচাপে যোগদান কৰিছিল। এই উৎসৱে জৈৱবৈচিত্ৰৰ উপৰিও ৰাজ্যখনৰ বিভিন্ন জনগোষ্ঠীসমূহৰ সাংস্কৃতিক দিশবোৰকো প্ৰতিনিধিত্ব কৰে।

**সহায়কগ্ৰন্থসমূহ ঃ**


উত্তৰ-পূব ভাৰতৰ ঐতিহাসিক পৰ্যটন- ৰীতাদত্ত হাজৰিকা, ড°তপন কলিতা, ড° বৰ্নালী ডেকা, চম্পক গোস্বামী,

অসম ইয়েৰ বুক(২০২২) - শান্তনু কৌশিক বৰুৱা

সহায়ক প্ৰবন্ধ- দিহিং পাটকাই অভয়াৰণ্য- সৌম দ্বীপদত্ত(অসমীয়া প্ৰতিদিন) ✦



লেখক- স্নাতক তৃতীয় বৰ্ষৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ

# ভাৰতৰ পাৰমাণৱিক শক্তি বিজ্ঞানৰ জনক
# হোমী জাহাংগীৰ ভাবা

ধ্রুৱজ্যোতি তালুকদাৰ



পদাৰ্থ বিজ্ঞানী হোমী জাহাংগীৰ ভাবা ১৯০৯ চনৰ ৩০ অক্টোবৰ তাৰিখে মুম্বাইৰ এটি ফাৰ্চী পৰিয়ালত জন্ম হৈছিল। মুম্বাইৰ কেথেড্ৰেল হাইস্কুল আৰু কেমব্ৰীজ বিশ্ববিদ্যালয়ত ভাবাই শিক্ষা গ্ৰহণ কৰিছিল। ১৯৩৪ চনত তেওঁ কেমব্ৰীজ বিশ্ববিদ্যালয়ৰ পৰা নিউক্লিয় পদাৰ্থবিদ্যা বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। নিউক্লিয় পদাৰ্থবিদ্যা আৰু মহাজাগতিক ৰশ্মি সম্পৰ্কীয় গৱেষণাত তেওঁ বিপুল খ্যাতি লাভ কৰিছিল। তেওঁ ১৯৪৫ চনত, মুম্বাইৰ 'টাটা ইনষ্টিটিউট অব ফাণ্ডামেন্টেল ৰিচাৰ্চ' ৰ প্ৰতিষ্ঠাপক সঞ্চালক হৈছিল। তাৰ পিছত ১৯৪৮ চনত ভাৰত চৰকাৰৰ পাৰমাণৱিক শক্তি আয়োগৰ অধ্যক্ষ হৈছিল। ১৯৫৪ চনত ভাৰত চৰকাৰৰ পাৰমাণৱিক শক্তি বিভাগৰ সচিবৰূপে নিযুক্তি লাভ কৰিছিল। ভাবাৰ প্ৰচেষ্টাতেই ট্ৰম্বেত স্থাপিত হৈছিল পাৰমাণৱিক গৱেষনা কেন্দ্ৰ (১৯৫৭)। ১৯৬৩ চনত তেওঁ অপ্সৰাপুৰত ভাৰতৰ প্ৰথমটো পাৰমাণৱিক শক্তিকেন্দ্ৰৰ কাম আৰম্ভ কৰে। হোমী জাহাংগীৰ ভাবাই ১৯৫৪ চনত পদ্মভূষণ সন্মান লাভ কৰে। ইয়াৰ উপৰি দেশ-বিদেশৰ বহু বিশ্ববিদ্যালয়ে তেওঁক প্ৰদান কৰে সন্মানীয় ডি.এছ.চি (DSC) উপাধি। তেওঁক ভাৰতৰ পাৰমাণৱিক শক্তিবিজ্ঞানৰ জনকৰূপে অভিহিত কৰা হয়। ১৯৬৬ চনৰ২৪ জানুৱাৰীত ইউৰোপৰ মণ্ট ব্লংক নামৰ অঞ্চলটোত হোৱা এক শোকাবহ বিমান দুৰ্ঘটনাত তেওঁৰ মৃত্যু হয়। ভাবাৰ মৃত্যুৰ পিছত ট্ৰম্বেৰ পাৰমাণৱিক গৱেষণা কেন্দ্ৰটো তেওঁৰ সন্মানাৰ্থে 'ভাবা পাৰমাণৱিক গৱেষণা কেন্দ্ৰ' (Bhaba Atomic Research Centre) বুলি নামাকৰণ কৰা হয়। ✦

---

লেখক- উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা) ৰ ছাত্ৰ।



# জ্ঞানপীঠ বঁটা বিজয়ী গোলাপী জামুৰ লগ্নৰ কবি নীলমণি ফুকন

চনেম আহমেদা
*স্নাতক তৃতীয় বৰ্ষ,অসমীয়া বিভাগ*

ভাৰতবৰ্ষৰ সাহিত্য ক্ষেত্ৰৰ সৰ্বোচ্চ সন্মান জ্ঞানপীঠ বঁটা লাভ কৰা তৃতীয়গৰাকী অসমীয়া হৈছে বিশিষ্ট কবি নীলমণি ফুকন। তেওঁ অসমীয়া ভাষাৰ এগৰাকী প্ৰখ্যাত কবি,কলা-সমালোচক,অধ্যাপক তথা সাহিত্যিক। অসমীয়া কবিতাত প্ৰতীকবাদ আৰু চিত্ৰকল্পবাদৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছিল এই গৰাকী কবিয়ে।

নীলমণি ফুকনে ১৯৩৩ চনৰ ১০ চেপ্তেম্বৰত গোলাঘাট জিলাৰ অন্তৰ্গত দেৰগাঁৱত জন্ম গ্ৰহণ কৰে। তেওঁ স্কুলীয়া জীৱনৰ পৰাই সাহিত্যচৰ্চা কৰিছিল। ১৯৫৭ চনত কটন কলেজৰ পৰা বি.এ. আৰু ১৯৬০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইতিহাস বিষয়ত এম.এ ডিগ্ৰী লাভ কৰে। ১৯৬৪ চনত তেওঁ গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ত অধ্যাপক হিচাপে যোগদান কৰি কৰ্ম জীৱনৰ পাতনি মেলে। ১৯৯২ চনত অধ্যাপক জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে।

তেখেতৰ মুঠ কবিতা পুথি এঘাৰখন প্ৰকাশ পাইছে। তেওঁৰ প্ৰকাশিত কবিতা পুথিবোৰ হৈছে এনেধৰণৰ -'সূৰ্য্য হেনো নামি আহে এই নদীয়েদি(১৯৬৩)', ' নিৰ্জনতাৰ শব্দ(১৯৬৮)' আৰু নৈঃশব্দ (১৯৬৮)' , 'ফুলি থকা সূৰ্য্যমুখী ফুলটোৰ ফালে(১৯৭২)', 'কঁাইট গোলাপ আৰু কঁাইট (১৯৭৫)', 'কবিতা(১৯৮০)আদি।

তেওঁৰ কবিতাত ধৰি ৰাখিছিল ব্ৰহ্মপুত্ৰৰ সূৰ্যাস্ত, চৰাইৰ গান, জোন আৰু বেলি কবিৰ বাবে ৰঙাফুলৰ গছ। প্ৰকৃতিৰ উপলব্ধি এনেদৰেই আছে কবিতাৰ মাজত-

"ওখ ওখ এজাৰ গছৰ ছাতঁ
মূৰ্ছা গৈ পৰি আছে
মোৰ শৈশৱ........."

ওখ ওখ এজাৰ গছৰ ছাতঁ মূৰ্ছা গৈ পৰি থকা শৈশৱে সাৰ পায় উঠিছিল কবিৰ হাততেই। তেওঁ ভালেমান আন ভাষাৰ কবিতা অসমীয়ালৈ অনুবাদ কৰিছে। তেওঁ জাপানী, স্পেনিজ, চীনা ঘাইকৈ এই তিনিটা বিদেশী ভাষাৰ কবিতা অনুবাদ কৰিছে। এইখিনি বিদেশী কবিতাৰ উপৰিও ১৯ টা ভাৰতীয় জনগোষ্ঠী ভাষাৰ লোককবিতা তেওঁ অসমীয়া আধুনিক কবিতাৰ শৈলীত ১৯৯৩ চনত 'অৰণ্যৰ গান' নামেৰে গ্ৰন্থৰূপত প্ৰকাশ কৰে।

১৯৮৭ চনত 'লোক কল্পদৃষ্টি' নামৰ গ্ৰন্থ প্ৰকাশ পায়। তেওঁৰ আত্মজীৱনীৰ একত্ৰ গ্ৰন্থৰূপ হ'ল- পাতি সোণাৰুৰ ফুল (২০০৬), আৰু পাহৰিব নোৱাৰিলো যি।

কবি নীলমণি ফুকনে লাভ কৰা সন্মান সমূহ হৈছে- অসম সাহিত্য সভাৰ ৰঘুনাথ চৌধাৰী বঁটা,অসম প্ৰকাশন পৰিষদ বঁটা, সাহিত্য একাডেমী পুৰস্কাৰ, পদ্মশ্ৰী সন্মান, অসম উপত্যকা সাহিত্য বঁটা আদি।

জীৱনযোৰা সাধনাৰ বাবে কাব্যঋষি নীলমণি ফুকনক জ্ঞানপীঠ বঁটাৰে সন্মানিত কৰা হয় ২০২১ বৰ্ষৰ ৭ ডিচেম্বৰ তাৰিখে। বীৰেন্দ্ৰ ভট্টাচাৰ্যৰ পাছত জ্ঞানপীঠ সন্মান লাভ কৰিছিল, মামণি ৰয়ছম গোস্বামীয়ে। তাৰ পিছত তৃতীয় গৰাকী অসমীয়া সাহিত্যিক নীলমণি ফুকনলৈ জ্ঞানপীঠ সন্মান প্ৰদান কৰে।

অভিনন্দন প্ৰিয় কবি..........✦



# মহিয়সী নাৰী সৰোজনী নাইডু (দ্য নাইটিংগেল অৱ ইণ্ডিয়া)

মানসী কলিতা
*স্নাতক দ্বিতীয় বৰ্ষৰ অসমীয়া বিভাগৰ ছাত্ৰী*

পৃথিৱীৰ বুকুলৈ মাজে সময়ে এনে একোজনী প্ৰতিভাশালী নাৰী আহে যিয়ে জীৱনৰ অক্লান্ত সাধনা আৰু ত্যাগেৰে মানুহৰ সভ্যতাৰ বুৰঞ্জী চহকী কৰে। তেনে এগৰাকী অনন্যা নাৰী আছিল সৰোজনী নাইডু। তেওঁ আছিল একাধাৰে সুবক্তা, কবি, ৰাজনীতিজ্ঞ, সৈনিক, মাতৃ,সুগৃহিনী আৰু স্বাধীনতা সংগ্ৰামী নেত্ৰী। তেওঁ আছিল ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম মহিলা সভাপতি। তেওঁৰ ১৮৭৯ চনৰ ১৩ ফেব্ৰুৱাৰী তাৰিখে হায়দৰাবাদতজন্ম হৈছিল। তেওঁ মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত উৰ্ত্তীণ হৈ এই বিশ্ববিদ্যালয়ৰ পৰাই বি.এ পাছ কৰে। হায়দৰাবাদৰ নিজামৰ পৰা বৃত্তি লাভ কৰি তেওঁ ১৮৯৫ চনত উচ্চ শিক্ষাৰ বাবে ইংলেণ্ডলৈ যায়। ইংলেণ্ডৰ 'কিংচ কলেজত অধ্যয়ন কৰি তেওঁ বৃৎপত্তি লাভ কৰে। তাৰ পিছত কেমব্ৰীজ বিশ্ববিদ্যালয়ত অধ্যয়ন কৰে। এনেদৰে একাগ্ৰচিত্তে অধ্যয়ন কৰি ১৮৯৮ চনত তেওঁ তাত শিক্ষাগত অৰ্হতা খিনি অৰ্জন কৰি স্বদেশলৈ ঘূৰি আহে।

সৰোজনী নাইডুৱে বিলাতত থকা অৱস্থাতে কবিতা লিখিবলৈ লৈছিল। তেওঁ 'সৰোবৰ ৰাণী' নামে এটি কবিতাৰে কাব্য সাহিত্যৰ পাতনি মেলিছিল। তেওঁৰ কবিতাৰ লয়, বৰ্নবিন্যাস, ভাব গধুৰতাই সকলোৰে মন মোহিত কৰিছিল। তেওঁৰ কেইখন কাব্যগ্ৰন্থ হ'ল- 'দি ব্ৰকেন উইং', দি গল্ডেন থ্ৰেচহোল্ড', 'বাৰ্ডচ অৱ টাইম ইত্যাদি। তেওঁ ইংৰাজ মহিলা এনিবেচেন্টৰ সৈতে **১৯১৯** চনত- 'হোমৰুল'আন্দোলনৰ লগত জড়িত হৈ পৰিছিল। ১৯২১ চনত তেওঁ অসহযোগ আন্দোলনত যোগ দিছিল। নাইডুৰ বাগ্মিতা তথা সংগঠন শক্তিয়ে সকলোকে মোহিত কৰিছিল। তেওঁৰ শুৱলা ভাষনে জনসাধাৰনৰ মনত দেশপ্ৰেমৰ ভাব জগাই তুলিছিল। ১৯৪০ চনত তেওঁ প্ৰথম মহিলা হিচাপে ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভানেত্ৰীৰ দায়িত্ব লৈছিল। স্বাধীনতা আন্দোলনত অংশগ্ৰহণৰ বাবে সৰোজনী নাইডুৱে কেইবাবাৰো কাৰাবাস খাটিবলগীয়া হৈছিল। তেওঁ স্বাধীনতা লাভৰ পিছত তেওঁক ভাৰতৰ আটাইতকৈ ডাঙৰ ৰাজ্য যুক্ত প্ৰদেশৰ (বৰ্তমানৰ উত্তৰ প্ৰদেশ) ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হয়। তেৰেঁই আছিল ভাৰতৰ প্ৰথম মহিলা ৰাজ্যপাল। ১৯৪৯ চনৰ ১ মাৰ্চ তাৰিখে কৰ্মপটু আৰু দেশমাতৃৰ একনিষ্ঠ সেৱিকা সৰোজনী নাইডুৱে ইহ সংসাৰৰ পৰা আতৰি যায়। ✦

# অসম গৌৰৱ লাভলীনা বৰগোহাঁই

**শ্ৰী বন্দিতা দাস**
*স্নাতক তৃতীয় বৰ্ষৰ ইতিহাস বিভাগৰ ছাত্ৰী*




আধুনিক অলিম্পিকৰ ১২৫ বছৰীয়া ইতিহাসত পদক জয় লাভ কৰা লাভলীনাই হৈছে একমাত্ৰ অসমীয়া ক্ৰীড়াবিদ। টকিঅ' অলিম্পিকৰ ৬৯ কিলোগ্ৰাম ৱেল্টাৰৱেইট শাখাৰ ছেমি ফাইনেলত পৰাস্ত হৈ লাভলীনাই ব্ৰঞ্জৰ পদকতে ক্ষান্ত থাকিলেও ২৩ বছৰীয়া বক্সাৰগৰাকীৰ বিৰল সাফল্যত ৰাজ্যবাসী আনন্দিত। অসমৰ গোলাঘাট জিলাৰ বৰপথাৰ নগৰৰ পৰা প্ৰায় তিনি কিলোমিটাৰ আঁতৰৰ বাৰমুখীয়া গাঁৱত জন্ম গ্ৰহণ কৰা লাভলীনা বৰগোহাঁইৰ পিতৃৰ নাম আছিল টিকেন বৰগোহাঁই আৰু মাতৃ আছিল মামণি বৰগোহাঁই। তেওঁৰ পিতৃ এজন মধ্যমবৰ্গৰ ব্যৱসায়ী আৰু মাতৃ আছিল গৃহিনী। লাভলীনাৰ ভগ্নী লিমা আৰু লীনা ৰাষ্ট্ৰীয় কিক বক্সাৰ চেম্পিয়ন। তেওঁলোকে লাভলীনাক কিক বক্সিং খেলাবলৈ চেষ্টা কৰিছিল যদিও লাভলীনাৰ কিক বক্সিংকতকৈ বক্সিংত অধিক সম্ভাৱনা দেখি তেওঁৰ কেৰিয়াৰ বক্সিংলৈ সলনি কৰিছিল। লাভলীনাৰ বক্সিং প্ৰতিভাক ৰাষ্ট্ৰীয় বক্সিং প্ৰশিক্ষক পদুম বড়োৱে স্বীকৃতি দিছিল যেতিয়া লাভলীনাই তেওঁৰ বিদ্যালয়ৰ দ্বাৰা পৰিচালিত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণত পৰীক্ষন দি আছিল। ২০১২ চনত লাভলীনাই পদুম বড়োৰ তত্বাৱধানত বক্সিং প্ৰশিক্ষণ আৰম্ভ কৰিছিল। মেৰীকম আছিল লাভলীনাৰ অনুপ্ৰেৰণা। লাভলীনাই মহিলা বক্সিং প্ৰশিক্ষক শিৱ সিঙৰ পৰা আন্তৰ্জাতিক বক্সিং প্ৰশিক্ষণ হৈছিল। ইয়াৰ পৰিৱৰ্তী সময়ত লাভলীনাই সৰু ডাঙৰ বক্সিং প্ৰতিযোগীতা সমূহত অংশগ্ৰহণ কৰি বিশেষ সফলতা লাভ কৰিছিল। তেওঁ ২০১৬ চনৰ পৰা আৰ্ন্তজাতিক পৰ্যায়ত বক্সিংত ভাৰতক প্ৰতিনিধিত্ব কৰি আহিছে। তেওঁ ২০১৭ চনত ভিয়েটনামৰ হো চি মিন চিটিত অনুষ্ঠিত মহিলাৰ এছিয়ান চেম্পিয়নশ্বিপ বক্সিং প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক আৰু ২০১৮ চনৰ নতুন দিল্লীত অনুষ্ঠিত হোৱা বিশ্ব চেম্পিয়নশ্বিপত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। এনেদৰে,২০২১ চনত অনুষ্ঠিত ট'কিঅ ২০২০ গ্ৰীষ্মকালীন অলিম্পিকত তেওঁ মহিলাৰ ৱেল্টাৰৱেইট শ্ৰেণীত ব্ৰঞ্জৰ পদক লাভ কৰে। এনে সুবাদত, অসম চৰকাৰৰ তৰফৰ পৰা লাভলীনালৈ এক কোটি টকা আগবঢ়োৱাৰ লগতে পেৰিছ অলিম্পিক পৰ্যন্ত অনুশীলনৰ সুবিধাৰ বাবে প্ৰতিমাহে এক লাখকৈ সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিছে। অসম চৰকাৰৰ তৰফৰ পৰা লাভলীনালৈ অসম আৰক্ষীৰ ডি.এছ.পি (D.S.P) পদ প্ৰদান কৰা হৈছে।২০২১ বৰ্ষত ভাৰত চৰকাৰে লাভলীনা বৰগোহাঁইক ভাৰতৰ সৰ্বোচ্ছ ক্ৰীড়া সন্মান 'মেজৰ ধ্যানচান্দ' খেল ৰত্ন বটাঁৰ বক্সিঙৰ শিতানৰ বাবে মনোনীত কৰা হয়। কলাক্ষেত্ৰত অনুষ্ঠিত হোৱা চৰকাৰী সম্বৰ্ধনা অনুষ্ঠানত লাভলীনা বৰগোহাঁইয়ে খেলক কেৰিয়াৰ হিচাপে লব'লৈ আহ্বান জনোৱাৰ লগতে অভিভাৱক সকলকো খেলৰ প্ৰতি সচেতন হ'বলৈ আহ্বান জনাই তেওঁ নিজেও ৰাজ্যখনৰ ক্ৰীড়াৰ ক্ষেত্ৰত কাম কৰি যোৱাৰ প্ৰতিশ্ৰুতি দিয়ে। ✦

# সুগন্ধি পখিলাৰ কবি  হীৰেণ ভট্টাচাৰ্য্য

**"মৃত্যুওতো এটা শিল্প জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য"**

**ৰাকেশ মজুমদাৰ**

*স্নাতক ষষ্ঠ যাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ*



কবি হীৰেণ ভট্টচাৰ্যৰ ১৯৩২ চনৰ ২৮ জুলাইত যোৰহাটত জন্ম হৈছিল। তেওঁৰ পিতৃ নাম আছিল তীৰ্থনাথ ভট্টচাৰ্য্য আৰু মাতৃ আছিল স্নেহলতা ভট্টাচাৰ্য্য। শিক্ষা শেষ কৰি তেওঁ কামৰূপৰ বোৰ্কা হাইস্কুলত শিক্ষাকতা কৰিছিল। তেওঁ আছিল চিত্ৰবন, মনন,আন্তৰিক আদিআলোচনীৰ সম্পাদক। তেওঁৰ প্ৰকাশিত পুথিসমূহ আছিল শইচৰ পথাৰ মানুহ, ৰৌদ্ৰ কামনা, তোমাৰ বাঁহী,মোৰ দেশ২০২০, মোৰ প্ৰেমৰ কবিতা, জোনাকী মন, সুগন্ধি পখিলা, মোৰ প্ৰিয় বৰ্ণমালা,ভালপোৱাৰ বোকামাটি, ভালপোৱাৰ দিক্‌চৌ বাটেৰে আদি। ১৯৯২ চনত হীৰেণ ভট্টাচাৰ্যক শইচৰ পথাৰ মানুহ  কাব্য গ্ৰন্থখনৰ বাবে সাহিত্য একাডেমি বঁটা প্ৰদান কৰে। ১৯৯২ চনত সুগন্ধি পখিলা পুথিৰ বাবে অসম সাহিত্য সভাৰ বিষ্ণু ৰাভা বঁটা,২০০০ চনত অসম উপত্যকা সাহিত্য বঁটা আৰু ২০০৯ চনত গণেশ চন্দ্ৰ গগৈ বঁটা লাভ কৰে। তেওঁ সদৌ অসম কবি সন্মিলনৰ কাব্যৰত্ন উপাধি (২০১২) পদ্মনাথ বিদ্যাবিনোদ আৰু ৰামনাথ বিশ্বাস স্মৃতি সাহিত্য বঁটা (২০১২) লাভ কৰে। ১৯৮৬চনৰ অসম সাহিত্য সভাৰ নগাওঁ অধিৱেশনৰ কবি সন্মিলনত তেওঁ সভাপতিত্ব কৰিছিল।২০১২ চনৰ ০৪ জুলাইত কবি হীৰেণ ভট্টচাৰ্যৰ মৃত্যু হয়।✦



# আন্তজাৰ্তিক শ্ৰমিক দিৱস পালনৰ আঁৰত থকা কাহিনী

**ছয়নিকা কলিতা**

প্ৰতি বছৰে বিশ্ববাসীয়ে ১ মে'ৰ দিনটো আৰ্ন্তজাতিক শ্ৰমিক দিৱস হিচাপে পালন কৰে। ইয়াক অন্যপ্ৰকাৰে চমুকৈ মে' দিৱস হিচাপে জনা যায়।

বিশ্বত সৰ্বপ্ৰথমে উদ্যোগ বিপ্লৱ বা শিল্পবিপ্লৱ হৈছিল ইংলেণ্ডত। ইয়াৰ পৰৱৰ্তিকালত ইউৰোপৰ আন আন দেশবোৰত এই বিপ্লৱ দ্ৰুতগতিত সংঘটিত হৈছিল। এই শিল্পবিপ্লৱৰ পিছৰ পৰাই ইউৰোপ আৰু আমেৰিকাত ডাঙৰ ডাঙৰ কল কাৰখানা তথা উদ্যোগ গঢ় লৈ উঠিছিল। এই উদ্যোগ সমূহত একাংশ পুজিঁপতিয়ে অধিক লাভ হোৱাৰ আশাত পুঁজি বিনিয়োগ কৰিবলৈ আগবাঢ়ি আহিছিল । তেওঁলোকে উদ্যোগসমূহত আধুনিক যন্ত্ৰপাতি ব্যৱহাৰ কৰি অধিক সামগ্ৰী উৎপাদনৰ বাবে নিৰন্তৰ প্ৰচেষ্টা চলাইছিল। আনহাতে উদ্যোগ বিপ্লৱৰ ফলত গাঁও অঞ্চলৰ পৰা নগৰ-চহৰ অঞ্চললৈ উন্নত জীৱনযাত্ৰাৰ আশাত সংস্থাপন বিচাৰি গাওঁৰ জনসাধাৰনে নগৰ-চহৰলৈ প্ৰব্ৰজন কৰি নগৰ সমূহত গঢ় লৈ উঠা কল- কাৰখানা তথা উদ্যোগ সমূহত শ্ৰমিক হিচাপে নিয়োজিত হৈছিল। এই শ্ৰমিক সকলৰ আৱস্থা খুব পুতৌজনক আছিল কিয়নো তেওঁলোকে কল-কাৰখানাৰ এক অস্বাস্থ্যকৰ পৰিৱেশত বাস কৰিব লাগিছিল। তেওঁলোকে দৈনিক ১৮-২০ ঘন্টা পৰ্যন্ত কাম কৰিব লাগিছিল কিন্তু মজুৰি সেই অনুপাতে পোৱা নাছিল বৰং কমকৈহে পাইছিল। ইয়াৰোপৰি শ্ৰমিকসকলৰ হাত-ভৰি উদ্যোগ-কাৰখানাৰ যন্ত্ৰত সোমায় গ'লে তেওঁলোক আঘাতপ্ৰাপ্ত হৈছিল কিন্তু এই আঘাতপ্ৰাপ্ত শ্ৰমিকক ক্ষতিপূৰণ দিয়াৰ সলনি কামৰ পৰা বহিস্কাৰ কৰিছিল। এক অৰ্থত ক'বলৈ গ'লে তেওঁলোকে বিনাখাদ্যই, বিনা চিকিৎসাই কাম কৰিব লাগিছিল। শ্ৰমিক সকলে ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ কৰিলে তেওঁলোকক বিনা বিচাৰে অমানুষিক নিৰ্যাতন চলাইছিল, অসহনীয়, অবৰ্ননীয় শাস্তি দিছিল যাতে ভৱিষ্যতে তেওঁলোকে এনে কাৰ্য পন্থা হাতত নলয়। যাৰফলত তেওঁলোকে পুঁজিপতি সকলৰ আদেশ মানি গৈছিল। প্ৰতিবাদ হ'লেও সংগঠিত ৰূপত হোৱা নাছিল।

উনবিংশ শতিকাৰ মাজভাগৰ পৰা সমাজবাদী নেতা কাৰ্লমাৰ্ক্স আৰু ফ্ৰেডৰিক এংগেলছৰ চেষ্টাত এনে অন্যায়ৰ বিৰুদ্ধে এক প্ৰতিবাদে সংগঠিত ৰূপ লয়। ইয়াৰ ফলশ্ৰুতিত নানা ঠাইত শ্ৰমিক সংগঠনৰ জন্ম হয়। ১৮৬৪ চনত ইউৰোপৰসকলো শ্ৰমিকক একত্ৰিত কৰাৰ উদ্দেশ্য ২৮ ছেপ্তেম্বৰ তাৰিখে প্ৰথম আন্তৰ্জাতিক ত "আন্তৰ্জাতিক কৰ্মজীৱি পুৰুষৰ সংস্থা"

(International working men association) গঠন হয়। ১৮৮৪ চনত আমেৰিকাযুক্তৰাষ্ট্ৰ আৰু কানাডাত সংগঠিত ট্ৰেড লেবাৰ ইউনিয়নৰ ফেডাৰেচনে তেওঁলোকৰ চতুৰ্থ সম্মিলনত প্ৰস্তাৱ গ্ৰহণ কৰে যে ১৮৮৬ চনৰ ১ মে' তাৰিখৰ পৰা দৈনিক আঠ ঘন্টাহে কামৰ সময় বুলি গণ্য কৰিব আৰু বাকী ঘন্টা বিশ্ৰাম আৰু আমোদ-বিনোদনৰ বাবে থাকিব। সেইমৰ্মে তেওঁলোকে ধৰ্মঘট আৰম্ভ কৰে।

১৮৮৬ চনৰ ১ মে'ত চিকাগোট এক বৃহৎ সংখ্যক শ্ৰমিকৰ সমাৱেশেৰে ধৰ্মঘট আৰম্ভ হৈছিল। ইয়াত প্ৰায় আঠ ঘন্টা ধৰি আন্দোলন কৰে। ইয়াৰ প্ৰতিক্ৰিয়াস্বৰূপে পুঁজিপতিসকলৰ মনত আতংকৰ সৃষ্টি হয়। সেইদিনা বিশেষ একো ঘটা নাছিল। যদিও ৩ মে'ৰ দিনা 'মাককৰ্টিপ ৰিপাৰ কাৰখানা' ৰ শ্ৰমিক সকলৰ ওপৰত পুলিছে নৃশংস ভাৱে আক্ৰমণ চলাই আৰু এই আক্ৰমণত ৬ জন শ্ৰমিক নিহত হয়। ১৮৮৬ চনৰ ৪ মে' তাৰিখে ৬ জন শ্ৰমিকৰ মৃত্যুৰ প্ৰতিবাদত চিকাগো চহৰত "হে মাৰ্কেট স্কোৱাৰ" ত বিৰাট প্ৰতিবাদ সভা অনুষ্ঠিত হৈছিল। প্ৰতিবাদৰ নেতৃত্ব দিয়া বহুতো শ্ৰমিক নেতাক চৰকাৰে ষড়যন্ত্ৰমূলকভাৱে পুজিপতিৰ স্বাৰ্থ ৰক্ষা কৰাৰ বাবে গ্ৰেপ্তাৰ কৰি পাছত মৃত্যুদণ্ড দি শ্ৰমিক আন্দোলনৰ অন্ত পেলোৱাৰ বাবে চেষ্টা চলায়।

১৮৮৯ চনৰ ১৪ জুলাই তাৰিখে শ্ৰমিক আন্দোলনৰ লগত জড়িত বিভিন্ন সমাজবাদী আৰু শ্ৰমিক সংগঠনে পেৰিছত অনুষ্ঠিত কৰা দ্বিতীয় আন্তজাৰ্তিকত চিকাগো ধৰ্মঘটৰ শ্বহীদ শ্ৰমিকসকলৰ স্মৰণত ১৮৯০ চনৰ ১ মেৰ দিনা আন্তজাৰ্তিক শ্ৰমিক দিৱস বা মে' দিৱস হিচাপে পালন কৰিছে। তেতিয়াৰ পৰাই বিশ্বত ১ মে'ৰ দিনা শ্ৰমিক দিৱস বা মে' দিৱস হিচাপে পালন কৰা হয়।✦

**সহায়ক গ্ৰন্থপুঞ্জী ঃ**

১। সংক্ষিপ্ত অসমীয়া বিশ্বকোষ, শান্তনু কৌশিক বৰুৱা
২। আধুনিক ইউৰোপৰ ইতিহাস, ড° তপন কলিতা
৩। আধুনিক ইউৰোপৰ ইতিহাস(দ্বিতীয় পৰ্ব), ইমৰান হুছেইন, ড° তপন কলিতা

লেখক- স্নাতক তৃতীয় বৰ্ষৰ শিক্ষা বিভাগৰ ছাত্ৰী

# অষ্টাংগিক মাৰ্গ

**কুসুম দলে,**
*সহকাৰী অধ্যাপক, দৰ্শন বিভাগ*

খৃষ্টপূৰ্ব ষষ্ঠ শতাব্দীত এটি ৰাজপৰিয়ালত গৌতম বুদ্ধৰ জন্ম হৈছিল। গৌতম ল'ৰালি কালৰ পৰাই অত্যন্ত ভাবুক আৰু চিন্তাশীল প্ৰকৃতিৰ আছিল। ৰাজপৰিয়ালৰ ঐশ্বৰ্য তথা ভোগ-বিলাসৰ বিপৰীতে মানুহৰ জৰা-মৰন জনিত দুখ-কষ্টই গৌতমৰ মন আকৰ্ষন কৰিছিল। মানৱ জীৱনৰ দুখ-কষ্ট দেখি এদিন তেওঁ মনে মনে গৃহত্যাগ কৰে আৰু তপস্যাৰ জৰিয়তে সেই দুখ-কষ্টৰ কাৰণ আৰু মুক্তিৰ উপায় সম্বন্ধে জ্ঞান লাভ কৰিছিল।

কঠোৰ সাধনা আৰু গভীৰ তপস্যাৰ জৰিয়তে বুদ্ধদেৱে চাৰিটা ,সত্যৰ সন্ধান পাইছিল যাক 'চত্বাৰি আৰ্য সত্যানি' নামে জনা যায়। এই চাৰি আৰ্য সত্য হৈছে- মানুহৰ জীৱনত দুখ আছে, দুখৰ কাৰণ আছে, দুখৰ নিবৃত্তি আছে আৰু দুখ নিবৃত্তিৰ উপায় আছে। বুদ্ধদেৱৰ মতে, আৰ্য সত্যৰ সম্যক জ্ঞান লাভ কৰি, সেইবোৰ জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে প্ৰয়োগ কৰিলে দুখৰ পৰা মুক্তি পোৱা যায়।



বৌদ্ধ দৰ্শনত দুখ নিৰোধ বা নিবৃত্তিৰ উপায়ক চতুৰ্থ আৰ্য্যসত্য বুলি কয়। দুখৰ কাৰণবোৰৰ জ্ঞান লাভ হ'লে দুখ নিৰোধৰ মাৰ্গৰ সন্ধান পোৱা যায়। বুদ্ধই দুখৰ কাৰণ বাৰটা দেখুৱাইছিল যাক দ্বাদশ নিদান বুলি কোৱা হয়। বুদ্ধদেৱৰ মতে, নিৰ্বান লাভৰ কাৰণে আঠোটা নিয়ম মানি চলিব লাগিব যাক অষ্টাংগিক মাৰ্গ বুলি কোৱা হয়। বুদ্ধদেৱৰ এই চতুৰ্থ আৰ্যসত্য বা দুখ নিৰোধ মাৰ্গেই হৈছে বৌদ্ধ নৈতিকতাৰ ভেটি।

বুদ্ধদেৱে দুখৰ পৰা মুক্তি লাভৰ উপায় আগবঢ়োৱা অষ্টাংগিক মাৰ্গসমূহ- সম্যক দৃষ্টি, সম্যক সংকল্প, সম্যক বাক, সম্যক কমান্ত বা আচৰণ, সম্যক আজীৱ, সম্যক ব্যায়াম, সম্যক স্মৃতি, সম্যক সমাধি।

সম্যক দৃষ্টি ঃ চাৰি আৰ্যসত্য সম্পৰ্কে যথাৰ্থ জ্ঞান লাভেই হৈছে সম্যক দৃষ্টি যাৰ জৰিয়তে আমি জগত আৰু জীৱন সম্পৰ্কে সঠিক জ্ঞান লাভ কৰি অবিদ্যাক দূৰিভূত কৰিব পাৰো।

সম্যক সংকল্প ঃ নিৰ্বান লাভৰ বাবে আৰ্যসত্যৰ জ্ঞান লাভ কৰি সেই জ্ঞানৰ আধাৰত নিজৰ জীৱন পৰিচালিত কৰাৰ যি সংকল্প সেই সংকল্পই সম্যক সংকল্প। পাৰ্থিৱ বস্তুৰ প্ৰতি আসক্তি, ভোগ বিলাস, হিংসা আৰু ৰাগ বৰ্জন কৰাৰ দৃঢ় ইচ্ছাই হৈছে সম্যক সংকল্প। সম্যক সংকল্পই দয়া, পৰোপকাৰ, প্ৰেম আদিৰ দৰে সত গুণসমূহৰ উৎকৰ্ষ সাধন কৰি 'নিৰ্বান' লাভৰ ক্ষেত্ৰত সহায় কৰে।

সম্যক ব্যক ঃ বাক সংযমেই সম্যক বাক। মিথ্যা ভাষন পৰিহাৰ কৰি সদায় সত্য কোৱাই হৈছে সম্যক বাক। সাধকৰ জীৱনৰ বাবে বাকসংযম অত্যন্ত প্ৰয়োজনীয়। বুদ্ধদেৱৰ মতে, মিথ্যা কথা, কটুকথা, পৰনিন্দা সৰ্বতোভাৱে বৰ্জনীয়। মিছাকোৱা, কুৎসা ৰচনা কৰা, আনক আঘাত দিয়া কথা আৰু অসংযত বাক্য সম্পূৰ্ণৰূপে পৰিহাৰ কৰা আৱশ্যকীয়।

সম্যক আচৰণ বা সম্যক কৰ্মান্ত ঃ বৌদ্ধ দৰ্শনত সংযত আচৰণকে সম্যক কৰ্মান্ত বোলা হয়। সম্যক কৰ্মান্ত বুলিলে অহিংসা, অস্তেয়, ব্ৰহ্মচৰ্য, সত্য আৰু মাদক দ্ৰব্য বৰ্জন এই

পঞ্চশীলক বুজায়। বুদ্ধৰ মতে যাগ-যজ্ঞই মানুহক নৈতিক কৰিব নোৱাৰে। সুচিন্তা আৰু পবিত্ৰতাইহে মানুহক নৈতিক কৰি তুলিব পাৰে।

সম্যক আজীৱ ঃ বুদ্ধৰ মতে অসৎ উপায় পৰিহাৰ কৰি সৎ উপায়েৰে জীৱিকা অৰ্জন কৰাকে সম্যক আজীৱ বোলা হয়। হিংসা আৰু মিথ্যাৰ আশ্ৰয় পৰিহাৰ কৰি সৎ উপায়েৰে জীৱিকা অৰ্জন কৰিব লাগে।

সম্যক ব্যায়াম ঃ মনৰ পৰা অসৎ চিন্তা দূৰ কৰি সৎ চিন্তাৰ দ্বাৰা মনটোক সদায় পূৰ্ণ কৰা আৰু অসৎ চিন্তাৰ উদয় ৰোধ কৰি সদায় সৎ চিন্তা মনত ধাৰন কৰা - এই চাৰিবিধ চৰ্চাকে সম্যক ব্যায়াম বোলা হয়।

সম্যক স্মৃতি ঃ চাৰি আৰ্যসত্যক সদায় মনত ৰখাৰ উপৰি দেহ, মন আৰু জগতৰ সকলো বস্তু যে ক্ষণস্থায়ী সেই কথা স্মৰণ কৰাই হ'ল সম্যক স্মৃতি। সম্যক স্মৃতিয়ে নিৰ্বান লাভৰ পথত ব্যক্তিৰ মায়া-মোহক হ্ৰাস কৰি সহায় কৰে।

সম্যক সমাধি ঃ অষ্টাংগিক মাৰ্গৰ অন্তিমটো মাৰ্গ হ'ল সম্যক সমাধি। সমাধিৰ স্তৰত মনটো শান্ত আৰু স্থিৰ হৈ পৰে। ব্যক্তিয়ে অসৎ কৰ্ম, অসৎ চিন্তা, অসৎ কামনাৰ পৰা সম্পূৰ্ণ মুক্ত হৈ সমাধিৰ স্তৰত প্ৰৱেশ কৰে। সমাধিৰ চাৰিটা স্তৰ আছে -

ক) আনন্দঃ আনন্দৰ স্তৰত নিৰ্বান প্ৰয়াসী সাধকে চাৰি আৰ্যসত্যক মনত সমাহিত কৰি বিচাৰ-বিতৰ্কৰ মাধ্যমেদি মনত থকা সত্য সম্পৰ্কীয় সংশয়ক দূৰীভূত কৰি ধ্যানত নিমগ্ন হয়। এই স্তৰত সাধকৰ মনত বিশুদ্ধ চিন্তা, বিশুদ্ধ প্ৰীতি আৰু বিশুদ্ধ আনন্দ বা সুখহে থাকে।

খ) উল্লাস ঃ উল্লাসস্তৰত সাধকৰ মনৰ পৰা সকলো ধৰণৰ সংশয় দূৰীভূত হৈ চাৰিআৰ্য সত্যৰ প্ৰতি বিশ্বাসৰ জন্ম হয়। এই স্তৰত সাধকৰ মন দিব্য আনন্দ আৰু উল্লাসেৰে পৰিপূৰ্ণ হৈ পৰে।

গ) আসক্তিহীনতা ঃ এই স্তৰত নিৰ্বানকামী সাধকৰ মনত সুখ আৰু আনন্দৰ প্ৰতি উদাসীন মনোভাৱৰ সৃষ্টি হয়। আসক্তিহীনতা স্তৰত আত্ম সচেতনতা পূৰ্ণ-ৰূপত বিলুপ্ত নহয়, কেৱল মনহে উদাসীন হৈ পৰে।

ঘ) প্ৰশান্তি ঃ প্ৰশান্তিৰ স্তৰত সাধকৰ মনত কোনো ধৰণৰ সুখ-দুখৰ অনুভূতি নাথাকে। এই অৱস্থা হ'ল প্ৰকৃত নিৰ্বানৰ অৱস্থা য'ত সাধকে পৰিপূৰ্ণ জ্ঞান লাভ কৰে।

বুদ্ধদেৱৰ এই অষ্টাংগিক মাৰ্গ এই জগতৰ সকলো ধৰ্মাৱলম্বীৰ লোকে অনুসৰন কৰি নিৰ্বান লাভ কৰিব পাৰে। এই মাৰ্গসমূহ অনুশীলনৰ দ্বাৰা নিজৰ লগতে আনৰো দুখ দূৰ কৰি নিৰ্বানৰ দিশলৈ অগ্ৰসৰ হ'ব পাৰি। ✦

**ফণী শৰ্মা ঃ** ফণী শৰ্মা আছিল এজন অসমৰ নাট তথা চলচ্চিত্ৰ অভিনেতা, নাট্যকাৰ আৰু পৰিচালক। মঞ্চ অভিনেতা হিচাপে আত্মপ্ৰকাশ কৰি তেখেতে পাছলৈ প্ৰথম অসমীয়া চলচ্চিত্ৰ 'জয়মতী' (১৯৩৫)ত অভিনয় কৰে। তেখেতে ১৯৪৮ চনত 'চিৰাজ' আৰু ১৯৫৫ চনত 'পিয়লি ফুকন' বোলছবি পৰিচালনা কৰাৰ লগতে তাত অভিনয় কৰে। অসমীয়া নাট্যসমাজৰ প্ৰতি ফণী শৰ্মাৰ অৱদানক সন্মান জনাই তেখেতক 'নটসূৰ্য্য' উপাধিৰে বিভূষিত কৰা হয়।

তেজপুৰৰ ঐতিহাসিক বান ৰঙ্গমঞ্চৰ দ্বাৰৰক্ষী হিচাপে ফণী শৰ্মাৰ নাট্যশালা আৰম্ভ হয়। তেখেতৰ দেউতাক মোলান শৰ্মাও আছিল এজন নাট বিশেষজ্ঞ। বান ৰঙ্গমঞ্চৰ সু-অভিনেতা। দেউতাকৰ লগত নিয়মিত নাট্যশালালৈ গৈ ফণী শৰ্মাই ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, ড° ললিত মোহন চৌধুৰী, প্ৰফুল্ল বৰুৱা আদিৰ দৰে প্ৰবীণ অভিনেতাসকলৰ পৰিৱেশনা কৰিছিল। এইবোৰৰ পৰা তেওঁ ক্ৰমাৎ নাট্যজগতৰ প্ৰতি আকৃষ্ট হয়। ১৯২৮ চনত তেখেতে বান ৰঙ্গমঞ্চৰ 'ৰাণা প্ৰতাপ' নাটকত আকবৰৰ চৰিত্ৰত অভিনয় কৰাৰ সুযোগ লাভ কৰে। ১৯৩০ চনত ফণী শৰ্মাই পৰিভ্ৰমী নাট্যদল কহিনুৰ অপেৰাত যোগদান কৰে। ইয়াৰ প্ৰতিষ্ঠাপক আছিল ব্ৰজনাথ শৰ্মা। শদিয়াৰ পৰা ধুবুৰীলৈ লুইতৰ দুয়োপাৰে কহিনুৰ অপেৰাই নাট পৰিৱেশন কৰি যায় আৰু ইয়াত অন্যতম আকৰ্ষণ আছিল ফণী শৰ্মা। এটা নাট্য আন্দোলন আৰম্ভ কৰাৰ উপৰিও ১৯৩১ চনত কহিনুৰ অপেৰাই অসমৰ মঞ্চত পোন প্ৰথমবাৰৰ বাবে সহ-অভিনয়ৰ পাতনি মেলে। কৰুণাকান্ত মজুমদাৰৰ প্ৰযোজনাত আৰম্ভ হোৱা পূৰ্বজ্যোতি ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰথম বৰ্ষৰ পৰাই ফণী শৰ্মাই কেইবাখনো নাটক পৰিচালনা কৰিছিল আৰু তেখেতে পাছলৈ অন্যান্য ভ্ৰাম্যমাণ থিয়েটাৰতো অভিনয় কৰিছিল।




# ভাৰতীয় মহিলাৰ ক্রিকেট

শ্রী ধীতাশ্রী কলিতা
*স্নাতক ষষ্ঠ ষান্মাসিক,*
*শিক্ষা বিভাগ*

ৰিডিং মাৰ্কৰি পত্রিকয় ১৭৪৫ চনৰ ২৬ জুলাই তাৰিখে প্রথমে মহিলাৰ ক্রিকেট খেলাৰ সম্পৰ্কে প্রতিবেদন প্রকাশিত কৰিছিল আৰু তেনেকৈ মহিলা ক্রিকেট আৰম্ভ হৈছিল আৰু এই মহিলা ক্রিকেটৰ প্রথম বিশ্বকাপ ১৯৭৩ চনত ইংলেণ্ডত অনুষ্ঠিত হৈছিল।

আমি ভাৰতীয়ই কোনোদিনে ভবাই নাছিলো আমিও যে এটা সফল মহিলা ক্রিকেট টীম পাম। ভাৰতীয় মহিলা ক্রিকেট সংস্থা ১৯৭৩ চনত গঠিত হৈছিল আৰু ইয়াৰ পিছতে ভাৰতীয় মহিলা ক্রিকেট দল ১৯৭৬ চনত গঠন কৰা হৈছিল। তেনেকৈ ১৯৭৬ চনত West Indies ৰ বিপৰীতে প্রথম খন টেষ্ট খেলিছিল, তাৰ দুবছৰ পাছত West Indies ৰ বিৰুদ্ধে Shaniha Rangaswamy ৰ অধিনায়কত্বত পাটনাৰ মইনুল ষ্টেডিয়ামত প্রথম বাৰৰ বাবে টেষ্ট খেলত জয়ী হৈছিল। ২০০৬ চনত ICC এ টীমটো উন্নত কৰিবলৈ BCCI ৰ লগত একত্রিত কৰিছিল। ২০২১চনত BCCI এ Ramesh Rower ক মুখ্য প্রশিক্ষকৰ দায়িত্ব প্রদান কৰিছিল।

বৰ্তমান "Women In Blue" বুলি জনাজাত টীমটোৰ এদিনীয়া আৰু টেষ্টৰ অধিনায়কৰ দায়িত্ব Mithali Raj আৰু T-20 ৰ অধিনায়কৰ দায়িত্ব Harmanpeet Kaur এ বহন কৰি আহিছে। এতিয়ালৈ ভাৰতীয় মহিলা ক্রিকেট টীমটো বিশ্বৰ ভিতৰত T-20 ত তৃতীয় স্থানত, ODI ত চতুৰ্থ স্থানত আৰু টেষ্টত পঞ্চম স্থানত আছে। ODI ৰ অধিনায়ক Mithali Raj বৰ্তমানৰ সকলোতকৈ বেছি ৰাণৰ গৰাকী আৰু Jhulan Goswami সকলোতকৈ বেছি Wicket লাভ কৰা মহিলা খেলুৱৈ।

ক্রিকেট বুলি কলে World Cup আমাৰ মনত বিৰাজ কৰে। আৰু এনেকৈ প্রথমখন World Cup হৈছিল ১৯৭৩ চনত Edgbaston Stadium আৰু Australia ৰ মাজত য'ত England জয়ী হৈছিল ৯২ ৰাণত আৰু Top Run Scorer আছিল Enid Bankewell আৰু High Wicket Taker আছিল Rosalind heggs আৰু এনেকৈ ১৯৭৩ চনত পৰা ৫ বছৰৰ মূৰে মূৰে World Cup পটা হ'ল। আৰু তেনেকৈ ৫ বছৰৰ মূৰত ১৯৭৮ ত Trophy প্রথমবাৰৰ বাবে হাটত তুলি ল'লে ক্রিকেটৰ বাপ বুলি কোৱা টীম Australia আৰু এইটো টীমে সকলোতকৈ বেছি Trophy জিকিবলৈ সক্ষম হৈ ১৯৮২, ১৯৮৮, ১৯৯৭, ২০০৫, ২০১৩ আৰু ২০২২, ৭ টা কৈ Trophy নিজৰ কৰিবলৈ সক্ষম হ'ল। England য়ে ৪ বাৰ সক্ষম হৈছিল। New Zealand য়ে এবাৰ। আমাৰ ভাৰতীয় টীমটোৱে যদিও জয়ী হ'ব পৰা নাই তথাপিও ২ বাৰ World cup final খেলিছে এবাৰ ২০০৫ ট Australia ৰ লগত যত ভাৰতে ৯৮ ৰাণৰ বাবে হাৰিছিল আৰু এবাৰ England ৰ লগত ২০০৭ ত ৰাণৰ বাবে। আৰু এনেকৈ World cup ত চলি গৈ আছে। ২০২৭ ৰ বাবে আমি বহুত অপেক্ষাত আছে। এটাই আশা লৈ যাতে ২০২৭ত Trophy আমাৰ হৈ..... INDIA... ✦

# তন্ত্ৰ-মন্ত্ৰৰ দেশ মায়ং

**বিপুল পুৰু**
*দ্বিতীয় যান্মাষিক (ইতিহাস বিভাগ),গুৱাহাটী বিশ্ববিদ্যালয়*

বুৰঞ্জী উপেক্ষিত এখন ঠাই 'মায়ং'। উত্তৰে ব্ৰহ্মপুত্ৰ আৰু দক্ষিণে কলং-কপিলিৰ মাজৰ পটভূমিয়ে হ'ল মায়ং। যাদু বিখ্যাত মায়ং। এই যাদুমন্ত্ৰ হৈ আহিছে অতীতৰে পৰা। তথা ঐন্দ্ৰজালিক শক্তিৰ বাবেই ই এখন ভয়ঙ্কৰ দেশ হিচাপে পৰিগণিত যদিও আজিৰ বিজ্ঞান তথা প্ৰযুক্তি বিদ্যাই বিশ্বক উচ্চ শিখৰলৈ লৈ



গৈছে সচাঁ, কিন্তু এই গোলকীকৰণে যাদুমন্ত্ৰৰ প্ৰভাৱৰ গৰিমা ম্লান কৰিব পৰা নাই। আজিও 'মায়ং' নামটো শুনাৰ লগে লগে প্ৰত্যেকজন মানুহৰ মানস পটত অংকিত হয় এখন যাদুকৰী ঠাই। এই মায়ঙৰ ঐতিহ্য সম্পৰ্কে অসম বুৰঞ্জী নিমাত। সেয়েহে ইয়াৰ জাতীয় ঐতিহ্য সম্পৰ্কে আলোকপাত কৰিবলৈ আশ্ৰয় লব লগা হয় এই অঞ্চলৰ কিছু প্ৰচলিত কিংবদন্তি, সাধুকথা, লোকগীত, আদি। ইয়াৰ লগতে প্ৰাপ্ত তন্ত্ৰ শাস্ত্ৰ, শৈল-ভাস্কৰ্য, শিলালিপি আদি। আনকি মায়ঙৰ ৰজাঘৰৰ যিখন পূৰ্বৰ পৰা হাতে লিখি অহা 'গইদ' সেইখনেও ইয়াৰ বুৰঞ্জী ক'বলৈ অক্ষম।

মায়ং নামৰ উৎপত্তি যিহেতু মায়ঙৰ ঐতিহ্য সম্পৰ্কে সকলো অজ্ঞাত, গতিকে পূৰ্বতে এই ভূমিখণ্ডৰ নাম কি আছিল? কিয় ঠাইখনৰ নাম মায়ং হ'ল? কোন জনগোষ্ঠীয়ে ইয়াৰ সভ্যতা গঢ়ি তুলিলে ইয়াৰ সঠিক উত্তৰ পোৱা নগ'লেও ইতিহাসে ঢুকি পোৱা দিনৰে পৰা 'মায়ং' নামেৰেই ই বিশ্বত নিজৰ পৰিচয় দি আহিছে। বিভিন্ন জনে মায়ং নামটোৰ উৎপত্তি সম্পৰ্কে বিভিন্ন মতবাদ আগবঢ়াই যদিও তলত দিয়া মতবাদটো শ্ৰেষ্ঠ বুলি ধৰা হয়।

মায়ঙৰ বৰ্তমান ৰাজবংশৰ পূৰ্ব পুৰুষ শুইনত সিংহ কাছাৰ ৰাজ্যৰ ৰাজধানী মাইবঙৰ পৰা এই ভূমিখণ্ডত আহি ৰাজত্ব কৰে। শুইনত সিংহ কাছাৰ ৰাজ্যৰ ৰাজধানী মাইবঙ'ৰ পৰা এই ভূমিখণ্ডত আহি ৰাজত্ব কৰে। শুইনত সিংহ যিহেতু মাইবঙৰ পৰা আহিছিল সেয়ে এই মাইবং শব্দৰ পৰা অপভ্ৰংশ হৈ তেওঁ ৰাজত্ব কৰা ঠাইখনৰ নাম মায়ং হয়। (যথা- মাইবং/মায়বং/ মায়য়ং/ মায়ং)

অৱস্থিতি ঃ মায়ং গুৱাহাটী মহানগৰীৰ পৰা প্ৰায় ৫০ কিলোমিটাৰ পূৱদিশত মৰিগাওঁ জিলাত অৱস্থিত। ইয়াৰ পূৱদিশত ঝাৰগাওঁ, পশ্চিমত কাজলীচকি, উত্তৰে ব্ৰহ্মপুত্ৰ নদী আৰু দক্ষিণে পবিতৰা অভয়াৰণ্য আৰু কলং নৈৰে আৱৰা।

মায়ংৰ আদিম ঘনবসতি আৰু আদিম আদিবাসী ঃ প্ৰাক মায়ং সম্পৰ্কে পোৱা কিম্বদন্তিয়ে স্বাক্ষৰ বহন কৰে যে অতীজতে এই ভূমিখণ্ডত যথেষ্ট ঘনবসতি আছিল। ইয়াৰ সত্যতা বিচাৰ কৰিলে দেখা যায় যে ইয়াৰ চাৰিওফালে সিঁচৰিত হৈ থকা শৈল ভাস্কাৰ্য, পুতস্থান আদিৰ উপস্থিতিয়ে সহজতেই অনুমান কৰাই যে পূৰ্বতে ইয়াত কোনো সভ্য জাতিয়ে বসবাস কৰিছিল।

কিন্তু এই সভ্য জাতি কোনো জনগোষ্ঠীৰ লোক সেয়া বিচাৰ কৰাটো কিছু টান যদিও, বুৰঞ্জী অধ্যয়ন নাইবা লোক গাঁথা আদিৰ পৰা অনুমান কৰা হয় পূৰ্বতে কছাৰী ঠালৰ লোকে ইয়াত বসবাস কৰিছিল। মানুহে মানুহৰ সমাজ বিচাৰে সেয়ে বড়ো, কাছাৰী, তিৱা আদি জনগোষ্ঠীয়ে আহি সমাজ পাতি মায়ঙৰ চাৰিওফালে থকা নৈ বিল, জান-জুৰিআদিৰ পৰা পানী যোগান ধৰি কৃষিৰ উন্নতি সাধন কৰিব ধৰে।

মায়ঙৰ যাদু-মন্ত্ৰ আৰু উপস্থিতিৰ কাৰণে মায়ং অতি প্ৰাচীন কালৰ পৰাই প্ৰসিদ্ধি লাভ কৰি আহিছে। বৰ্তমান দিনতো ইয়াৰ প্ৰভাৱ আৰু ব্যৱহাৰ নুই কৰিব নোৱাৰি। তেনে কিছুমান মন্ত্ৰ যেনে সিদ্ধ মন্ত্ৰ, দীক্ষা, কাহানী, গা বন্ধা, পাস মন্ত্ৰ ( ভূত প্ৰেত

খেদা মন্ত্ৰ) চাহানী, ডিঙিত মাছৰ কাঁইট লগা জৰা, বন্দুকৰ নলেৰে পানী ওলোৱা, জুই বতাহ নিবাৰণ কৰা, নাকেৰে তেজ ওলোৱা বন্ধ কৰা, পেটৰ বিষ, জ্বৰ, গ্ৰহণী ইত্যাদি। অতীততে আৰু কিছুমান ভয়ংকৰ মন্ত্ৰ শাৰ প্ৰচলন আছিল যেনে- মানুহক বনৰ বাঘ বনোৱা আকাশ পথেৰে উৰুৱাই দিয়া। কিন্তু উপযুক্ত সংৰক্ষণৰ অভাৱত সেইবোৰ কিছু পৰিমাণে হলেও কালৰ বুকুত লীন হৈ গৈছে।

মন্ত্ৰসমূহ আলোচনা কৰোঁতেই এটা কথা উনুকিয়াই অহা হৈছে যে মন্ত্ৰত শাও শপত দিয়াটো বাধ্যতামূলক। মন্ত্ৰৰ গুণ বা শক্তি যাতে অথলে নাযায় তাৰ কাৰণে বিভিন্ন দেৱ-দেৱতাৰ শপত দিয়া হয় যাতে কুদৃষ্টিৰ দেও ভূত-প্ৰেত আঁতৰি যায়। উল্লেখযোগ্য যে মন্ত্ৰবোৰৰ সাধক সকলৰ মতে কিছুমান ৰোগ বেয়া দৃষ্টিৰ দেৱতা বা ভূত প্ৰেতৰ উপস্থিতিতহে হয় আৰু মন্ত্ৰৰ যোগেদি এনে শপত দি সেইবিলাকৰ উপস্থিতি নাইকিয়া কৰা হয়।

মায়ং অঞ্চল যাদু মন্ত্ৰৰ কাৰণে বিশ্বৰ ভিতৰতে বিখ্যাত। ঐতিহাসিক গেইটৰ মতে প্ৰাচীন কামৰূপতেই সৰ্বাধিক মন্ত্ৰৰ উৎপত্তি হৈছে। কিন্তু তাৰ ঠাইত মায়ঙৰ নাম কিয় জড়িত হৈ পৰিল? মায়ঙেই কিয় তন্ত্ৰ-মন্ত্ৰৰ দেশ হিচাপে চিহ্নিত হৈ পৰিল সেইটো এটা ভাবিবলগীয়া কথা। ইয়াৰ উত্তৰ বিচাৰিবলৈ গ'লে ঠাইখণ্ডৰ অৱস্থানৰ কথা আহি পৰে। মায়ং প্ৰাচীন কামৰূপৰ কামাখ্যাপীঠৰ অন্তৰ্গত। ইয়াৰ তিনিফালে ত্ৰিধাৰা পবিত্ৰ জলধাৰা, চাৰিওফালে পাহাৰেৰে আগুৰা।

এই পাহাৰৰ গোপন সুৰংগত বা ইয়াৰ চাৰিওফালে সিঁচৰিত হৈ থকা শৈল্য ভাস্কাৰ্য্য প্ৰধানকৈ উমালিংগন শিৱ পাৰ্বতী ৰ মূৰ্ত্তি, গণেশ মূৰ্ত্তি আদিৰ অৱস্থিতিয়ে ইয়াত প্ৰাচীন কালত শাক্ত, শৈৱ আৰু গণপত্য ধৰ্মৰ বহুল প্ৰচাৰ ঘটিছিল বুলি অনুমান কৰিব পাৰি। ইয়াৰ উপৰিও এই অঞ্চলত বৌদ্ধৰ তন্ত্ৰযান, মন্ত্ৰযান আদি তান্ত্ৰিক চৰ্চা হৈছিল সেই কথাৰ অৱকাশ ঘটে। মায়া শব্দৰ পৰা মায়ৰ উৎপত্তি বুলি কিংবদন্তি আছে। এই মায়া হৈছে জনবিশ্বাসৰ ভেটিত গঢ়লৈ উঠা কামাখ্যা দেৱী তথা তেত্ৰিশ কৌটি দেৱতাৰ মায়া ক্ষেত্ৰ বা লীলপুৰী। গতিকে সেয়েই ঐন্দ্ৰজালিক বিদ্যাৰো কেন্দ্ৰস্থল আছিল বুলি ভাবিবৰ স্থল আছে।

কিন্তু প্ৰশ্ন হ'ল যে কেৱল তন্ত্ৰ-মন্ত্ৰ যাদু বিদ্যাই এয়াই নেকি মায়ঙৰ একমাত্ৰ পৰিচয়? ইয়াৰ উপৰিও মায়ঙত আছে অতি গৌৰৱময় ইতিহাস। সময়োপযোগী সংৰক্ষণ আৰু পৰ্যৱেক্ষণৰ অভাৱত তথা যথাযথ গৱেষণাৰ অভাৱত ইতিমধ্যে তেনে বহুমায়ঙৰ ঐতিহাসিক সমল ইতিহাসে হেৰাইছে। এতিয়াও যিখিনি আছেগৈ সেইখিনি পৰ্যালোচনা কৰিলে অসমৰ সোণালী ইতিহাসত মায়তেও এখিলা পাত হৈ ৰব পাৰিব।

মায়ঙৰ প্ৰত্নতাত্ত্বিক আৰু ঐতিহাসিক সমল ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰা মায়ং নামৰ ভূ খণ্ডই যে প্ৰসিদ্ধি লাভ কৰি আহিছে সেই কথাৰ স্বাক্ষৰ বহন কৰে ইয়াৰ চাৰিওফালৰ প্ৰত্নতাত্ত্বিক আৰু ঐতিহাসিক সমলে। কাৰণ প্ৰত্নতাত্ত্বিক দিশত মায়ং যথেষ্ট চহকী। এই অঞ্চলত থকা ওখ বড়ি পাহাৰ আদি ঠাইত পোৱা পোৰামাটিৰ ভাস্কৰ্য, শৈল ভাস্কাৰ্য্য , মন্ত্ৰ পুথি পুৰণি যুগৰ অলংকাৰ, কাহ-পিতল, তামৰ বাচন-বৰ্তন, ঢাল-বাৰু তৰোৱাল, আহোম যুগতনিৰ্মিত গড়, গোলা-বাৰুদ, আহোম যুগৰ যুদ্ধৰ অস্ত্ৰ- শস্ত্ৰ আদি। উল্লেখ্য যে মায়ং পাহাৰৰ নামনিত (বুঢ়া মায়ং) শিলালিপি, এচিয়াৰ ভিতৰতে আটইতকৈ দীঘল শিলালিপি। লগতে বহা পথাৰত থকা বৃহৎ গণেশ মূৰ্ত্তি (৩.৮৫ মিঃ) বিশ্বৰ ভিতৰতে প্ৰাচীন শৈল মূৰ্ত্তি বুলি স্বীকৃত হৈ মায়ঙৰ গৌৰৱ ঘোষণা কৰিছে। ইয়াৰোপৰি ইয়াৰ বহুতো পুৰণি শৈল মূৰ্ত্তিৰ লগতে মূল্যবান ৰূপ, তাম আদিৰ মোহৰ কিছু সচেতন লোকৰ হাতত দেখিবলৈ পোৱা যায়। মায়ঙৰ ইতিহাস ঐতিহ্য, যাদু মন্ত্ৰ , প্ৰত্নতাত্বিক সমল আদি অধ্যয়নৰ অন্তত হয়তো- মায়ং বুলি কলে অকল এটা 'যাদুৰ ভয়ানক দেশ' বুলিয়ে ধাৰণা হয় কিন্তু উল্লেখযোগ্য যে সমসাময়িক সমাজৰ দৰেই মায়ঙতো একেই সমাজ সভ্যতাই বিৰাজ কৰে। বহু পৰিমানে নহলেও শিক্ষা-দীক্ষা আনৰ তুলনাত সামাজিক চেতনা আৰু সাংস্কৃতিক ভাৱে মায়ং সদায় উৰ্দ্ধত। ইয়াৰ কিছুমান সংস্কৃতিয়ে অতীতৰে পৰা জয়ধ্বজা উৰুৱাই আহিছে। মায়ঙৰ বেছিভাগ মানুহে কৃষিৰ ওপৰত নিৰ্ভৰশীল। কলং-কপিলী আৰু ব্ৰহ্মপুত্ৰই পেলাই থৈ যোৱা পলসুৱা মাটিত খেতি কৰি সকলোৱে মিলাপ্ৰীতিৰে সহবাস কৰে। এক কথাত ক'বলৈ গলে মায়ং যেন অপূৰ্ব বৃন্দাবন য'ত নানা জাতি, ধৰ্মৰ লোকে একেলগে ভাতৃত্বসুলভ ভাৱে সহাৱস্থান কৰাৰ লগতে নিজৰ ঐতিহ্যমণ্ডিত মায়ঙক বিশ্বৰ দৰবাৰত স্থান দিবলৈ সক্ষম হৈছে। মুঠতে মায়ং বুলি ক'লে যেন মায়াই হাতবাউলি মাতে। যিয়ে স্বচক্ষে ইয়াৰ মনোমোহা সৌন্দৰ্য উপভোগ কৰিছে তেওঁ মায়াত বিভোৰ হৈ মায়ঙৰ মায়াক ত্যাগ কৰিব নোৱাৰে। ইয়াৰোপৰি মায়ঙৰ পবিতৰা যিয়ে মায়ঙৰ গৌৰৱ ঘোষণা কৰি আহিছে। ইয়াৰ আপুৰুগীয়া সৌন্দৰ্য বনাঞ্চল, পৃথিৱী বিখ্যাত এশিঙীয়া গড়, পৰিভ্ৰমী চৰাই আদি দেশী-বিদেশী পৰ্যটকক আকৰ্ষিত কৰি আহিছে। নানা দিশৰ পৰা মায়ং যেন সোণালী ধৰাৰ এক অতুলনীয় ঠাই। যিখন ঠাই প্ৰত্যেকজনৰ মানস পটত যাদুকৰী ঠাই। ✦

# আধ্যাত্মিক কথাৰে

কনক চন্দ্ৰ হালৈ

(১)

নিৰাহাৰৰ অৰ্থ হ'ল উপবাস। কিন্তু আহাৰ বা খাদ্য গ্ৰহণত বিৰত হ'লে ইন্দ্ৰিয়বৰ্গ দুৰ্বল হয় আৰু বিষয়ভোগত অসমৰ্থ হয়। কিন্তু তাতেই বিষয় তৃষ্ণা নিবৃত্ত নহয়।

গীতাই অত্যাধিক উপবাসাদি কৃচ্ছ সাধন অনুমোদন কৰা নাই। ইন্দ্ৰিয় বৃত্তিৰ দ্বাৰা বিষয়ভোগ নকৰিলেই জিতেন্দ্ৰিয় হোৱা নাযায়।



উপভোগ কৰিব নোৱাৰিলেও জৰাগ্ৰস্থৰোগ, বিকলেন্দ্ৰিয় পুৰুষসকল বিষয় বাসনাৰ পৰা বিৰত নহয়। অৰ্থ্যাৎ তেওঁলোকৰ কামনা বাসনা নুগুছে। বাসনা নিবৃত নহলে স্থিতপ্ৰজ্ঞ হব নোৱাৰে।

ভগবান শ্ৰীকৃষ্ণই অৰ্জুনক কৈছিল বলৱন্ত ইন্দ্ৰিয় বৰ্গই সংগত মনৰ অত্যন্ত যত্নশীল বিবেকী পুৰুষৰ মনকো বলপূৰ্বক হৰণ কৰে অৰ্থাৎ বিষয় বিকাৰমুক্ত কৰে।

মৎপৰায়ণ মোৰ একান্ত ভক্ত। একান্ত ভক্তজন তেওঁৰ সমস্ত ইন্দ্ৰিয়ক সংযত কৰি ঈশ্বৰৰ প্ৰতি আত্মপৰায়ণ হয়। যি জনৰ ইন্দ্ৰিয়সমূহ বশীভূত হৈছে তেওঁৰে প্ৰজ্ঞা প্ৰতিষ্ঠিত হৈছে অৰ্থাৎ তেওঁয়েই স্থিতপ্ৰজ্ঞ পুৰুষ। দুৰ্বাৰ ইন্দ্ৰিয় বৃত্তিয়ে জ্ঞানী সকলৰো চিত্ত হৰণ কৰে। সেইকাৰণে শ্ৰী গোবিন্দই কৈছে-যিজন মদগৰ মোৰ একান্ত ভকত আৰু মোৰ শৰণাগত তেওঁৰ হৈ চিত্ত সমাহিত হয়।

আজিকালি চিনেমা আৰু টি.ভি বোৰেওঁ একেবাৰে ভয়ানকভাৱে ল'ৰা-ছোৱালীবোৰৰ মন বিৰূপ কৰি তুলিছে। চৰকাৰেও বিদেশী মদৰ প্ৰচলনক অনুমতি দি অধঃ পতনলৈ যোৱাত অধিক সহায় কৰিছে শিক্ষাৰ ঠাইত ব্যৱসায়ৰ আৰম্ভ হৈছে। এনে পৰিস্থিতিত আমি শুই থকাৰ প্ৰয়োজন নাই। শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তন আৱশ্যক।

পাঠ্য-পুথিবোৰো সলনি কৰাৰ আৱশ্যক। এনেকুৱা কিতাপ যাতে বহুবছৰলৈ চলে তাৰ ব্যৱস্থাও গ্ৰহণ কৰিব লাগে। ল'ৰা-ছোৱালীক মানুহ বা সম্পদ কৰি গঢ়িব লাগিব। মানুহ গঢ়িব পাৰিলে অৰ্থনৈতিক অৱস্থাৰো উন্নতি হব। সকলো মানুহ কৰ্মী হব লাগিব। নিজৰ ভৰিত ভৰি দি আগবাঢ়িব পাৰিব লাগিব। নৱপ্ৰজন্মৰ বাবে ভাবিব লাগিব। তেওঁলোকৰ উজ্বল ভৱিষ্যতেই দেশৰ ভৱিষ্যত। সংস্কৃত ভাষাত আধ্যাত্মিকতা সোমাই আছে। আজি ধুতি কাপোৰৰ ঠাইত দখল কৰিলে লংপেন্ট, পাইজামা আদি পশ্চিমীয়া পোচাকে। যি বস্তুৰ সৈতে আন এটা বস্তুৰ সামঞ্জস্য নাই সেই বস্তুতোও ইয়াৰ অন্তৰ্গত হ'লেহে আধ্যাত্মিকতাৰ কথাতোৰ ফালেহে লাহে লাহে আহিব। মাতৃভূমিক ভাল পালে নিজৰ দেশৰ মানুহক ভালপোৱাৰ ভাব এটা নিশ্চয় আহিব। আধ্যাত্মিক কথালৈ মন কৰো আহক। ভগবান পৰমাত্মা। তেওঁৰ পোহৰেৰে এই বিশ্বব্ৰহ্মাণ্ডৰ চাৰিবিধ প্ৰানী যেনে-উৰণ, বুৰণ, গজণ আৰু ভ্ৰমণ প্ৰণালীবোৰ প্ৰতিভাত হৈ আছে। সেই পোহৰেই হৈছে আত্মা। আত্মাৰ স্থিতিত জীৱ জীয়াই আছে। সেই পোহৰ সকলো প্ৰাণীৰ অন্তৰত স্থিতি লৈ আছে। সেই আত্মাক কোনেওঁ দেখা নাপাই। সেই আত্মাক কোনেওঁ চুব নোৱাৰে। অথচ আত্মা থকা কাৰণে আমি সকলো জীৱই জীয়াই আছো। আত্মা শৰীৰৰ পৰা গ'লেই দেহাটো পঞ্চ ভূতত বিলীন হৈ যাব। পঞ্চভৌতিক শৰীৰটো মই.. নহয়, মই আত্মাতোহে। এই ভৌতিক দেহাটো বা শৰীৰটো এবিধ চোলাহে। মায়াৰ জালত পৰিহে শৰীৰটোক 'মই' বুলি চিনাকি দিওঁ। যিদিনাই শৰীৰৰূপী চোলাটো ফাটিব সেইদিনাই 'মই' মোৰ কৰ্ম অনুসাৰে আন এটা নতুনচোলা

নিজৰ শৰীৰটোক ধৰি সকলো সা-সম্পত্তি, ল'ৰা-ছোৱালী বুলি চিএৰ্ত্ৰ ৰাখৰ কৰো। এয়া কেৱল ভ্ৰান্তিহে। আমি এই বিশ্বব্ৰহ্মাণ্ডৰ চাৰি জাতিয়ে মাত্ৰ নাটকৰ চৰিত্ৰবোৰৰ অভিনয় কৰি আছো। অভিনয় শেষ হ'লে কোনেও পুনৰ ওলাব নোৱাৰে। অভিনয় শেষ হ'লে মঞ্চ এৰি পৰিধান কৰা পোছাক-পৰিচ্ছেদ আদি মঞ্চত জমা দি তাৰ পৰা ওলাই যাব লাগিব। মানুহ হিচাবে মঞ্চত অভিনয়ৰ অংশ গ্ৰহণ কৰিছো যেতিয়া অবিকল মানুহৰ দৰে ভাওঁ দেখুৱাব পাৰিব লাগিব। অন্যথা আমি অভিনয়ত ভাগ ল'ব নোৱাৰো। গতিকে আমাৰ দৰে মানুহৰ ভগৱানৰ প্ৰতি শ্ৰদ্ধা, ভক্তি, গুণ আদি আয়ত্ত কৰিব লাগিব। দৰ্শক হিচাপে ভগৱানে তেতিয়াহে মানুহক ভাল পাব। তেওঁৰ কথা মতে চলিব লাগিব। তেওঁক আমি দেখা পোৱা সম্ভৱ নহয়। গতিকে স্বয়ং তেওঁৰ মুখৰ পৰা প্ৰকাশ পোৱা কথা খিনি আমি মানি চলিব পাৰিলেই তেওঁৰ কথা শুনা হ'ব। তেওঁৰ কথা শুনিলে তেওঁ সন্তোষ হ'ব। তেওঁ সন্তোষ হলে আন একো নালাগে। শ্ৰী মদভাগৱত গীতা আৰু গীতাত লিখা আছে এই কথাবোৰ। স্বয়ং ভগৱানৰ মুখৰ কথাখিনিয়ে হৈছে গীতা এয়ে আধ্যাত্মিক শিক্ষা। ঈশ্বৰ বা পৰম ব্ৰহ্মক বাদ দি আমি পৰিত্ৰাণ নাপাওঁ। ধৰ্মই হৈছে এটা জাতিৰ লাই খুঁটা যি ৰাজ্যত ধৰ্মৰ কোনো কথাই নাই তাতেই হিংসাৰ ৰাজত্ব। ধৰ্মৰ নীতিৰ অবিহনে ৰাজনীতি তিষ্ঠি থাকিব নোৱাৰে। আজিকালি ৰাজনীতি বুলি একো নাই।

ৰাজনীতিৰ ঠাইত স্বাৰ্থনীতিৰ দপদপনি। অৰ্থাৎ ৰাজনীতিৰ ঠাইত স্বাৰ্থনীতিয়ে গা কৰি উঠিছে। আন হাতে হিংসানীতিয়ে প্ৰকৃত ধৰ্ম হ'ব নোৱাৰে। অহিংসাই পৰম ধৰ্ম।

আধ্যাত্মিক কথাৰে

(২)

যিমানেই উচ্চশিক্ষা লাভ কৰিছে সিমানেই দেখোন অধঃপতন হোৱা দেখা গৈছে। বাস্তৱত দেখা যায়, সৰুতে ল'ৰা-ছোৱালীৰ স্মৰণ শক্তি থাকে। সৰুতে লাভ কৰা শিক্ষাৰ যোগেদি ল'ৰা-ছোৱালী বৰ্গই শিক্ষাৰ গঢ় লয়। পিতৃ-মাতৃ বা শিক্ষাগুৰুৱেই হওঁক পিতৃ-মাতৃ প্ৰথম গুৰু। পিতৃ-মাতৃৰ পৰা পৃথিৱীখন দেখা পোৱা যায়, সেইবাবে পিতৃ-মাতৃৱেই প্ৰথম গুৰু। তেওঁলোকৰ যোগেদিহে ভগৱানক আৰাধনা কৰিব লাগে। এই দুজনা পিতৃ-মাতৃক বাদ দি যিমানেই কৃষ্ণক ভক্তি কৰক তেওঁ সন্তুষ্ট নহয় বুলি শাস্ত্ৰত উল্লেখ আছে। শাস্ত্ৰত আছে-

পিতা স্বৰ্গ পিতা ধৰ্ম পিতাহি পৰন্তপঃ

পিতাৰ পিতৃ মাপন্নে, প্ৰিয়ন্তে স্বৰ্গদেৱতাৰ

হাবিৰ পশুবোৰক ভিতৰৰ পৰা টানি নি বধ কৰিবলৈ চেষ্টা কৰে। কিন্তু কলিযুগত মানুহেই মানুহক ঘৰৰ পৰাই বলেৰে লৈ যায় আৰু ৰাস্তা-ঘাটত গুলিয়াই মাৰে। শোৱতে, খাওঁতে, ঘূৰাপকা কৰোতে মানুহৰ শান্তি নাইকিয়া হৈছে। এক অৰাজক অৱস্থা দেখা পোৱা গৈছে। জোৰ যাৰ মুলক তাৰ। এই অৱস্থা আহি পৰিছে। ঈশ্বৰৰ প্ৰতি অনুৰাগ জন্মিলে বিষয় অনুৰাগ আপোনা আপুনি হ্ৰাস পায়। তেতিয়া চিত্ত নিৰ্মল হয়। একান্তভাৱে ভগৱৎ চিন্তাই ইন্দ্ৰিয় সংযমৰ মহৌষধ। ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক ভগৱৎ পৰায়ণ হ'বলৈ এনেদৰে নিৰ্দেশ দিছে-

" ত্বমেৱ শৰনং গচ্ছ সৰ্বভাবেন ভাৰতা "

ভগৱানক হৃদয়ত ধাৰণ কৰিলে আত্যন্তিক চিত্ত শুদ্ধ হয়। বিদ্যা, তপ, বায়ু, নিৰোধ, প্ৰাণয়ামী মৈত্ৰী তীৰ্থস্থান, ব্ৰত, দান আৰু জপ আদিৰ দ্বাৰা তেনে শুদ্ধ নহয়। আসক্তিৰ দ্বাৰা কামনা ওপজে। কামনাৰ পৰা খং ৰাগ ওপজে। ক্ৰোধৰ পৰা সম্মোহ অৰ্থাৎ ভাল-বেয়া বিবেচনাৰ অভাৱ। সম্মোহৰ পৰা স্মৃতি বিভ্ৰম অৰ্থাৎ স্মৃতি শক্তিৰ বিনাশ। স্মৃতি বিভ্ৰমৰ পৰা বুদ্ধি নাশ। বুদ্ধিনাশৰ পৰা বিনষ্ট হয়। ভকত সংসাৰত থাকিলে দোষ নাই। কিন্তু ভকতত সংসাৰ থাকিলেহে বিপদ। বতাহে যেনেকৈ আমাৰ ওপৰত থকা বস্তুক চলাই লৈ ফুৰাই সেইদৰে বিষয়ত ঘুৰি-ফুৰা আক্ৰান্ত ইন্দ্ৰিয়বোৰক মনে নিয়ন্ত্ৰণ কৰে। মনৰ দ্বাৰা নিয়ন্ত্ৰিত ইন্দ্ৰিয়বোৰৰ প্ৰজ্ঞা বিনষ্ট হয়। তেওঁৰ প্ৰজ্ঞা বিষয়ত বিনষ্ট হয়। সাধাৰণতে অজ্ঞজন আত্মনিষ্ঠাত নিদ্ৰিত, কিন্তু বিষয় নিষ্ঠাত জাগ্ৰত। সংযম পুৰুষসকল আত্মনিষ্ঠাত জাগ্ৰত কিন্তু বিষয়ত নিদ্ৰিত। কামনা বাসনা ত্যাগ কৰি নিস্পৃহ, নিৰহঙ্কাৰ, নিৰ্মম হৈ সংসাৰত বাস কৰাজন স্থিতপ্ৰজ্ঞ। তেওঁৱেই শান্তিত থাকিব পাৰে।

মানৱ জীৱন দুখঃময়। সদায় দুখ লাগিয়ে থাকে। শ্ৰীকৃষ্ণ, অৰ্জুনৰ জীৱনৰ সাৰথি আছিল। এই দায়িত্ব গ্ৰহণ কৰিবলৈ গৈ ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনৰ সন্মুখত এক অভিনৱ বিচাৰ ধাৰা দাঙি ধৰিছিল। অৰ্জুনৰ মন স্থিৰ কৰাৰ ক্ষেত্ৰত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক শৰনাগত কৰালে আৰু তেওঁ অৰ্জুনৰ গুৰু হৈ পৰিল। ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনৰ একগত দেহতত্ত্ব, আত্মতত্ত্বৰ কথা বৰ্ণনা কৰিলে। তেতিয়া অৰ্জুন ঈশ্বৰমুৱা হৈ সৎ-অসৎ, নিত্য-অনিত্যৰ বিচাৰ কৰিবলৈ তেওঁৰ প্ৰবৃত্তি জন্মে। অৰ্জুনক সন্মুখ বিপদৰ পৰা ৰক্ষা কৰাৰ কাৰণে আধ্যাত্মিক তত্ত্বৰ ব্যাখ্যা আৰম্ভ কৰিলে। বিষাদ যোগেই আধ্যাত্মিক জীৱন আৰম্ভনি প্ৰথম আৰু মূলমন্ত্ৰ। অৰ্জুনে যুদ্ধ নকৰো বুলি ধৰ্নুবাণ পেলাই পৰম বিষাদগ্ৰস্তভাৱে ৰথত বহি পৰিল। সাৰথি কৃষ্ণ কিংকৰ্ত্তব্যবিমূঢ় হ'ল। শৰণাগত অৰ্জুনৰ মনত অধ্যাত্মিক ভাবৰ সূচনা হৈছে বুলি ভাবি তেওঁক নানা শ্লোক উল্লেখ কৰি আত্মতত্বৰ উপদেশবোৰ দিবলৈ আৰম্ভ কৰিলে।

বিজ্ঞ ব্যক্তিয়ে জন্ম আৰু মৰণৰ বাবে শোক নকৰে। এই

কথাখিনিয়েই গীতা শাস্ত্ৰখনিৰ বীজ। ভগৱান শ্ৰীকৃষ্ণই পোনতে জীৱৰ আত্মতত্ত্ব যাৰ দেহৰ নশ্বৰত প্ৰতিপাদন কৰিছে। কৌমাৰ, যৌৱন, জৰা আদি জীৱদেহৰ এই অৱস্থা প্ৰাপ্তিৰ দৰে মৃত্যুও এটা বিশেষ অৱস্থান্তৰ প্ৰাপ্তিহে মাথোন। অৰ্জুনৰ আগত আত্মাৰঅবিনাশিতা সম্পৰ্কে ভগৱান শ্ৰীকৃষ্ণই ব্যাখ্যা কৰিছে। তেৰাই অৰ্জুনৰ প্ৰতি অত্যন্ত কৃপা কৰি আত্মাৰ অবিনাশীতা আৰু দেহৰ নশ্বৰতাৰ কথাপ্ৰতীয়মান কৰাৰ বাবে সৰল যুক্তিৰ দ্বাৰা তেওঁৰ সেই কাতৰতা নাশৰ চেষ্টা কৰে। তাৰ পিছত ক্ষত্ৰিয়ৰ স্বধৰ্ম যুদ্ধ কৰাৰ ধৰ্ম পালনৰ প্ৰবাদ দাঙি ধৰিছিল। স্বধৰ্মৰ শাস্ত্ৰীয় যুক্তিৰ দ্বাৰা অৰ্জুনক যুদ্ধত ব্ৰতী কৰাৰ বাবেও দৃঢ় চেষ্টা কৰিছিল।

'যুদ্ধত জয় হ'লে ৰাজ্য লাভ আৰু যুদ্ধত পৰাজিত হৈ সন্মুখ ৰণত মৃত্যু বৰণ কৰিলে স্বৰ্গ লাভ।" অৰ্জুনক ভগৱান শ্ৰীকৃষ্ণই এই সবল যুক্তি দাঙি ধৰিছিল। অৰ্জুনৰ এই যুক্তি সন্দৰ্ভতো লোকহত্যাজনিত পাপৰ ভয় আতৰি নগ'ল।

তেতিয়া শ্ৰী কৃষ্ণই নিষ্কাম কৰ্ম যোগৰ গভীৰ ৰহস্য অৰ্জুনৰ আগত ব্যক্ত কৰিবলৈ ধৰিলে। ফলাকাংক্ষা বৰ্জন কৰি লাভালাভ সিদ্ধি-অসিদ্ধিক সমজ্ঞান কৰি সম্পূৰ্ণ অনাসক্তভাবেই কাম কৰিবলৈ অভ্যাস কৰিলে। পাপৰ ভাগ ল'ব নালাগে। এই সময় জ্ঞানেই হৈছে যোগ। এই সময় জ্ঞানেই হৈছে বুদ্ধিযোগ। এই সাম্যবুদ্ধিযুক্ত কৰ্মযোগ আৰু নিষ্কাম কৰ্মযোগ মূলতঃএক বস্তু। পাপপুণ্য,স্বৰ্গ, নৰক আদিৰ কথা জীৱৰ কাম্য কৰ্মৰহে ফল। নিষ্কাম কৰ্মীয়ে ফলৰ আশা বৰ্জন কৰিহে কৰ্ম কৰে। তেওঁলোক স্বৰ্গৰ আশাত বা নৰকৰ ভয়ত কৰ্ম নকৰে। তেওঁলোক পাপ-পুণ্য উভয় ফলকে ত্যাগ কৰি সাম্যবুদ্ধি যুক্ত হৈ নিষ্কামভাৱে কাম কৰে। এইভাৱে কৰ্ম কৰাৰ ফলত তেওঁলোক মোক্ষপদ লাভ কৰে। মানুহৰ বিক্ষিপ্ত বুদ্ধি যেতিয়া ঈশ্বৰৰ সমাহিত হয় তেতিয়া আসক্তি দূৰ হব। তেওঁৰ প্ৰজ্ঞা স্থিৰ হব আৰু যোগসিদ্ধ হব।

যিজন জিতেন্দ্ৰিয় পুৰুষে বিষয় বাসনা, আত্মাভিমান বৰ্জন কৰি ঈশ্বৰত একনিষ্ঠ হয় তেওঁ স্থিতপ্ৰজ্ঞ অৱস্থা লাভ কৰে। স্থিতপ্ৰজ্ঞ পুৰুষে আত্মবশীভূত ইন্দ্ৰিয় বৃত্তিৰ দ্বাৰা কৰ্ম কৰিলেও কৰ্মত আবদ্ধ নহয়। এই অৱস্থাৰ নামেই ব্ৰাহ্মীস্থিতি। এনে স্থিতিৰ পুৰুষে ফলৰ আকাংক্ষা নকৰে। বৰং তেওঁ পৰাগতি আৰু পৰমপদহে লাভ কৰি থাকে। গীতাৰ অধ্যায়বোৰত অৰ্জুনক উপলক্ষ কৰি লোকৰ তৰুণৰ বাবে ভগৱান শ্ৰীকৃষ্ণই গীতাশাস্ত্ৰ কহিলা। গতিকে আমি সুবুদ্ধিপৰায়ণ হৈ ভজিব লাগে। আয়ুপুনু পদ্মপত্ৰ জলসমস্থিৰ নহে।

ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক কেতিয়াবা কৰ্মৰ, কেতিয়াবা জ্ঞানৰূপৰ প্ৰশংসা কৰি বিমিশ্ৰ বাক্যৰ দ্বাৰা অৰ্জুনৰ বুদ্ধিক মোহিত কৰিছে। অৰ্জুনে ভগৱান শ্ৰীকৃষ্ণৰ পৰা বিচাৰিছে শ্ৰেষ্ঠত্ব লাভ কৰিব পৰা এটা নিশ্চয়াত্মকপথা। বিমিশ্ৰ বাক্যৰ তাৎপৰ্য্য হ'ল কোনো ঠাইত জ্ঞানৰ প্ৰশংসা, কোনো ঠাইত কৰ্মৰ প্ৰশংসাৰ ৰূপ। বিমিশ্ৰবাক্যৰ দ্বাৰা ভগৱান শ্ৰীকৃষ্ণই মোক্ষ সাধন আত্মতত্ত্বৰ জ্ঞান দিছে আনহাতে যোগস্থ হৈ কৰ্ম কৰিবলৈ কৈছে। অৰ্জুনে এনে পৰিস্থিতিত সন্দেহযুক্ত হৈ সুধিছে-

"কৰ্মতকৈ যদি জ্ঞানেই শ্ৰেষ্ঠ হয় আৰু এই জ্ঞানৰ দ্বাৰা যদি মোক্ষ হয় তেতিয়া তেওঁক হিংসাযুক্ত কৰ্মত কিয় নিযুক্তি কৰিছে অৰ্থাৎ এনেকুৰা ঘোৰ অন্যায় কৰিবলৈ আদেশ দিছে কিয় ?" কৃষ্ণ- ব্ৰহ্মনিষ্ঠ( মোক্ষ পৰায়ণ) দুই প্ৰকাৰৰ। জ্ঞানৰ দ্বাৰা জ্ঞান নিৰ্দ্ধাৰিণ কৰাসকলৰ আৰু কৰ্মযোগৰ দ্বাৰা কৰ্মীসকলৰ। কৰ্ম মাত্ৰেই বন্ধনৰ কাৰণ- কৰ্মবন্ধনৰ পৰা মুক্তি বা নিষ্কৃতিৰ অৱস্থাকে নিষ্কৰ্ম সিদ্ধ বা মোক্ষ বোলে। সন্ন্যাসীসকলে কৰ্ম ত্যাগকেই নিষ্কৰ্ম বা মোক্ষ বুলি কয়। গীতাৰ মতে- কৰ্ম বন্ধনেই কাৰণ নহয় কৰ্মফলহে বন্ধনৰ কাৰণ। ✦

---

(লিখক - বৰভাগ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, লিখনিটো দিয়াৰ এমাহৰ পিছতে লিখকৰ পৰলোকপ্ৰাপ্তি ঘটে, লিখকৰ জীৱনৰ এইটোৱেই শেষ লিখনি)



# জাতীয় উন্নয়ন আৰু ভৱিষ্যতৰ প্ৰসংগত শিক্ষাৰ লক্ষ্য

ড° বীৰেন্দ্ৰ ডেকা

শিক্ষাৰ বিভিন্ন লক্ষ্যৰ ভিতৰত এটি লক্ষ্য হ'ল জাতীয় উন্নয়ন তথা ৰাষ্ট্ৰৰ উন্নতি সাধন কৰা। ৰাষ্ট্ৰসমূহে নিজস্ব পৰিকল্পনা অনুসৰি উন্নতিৰ জখলাত ধাৱমান হয়। এই পৰিকল্পনাসমূহ বাস্তৱত ৰূপায়িত কৰাৰ মূলতে ৰাষ্ট্ৰখনৰ শিক্ষা ব্যৱস্থা থাকে। দেশভেদে সমস্যাও বেলেগ বেলেগ। বিভিন্নদেশৰ বিভিন্ন সমাজত থকা সুকীয়া সমস্যাবোৰৰ লগত খাপ খুৱাই প্ৰত্যেক দেশেই নিজৰ শিক্ষা ব্যৱস্থাৰ প্ৰচলন কৰে। দেশখনৰ সামগ্ৰিক বিকাশ নিৰ্ভৰ কৰে দেশখনৰ অৰ্থনৈতিক অৱস্থাৰ ওপৰত। প্ৰতিখন দেশৰে বিকাশ সম্ভৱ হৈ উঠে দেশখনৰ নাগৰিকসকলৰ সহায়ত। আমি এইক্ষেত্ৰত ভাৰতবৰ্ষৰ কথা উল্লেখ কৰিব পাৰোঁ। পৃথিৱীৰ আন আন দেশৰ লগত ভাৰতবৰ্ষৰ অৰ্থনীতি তুলনা কৰিব নোৱাৰি। আমেৰিকা, ইংলেণ্ড, জাপান, কোৰিয়া আদি ৰাষ্ট্ৰসমূহৰ অৰ্থনীতি শক্তিশালী। ভাৰতবৰ্ষৰ জনমূৰি আয় অতি কম। জনসংখ্যা পৃথিৱীৰ ভিতৰত দ্বিতীয় হৈয়ো দেশৰ অৰ্থনীতিত কোনোধৰণে অৰিহণা যোগাব পৰা নাই। ভাৰতবৰ্ষৰ অধিক সংখ্যক লোকেই দাৰিদ্ৰতাৰ সীমাৰেখাৰ তলত। দাৰিদ্ৰ জনসাধাৰণক সীমাৰেখাৰ ওপৰলৈ আনিবলৈ ৰাষ্ট্ৰৰ শিক্ষানীতিৰ সফল প্ৰয়োগ হোৱাটো প্ৰয়োজন। কিন্তু ভাৰতবৰ্ষ এইক্ষেত্ৰত অপাৰগ। কাৰণ ভাৰতবৰ্ষৰ মুঠ আয়ৰ এক বৃজন অংশ নিচেই কমসংখ্যক লোকৰ ভিতৰত সীমাবদ্ধ হৈ আছে। শিক্ষা আৰু জীৱিকা দুয়োটাৰ মিল নথকা হেতুকে দেশৰ অধিক সংখ্যক যুৱক-যুৱতীয়ে কৰ্মহীনতাৰ  সমস্যাত ভুগিছে। শিক্ষা ব্যৱস্থাৰ মূল সুঁতিটো ভাগ কৰিছে যদিও প্ৰাপ্তবয়স্ক শিক্ষা, স্ত্ৰী শিক্ষা, বৃত্তিমূলক শিক্ষা আৰু প্ৰাথমিক শিক্ষাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিবলগীয়া হৈছে। শিক্ষা ব্যৱস্থাই বিশ্ববিদ্যালয়ৰ কেইখনমান প্ৰমাণপত্ৰৰ প্ৰতি আকৰ্ষণ কৰাতকৈ কৰ্মক্ষেত্ৰলৈ ধাৱমান হ'বপৰাকৈ যুৱক-যুৱতী প্ৰস্তুত কৰাৰ চেষ্টা কৰিব লাগিব। ভাৰতবৰ্ষ হ'ল জনসংখ্যাৰ ক্ষেত্ৰত পৃথিৱীৰ ভিতৰত দ্বিতীয় ৰাষ্ট্ৰ। পশ্চিমৰ দেশসমূহৰ জনসংখ্যা বৃদ্ধি হোৱা নাই হেতুকে দেশবোৰৰ আভ্যন্তৰীণ সমস্যাও কম। জনসংখ্যা বৃদ্ধিৰ অনুপাতে দেশত খাদ্য সামগ্ৰীৰ উৎপাদন বৃদ্ধি নহ'লে জটিল সংকটে দেখা দিয়াৰ সম্ভাৱনা দেখা যায়।

ৰাষ্ট্ৰসমূহৰ নিজস্ব উৎপাদন সামগ্ৰী নহ'লে আন দেশৰ পৰা আমদানি কৰিবলগীয়া হয়। তাৰবাবেই প্ৰয়োজন হ'ব দেশৰ শক্তিশালী আৰ্থিক অৱস্থা। অৰ্থনৈতিকভাৱে সক্ষম হোৱাৰ বাবে দেশৰ শিক্ষা ব্যৱস্থাই কৃষি উৎপাদনৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। জাতিটো পৃথিৱীত জীয়াই থাকিবলৈ হলে উৎপাদনক্ষম কৰ্মী প্ৰস্তুত কৰি শিক্ষাৰদ্বাৰা কৰ্মৰ প্ৰেৰণা জগাই তোলাৰ চেষ্টা কৰিব লাগিব।

এটা সুস্থ- সবল জাতি গঠন কৰিবলৈ হ'লে প্ৰত্যেকজন ব্যক্তিয়ে তেওঁলোকক নিজকে দেশাত্মবোধৰ ধাৰণাৰে উদ্বুদ্ধ কৰাব লাগিব। সমাজৰ হীন-নীচ, উচ্চ-মধ্যম আদি ভাবাবেগবোৰ আঁতৰ কৰাই  যিকোনো বৃত্তিৰ বাবে মানুহৰ মনত এক শক্তিশালী মনোভাব সৃষ্টি কৰা দৰকাৰ। বৰ্তমান শিক্ষা ব্যৱস্থাই যুৱকসকলক চহৰমুখী কৰি তুলিছে। এই চিন্তাধাৰা শিক্ষাৰ দ্বাৰা আতৰাব লাগিব আৰু গাঁও আৰু চহৰৰ ব্যৱধান নোহোৱা কৰি সুস্থ জাতীয়তাবাদ সৃষ্টি কৰাৰ প্ৰচেষ্টা চলাব লাগিব। এইক্ষেত্ৰত শিক্ষাৰ উদ্দেশ্য বহুল হোৱাৰ প্ৰয়োজন হ'ব।

ভাৰতবৰ্ষৰ শিক্ষাৰ প্ৰণালীটো ইংৰাজসকলৰ দ্বাৰা গঠিত আছিল বাবেই আজিৰ সকলো কৌশল ইংৰাজৰ ধ্যান-ধাৰণাৰ দ্বাৰাহি প্ৰচলিত হৈ আছে। ইয়াৰ ফলত শিক্ষিত আৰু অশিক্ষিত মানুহৰ মাজত ব্যৱধান যথেষ্ট দেখা যায়। আমি আগতেই কৈ আহিছো যে ভাৰতবৰ্ষ এখন জনবহুল দেশ। ইয়াত বিভিন্ন ভাষা-ধৰ্মৰ মানুহে নিৰ্বিবাদে বসবাস কৰি আছে।

ভাৰতীয় গণতন্ত্ৰ সুদৃঢ় কৰাৰ বাবে ইয়াৰ নাগৰিকসকল যত্নপৰ হোৱা উচিত আৰু তাৰবাবে ভাৰতীয় শিক্ষা ব্যৱস্থা গঢ় লৈ উঠা

দৰকাৰ। বিভিন্ন জাতি-উপজাতি আদিৰ বাসস্থান বিশাল ভাৰতবৰ্ষৰ মানুহৰ মাজত ঐক্য আৰু সংহতি স্থাপন কৰাটোৱে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ প্ৰধান লক্ষ্য হোৱা উচিত। এইবিষয়ে ভাৰতীয় জাতীয় শিক্ষা আয়োগত (১৯৬৪-৬৬) উল্লেখ কৰি কোৱা হৈছে যে আমাৰ এই বিচিত্ৰ দেশখনৰ কিছুমান সুকীয়া সমস্যা আছে। ইয়াত বিভিন্ন জাতি, ধৰ্ম, ভাষা আৰু সংস্কৃতিৰ মানুহ বাস কৰে আৰু এই সকলোৱে মিলি মহান ভাৰতীয় জাতি গঠন হৈছে। সেয়েহে দেশত 'অনৈকৰ মাজত ঐক্য' গঢ়ি তোলাটো আমাৰ জাতীয় শিক্ষাৰ মহান লক্ষ্য হোৱাটো বাঞ্চনীয়। বিভিন্ন প্ৰকাৰৰ ব্যক্তি গোট খাই ভাৰতবৰ্ষৰ ৰূপৰ বৈশিষ্ট্য নিৰ্ণয় কৰিছে। শিক্ষা ব্যৱস্থাই ৰাষ্ট্ৰীয় সংহতি সংৰক্ষণ কৰা আৰু বৃদ্ধি কৰাত এক বিশেষ ভূমিকা গ্ৰহণ কৰা দৰকাৰ।

সমাজ পৰিবৰ্তনশীল। মানুহৰ প্ৰয়োজনসমূহ পূৰণ কৰাৰ বাবে সদায় নিত্য-নতুন আৱিষ্কাৰ, উৎপাদন আদি হৈয়ে আছে। সামাজিক চিন্তাধাৰা, সামাজিক দৰ্শন আদিৰ প্ৰতিফলনৰ ফলত সমাজৰ গতিৰ পৰিবৰ্তন হ'বলৈ ধৰিছে। অতীতৰ সমাজ ব্যৱস্থা আৰু আজিৰ আধুনিক সমাজ ব্যৱস্থাৰ মাজত যথেষ্ট ব্যৱধান পৰিলক্ষিত হৈছে। সেয়েহে সমাজত আজি শিক্ষা ব্যৱস্থাৰ দায়িত্ব গধুৰ। বিভিন্ন দিশত প্ৰয়োজনীয় সামাজিক পৰিবৰ্তনৰ চিনাক্তকৰণ, সেইবিলাকৰ লগত জড়িত সমস্যাসমূহৰ উপলব্ধি আৰু সমাধানৰ ব্যৱস্থা শিক্ষাৰ দ্বাৰা কৰিব লাগিব। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশ আধুনিক সমাজত দিনক দিনে বৃদ্ধি হ'বলৈ ধৰিছে। বিজ্ঞানৰ অভিনৱ আৱিষ্কাৰে সমগ্ৰ পৃথিৱীতে জীৱন ধাৰণৰ প্ৰকৃতি সলনি কৰি দিছে। নতুন নতুন তথ্য আৱিষ্কাৰ হোৱাৰ লগে লগে প্ৰযুক্তিবিদ্যাই সেই তথ্যসমূহৰ প্ৰয়োগৰ ব্যৱস্থা কৰাত উৎপাদন বৃদ্ধি হ'ল। শিক্ষা ব্যৱস্থাই বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু উৎপাদনৰ মাজত সুসমন্বয় গঢ়ি তুলিব লাগিব, তেতিয়াহে দেশৰ উন্নতি সম্ভৱপৰ হ'ব।

জাতীয় বিকাশৰ ধাৰণাৰ লগে লগে ৰাষ্ট্ৰখনৰ ৰাজনৈতিক বিকাশৰ ব্যৱস্থাৰো অতি প্ৰয়োজন। এইক্ষেত্ৰতো শিক্ষাৰ এক গধুৰ দায়িত্ব আছে। শিক্ষা ব্যৱস্থাই এক গণতান্ত্ৰিক ৰাষ্ট্ৰ গঢ়ি তোলাত সহায় কৰিব লাগিব। সকলো নাগৰিকে সুনাগৰিকত্বৰ আদৰ্শ লৈ দেশৰ স্বাধীনতা আৰু অখণ্ডতা ৰক্ষা কৰাৰ জ্ঞান উপলব্ধি কৰিব লাগিব। নাগৰিকসকলৰ মাজত নিজৰ কৰ্তব্যবোধ, দায়িত্ব আৰু প্ৰাপ্যৰ প্ৰতি সজাগ কৰি তোলাৰ দায়িত্ব শিক্ষাই বহন কৰিব লাগিব। এই সকলোখিনি সম্ভৱ হৈ উঠিলেহে জাতীয় বিকাশ সম্ভৱ হ'ব। সেয়েহে জাতীয় বিকাশৰ বাবে শিক্ষাৰ প্ৰয়োজন খুব বেছি।

শিক্ষাৰ বিভিন্নজনে দিয়া লক্ষ্য সম্বন্ধে মতামত বিশ্লেষণ কৰি আমি বুজিবলৈ সক্ষম হলো যে শিক্ষাৰ প্ৰকৃত লক্ষ্য বুলি এবিধক ধৰি ল'ব নোৱাৰি। বিভিন্ন দিশত বিভিন্ন পৰিবেশত শিক্ষাৰ লক্ষ্যৰ ভিন্নতা পৰিলক্ষিত হয়। আনহাতে, যদিও শিক্ষাৰ লক্ষ্যৰ ভিন্নতা আছে তথাপি ইটোৰ লগত সিটোৰ বিৰোধ নাই। শিক্ষাৰ লক্ষ্যসমূহ সাধাৰণতে পৰস্পৰ সম্বন্ধিত আৰু ইয়াক স্থিৰ কৰোঁতে কেইবাটাও দিশৰ প্ৰতি লক্ষ্য ৰাখিবলগীয়া হয়। সেইবোৰ তলত উল্লেখ কৰা ধৰণৰ-

(ক) ব্যক্তিত্ব বিকাশৰ প্ৰতি প্ৰথমতে লক্ষ্য ৰখা উচিত।

(খ) শিশুৰ প্ৰসন্নশক্তিৰ বিকাশত গুৰুত্ব দিব লাগিব।

(গ) সমাজৰ সকলো শ্ৰেণীৰ ব্যক্তিৰ প্ৰয়োজন, অভাৱ পূৰণ কৰিব লাগিব।

(ঘ) সংস্কৃতি সংৰক্ষণৰ লগতে সমাজ সংৰক্ষণ কৰিব পৰাকৈ ব্যক্তি সৃষ্টি কৰিব লাগিব।

(ঙ) শিক্ষাৰ উদ্দেশ্য সফল কৰিবলৈ হলে প্ৰচলিত শিক্ষাৰ মূল নীতি গ্ৰহণ কৰিতাৰ সফল প্ৰয়োগ কৰিব লাগিব।

(চ) ব্যক্তি বিকাশৰ লগত সংগতি ৰাখি সমাজ তথা ৰাষ্ট্ৰ বিকাশত উদগনি যোগোৱাটোৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব।

(ছ) শিক্ষাই শিশুসকলৰ নৈতিক তথা আধ্যাত্মিক বিকাশত সহায় কৰিব লাগিব আৰু সুনাগৰিকৰ ধাৰণা যোগাব লাগিব।

উল্লেখিত সকলো দিশৰ প্ৰতি লক্ষ্য ৰাখিবলৈ হ'লে ভৱিষ্যতৰ বাবে শিক্ষাৰ লক্ষ্য এবিধ হ'ব নোৱাৰে। সকলো ব্যক্তিৰ বিকাশ সাধন কৰিবলৈ হ'লে নানাধৰণৰ লক্ষ্যৰ সহায় ল'ব লাগিব। ব্যক্তিৰ বৈষম্যতা দূৰ কৰি সুস্থ-সবল সুনাগৰিক গঢ়াৰ উদ্দেশ্যত উপনীত হ'বলৈ হ'লে প্ৰত্যেক ব্যক্তিকে একোটা নিৰ্দিষ্ট লক্ষ্যৰ প্ৰতি সজাগ কৰি তুলিব লাগিব। লক্ষ্যৰ প্ৰতি সজাগ হ'লেহে ৰাষ্ট্ৰৰ প্ৰগতি আৰু সমৃদ্ধি সম্ভৱপৰ হ'ব। আমি এইক্ষেত্ৰত আমেৰিকাৰ মাধ্যমিক শিক্ষা আয়োগে স্থিৰ কৰা কেইটামান লক্ষ্যৰ কথা উল্লেখ কৰিব পাৰোঁ। আয়োগে কৈছিল শিক্ষাৰ লক্ষ্য হ'ব লাগিব-

(ক) মানসিক আৰু শাৰীৰিক স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰখা।

(খ) লিখা-পঢ়া আদিৰ মাধ্যমত মৌলিক জ্ঞান আয়ত্ত কৰা।

(গ) নিজকে পৰিয়ালৰ উপযুক্ত সদস্য হিচাবে গঢ়ি তোলা।

(ঘ) নাগৰিকত্বৰ গুণ আয়ত্ত কৰা।

(ঙ) বৃত্তিমূলক শিক্ষা লাভ কৰি দক্ষতা নিৰ্ণয় কৰা।

(চ) নৈতিক চৰিত্ৰ শক্তিশালী কৰি গঢ়ি তোলা।

(ছ) অৱসৰ যাপনৰ শিক্ষা লাভ কৰি সময়ৰ সৎ ব্যৱহাৰ কৰা আদি।

আমি ভাৰতীয় শিক্ষাৰ ইতিহাস অধ্যয়ন কৰিলে দেখিবলৈ পাওঁ যে ১৯৫২ চনৰ মাধ্যমিক শিক্ষা আয়োগেও শিক্ষাৰ কেইবাটাও লক্ষ্যৰ কথা উল্লেখ কৰিছে। আয়োগৰ মতে শিক্ষাৰ লক্ষ্য তলত দিয়াধৰণৰ হ'ব লাগিব-

(ক) শিশুৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশ।

(খ) গণতান্ত্ৰিক নাগৰিকত্বৰ গুণ আহৰণৰ শিক্ষা ।

(গ) বৃত্তিমূলক শিক্ষা লাভ কৰাৰ লগতে উৎপাদনমূলক কাৰিকৰী দক্ষতা বৃদ্ধি কৰা।

(ঘ) সকলো পৰ্যায়তে নেতৃত্ব দানৰ শিক্ষা দিয়া।

(ঙ) চৰিত্ৰ গঠনৰ শিক্ষা দিয়া।

(চ) নৈতিক তথা আধ্যাত্মিক গুণৰ বিকাশ সাধন কৰা।

(ছ) জ্ঞানমূলক সামাজিক দক্ষতাৰ শিক্ষা লাভ কৰা।

(জ) সামাজিক সচেতনতা, সহনশীলতা, সহযোগিতা, শৃংখলাবোধ আদি গুণৰ বিকাশ সাধন কৰা।

ওপৰত উল্লেখ কৰা শিক্ষাৰ লক্ষ্যসমূহৰ উপৰিও আধুনিক শিক্ষাৰ দিশত আৰু কেইটিমান শিক্ষাৰ লক্ষ্য সংযোগ কৰিব পাৰি। প্ৰত্যেক শিশুকে পৰিয়ালৰ একোজন উপযুক্ত সদস্য কৰি গঢ়ি তুলিব লাগিব। এইক্ষেত্ৰত ঘৰ তথা পৰিয়ালসমূহৰ দায়িত্ব অতি গধুৰ। আধুনিক জগতত মানুহৰ কৰ্মব্যস্ততাৰ ফলস্বৰূপে ঘৰৰ মাধ্যমত এই শিক্ষা দিব নোৱাৰা হৈছে। সেয়েহে এই শিক্ষাৰ দায়িত্ব আধুনিকবিদ্যালয়সমূহে ল'বলগীয়া হৈছে। ইয়াৰ লগতে আহৰি সময়বোৰৰ সৎ ব্যৱহাৰ কৰাৰ বাবেও শিক্ষাৰ লক্ষ্য স্থিৰ কৰিবলগীয়া হৈছে। নানাধৰণৰ অনৌপচাৰিক শিক্ষাৰ অনুষ্ঠান গঢ়ি তুলি সহপাঠ্যক্ৰমিক কাৰ্যসূচীৰ মাধ্যমত অৱসৰ যাপনৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগিব।

মাধ্যমিক শিক্ষা আয়োগৰ পিছত আমি ১৯৬৪ চনৰ জাতীয় শিক্ষা আয়োগত ড° কোঠাৰীয়ে উল্লেখ কৰা শিক্ষাৰ লক্ষ্যসমূহ এইক্ষেত্ৰত উল্লেখ কৰিব পাৰি। এই আয়োগে দেশৰ সামাজিক, ৰাজনৈতিক আৰু অন্যান্য দিশসমূহৰ বিষয়ে অধ্যয়ন কৰি শিক্ষাক জাতীয় বিকাশৰ বাবে প্ৰয়োগ কৰাৰ কথা উল্লেখ কৰিছে। আয়োগে তলত দিয়া লক্ষ্যসমূহ প্ৰয়োগ কৰিলে ভাৰতবৰ্ষ এখন সৰ্বাংগ সুন্দৰ ৰাষ্ট্ৰ হিচাবে পৰিগণিত হ'ব বুলি উল্লেখ কৰিছে। লক্ষ্যবোৰ হ'ল-

(ক) বিজ্ঞান শিক্ষাক সংস্কৃতিৰ এটা মূল উপাদান হিচাবে ল'ব লাগিব। কৰ্ম অভিজ্ঞতা সাধাৰণ শিক্ষাত সন্নিবিষ্ট কৰিব লাগিব। মাধ্যমিক শিক্ষাক বৃত্তিমূলক কৰি তুলিব লাগিব।

(খ) দেশৰ জনসাধাৰণক সমান ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক সুবিধা দান কৰি সামাজিক আৰু ৰাষ্ট্ৰীয় সংহতি স্থাপন কৰিব লাগিব ।

(গ) দেশৰ ভৱিষ্যতৰ ওপৰত জনসাধাৰণৰ বিশ্বাস জন্মাব লাগিব আৰু জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত হ'ব লাগিব।

(ঘ) শিক্ষাৰ দ্বাৰা নাগৰিকত্বৰ মূল্যবোধ জগাই তুলিব লাগিব আৰু উত্তম নিৰপেক্ষ শাসনৰ প্ৰতিশ্ৰুতি দিব পাৰিব লাগিব।

(ঙ) শিক্ষা সকলোৰে বাবে ধাৰণাৰ দ্বাৰা উদ্বুদ্ধ কৰাই ৰাজ্যহ্বৰা শিক্ষা ব্যৱস্থা কৰিব লাগিব। ইয়াৰ লগতে সকলো ভাষাৰ উন্নতি সাধনৰ ব্যৱস্থা কৰি হিন্দী ভাষাৰ উন্নতি সাধনৰ ব্যৱস্থা কৰি হিন্দী ভাষাক ৰাষ্ট্ৰীয় ভাষাৰ মৰ্যদা দিব লাগিব। ইয়াৰ দ্বাৰা জাতীয় চেতনা বঢ়াই গণতান্ত্ৰিক মূল্যবোধ আৰু আন্তৰ্জাতিক ভাবধাৰা জগাই তুলিব লাগিব।

(চ) শিক্ষাক আধুনিকীকৰণ কৰাৰ বাবে সকলো প্ৰকাৰৰ চেষ্টা চলাব লাগিব আৰু নতুন নতুন জ্ঞানৰ সন্ধানৰে পুৰণি পৰিহাৰ কৰি নতুন জ্ঞানৰ বিস্ফোৰণ কৰিব লাগিব। ইয়াৰ বাবে বিশ্ব প্ৰগতিৰ লগত সামঞ্জস্য ৰাখি শিক্ষা পদ্ধতি, পাঠ্যক্ৰম, পৰীক্ষা পদ্ধতিৰ আমূল পৰিৱৰ্তন সাধন কৰিব লাগিব।

(ছ) শিশুসকলক ভৱিষ্যতৰ উপযুক্ত নাগৰিক হিচাবে গঢ়ি তুলিবলৈ সকলো শিক্ষানুষ্ঠানতে নৈতিক, আধ্যাত্মিক আৰু সামাজিক শিক্ষাদানৰ ব্যৱস্থা কৰি শিক্ষানুষ্ঠানৰ পৰিৱেশ সৰ্বাংগসুন্দৰ কৰি তোলাটো প্ৰয়োজন হ'ব। তেতিয়াহে দেশৰ ভৱিষ্যত নাগৰিকসকলৰ মনত নৈতিক আৰু আধ্যাত্মিক ধাৰণাৰ উদয় হ'ব আৰু দেশৰ সমৃদ্ধিয়ে জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰি সামাজিক আৰু ৰাজনৈতিক ভাবধাৰাৰ উন্নতি সাধন কৰিব। ✦

---

*লেখক- অৱসৰী অধ্যক্ষ, নিৰ্মল হালৈ মহাবিদ্যালয় আৰু সভাপতি, বৰভাগ মহাবিদ্যালয় প্ৰশাসনিক সমিতি।*

# সংগীত আৰু ইছলাম সমাজত সংগীতৰ প্ৰভাৱ



চৈয়দ মফিজুদ্দিন আহমেদ হাজৰিকা

হিন্দু শাস্ত্ৰত আছে- 'ন বিদ্যাত সংগীত পৰা'

অৰ্থ্যাৎ সংগীততকৈ কোনো বিদ্যা শ্ৰেষ্ঠ নহয়। এইটো সত্য উক্তি কাৰণ সংগীতক বেয়া পোৱা বা সংগীতৰ প্ৰতি আকৰ্ষণ নথকা মানুহ পৃথিৱীত নাই। আনকি জীৱজন্তুক সংগীতে আকৰ্ষিত কৰে। মানৱ জাতিক বিমল আনন্দ আৰু শান্তি প্ৰদান কৰে আৰু দীৰ্ঘজীৱিকৈ ৰাখে। কাৰণ সংগীত স্বৰ্গীয় সম্পদ। সংগীতত নিহিত আছে যাদুকৰী শক্তি। সংসাৰ মৰুভুমিত গান সৰোবৰ। আকৌ সংগীতৰ মনীষী সকলে কৈছে-

সাহিত্য সংগীত কলাবিহীনঃ

সাক্ষ্যত পশু পুচ্ছ বিষাণ হীনঃ

অৰ্থাৎ- সাহিত্য সংগীত আৰু শিল্প বিদ্যা নজনা মানুহ নেজ আৰু শিংহীন সাক্ষাত পশু বিশেষ।

সংগীত- গীতং বাদ্যং তথা নৃতং ত্ৰয় সংগীত মুচ্যতে। গীত, বাদ্য, নৃত্য এই তিনিটা কলাৰ সমাবেশত সৃষ্টি হয় সংগীতৰ। ইয়াৰ উত্তম হ'ল কণ্ঠ সংগীত অৰ্থাৎ গান। মাধ্যম হল যন্ত্ৰ সংগীত, পিছত নৃত্য। সংগীত এটা শব্দ যত নিহিত আছে ত্ৰিশক্তি। গীত, বাদ্য, নৃত্য ইয়াক কোৱা হয় ত্ৰিশক্তি- এই শক্তিৰ মাজত নিহিত আছে সুৰ। আৰ্য সৃষ্টি সকলৰ সুৰ ব্ৰহ্ম। এই বিনন্দীয়া পৃথিৱীখন সুৰেৰে ঝংকাৰিত। সংগীত সেয়েহে স্বৰ্গীয় সম্পদ। সংগীতৰ সৃষ্টি পবিত্ৰ বেদৰ শ্ৰেষ্ঠা ব্ৰাহ্মণৰ দ্বাৰা সংগীত উৎপত্তি। ব্ৰহ্মাই শিৱক, শিৱ সৰস্বতীক, সৰস্বতীয়ে নাৰদক নাৰদে স্বৰ্গৰ অপেশ্বৰী সকলক শিকায়। পিছত তেওঁলোক পৃথিৱীলৈ প্ৰৱেশ কৰি সংগীত প্ৰচাৰ কৰে।

সংগীত বিদ্যা- ১৮ বিদ্যাৰ ভিতৰত সংগীত বিদ্যা শ্ৰেষ্ঠ বিদ্যা। ৬৪ বিধ কলাৰ ভিতৰত সংগীত কলা শ্ৰেষ্ঠ কলা।

নৃত্য - তাল, মান, নিলয়, ভাব, অভিনৱ, ৰস, হস্ত, মুদ্ৰা, ছন্দ থকা নাচক নৃত্য বোলে।

বাদ্য - নৃত্য বাদ্যৰ আৰ্বিন। বাদ্য চাৰি প্ৰকাৰ - তবাদ্য- তাৰ যুক্ত বাদ্যক তবাদ্য বোলে। ঘনবাদ্য- ধাতুৰ নিৰ্মিত বাদ্যক ঘন বাদ্য বোলে। সুষিৰ বাদ্য- ফুঁদি বা মুখেৰে বজোৱা বাদ্যক সুষিৰ বাদ্য বোলে। অবনদ্ধ বাদ্য - চামৰা যুক্ত বাদ্য বা চামৰাৰে নিৰ্মিত বাদ্যক অবনদ্ধ বাদ্য বোলে। ইয়াৰ বাহিৰেও আধুনিক বাদ্য বহু প্ৰকাৰৰ আছে যিবোৰ সংগীত পৰিৱেশণত ব্যৱহাৰ কৰা হয়।

গীত- Love the hearts affair is well expresing in songs. প্ৰেম, ভালপোৱা হৃদয়ৰ অনুভূতি আদি সংগীতত সুন্দৰভাৱে প্ৰকাশ পায়। আনহাতে সম্যকৰূপে যিবোৰ গীত হয় তাকেই গীত বোলে। কিন্তু যিকোনো প্ৰকাৰগীত গালে সংগীত হ'ব নোৱাৰে বা নহয়। প্ৰকৃত তাল, মান, লয় মাত্ৰা ছন্দ সমন্বিতে গীতকহে সংগীত বোলে। সংগীত এনেকুৱা সৃষ্টি যাৰ বিনিময়ত পৰমেশ্বৰৰ কৰুণা লাভ কৰিব পাৰে বুলি সঙ্গীতজ্ঞ সকলে বিশ্বাস কৰে। ইয়াৰ প্ৰকৃত প্ৰমাণ কালজয়ী সঙ্গীতজ্ঞ সকলৰ - মীৰাবাই, সুৰদাস, জয়দেৱ আৰু ৰামপ্ৰসাদ দাস আদি ।

ব্ৰহ্মাই সৃষ্টি কৰা সংগীতক মাৰ্গীয় সংগীত বোলে। হিন্দুস্থানী সংগীত আৰু দেশীয় সংগীত। মূলতঃ এইবোৰ সংগীত ধাৰা। ভাৰতীয় সংগীতৰ মাজত লয়, ছন্দ আৰু তালৰ যি সমন্বয় সি পৃথিৱীৰ কোনো দেশতে পোৱা নাযায়। ভাৰতীয় সংগীত সাধক হৰিদাস ঠাকুৰ, বৈজু বাওৰা, তানসেন আদি গায়ক সকলে গীত গাই ৰাগ ৰাগিনীত মুৰ্ত্ত হৈ প্ৰকৃতিৰ বুকুত পৰিবৰ্তন ঘটাইছিল। তানসেনৰ দীপক ৰাগে জ্বলাইছিল অগ্নি শিখা, মেঘ ৰাগত আকাশত পৰা পানী সৰি পৰিছিল, বসন্ত ৰাগে হাবিত ফুল ফুলাইছিল আৰু বেহাগ ৰাগত শিলো দ্ৰবীভূত হৈছিল।

চৰ্চা আৰু সাধনাই সংগীত অৰ্থাৎ 'চৰ্চানাম লভ্যতে জ্ঞানম' অৰ্থাৎ যিকোনো বিদ্যা লাভ কৰিবলৈ হলে চৰ্চা, সাধনা বা

অনুশীলন কৰিবই লাগিব। কাৰণ সাধনাই সংগীত।

গীত বুলিলে তাত নিহিত আছে মনোমুগ্ধকৰ সুৰ। ধ্বনিৰ নাম হ'ল সুৰ বা স্বৰ। সুৰ বা স্বৰ সাতটা। সুৰ সংগীতৰ অলংকাৰ। এই সাত সুৰৰ প্ৰত্যেকৰে একোটা নাম আছে যেনে - ষড়জ, ঋষভ, গান্ধাৰ, মাধ্যম, পঞ্চম, ধৈবত নিষধ সংক্ষেপে সাতটি স্বৰৰ নাম স, ৰ, গ, ম, প, ধ, ন। অৰ্থাৎ সা, ৰে, গা, মা, পা, ধা, নি। নিৰ্মল সুৰ সাধনাত সংগীত।

ইছলামত সংগীতৰ স্থান - ইছলামত গোড়া ভক্তসকলে সংগীতৰ খুব ভালে চকুৰে নাচায়। একধৰণৰ গোড়া ভক্ত সকলে সংগীতক ঘৃণা কৰে। বিশ্বৰ সকলো প্ৰকাৰৰ কলা সংস্কৃতিয়ে সভ্যতা বিস্তাৰৰ হেতু, এই সকল ভক্তই স্বীকাৰ কৰিব নোখোজে। তেওঁলোকে কব খোজে টি ভি বা দূৰদৰ্শনক শয়তানৰ বাকচ বুলি। প্ৰাক্তন ৰাজ্য সভাৰ সদস্য, সাহিত্যাচাৰ্য্য বৰেণ্য শিক্ষাবিদ কথা শিল্পী, গল্প সম্ৰাট চৈয়দ আব্দুল মালিক চাহাবে ১৯৯১ চনত মক্কালৈ হজ কৰিবলৈ গৈছিল ভাৰতৰ পৰা এগৰাকী প্ৰতিনিধি হিচাবে। মক্কাত থকা অট্টালিকা সদৃশ সাত মহলীয়া 'ৰবিতা গেষ্ট হাউচত থাকিব দিছিল। সুন্দৰভাৱে সুসজ্জিত আহল-বহল কোঠালিবোৰ। প্ৰত্যেক কোঠালিত একোটাকৈ কলাৰ টিভি চেট আছে। যেতিয়া যাৰ যি অনুষ্ঠান চাবৰ মন যায় চাব পাৰে (বালি আৰু বেলি আৰু জমত প্ৰকাশিত)। কোৱা বাহুল্য যে, এক শ্ৰেণীৰ গোড়া ভক্তই টিভিক ঘৃণা কৰে।

চুফী আৰু দৰবেশ সকলে সংগীতক আৰধণাৰ অঙ্গ বুলি ভাবে। সংগীতৰ পৰা হাল (ভক্তি) সৃষ্টি হয়। প্ৰসিদ্ধ আৰব দাৰ্শনিক আল গজলীয়ে কৈছে- হাল মনৰ যি অৱস্থা সি সংগীতৰ পৰা সৃষ্টি হয়। সংগীতৰ পৰা যি হাল সৃষ্টি হয় কোৰাণ পঢ়িও সেইখিনি নহয়।

আন এগৰাকী আৰব দাৰ্শনিক অল কিন্দাই লিখিছিল- সংগীত কাৰোবাৰ ওচৰত শৰব আৰু কাৰোবাৰ ওচৰত গিজা(পুষ্টিকৰ খাদ্য) আন এজন সংগীতজ্ঞ অল হকীম সীমাই কৈছে- সংগীত বেমাৰৰ ঔষধ।

গোড়া ইছলামৰ ভক্তসকলে সংগীতক বেয়া চকুৰে চালেও আৰব জগত সংগীতত পিছ পৰি থকা নাই। সংগীতৰ আৰবী বৈজ্ঞানিক মৰিকীৰ জন্ম নৱম শতিকাৰ শেষ ভাগত। ইংৰাজী 'মিউজিক শব্দ তাৰ পৰাই আহিছে বুলি সংগীতজ্ঞ সকলে মত পোষণ কৰিছে। আৰবদেশত সংগীত সম্বন্ধে প্ৰায় এশৰো অধিক কিতাপ ৰচিত হৈছিল। আৰবৰ জনপ্ৰিয় কেইজনমান সংগীত বৈজ্ঞানিকৰ নাম প্ৰকাশ কৰা হ'ল- তেখেতসকল হ'ল- অল মচুদী, অল ইস্পাহানি, ইবন খালিদুনি। এই সকল সংগীত বৈজ্ঞানিকক আৰব জগতে সংগীতৰ দিবান(বস্তি) বুলি কৈছে।

আৰবী সংগীতত পৰিবেশন হৈছিল বিভিন্নধৰণৰ সংগীত যেনে- কসীদা, জগল, মওৱাল, জালদ আৰু মুবাশশাহ আদি গানত সপ্তক সুৰত পৰিবেশন কৰিছিল। সংগীত ব্যৱহাৰিত আৰবী বাদ্য যন্ত্ৰসমূহ- অলউদ(প্ৰায় চেতাৰৰ দৰে) তবুৰ(তম্বুৰা), কানুন (সৰোদৰ দৰে) কচঁবা (বাঁহী) তবলউফ আৰু কাদীব প্ৰসিদ্ধ।

ভাৰতীয় সংগীতৰ স্বৰলিপি- সা, ৰে, গা, মা, পা, ধা, নি

আৰবিক স্বৰলিপি- ডো, ৰে, মী, ফ, সাল, সি

ইয়ক, দো, গে, চাৰ, পঞ্জ, শষ, হফত

মীম, ফেউ, সাদ, লাম, সীন, দাল, ৰে।

ভাৰতৰ সংগীত জগতত ইচলাম ধৰ্মী সংগীতজ্ঞসকলৰ যি কালজয়ী সংগীত সাধনা কলা কৌশলীসকলৰ যি অৱদান তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে বৰং গৌৰৱবোধহে কৰে।

পৰিশেষত কও যে ময়ো এগৰাকী ইচলামীয় কলা সংস্কৃতিৰ সাধক। ১৯৮৫ চনতে বৰভাগ ৰাইমাধা ইচলামীয় কলাসংস্কৃতিৰ এটি সংঘ গঠন কৰিছিলো। তাৰে বেনাৰত বৃহত্তৰ বৰভাগ অঞ্চলৰ বিহু মঞ্চত দলীয়ভাৱে জিকিৰ আৰু জাৰী গীত পৰিৱেশণ কৰিছিলো। স্থানীয় স্কুল, কলেজ, সাহিত্য সভা আদিৰ সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰি জিকিৰ আৰু জাৰী গীত পৰিৱেশণ কৰিছিলো। যোৱা ২০১৪ চনত অনুষ্ঠিত হোৱা বৰভাগ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীত সাংস্কৃতিক শোভাযাত্ৰাত অংশ গ্ৰহণকৰি জিকিৰ আৰু জাৰী গীত পৰিৱেশণ কৰিছিলো। সাংস্কৃতিক সন্ধিয়াত জাৰী গীত পৰিবেশন কৰি শ্ৰোতা দৰ্শকৰ পৰা প্ৰসংশা লাভ কৰিছো। গুৱাহাটী দূৰদৰ্শনতো এটি জাৰী গীত পৰিৱেশণ কৰিছিলো। গুৱাহাটী গৌৰী সদনত অনুষ্ঠিত হোৱা 'সদৌ অসম জন সাংস্কৃতিক পৰিষদ' ত জিকিৰ আৰু জাৰী গীত পৰিৱেশণ কৰিছিলো। উক্ত অনুষ্ঠানটিৰ মাননীয় সভাপতি বিশ্বৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ পৰা প্ৰশংসাপত্ৰ লাভ কৰিছিলো লগতে বিশিষ্ট অতিথি হিচাপে সভাত অংশ গ্ৰহণ কৰিছিলো। প্ৰায় চাৰি দশক ধৰি ইচলামীয় কলা সংস্কৃতিৰ সাধনা কৰি আছো। সাহিত্য যেনেকৈ জাতিৰ দাপোণ, সংস্কৃতিও তেনেকৈ জনজীৱনৰ এখন নিমজ চিত্ৰ। সংস্কৃতিক স্বকীয় মহিমাৰে বিশ্বজনীন কৰি তুলিবৰ বাবে, বিশ্ববিখ্যাত নিগ্ৰো শিল্পী পল ৰ'বছনৰ সুৰতে সুৰ মিলাই গাওঁ আহক- 'উই আৰ অন দি ছেম বোট ব্ৰাডাৰ- আমি একেখন নাৱৰেই যাত্ৰী। আমাৰ লক্ষ্য, শান্তি-সম্প্ৰীতি, সংহতি আৰু প্ৰগতি। ✦

---

*লেখক- অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক, কমাৰকুছি উত্তম চন্দ্ৰ উচ্চ বুনিয়াদী বিদ্যালয়। আজীৱন সদস্য, অসম সাহিত্য সভা, সভাপতি, বৰভাগ শাখা সাহিত্য সভা ।*

# স্মৃতিৰ জলঙাৰে
# মোৰ সেৱাৰ থলী ঃ বৰভাগ কলেজ

ৰজত চন্দ্ৰ কলিতা

(লেখাটিৰ শিৰোনামত বৰভাগ মহাবিদ্যালয় নিলিখি বৰভাগ কলেজ লিখা হৈছে। এই মহান শিক্ষা স্থলীৰ প্ৰস্তাৱনাও হৈছিল কলেজ নামেৰেহে। এই নামেৰেই কলেজৰ বিভাগীয় সকলো কাম কাজ সম্পন্ন হৈছিল আৰু নাম ফলকো আছিল 'বৰভাগ কলেজ' বুলিহে। মহাবিদ্যালয় শব্দৰ প্ৰচলন বহু পিছত, পূৰ্বৰ নামফলকখন পুৰণি হোৱাত নতুনকৈ নামফলক তৈয়াৰ কৰোতে কলেজৰ সলনি মহাবিদ্যালয় শব্দটো প্ৰয়োগ কৰা হয়। কলেজ শব্দৰ অসমীয়া ৰূপান্তৰ মহাবিদ্যালয়ৰ প্ৰচলন নিতান্তই শলাগিবলগীয়া।)



১৯৬৩ চন, আমি তেতিয়া আমাৰ হেঁপাহৰ বৰভাগ কালাগ হাইস্কুল (উচ্চতৰ মাধ্যমিক বিদ্যালয় তেতিয়া হোৱা নাছিল) ৰ ৫ম শ্ৰেণীৰ ছাত্ৰ। সেই চনৰে ডিচেম্বৰ মাহৰ মাজভাগত স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰচাৰ হৈছিল- বৰভাগত এখন কলেজ হ'ব। আমাৰ উলাহৰ অন্ত নাই, কাৰণ বান বিধ্বস্ত বৰভাগত কলেজ হব- এয়া এক নভৱা নিচিন্তা কথা। কিন্তু চিন্তা কৰিছিল বৰভাগৰ এচাম বিদ্যোৎসাহী নাগৰিকে। সেই নমস্য ব্যক্তিসকলে এনে চিন্তা কৰিয়েই ১৯৬৩ চনৰ ১২ ডিচেম্বৰ তাৰিখে বৰভাগ কালাগ হাইস্কুলত এখন সভা পাতি আৰু সেই সভাতেই সৰ্বসন্মত প্ৰস্তাৱ গ্ৰহণ কৰি বৰভাগ কলেজৰ বীজ অঙ্কুৰিত কৰিছিল। বিশ্ববিদ্যালয়ৰ বিশেষ উচ্চ ডিগ্ৰী নথকা মহান বিদ্যানুৰাগী বৰভগীয়াসকলে চিন্তা কৰিছিল, আমাৰ অঞ্চলত শিক্ষাৰ দ্ৰুত সম্প্ৰসাৰণ কিদৰে কৰিব পাৰি। শিক্ষাৰ মূল অনুধাৱন কৰিব পৰা সেই সমাজ সচেতন ব্যক্তিসকলে প্ৰতিবছৰে বানপানীয়ে জুৰুলা কৰা বৰভাগৰ কৃষিজীৱি লোকসকলৰ আৰ্থিক দুৰাৱস্থাৰ কথা উপলব্ধি কৰিছিল। তেনেক্ষেত্ৰত চহৰত থাকি মুষ্টিমেয় কেইটিমান পৰিয়ালৰ ছাত্ৰ বা ছাত্ৰীয়েহে উচ্চশিক্ষা গ্ৰহণৰ সুযোগ পাইছিল। আকৌ বানে বিধ্বস্ত কৰা বৰভাগৰ জৰাজীৰ্ণ বাট-পথৰ বাবে আগ্ৰহী দুই-এজন ছাত্ৰই ওচৰৰ নলবাৰী কলেজত চাইকেলৰে গৈ অধ্যয়ন কৰিছিল যদিও, ছাত্ৰীসকল কলেজত পঢ়াৰ পৰা বঞ্চিত হৈছিল। কাৰণ সেই সময়ত ছোৱালীয়ে চাইকেল চলোৱা কথাটো আছিল অকল্পনীয়, আনকি মহিলাই চলোৱা চাইকেলৰো প্ৰচলন নাছিল। সেয়েহে বৰভাগৰ কলেজ স্থাপনৰ বাবে এচাম লোকে মৰসাহ কৰি মাৰবান্ধি ওলাই আহিছিল।

১৯৬৪ চনটো বিভিন্ন প্ৰস্তুতিৰ মাজেদিয়ে অতিবাহিত হৈছিল, মাজতে কলেজ প্ৰতিষ্ঠাৰ বাবে স্থান নিৰ্বাচনৰ ক্ষেত্ৰত আৰম্ভ হৈছিল মনোমালিন্য। সেয়েহে উপযুক্ত স্থান নিৰ্বাচনৰ বাবে এখন সমিতি গঠন কৰি দিয়া হৈছিল আৰু সমিতিখনে বৰ্তমান কলেজ থকা ঠাইখিনিকে উপযুক্ত বুলি ঘোষণা কৰিছিল। আমি শুনামতে ইয়াতে এচাম লোক ক্ষুন্ন হৈ তেওঁলোকে কলেজৰ বাবে দিয়া বৰঙণিও ঘুৰাই লৈছিল। তথাপিও উদ্যমী বৰভগীয়া যোগ কৰিলে। দৰাচলতে কবলৈ গলে, বৰভাগ কলেজ প্ৰতিষ্ঠাৰ প্ৰস্তুতিয়ে বৃহত্তৰ বৰভাগত এক আলোড়নৰ সৃষ্টি কৰিছিল। অৱশ্যে দুই এগৰাকী সমালোচকে বিতৰ্কিত মন্তব্যও নকৰাকৈ থকা নাছিল। কথাপ্ৰসংগতে কালাগ হাটখোলাৰ এগৰাকী

ব্যৱসায়ীয়ে মোৰ সন্মুখতে আন এজন ব্যক্তিক কৈছিল- বৰভাগত কলেজ ক'ত হবহে, সেইখনৰ নাম হৰেন কলেজহে কৰিব লাগিব কাৰণ সেইসময়ত কলেজৰ প্ৰস্তুতি সমিতিৰ সম্পাদক আছিল প্ৰয়াত মাননীয় ড°হৰেন কলিতা। (বক্তাগৰাকীৰ নাম উল্লেখ নকৰিলোঁ, তেখেতেও কাহানিবাই নশ্বৰদেহ ত্যাগ কৰিছে।) কলেজৰ বাবে পুঁজি সংগ্ৰহ কৰিবলৈ উদ্যোক্তাসকলে বৰভাগ তথা অসমৰ বিভিন্ন ঠাইত চাকৰি কৰা বৰভগীয়াসকলৰ পৰা বৰঙনি সংগ্ৰহ কৰিছিল। খেতিয়কসকলৰ পৰা পুহ, মাঘমাহত ধান সংগ্ৰহ কৰা হৈছিল। এইখিনিতে উল্লেখ কৰিব লাগিব যে, বৰভাগৰ বহু মানুহে হাজো মৌজাকে ধৰি বিভিন্ন মৌজাৰ বিভিন্ন গাৰত পাম পাতি খেতি-বাতি কৰিছিল। দুৰ্গম বাট-পথলৈ ভ্ৰূক্ষেপ নকৰি উদ্যোক্তাসকলে চাইকেল নাইবা পদব্ৰজে সেইবিলাক ঠাইলৈ গৈও খেতিৰ ধান সংগ্ৰহ কৰিছিল। বৰভাগ কলেজ স্থাপনত বৰভাগৰ প্ৰতিঘৰ মানুহৰে অলপ হলেও বৰঙনি জড়িত থকা বুলি কব লাগিব। আনকি দুখীয়া বাৰী বিধবাবো। কাৰণ কলেজৰ বাবে গাঁৱে গাঁৱে বৰঙনি আৰু বাঁহ সংগ্ৰহ কৰা হৈছিল আৰু কোনোৱে এইক্ষেত্ৰত বিমুখ কৰা নাছিল। বৰ্তমান বৰভাগ কলেজৰ আন্তঃগাঁথনি যথেষ্ট উন্নত হৈছে, কিন্তু প্ৰতিষ্ঠা কালত বৰভগীয়া উদ্যোক্তাসকলৰ যি শ্ৰম, নিষ্ঠা আৰু ত্যাগ সেই কথা আমি চিৰকালেই শ্ৰদ্ধাৰে সুঁৱৰিবই লাগিব।

অবশেষত ১৯৬৫ চনৰ কোনো এটি শুভদিনত বৰভাগ কলেজৰ পাঠদান আৰম্ভ হ'ল- স্থান বৰভাগ কালাগ হাইস্কুল। কাৰণ সেই সময়ত বৰভাগ কলেজৰ বাবে নিৰ্বাচিত ঠাইখিনি খেতি পথাৰ হৈয়ে আছিল, ঘৰ দুৱাৰ দূৰৰে কথা। কলেজৰ পাঠদান আৰম্ভৰ সময়ত আমি ৭ম শ্ৰেণীৰ ছাত্ৰ। স্কুলৰ পাঠদান আৰম্ভ হোৱাৰ আগতে ৰাতিপুৱা সম্ভৱতঃ ৬-৩০ বজা মানৰ পৰা বৰভাগ কলেজৰ পাঠদান আৰম্ভ হৈছিল। আমাৰ বৰভাগ হাইস্কুলৰ পাঠদান আৰম্ভ হৈছিল ১১ বজাত।

অসমীয়া বিভাগৰ প্ৰথম গৰাকী অধ্যাপক (পিছলৈ ভাৰপ্ৰাপ্ত অধ্যক্ষৰূপে অবসৰ গ্ৰহণ কৰে।) মাননীয় দণ্ডধৰ চক্ৰৱৰ্তীদেৱে কোৱা মতে তেখেতেই হোনো কলেজৰ প্ৰথম শ্ৰেণীটোত অসমীয়া বিষয়ত পাঠদান কৰিছিল। মাজে সময়ে আমি স্কুলৰ কিছুমান ছাত্ৰই অলপ সোনকালে স্কুলত উপস্থিত হৈ কলেজৰ পাঠদান কৰা শ্ৰেণীকোঠাৰ সন্মুখত জুম বান্ধি ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক সকলক জুমি জুমি চাইছিলো আৰু এই কাৰ্যৰ বাবে আমি আমাৰ বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰয়াত ললিত চন্দ্ৰ দাসদেৱৰ পৰা ধমকিও খাবলগীয়া হৈছিল। আমাৰ হাইস্কুলৰ পশ্চিমফালৰ একেবাৰে দক্ষিণৰ কোঠালীটো বৰভাগ কলেজৰ অধ্যক্ষৰ কাৰ্যালয় হিচাবে ব্যৱহাৰ কৰা হৈছিল(পুখুৰী পাৰৰ পশ্চিমৰ ঘৰটো সেই সময়ত নাছিল, পিছতহে সজোৱা হৈছে)। সেই সময়ত ভাৰপ্ৰাপ্ত অধ্যক্ষৰূপে আসন অলংকৃত কৰিছিল প্ৰয়াত কনক চন্দ্ৰ হালৈদেৱে (পৰৱৰ্তী সময়ত বৰভাগ কলেজৰ স্থায়ী অধ্যক্ষ প্ৰয়াত গোপাল চন্দ্ৰ কলিতাদেৱৰ অৱসৰৰ পিছত হালৈদেৱে স্থায়ী অধ্যক্ষৰূপে চাকৰি কৰি অৱসৰ গ্ৰহণ কৰে)। এইখিনিতে উল্লেখ কৰিব লাগিব যে, এগৰাকী বহিঃৰাজ্যৰ ব্যক্তি শিউ নন্দন গিৰিক কলেজ পৰিচালনা সমিতিয়ে স্থায়ী অধ্যক্ষপদত মকৰল কৰিছিল যদিও দুই তিনিমাহমান চাকৰি কৰাৰ অন্তত বৰভাগত বানপানীৰ তাণ্ডৱলীলা দেখি ঘৰলৈ গৈ পুনৰ উভতি নাহিল। ফলত কনক চন্দ্ৰ হালৈ আৰু প্ৰয়াত গোপাল চন্দ্ৰ কলিতাদেৱে ভাৰপ্ৰাপ্ত অধ্যক্ষৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। এই সময়ছোৱাতে উদ্যোক্তাসকলে গভীৰভাৱে উপলব্ধি কৰিছিল যে অধ্যক্ষৰ আসনত যদি এগৰাকী স্থায়ী অধ্যক্ষ নাথাকে তেন্তে কলেজৰ বিকাশ সম্ভৱ নহয়, আৰু এগৰাকী বৰভগীয়াক সেই আসনত বহুৱাটোহে সমীচিন হব। এনে চিন্তা চৰ্চাৰেই সেইসময়ত বিলাসীপাৰা কলেজত বুৰঞ্জী বিভাগত অধ্যাপকৰ চাকৰি কৰা বৰভাগৰ সন্তান (পাণ্ডুলাঃ কমাৰতোলা) প্ৰয়াত গোপাল চন্দ্ৰ কলিতাক স্থায়ী অধ্যক্ষৰূপে নিযুক্তি দিয়া হৈছিল। প্ৰকৃততে তেতিয়াৰ পৰাই অধ্যক্ষ কলিতাদেৱৰ শ্ৰম আৰু একাগ্ৰতাৰ ফলত বৰভাগ কলেজৰ সকলো দিশতে অগ্ৰসৰ ত্বৰান্বিত হ'বলৈ ধৰে। এইক্ষেত্ৰত কলেজ পৰিচালনা সমিতি আৰু বৰভগীয়া ৰাইজেও কলিতাদেৱক যথাযোগ্য সহযোগিতা আগবঢ়াইছিল।

১৯৬৬ চনৰ ১৩ মাৰ্চ তাৰিখে বৰভাগ কলেজৰ স্থায়ীভৱনৰ আধাৰশিলা স্থাপন কৰা হৈছিল। আধাৰশিলা স্থাপন কৰিছিল সেইসময়ৰ অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভাপতি জননেতা প্ৰয়াত শৰৎ চন্দ্ৰ সিংহদেৱে (পৰৱৰ্তী সময়ত অসমৰ মুখ্যমন্ত্ৰী)। মুখ্যঅতিথি হিচাপে যোগদান কৰিছিল নলবাৰী কলেজৰ অধ্যক্ষ প্ৰয়াত মাননীয় ত্ৰৈলোক্যনাথ গোস্বামীদেৱে। নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ শ্ৰেণীসমূহৰ সচিব প্ৰয়াত ড° সত্যেন্দ্ৰনাথ শৰ্মা আৰু বৰভাগৰ কৃতী সন্তান প্ৰয়াত সতীশ চন্দ্ৰ কাকতিদেৱে। বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু বৰভাগৰ আবাল-বৃদ্ধ বনিতাৰ উপস্থিতৰে সভাথলী লোকে লোকাৰণ্য হৈ পৰিছিল। মোৰ এতিয়াও স্পষ্টভাৱে মনত আছে, ভাষণ প্ৰসঙ্গতে মুখ্য অতিথি ত্ৰৈলোক্যনাথ গোস্বামীদেৱে উল্লেখ কৰিছিল- বৰভগীয়া সকলৰ এনেকুৱা অদমনীয় উৎসাহৰ ফচল বৰভাগ কলেজে নিশ্চয় এদিন অসম মাতৃৰ বুকু উজ্জ্বল কৰিব। গোস্বামীদেৱৰ ভৱিষ্যত বাণী আখৰে আখৰে ফলিয়ালে। গ্ৰাম্যাঞ্চলৰ কলেজ হলেও বৰভাগ কলেজৰ পৰীক্ষাৰ ফলাফলৰ মান যথেষ্ট উন্নত। দুগৰাকী ছাত্ৰীয়ে অসমীয়া

বিভাগৰ মেজৰ (সন্মান) বিষয়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি বৰভাগৰ মান উজ্বলাইছে। বৰভাগ কলেজৰ ভালেমান ছাত্ৰ-ছাত্ৰীয়ে অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত উচ্চ পদবীত চাকৰি কৰি প্ৰতিষ্ঠা লাভ কৰিছে, কেইবাগৰাকীও সফল ব্যৱসায়ী এই কলেজৰে প্ৰাক্তন ছাত্ৰ।

মই স্কুলীয়া ছাত্ৰ হিচাবে বৰভাগ কালাগ হাইস্কুলত অধ্যয়ন কৰি থকা কালত বৰভাগ কলেজৰ কিছু কিছু স্মৃতি মোৰ মনত এতিয়াও সজীৱ হৈ আছে, যদিও দুটা কথা মাত্ৰ উল্লেখ কৰিব খুজিছোঁ-

(১) আমি ৮ ম নে নৱম শ্ৰেণীত পঢ়ি থাকোতে এদিন আমাৰ স্কুলৰ উচ্চ শাখাৰ (৭ম-১০ম) ছাত্ৰসকলে বৰভাগ কলেজৰ বাবে শ্ৰমদান কৰিছিলোঁ। প্ৰধান শিক্ষক মহোদয়ৰ নিৰ্দেশ মৰ্মে আমি সকলো ছাত্ৰই কান্ধত কোৰ লৈ সঁথাজানৰ পাৰত (দামোদৰ ধাম সত্ৰ) উপস্থিত হৈছিলোঁ। সঁথাজানৰ পশ্চিমফালে দলংখনৰ পৰা জানৰ দাঁতিত শ্ৰমদান কৰি আমি এটা বান্ধ বান্ধিছিলোঁ। কাম কৰি থকাৰ মাজতে আমাৰ ছাত্ৰসকলক কেঁচাবুট আৰু একোটাকৈ চকলেট খাবলৈ দিয়া হৈছিল। পিছত গম পাইছিলো যে, চৰকাৰী আঁচনি অনুসৰি সেই বান্ধ নিৰ্মান কৰা হৈছিল আৰু ইয়াৰ বাবে আবণ্টিত ধন বৰভাগ কলেজৰ পুঁজিত জমা হৈছিল।

(২)সেইসময়ত বৰভাগ কলেজত বহু দুৰ-দূৰণিৰ ছাত্ৰই অধ্যয়ন কৰিছিল। আদাবাৰী, লোহাৰকাঠা, বাৰাংহাটী, চত্ৰা, গুৱাকুছি, সহজানী আদি অঞ্চলৰ পৰা ছাত্ৰ-ছাত্ৰী আহি নাম ভৰ্ত্তি কৰিছিল। দুৰ-দুৰণিৰ পৰা পঢ়িবলৈ অহা কেইবাগৰাকীও ছাত্ৰ আৰু দুই / তিনি গৰাকী অধ্যাপকে আমাৰ ঘৰৰ ওচৰতে মেচ কৰি থাকিছিল। কালাগ হাটখোলাৰ প্ৰয়াত ভাবিতৰাম কলিতাই কৰ্মসূত্ৰে সপৰিয়ালে গুৱাহাটীত স্থায়ীভাৱে থাকিবলৈ লোৱাত তেওঁৰ চাৰিটা ঘৰ অব্যৱহৃত হৈ আছিল। কলিতাই ছাত্ৰসকলক তেওঁৰ ঘৰতে থাকিবলৈ অনুমতি প্ৰদান কৰিছিল। ইয়াত থকা ছাত্ৰসকলে কলেজ সপ্তাহত প্ৰতিযোগীতাৰ বাবে একাঙ্কিকা নাটকৰ আখৰা কৰিছিল আৰু আমি ওচৰৰ ল'ৰাবিলাকে সন্ধিয়া নাটৰ আখৰা চাবলৈ ভিৰ কৰিছিলোঁ।

তাত থকা এগৰাকী অধ্যাপকে (সম্ভৱতঃ শিক্ষানীতি বিভাগৰ অধ্যাপক প্ৰয়াত হেম ডেকা) ছাত্ৰসকলক প্ৰশিক্ষণ দিছিল আৰু আমাক মাজে সময়ে চকলেট খাবলৈ দিছিল।

হাইস্কুলত পঢ়ি থকা কালত ভাবিছিলো হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হব পাৰিলে বৰভাগ কলেজত পঢ়িম। কিন্তু ভবামতে নহ'ল। সংগদোষৰ পৰা আঁতৰাই ৰাখিবলৈ মোৰ অভিভাৱক মোক গুৱাহাটীৰ পাণ্ডু কলেজতহে নাম ভৰ্ত্তি কৰাই দিলে। গতিকে মোৰ মনৰ হেঁপাহ অপূৰ্ণ হৈ ৰ'ল। বৰভাগ কলেজত পঢ়িব নোৱাৰিলেও ঈশ্বৰৰ আশীৰ্বাদত বৰভাগ কলেজৰ ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাৰ সৌভাগ্য হৈছিল। বৰমা কলেজৰ চাকৰি বাদ দি ১৯৭৬ চনৰ ২ আগষ্টত বৰভাগ কলেজৰ অসমীয়া বিভাগৰ অধ্যাপকৰ পদত যোগদান কৰিছিলোঁ। পিছলৈ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক আৰু উপাধ্যক্ষ হিচাবে কাৰ্যনিৰ্বাহ কৰি ২০১৩ চনৰ ৩১ জানুৱাৰী তাৰিখে অৱসৰ গ্ৰহণ কৰিছোঁ। কৰ্মজীৱনত সদায়েই ছাত্ৰ-ছাত্ৰীসকলৰ আৰু কলেজখনৰ সকলো প্ৰকাৰৰ উন্নয়নৰ হকে সেৱা আগবঢ়াইছিলোঁ। মোৰ হেপাঁহৰ 'বৰভাগ মহাবিদ্যালয়' খনে সকলো দিশতে আগবাঢ়ি সফলতাৰ শীৰ্ষত আৰোহণ কৰক - তাৰেই কামনাৰে। জয়তু বৰভাগ মহাবিদ্যালয়।✦

---

লেখক- অৱসৰ প্ৰাপ্ত উপাধ্যক্ষ তথা অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক,
বৰভাগ মহাবিদ্যালয়।



# গুৱাহাটী বিশ্ববিদ্যালয় আৰু মই ঃ কেইটামান স্নেপশ্বট্

**(এক সপোন আছিল গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰাৰ। সপোন সাৰ্থক হোৱাৰ পিছত হোষ্টেলত আৰম্ভ হ'ল অন্য এক যাত্ৰা- সুৰুযমুখীৰ সন্ধানত। লগতে অন্য এক স্বপ্নই বাহ ল'লে অন্তৰৰ নিভৃত কোণত- ছপা আখৰত নিজৰ নাম প্ৰকাশ কৰাৰ। তাৰেই ফলশ্ৰুতি নিম্নোক্ত অনুভৱৰ স্বৰবোৰ)**

**ৰিংকুমনি কাকতি**

*প্ৰৱক্তা, ইংৰাজী বিভাগ,অসম ভেলী একাডেমী*

স্নেপশ্বট্-১

**এদিনৰ ডায়েৰী**

একান্ত ব্যক্তিগত কথাৰেই আৰম্ভ কৰিছোঁ। কোনোবাই যেতিয়া সোধে 'খবৰ ভালনে? হৰ্ষ-বিষাদ মিশ্ৰিত ভাৱাবেগেৰে উত্তৰ দিও- 'আছো আৰু।' এই 'আৰু'টোৱে যেন এটা প্ৰশ্নবোধক ধাৰণাৰ জন্ম দিয়ে প্ৰশ্নকৰ্তাজনৰ ভাবাৱেগত। আচলতে প্ৰতি মুহূৰ্ততে মোৰ আমৰণ যুদ্ধ নিজৰ বিৰুদ্ধেই। প্ৰকৃতিৰ বিৰুদ্ধাচাৰণ, দৈহিক, ব্যাধি, অৱসাদ, সামাজিক অৱক্ষয়, আধ্যাত্মিক দুঃসংযোগ আদি শত্ৰুবোৰটো আছেই। তথাপি মোৰ তয়াময় ৰণ নিজৰ বিৰুদ্ধেই অহৰ্নিশে। পুৱতি নিশা শোৱাপাটিতেই যুদ্ধ আৰম্ভ। এলাহ নামৰ দানৱৰ আক্ৰমণত থকা-সৰকা হওঁ যদিও অন্তিম মুহূৰ্তত মোৰ অন্তৰাত্মাৰে জয় হয়। স্বাস্থ্যৰক্ষাৰ বাবে মই এইখিনি ত্যাগ-কষ্ট স্বীকাৰ কৰিবই লাগিব। সকলো স্বাস্থ্য সাধনৰ বাবে, হোমেন বৰগোহাঞিদেৱৰ দ্বাৰা অনুপ্ৰাণিত হৈ ৰাতিপুৱা দৌৰা আৰম্ভ কৰিছো। হোষ্টেলৰ জাৰ্ছি, বুটজোটা পিন্ধি যাত্ৰা আৰম্ভ কৰোঁ। লক্ষ্য মোৰ এ.ই.চি ফিল্ড। আলস্যৰূপী শত্ৰুটোৱে কয়ঃ 'এৰা বন্ধু, আৰু নোৱাৰা দৌৰিব'। কিন্তু আচৰিত মোৰ সংকল্প। লক্ষ্যত উপনীত হ'বই লাগিব। ৭৫-৮০ বয়সীয়া বৃদ্ধ এজনে দৌৰা ভংগীত খোজ কাঢ়ে। এই বয়সতো তেখেতৰ মানসিক উদ্যম দেখি সাহস বাঢ়ে। কিয় নোৱাৰিম মই? দেহৰ সমস্ত শক্তিৰে দৌৰোঁ লক্ষ্যভিমুখে। উশাহ চুটি হৈ বন্ধ হোৱাৰ উপক্ৰম হয়। যীশুখ্ৰীষ্টই হেনো ক্ৰুছবিদ্ধৰ সময়ত যৌনচেতনা অনুভৱ কৰি যন্ত্ৰণা লাঘৱ কৰিবলৈ যত্ন কৰিছিল। যন্ত্ৰণাৰ ওপৰত মনৰ শাসন- ষ্টইক দৰ্শনৰ সেই নীতি মানি আগবাঢ়োঁ। লক্ষ্যপ্ৰাপ্তিৰ অন্তত কি যে মুক্তিৰ আনন্দ। উস্। 'আই হেভ ডান ইট।'

নিত্য-নৈমিত্তিক প্ৰাতঃকৰ্ম কৰি টেবুলত বহোঁ। পঢ়াত হ'লে মন বহুৱাব নোৱাৰো। অতীত জীৱনৰ ব্যৰ্থ সম্ভাৱবোৰে আমনি কৰে। অবুজন মনক সান্ত্বনা দিবলৈ ডায়েৰী মেলি লওঁ। নিজৰ

বিৰুদ্ধেই এই নিষ্ঠুৰ শত্ৰুতা। উস্। 'ডিছ্গাছ্টিং।' মায়ে ফোন কৰে...

ভালে আছনে বাবা?

আছো মা, তুমি?...

'আজি তোৰ বাবে পচলা, শাক আৰু ঢেঁকীয়া ভাঁজি পঠাইছো গাড়ীত। আৰু যোৰাৰাতি পূজাৰ প্ৰসাদ-নিৰ্মালিও দিছোঁ। ভালকৈ লবি'।

মাৰ মৰমৰ সাগৰত ডুব যাওঁ। মুহূৰ্ততে চকুযুৰি সেমেকি উঠে। এই স্নেহ, এই মৰম... সহ্য কৰিব নোৱাৰোঁ যেন। অনুশোচনাৰ জুয়ে দগ্ধ কৰে। কিয় মই মা-দেউতাৰ প্ৰত্যাশাবোৰ পূৰণ কৰিব নোৱাৰিলোঁ? কিয় মই অনুভৱ কৰিব নোৱাৰিলো সেই নিভাঁজ-সৰল অক্লান্ত মৰম? তেখেত সকলৰ নিস্বাৰ্থ ত্যাগ আৰু অহোপুৰুষাৰ্থক মই কেৱল প্ৰৱঞ্চনাহে কৰিলোঁ। ইমান নিষ্ঠুৰ হ'বলৈ মই ক'ত সাহস পালোঁ?

ডাইনিং হলৰ দীঘলীয়া ঘন্টাই মোৰ ভাৱনাত আউল লগায়। ভাৰাক্ৰান্ত মনেৰে মাক বিচাৰি হাবাথুৰি খাওঁ। মাৰ হাতৰ আঞ্জাৰ সোৱাদ আৰু খোৱাৰ পিছত মই মুখ মচা মাৰ আঁচলখন। ক্লাছৰ বাবে সাজু হওঁ। শাওণৰ ৰ'দৰ পৰা পৰিত্ৰাণ পাবলৈ ছাতি লৈ মেডিকেলৰ ৰাস্তাটোৰে বিভাগলৈ খোজ লওঁ। আৰ চি চি তিনি নম্বৰ গাৰ্লছ হোষ্টেলৰ ছোৱালীবোৰে জোকাই ঃ 'অ' মাইনা, ছাতি লৈ আহিছা?' অন্য ল'ৰাৰ নিচিনাকৈ ছাতি লোৱাক লৈ মোৰ কোনোধৰণৰ হীনমন্যতাৰ যুক্তিযুক্ততা বিচাৰি নাপাওঁ। ছোৱালীৰ দৰে ছাতি লৈ ফুৰা বুলি অট্টহাস্য কৰা মোৰ বন্ধুবোৰেই বৰষুণ বতৰত মোক খাতিৰ কৰে। অতীত জীৱনৰ বহুতো পৰিঘটনাই কিছুমান ক্ষেত্ৰত মোক অবিচল হ'বলৈ শিক্ষা দিছে। তামুলী ছাৰৰ ক্লাছত 'ছোম্ছকী'ৰ জটিল ব্যাখ্যাবোৰে ভাৱনাত আউল লগায়। প্ৰতিটো সূত্ৰত যেন মোৰ জীৱনৰ অহৈতুক হীনমন্যতা আৰু ব্যৰ্থতাৰ যোগসূত্ৰ-সমীকৰণ বিচাৰি চলাথ কৰোঁ। ক্লাছত লগৰবোৰে মোক 'বুঢ়া চক্ৰেটিছ' বুলি ধেমালি কৰে। মোৰ খেয়ালি জীৱন-যাপন, বেসুৰা ভাৱনা, অপৰিছন্ন সাজপাৰ, ব্যতিক্ৰমী জীৱন দৰ্শনে সিহঁতক আমোদ দিয়ে। হাঁহিমুখে গ্ৰহণ কৰো সমস্ত। পুতৌ জাগে সিহঁতৰ প্ৰতি, কৃত্ৰিম যান্ত্ৰিকতাৰে জীৱন ৰঙিয়াল কৰিব খোজাৰ হাবিয়াস দেখি। আৰ্টছ কেন্টিন, মাৰ্কেট্, বি কে বি ত চিনাকী হওঁ কিছুমান নতুন বন্ধু-বান্ধৱীৰ সৈতে অসমীয়া গান, চিনেমা, ভাষা-সংস্কৃতি আউটডেটেড বুলি গণ্য কৰা এজাক নতুন প্ৰজন্ম।

ক্লাছৰ শেষত হোষ্টেল ফিল্ডত ভলীবল সমাগত প্ৰতিযোগিতাৰ বাবে। তাৰ পিছত কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থগাৰ। জনশূন্য বিডিং-ৰুমত অসংখ্য কিতাপৰ আবেষ্টনীত সন্ধান কৰোঁ অন্য এক জীৱন। গ্ৰন্থাগাৰটোৰ সোণালী দিনবোৰ এতিয়া স্মৃতি মাথোন। কম্পিউটাৰ, ইণ্টাৰনেট, ই-বুকে কাঢ়ি নিলে সেই ঐতিহ্য। হোষ্টেল অভিমুখী যাত্ৰাত মাঁলৈ বৰকৈ মনত পৰে। গাঁৱৰ নামঘৰত 'তুমি চিত্ত বৃত্তি মোৰ' প্ৰাৰ্থনা গোৱা সন্ধিয়াবোৰ। মোৰ কোঠা 'কৃষ্ণচূড়া'ত ইতিমধ্যে আড্ডা জমি উঠিছে। দেশ জাতিৰ ভৱিষ্যত, অখিল গগৈ, হিমন্ত বিশ্ব শৰ্মা, তৰুণ গগৈ, ইজিপ্ট, ওবামা, জুবিন-অংগৰাগ, আলফা... একোৱেই বাদ নপৰে সৰস আড্ডাত। ক্ষোভত জ্বলি উঠে এজাক তৰুণ প্ৰজন্ম দুৰ্নীতি-বিভীষিকা দেখি। শেষত তন্ময়ৰ গুৰুগম্ভীৰ মন্তব্য- 'কিন্তু আমি এই ছিষ্টেম সলনি কৰিব নোৱাৰোঁ। আমি এতিয়া দুৱৰি মাত্ৰ। অইনক ছাঁ কেনেকৈ দিম? আমি প্ৰথমে বৃক্ষ হ'ব লাগিব। তেতিয়াহে সমাজে আমাৰ ছাঁত জিৰণি ল'ব।' মই আড্ডাত বেছিকৈ নামাতো। ক্লাছৰ প্ৰজেক্টটো অনুশীলন কৰোঁ। মোৰ কৰ্তব্যৰ পৰা বিচলিত নহ'বলৈ অহোপুৰুষাৰ্থ কৰো। মা-দেউতা আৰু প্ৰেয়সীৰ অকুণ্ঠ মৰমে মোক প্ৰেৰণা যোগায় স্থিতপ্ৰজ্ঞ হ'বলৈ।

খোৱা পৰ্বৰ পিছত ছাদত পুনৰ আড্ডা জমে। চিগাৰেটৰ কুণ্ডলী আৰু সুৰাৰ ৰাগীৰে, গীটাৰৰ ঝংকাৰে মুখৰিত কৰে হা-হুতাশ আৰু ব্যৰ্থ প্ৰেমৰ অৱচেতনা। সেই নিচাত ডুবিব নোৱাঁৰো মই। তিনিযুৰি চকুৰ সপোনে মোক বাধা দিয়ে। ছাদৰ পৰা ডায়েল কৰোঁ ম'বাইলত। মা-দেউতা প্ৰেয়সীৰ খবৰ লওঁ। ভগৱানৰ অস্তিত্বক লৈ মুৰ নঘমাওঁ। মা-দেউতা-প্ৰেয়সীয়েই মোৰ ভগৱান। মা-দেউতাই এতিয়াও মোক শিশুৰ দৰে যত্ন লয়। স্নেহাস্পদী আৱেগ-উপদেশেৰে বুৱাই পেলায় মোৰ অনামী অনুৰণন। আৰু প্ৰেয়সীৰ সেই প্ৰত্যয়ভৰা কথাবোৰ- 'বাবা, তুমি বহুত ভালকৈ পঢ়া। তোমাক লৈ মোৰ বহুত স্বপ্ন। তুমি পাৰিবা জানা। চিন্তা নকৰিবা। মই আছোঁ তোমাৰ কাষতে। মা-দেউতা-ভগৱানৰ আশীৰ্বাদ সদায় আছে আমাৰ শিৰত। আমি সফল হ'মেই, হ'মেই।'

অবুজ এক যন্ত্ৰণাত চকুলো উপচি পৰে। বোবা হৈ শুনি ৰওঁ কেৱল সেই অমৃতময় বাণীবোৰ। মাজৰাতিৰ কৃষ্ণচূড়াৰ দেশৰ ৰহস্যঘন আৱৰ্তময়তাই আৱিৰ সানে হেৰোৱা অতীতৰ ব্যৰ্থময় জীৱন-গাথাত। বুঢ়া লুইতৰ শীতল বতাহজাকে অন্য এক কাৰুণ্য বোৱাই আনে মন-গহণত। অনুতপ্ত হওঁ- কিয় মই ইমান বছৰে তেওঁলোকৰ প্ৰেম-মৰম অনুভৱ নকৰিলো। সেই মহান ত্যাগ, মৰমৰ প্ৰতিদানত মই কেৱল দুখ যন্ত্ৰনাহে দিলোঁ অতীত জীৱনত মা-দেউতা-প্ৰেয়সীক। কিন্তু তেওঁলোকে সহজভাৱেই গ্ৰহণ কৰিছে মোক আৰু পংকিল অতীত জীৱনক। সেয়ে শূণ্যৰ পৰা পুনৰ আৰম্ভ কৰিব প্ৰয়াস কৰিছোঁ 'জীৱন', কিয়নো জীৱন জীৱন বৰ অনুপম'।

পুনৰ ব্যক্তিগত কথাৰেই শেষ কৰিছোঁ। উপৰোক্ত কথাবোৰৰ সঠিক মূল্যায়ন আগবঢ়াব নোৱাৰিলোঁ। 'এদিনৰ ডায়েৰী' য়ে হ'ল নে 'আত্মজৈৱনিক টোকা /আত্মানুসন্ধান / আত্মসমালোচনা' হ'ল আপোনসৱে বিচাৰ কৰিব। এতিয়া ৰাতি ১২.৩০ বাজিছে। বিশ্ববিদ্যালয় চৌহদত জয়াল নিস্তব্ধতা। মাজৰাতিৰ শাওনীয় ওন্দোলা আকাশ। অচিৰেই বৰ্ষা নামিব ধৰালৈ। খোলা খিৰিকীৰে আকাশ চাবলৈ প্ৰয়াস কৰি বিছনাত বাগৰিছোঁ। কৰ্ণকুহৰত অনুভৱ কৰিছো জুবিনৰ সুৰদী কণ্ঠ-

'মই ভাগৰা নাই / জীৱন হেৰোৱা নাই...'

লেখকৰ ঠিকনা ঃ গোপীনাথ বৰদলৈ ২ নং তিনিমহলীয়া ছাত্ৰাবাস, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী-১৪ (সাতসৰী চেপ্তেম্বৰ, ২০১৩ ত প্ৰকাশিত)

স্নেপশ্বট্-২

**এগৰাকী ব্যতিক্ৰমী ভিক্ষাৰীৰ কথাৰে...**

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সমাধিক্ষেত্ৰৰ সমুখত বাছ-আস্থানটোৰ ওচৰে-পাজৰে বহুতেই নিশ্চয়কৈ প্ৰত্যক্ষ কৰিছে বিবৰ্ণ পোছাক পৰিহিতা এগৰাকী আদহীয়া মহিলাক। নিজৰ নিত্য-নৈমিত্তিক প্ৰয়োজনীয় বস্তুখিনি এটা টোপোলাৰে মেৰিয়াই লৈ তেখেত শুই থাকে ফুটপাথ বা জিৰণি চ'ৰাটোৰ কাষত কেতিয়াবা উদাস-শূন্য দৃষ্টিৰে আকাশলৈ চাই থকা চকুযুৰিত দেখো বাৰিষাৰ লো বোৱাব খোজা অশ্ৰু। শান্ত- সৌম্য মলিন মুখাবয়ৱত নাই কোনো তৃষা অভিমান, কাতৰ বা খং আৰু অপ্ৰাপ্তিৰ বেদনা। দিনে-ৰাতি একাকাৰ কৰি তেখেত ব্যস্ত থাকে এখন নিজা পৃথিৱীত।

তেখেতৰ অন্য এক ব্যতিক্ৰমী দিশ হ'ল যোৱা এবছৰে তেখেতক কেতিয়াও কাৰো ওচৰত ভিক্ষা খোজা দেখা নাই। কোনোবাই যদি কিঞ্চিত কিবা খাবলৈ দিছে তাকেই গ্ৰহণ কৰিছে। চৌদিশৰ কৃত্ৰিম জগতখনৰ প্ৰতি তেখেতৰ যেন কোনো অনুকম্পা নাই। অন্য এক জ্যোতিৰে জাতিষ্কাৰ হৈ থাকে মুখখন। কেতিয়াবা আকৌ পুতৌজনক চাৱনিৰে কংক্ৰিত জীৱনৰে অভ্যস্ত আমিবোৰক বেঁকাকৈ চায়। জীৱনটোৰ প্ৰতি তেখেতৰ যেন অনেক মোহভংগ আৰু শূণ্যতা যাৰ বাবেই এই অঘৰী জীৱন-গাথা। জানিবলৈ খুব মন যায় তেখেতৰ সেই অভিশপ্ত অতীত। মোৰ মাৰ দৰে তেখেতো হয়তো কাৰোবাৰ মাক পেহীয়েক জেঠীয়েক..... এক সাধাৰণ জীৱন-যাপনৰ স্বপ্ন হয়তো তেখেতৰো আছিল। জীৱনৰ ক'ত যে বিচিত্ৰ ৰূপ। বৰ ৰহস্যময়। অসহায় হৈ চাই ৰওঁ সেই নাৰীমূৰ্তি। একোতো কৰিবও নোৱাৰো। বিশ্বায়নে সৃষ্টি কৰা অন্য প্ৰতিযোগিতাৰ দৌৰত। পাৰ্যমানে দৌৰিছো প্ৰতিষ্ঠা লাভৰ যুঁজত। তুচ্ছ এই ঘটনাবোৰ অনুভৱ কৰিবলৈ আমাৰ সময় ক'ত। তথাপিও অন্তঃকৰণেৰে কামনা কৰো- 'তেখেত সুখী হওঁক তেখেতৰ নিজা পৃথিৱীখনত।' (ৰাইজৰ চিঠি, সাদিনত প্ৰকাশিত)

স্নেপশ্বট্-৩

**আইৰ সমান হ'ব কোন**

'ইস্! সৰু ল'ৰা নেকি? এনেকৈ যে কান্দিছ! পঢ়িবৰ কাৰণেহে যাব ওলাইছ। আৰু গুৱাহাটী কিমাননো দূৰ? বা-বাতৰি পামেই সদায়। ভালকৈ থাকিবি, সৰু হৈ চলিবি, কেতিয়াও বিপদত নপৰ...।' মোক সান্ত্বনা দিবলৈ চেষ্টা কৰি তেওঁৰ মাতষাৰো থোকাথুকি হ'ল। বহু কষ্টৰে দমাই ৰখা কান্দোন বাৰিষাৰ ঢল বোৱাই নামি আহিল মুহূৰ্ততে। ৰাতি তিনি বজাত শোৱাপাটি এৰিলে তেওঁ। এফালৰ পৰা ঘৰৰ কাম সামৰি, গা ধুই গোঁসাইঘৰত থাপনা মচি চাকিগছ জ্বলালে। বিৰবিৰাই নেদেখাজনৰ ওচৰত কৰা মিনতি খন্তেকতে উচুপনিত পৰিণত হ'ল। চোতালৰ পৰা স্পষ্টকৈ শুনিলো তেওঁৰ কাতৰ প্ৰাৰ্থনা- 'তেমাৰেই সন্তান প্ৰভু। ভালকৈ ৰাখিবা তাক।'

এৰেঁই মোৰ আই। যিয়েই মোক তিলতিলকৈ গঢ়িলে সমাগত জীৱনৰ যুদ্ধৰ বাবে... তেওঁৰ গৰ্ভত মই স্থিতি ল'বৰে পৰা আজিলৈকে মোৰ প্ৰতিটো আব্দাৰ, অনুভূতি তেওঁৰ নখদৰ্পনত। মোৰ মুখ দেখিলেই তেওঁ বুজি পায় মোৰ সমস্ত ভাবাৱেগ-অনুভূতি। এৰা, আইৰ চকুক জানো ফাকি দিব পাৰি? নিজে ৰিক্ত হৈ, নিজকে শূন্য কৰি তেওঁ মোক গঢ়ে তিলতিলকৈ, একাল-দুকালকৈ। কি যে মহান ত্যাগ এয়া !

ঘৰৰ পিচপিনেদি পাগলদিয়া বৈ যোৱা দেখিছো নিৰৱধি ৰূপত। অনন্ত ইয়াৰ গতি। আৰু আইৰ মৰম। অপ্ৰকাশ্যো, বাগ্মীয় এক অনুভৱ। পৃথিৱীৰ ক'তো বিচাৰি নোপোৱা নিভাজ, সৰল, স্বাৰ্থহীন, অক্লান্ত এই মৰম। সেয়ে চাগে নৈৰ অবিৰাম বোঁৱতী সুঁতিৰ সৈতে তুলনা কৰা হয় আইৰ মৰমক। দাঁতসৰা বৃদ্ধই যৌৱনত দাঁতৰ সুখৰ স্মৃতি ৰোমন্থন কৰাৰ দৰেই আইক এৰি আহি এতিয়াহে গভীৰতাৰে অনুভৱ কৰিছো সেই অকুণ্ঠ আন্তৰিকতা। ঘৰত থাকোতেই তেনেই সাধাৰণ আৰু স্বা ভাৱিক বুলি ধাৰণা হোৱা আইৰ মৰম এতিয়া মানসপটত ধৰা দিছে বাগ্মীয় ৰূপত। ভিন্ন জুতিৰে আঞ্জা বনাই খোৱাৰ সময়ত সন্মুখত বৈ থকা আইক হোষ্টেলৰ মস্ত ডাইনিং হলটোত বিচাৰি হাবাথুৰি খাওঁ। বিশেষ ব্যস্ততাৰে খোৱা শেষ কৰি হাত ধুই আইৰ আঁচলত হাত- মুখ মচা দৃশ্যটোৰে বৰকৈ আমনি কৰে। মেজৰৰ শেষৰ ক্লাচটোত আইয়ে সাজি থোৱা কাঁহৰ থালিখনলৈ কিমান যে মনত পৰে। কলেজৰ পৰা দাহ কিলোমিটাৰ চাইকেল যাত্ৰাৰ অন্তত আই ব্যস্ত হৈ পৰে আমাক আপ্যায়ন কৰিবলৈ আৰু পঢ়া

টেবুলতপৰা-সন্ধিয়াৰ গাখীৰ গিলাচ, নিদ্ৰাৰত মোৰ হাতৰ পৰা 'ওৱেইটিং ফৰ গডো' আতঁৰাই মহৰী (আঠুৱা) টনা দোভাগ ৰাতিবোৰ, জ্বৰক্লান্ত কপালত জলপটি দিয়া উমাল হাতৰ স্পৰ্শ, কলেজলৈ আহোতে গাঁৱৰ কেঁকুৰীটো পাৰ নোহোৱালৈকে চাই থকা মমতাৰ চকুযুৰি... আৰু ছোৱালী-বান্ধৱীৰে লুকাই-চুৰকৈ ম'বাইলত কথা পাতি আইৰ চকুত ফাঁকি দি ধৰা পৰা দিনটো, মেট্ৰিকৰ ৰিজাল্ট দিবৰ দিনা আইৰ করুণ শেঁতা মুখখন, হায়াৰ ছেকেণ্ডাৰীত কেমেষ্ট্ৰিৰ পৰীক্ষা নিদি ঘৰলৈ ওভতাৰ দিনা আইৰ সেই বেদনাক্লান্ত চকুযুৰি...উস্। আৰু যে নোৱাৰো ভাবিব।

কৃষ্ণচূড়াৰ মায়াবী নগৰীত মোৰ ব্যস্ততা বাঢ়িছে জীৱনত প্ৰতিষ্ঠা লাভৰ যুঁজত। ছেমিষ্টাৰৰ বোজা, গোষ্ঠী-সংঘৰ্ষ, আন্নাৰ অনশন, হোষ্টেলৰ চাদত সৰস আড্ডা... তাৰ মাজতো থমকি ৰোৱা নাই জীৱন। পাৰ্যামানে দৌৰিছে মোৰ ৰথৰ তেজীঘোঁৰা সূৰ্য্যমুখী এক স্বপ্নৰ সন্ধানত। তথাপিও, এই অক্লান্ত বিৰামহীন ব্যস্ততাৰ মাজতো দুচকুত অনবৰতে ভাহি থাকে কপাল-শিৰত সেন্দুৰীয়া ফোঁটেৰে উদ্ভাসিত, উজ্জ্বল, হাস্যময়ী, পূৰ্ণ ৰক্তিম সূৰ্য যেন এখনি মুখ-মোৰ আইৰ মুখ। শংখধ্বনিৰে দৰে অহৰ্নিশে কৰ্ণকুহৰত বাজি থাকে সেই মাত-কথাবোৰ। আৰু সেই বিশেষ বাক্যশাৰী, ভালকৈ থাকিবি, সৰু হৈ চলিবি, কেতিয়াও বিপদত নপৰ...'(ৰাইজৰ চিঠি, সাদিনত প্ৰকাশিত)

স্নেপশ্বট্-৪

**গুৱাহাটী বিশ্ববিদ্যালয়ৰ গ্ৰন্থগাৰ আৰু কিছু বিষাদ**

কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থগাৰটো গুৱাহাটী বিশ্ববিদ্যালয়ৰ কীৰ্তিস্তম্ভস্বৰূপ। অসমৰ শৈক্ষিক ক্ষেত্ৰত ইয়াৰ অৱদান অনন্যস্বীকাৰ্য। বিভিন্ন মণীষী ইয়াৰ ছাঁত জিৰণি লৈয়ে পৰৱৰ্তী সময়ত লুইত পাৰৰ লগতে সমগ্ৰ বিশ্ব জিলিকাইছে। অধ্যয়ন পিপাসু বহু নীৰৱ সাধকৰ ছত্ৰছায়াৰে গৌৰৱোজ্জ্বল ইতিহাস গঢ়া এই জ্ঞান মন্দিৰটো আজি কিছু নিষ্প্ৰভ। বিশ্বায়নৰ ধুমুহাত বিধ্বস্ত আমি নৱ-প্ৰজন্মই এই জ্ঞান মন্দিৰক অৱহেলা কৰিব লৈছে নেকিবাৰু? ইন্টাৰনেট, ই-বুকৰ সহজলভ্যতাই আমাক বাধ্য কৰাইছে নেকি ইয়াৰ ছাঁত জিৰণি ল'বৰ পৰা নিজকে আঁতৰাই ৰাখিবলৈ? কোন দিশে আমাৰ গ্ৰন্থপ্ৰেম আৰু অধ্যয়ন সংস্কৃতি?

আগৰ দৰে এতিয়া আৰু তেনে ভিৰ পৰিলক্ষিত নহয় পুথিভঁড়ালটোত। আবেলিপৰত ইন্টাৰনেট কক্ষৰ বাহিৰে অন্যবোৰ কোঠা প্ৰায় খালী। ওপৰ মহলাৰ কৃষ্ণকান্ত সন্দিকৈ ব্যক্তিগত সংগ্ৰহ, তথা অন্য কোঠাবোৰত খুব মুষ্টিমেয় ছাত্ৰ-ছাত্ৰীৰ আহ-যাহ। বিশাল অধ্যয়ন-কক্ষৰ জনশূন্যতাই অতীতৰ পৰিপূৰ্ণ দিনবোৰ সুঁৱৰি হুমনিয়াহ কাঢ়ে। ছাত্ৰ-ছাত্ৰীৰে ঠাহ খাই থকা পুথিভঁৰালটোৰ পুৰণি ঐতিহ্য আজি স্মৰণ কৰে কৰ্মচাৰীসকলে।

অৱশ্যে ষান্মাসিক পদ্ধতিৰ সীমিত সময়সীমা, শ্ৰেণীত ৭৫ শতাংশ উপস্থিত আৰু গ্ৰন্থৰ চাহিদা পূৰাব পৰাকৈ ইন্টাৰনেটে অনা বিপ্লৱৰ বাবেও হয়তো এই সেৰেঙা পৰিৱেশ। কিন্তু এই কাৰকবোৰে যদি সঁচাকৈয়ে আমাৰ সমাজত পুথিভঁড়ালৰ জনপ্ৰিয়তা হ্ৰাস কৰিছে, এয়া দুখজনক আৰু নৱ-প্ৰজন্মৰ বাবে ই চৰম প্ৰত্যাহ্বানস্বৰূপ...

স্নেপশ্বট্-৫

**৮৪-ৰ ৰহস্য**

গণেশগুৰি চাৰিআলি। সন্ধিয়া চাৰে ছয় বাজিছে। দোকান এখনৰ সন্মুখত বৈ সন্ধ্যা মহানগৰীৰ ব্যস্ততা উপভোগ কৰি আছো। হঠাতেই দুগৰাকী আধুনিকা দোকানত সোমাল কিবাকিবি বস্তু ল'লে। ইয়ালৈকে সকলো ঠিকেই আছিল। 'কিমান হ'ল দাদা'? আধুনিকাৰ প্ৰশ্নত দোকানীৰ উত্তৰ- ৮৪ টকা ভন্টি।' এতিয়াহে বিপাঙত পৰিল দুয়ো আধুনিকা। দুয়োজনীয়ে দোকানীজনৰ ফালে বেঙাৰ দৰে চাই থাকিল। 'হোৱাট চৌৰাশী দাদা? বুজা নাই। ইংৰাজীত কওঁক'। যন্ত্ৰণাত ক'লা পৰিল অসমীয়া দোকানীজনৰ মুখ। ক'লা পৰিলো ময়ো।

এয়া আমাৰ জাতিৰ অস্তিত্ব। আজিৰ নৱ-প্ৰজন্মৰ বহুতেই নাজানে অসমীয়া লিপি-সংখ্যা। শুদ্ধকৈ 'ক'বতো নোৱাৰেই। ইংৰাজীৰ অবাধ প্ৰচলন। লগৰবোৰে সোম, মঙল, পাহৰিলে। এতিয়া মানডে, টিউচডে ক'বলৈ ভাল পায়। কিহৰ বাবে আমাৰ এই অহেতুক হীনমন্যতা? কিমান আপোন অস্তিত্ব পাহৰা জাতি হ'লে এগৰাকী মাতৃয়ে অহংকাৰ কৰি ক'ব পাৰে। - 'আমাৰ ছোৱালীজনীয়ে অসমীয়া ক'বই নাজানে। লিখিবতো নোৱাৰেই। ইংলিছ মিডিয়ামত পঢ়া যে।' কিম আশ্চৰ্যম্। 'কাকনো বুলিম ককা, সকলোৰে দাড়ি-চুলি পকা।' দোষ কাৰ? বিশ্বায়নৰ ধুমুহাত আমি উটি-ভাঁহি নিজকে পাহৰিবলৈ লৈছো নেকি? পাশ্চাত্য সভ্যতা-সংস্কৃতি অনুসৰণ বেয়া নহয়। কিন্তু নিজৰ জাতীয় সত্বাক বিসৰ্জন দি অইনক অন্ধ অনুসৰণ কৰাটো এটা জাতিৰ বাবে শুভ লক্ষণো নহয়। চিন্তাৰ সময় আহি পৰিছে। বিষয়টো আপোনাসৱৰ দৃষ্টি আকৰ্ষণ কৰিলো। কৰণীয় আমাৰ প্ৰত্যেকৰে। (ৰাইজৰ চিঠি,সাদিনত প্ৰকাশিত)

স্নেপশ্বট-৬

**গোষ্ঠী সংঘৰ্ষ আৰু এটা হোষ্টেল**

অসমত হিংসা-বিদ্বেষৰ দাবানলে আকাশ চুইছে। বিভিন্ন গুৰুতৰ সমস্যাৰে জৰ্জৰিত মাতৃভূমিত এতিয়া আৰু নকৈ গা কৰি উঠা গোষ্ঠী সংঘৰ্ষই অসমীয়া জাতিক অস্তিত্বত ভাবুকি সৃষ্টি কৰিছে। নিঃসন্দেহে এয়া আমাৰ ধ্বংসমুখী যাত্ৰাৰ

আগজাননী আৰু এই যুঁজকেই ইচ্যু হিচাপে লৈ চলিছে অনেক ৰাজনৈতিক ষড়যন্ত্ৰ। গোষ্ঠী সংঘৰ্ষৰ আলম লৈয়ে নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে ক'ত কিমান যে চক্ৰান্ত ৰচিব লাগিছে, আমি বস্তুতে তাৰ উমানে নাপাও। তথাপি আমি অনুভৱ কৰিছো এক তীব্ৰ প্ৰত্যাহ্বান ৰৈ আছে আমাৰ বাবে।

গুৱাহাটী বিশ্ববিদ্যালয় চৌহদৰ সোঁমাজতে অৱস্থিত দুমহলীয়া হোষ্টেলটোৰ তলত মহলাৰ 'নন্দন কানন' আৰু 'বকুল বন' ৰিংছ দুটাত বিভিন্ন গোষ্ঠীৰ ছাত্ৰৰ সমাহাৰ। কলিতা, কাৰ্বি, হাজং, বড়ো, ৰাভা, চুতীয়া, আহোম আবাসীৰ উপৰিও ইছলাম ধৰ্মালম্বী আবাসীৰ মিলনভূমি এই হোষ্টেলটো চৌদিশৰ অৰাজকতা-অনৈক্যৰ মাজতো দুৰন্ত এক ঐক্যতানৰ প্ৰতীক। ক্ৰমবৰ্ধমান ৰক্তাক্ত ভাতৃ-সংঘৰ্ষই বিমৰ্ষ কৰিছে প্ৰতিজন আবাসীৰ অন্তৰ। অনৈক্য আৰু ভেদভাৱে সামন্যতমো চুব পৰা নাই আবাসীক। ডেনিয়েল নাৰ্জাৰী আৰু ছফিকুল একেলগেই থাকে। সন্ধিয়া মাৰ্কেটলৈ যোৱাৰ পথত গাজিউৰৰ কণ্ঠত 'অ যাদৱ, উঠা বনমালী...।' হোলীৰ দুদিনত সংখ্যালঘু সম্প্ৰদায়ৰ ছফিকুল, ছাহাবুলদাহঁতৰ কি যে আনন্দ। আৰু সৰস্বতী পূজাততো কথাই নাই। কি যে ভীষণ ব্যস্ততা। ঈদত ছফিউৰে ঘৰৰ পৰা অনা বস্তু এদিনতে শেষ। তদুপৰি বিশ্ববিদ্যালয় সপ্তাহ, যুৱ মহোৎসৱ, নিৰ্বাচনত নিজৰ নিজৰ হোষ্টেলৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰাৰ যুঁজত কি যে একতাৰ জৰী। বঙালীভাষী মুছলমান হ'লেও তেওঁলোকে নিজকে অসমীয়া বুলি পৰিচয় দিবলৈ ভাল পায়। এতিয়া সলসলীয়াকৈ ,অসমীয়া শিকি আছে তেওঁলোকৰ পৰাই। ডেনিয়েলে বড়ো গান শিকায় ছনিউলক।

ঐক্য আৰু ভাতৃত্ববোধৰ এয়া এক সৰু নিদৰ্শন বুলি আমি অনুভৱ কৰোঁ। অকল হোষ্টেল কিয় অন্য বহুতো ক্ষেত্ৰতে এনে নিদৰ্শন পৰিস্ফুত হয়। আজান-ফকীৰ, শংকৰ-মাধৱৰ এই দেশত অতীজৰে পৰা এই সম্প্ৰীতিয়ে বৃহৎ অসমীয়া জাতিৰ একতাৰ সাক্ষ্য বহন কৰি আহিছে। তেনেস্থলত আজিৰ এই অসূয়া-অশান্তি, অনৈক্য-বিভীষিকাৰ জোৱাৰ কিয় ?

বিদেশী অনুপ্ৰৱেশ, কোন বিদেশী...এইবোৰ বিতৰ্কৰ মাজত সোমাব নোখোজো। আমি বিচাৰো জন্মভূমিৰ শান্তি-সম্প্ৰীতি আৰু একতাবোধ। গোষ্ঠী সংঘৰ্ষৰ আলম লৈ ধৰ্মীয় বিভেদ হোৱাটো আমি নিবিচাৰো। জাতি-বৰ্ণ-ভাষা-ধৰ্ম নিৰ্বিশেষে, মানবীয় প্ৰমূল্যবোধৰে উজ্জীৱিত এখন সুস্থিৰ সমাজ আমাৰ কাম্য। আৰু ইয়াৰ বাবে আমি একেলগে সংগবদ্ধভাৱে অহোপুৰুষাৰ্থ কৰিবলাগিব। আমাৰ বিৰুদ্ধে বিভেদ আনিবলৈ প্ৰয়াস কৰা নিষ্ঠুৰ এই অপশক্তিৰ বিৰুদ্ধে আমি যুঁজিব লাগিব। আমাৰ শক্তি প্ৰদৰ্শন সময় সমাগত। আমাৰ একতাই আমাৰ মহান শক্তি...।

বহু কথাই শিকিছো হোষ্টেলীয়া জীৱনৰ পৰা। জাতি-বৰ্ণ-ভাষা-ধৰ্ম নিৰ্বিশেষে একেটা পৰিয়ালত ভাতৃত্ববোধেৰে থকাৰ অভিজ্ঞতাও লাভ কৰিছো হোষ্টেলৰ পৰাই। শ্ৰদ্ধাৰ পাঠকবৃন্দ অনৈক্যৰ মাজত ঐক্যৰ এই মহান আদৰ্শ অন্তৰত পোষণ কৰি এই মুহূৰ্তৰ পৰাই যদি আমি আগবাঢ়ো, আমি জানো সফল নহ'ম... ?(ৰাইজৰ চিঠি, সাদিনৰ প্ৰকাশিত)

স্নেপশ্বট্-৭

**গুৱাহাটী বিশ্ববিদ্যালয় আৰু এজাক বান্দৰ**

গুৱাহাটী বিশ্ববিদ্যালয়ৰে জড়িত প্ৰত্যেকৰে বিশেষকৈ আবাসীসকলৰ এক সুকীয়া সম্পৰ্ক আছে ইয়াৰ বান্দৰবোৰৰ সৈতে। অইন আবাসীবোৰৰ দৰে সিহঁতেও বিশ্ববিদ্যালয়ৰ চৌহদৰ এক অভিন্ন অংগ হৈ নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ বিচাৰে যেন। হোষ্টেলত প্ৰৱেশ কৰিয়েই প্ৰথমে মুখামুখি হৈছিলো এজাক বান্দৰৰ। দুদিনমানৰ বাবে এই দৃশ্য আচহুৱা যেন লাগিলেও পিছলৈ ক্ৰমাগত জীৱনধাৰাত ই নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হ'ল। শীতৰ সেমেকা পুৱা একেটা বৃহৎ পৰিয়ালৰ সৈতে ৰ'দৰ উম লৈ থকা বান্দৰজাকৰ দৃশ্যই আবাসীক আমোদ দিয়ে। সন্ধিয়া মাৰ্কেটলৈ যোৱাৰ সময়ত এ টি-১০ হোষ্টেলৰ টিন, ৱাল, মেডিকেলৰ ৱাল, ৰাস্তাত কালৈকো কেৰেপ নকৰি টহল দি ফুৰা বান্দৰবোৰৰ দৃশ্যই সিহঁত যেন ইয়াৰ 'একচ্ছত্ৰী সম্ৰাট' তেনে ধাৰণা আনি দিয়ে আমাৰ মনত। এই বান্দৰজাকক কেন্দ্ৰ কৰিয়েই বিভিন্নজন আবাসীৰ ভিন্ন আমোদজনক ৰোমাঞ্চকৰ ঘটনা-অভিজ্ঞতা। খাদ্যৰ সন্ধানত হোষ্টেলৰ কোঠাত সোমাই বস্তু-বাহানি লণ্ড-ভণ্ড কৰা, বাহিৰত মেলি দিয়া কাপোৰ লৈ যোৱা... আদি কৰ্মৰে সিহঁতে আমাক বিৰক্তও কৰে। সিহঁতৰ অতপালি-উৎপাতত কেতিয়াবা লঘোনে থাকিবলগীয়া পৰিস্থিতিও হয় আবাসীৰ।

কেতিয়াবা আকৌ অজান মোহ উপজে ইহঁতৰ প্ৰতি। বান্দৰজাকৰ অবিহনে কৃষ্ণচূড়াৰ মায়াবী নগৰী যেন কিবা এক আধৰুৱা-অসম্পূৰ্ণ। ক'ব নোৱাৰাকৈ ইহঁতবোৰ আমাৰ বিশ্ববিদ্যালয় পৰিয়ালৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে যেন। কিন্তু ক্ৰমবৰ্ধমান খাদ্য নাটনি, বননি ধ্বংসৰ ফলত লুপ্তপ্ৰায় হ'বলৈ ধৰা বান্দবোৰৰ মৰ্মবেদনা আমি স্বাৰ্থপৰ মানৱ জাতিয়ে উপলব্ধি কৰিবলৈ অৱকাশ পাম জানো? বিশ্বায়নৰ জ্বৰত আক্ৰান্ত আমি প্ৰকৃতি তথা ইয়াৰ অমূল্য সম্পদবোৰ সংৰক্ষণ কৰিব পাৰিছোঁ জানো? প্ৰকৃতিয়ে আমাক সকলো দিছে। কিন্তু আমি জীৱ শ্ৰেষ্ঠ মানুহে ইয়াক অনুধাৱন কৰিবলৈ যত্ন কৰা নাই। চিন্তাৰ সময় আহি পৰিছে। এই দায়িত্ব আপোনাৰ-মোৰ সকলোৰে। অন্যথা ছুনামিৰ লেখীয়াকৈ প্ৰকৃতিয়ে যে আমাৰ ওপৰত এদিন প্ৰতিশোধ

ল'ব-এয়া নিৰ্ঘাত। (ৰাইজৰ চিঠি, সাদিনত প্ৰকাশিত)

স্নেপশ্বট্-৮

**এজন আৰক্ষীৰ মহানুভৱেৰে...**

সময় সন্ধিয়া ৭.৪৫। এক জৰুৰী সকামত ঘৰলৈ যাবলগা হ'ল ৰাতিতেই।হোষ্টেলৰ পৰা কেবাকুৰিকৈ ওলালো। জালুকবাৰী পাওঁতেহে মনত পৰিল, মানিবেগটো এৰি আহিলো। উপায়ন্তৰ হ'লো। উভতি যোৱাৰো সময় নাই। ট্ৰেইন ৮.১৫ ত মালিগাওঁ এৰিব। শেহত জালুকবাৰী আৰক্ষী চকীতেই শৰণাপন্ন হোৱাৰ সিদ্ধান্ত ল'লো। ভাৰপ্ৰাপ্ত আৰক্ষী প্ৰধান বিষয়াক মোৰ বিপদৰ কথা অৱগত কৰালো। তেখেতে মোক সহায় কৰাটো দূৰৈৰ কথা, হোষ্টেলৰ ল'ৰা সম্পৰ্কে কেতবোৰ কটু মন্তব্য আগবঢ়াই জেৰাহে কৰিলে। মৌনতাকেই শ্ৰেয় বিবেচনা কৰি ওলাই আহিলো। অৱশ্যে আশা এৰি দিয়া নাছিলো। ৰাতিৰ ভিতৰতে ঘৰ পোৱাটো খুব জৰুৰী আছিল।

নিম্নবৰ্গৰ আৰক্ষী এজনে প্ৰত্যক্ষ কৰি আছিল মোৰ অসহায় ৰূপ। ভাৱাক্ৰান্ত মনেৰে উভতিবলৈ লওঁতেই তেখেতে মাত দিলে। মোৰ বিপদৰ কথা তেওঁ ভালদৰেই অনুধাৱন কৰিছিল। মোক এশ টকা দিয়াৰ উপৰিও আৰক্ষীপ্ৰধান বিষয়াৰ অলক্ষিতে তেখেতে মোক মালিগাওঁ ৰেলেৰে ষ্টেচনত আগবঢ়াই থৈ আহিল বাইকেৰে। কৃতজ্ঞতা জনাবলৈ মোৰ ভাষা নাছিল। মানৱীয় প্ৰমূল্যবোধৰ দুই ভিন্ন পৰিঘটনাই চিন্তাৰ খোৰাক দিলে। কৃত্ৰিম স্বাৰ্থন্বেষী যান্ত্ৰিকতাৰ মাজতো মানৱতা সমূলি হেৰাই যোৱা নাই এতিয়াও। দুৰ্ভাগ্যবশতঃ 'বৰ্মন' উপাধিৰ নলবাৰী বেলশৰৰ সেই আৰক্ষীজনক তাৰ পিছত আৰু লগ নাপালোঁ। তেখেতক বিচাৰি বহুদিন থানালৈ গ'লো যদিও সংযোগহীনতাৰ পৃথিৱীত তেখেত ক'ৰবাত হেৰাই গ'ল অন্য বহুতৰ দৰেই। কিন্তু তেখেতৰ মহানুভৱতাই দি গ'ল মানবীয়তাৰ নিদৰ্শন। (ৰাইজৰ চিঠি, সাদিনত প্ৰকাশিত)

স্নেপশ্বট্-৯

**গুৱাহাটী বিশ্ববিদ্যালয় আৰু পদুমপুখুৰী**

অইন বহুতৰ দৰেই, গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়াৰ সপোন মোৰো আছিল। স্বপ্ন পূৰণ হোৱাত ইমানেই উত্তেজিত হৈছিলো যে সেই বিশেষ মাদকতাপূৰ্ণ অনুভৱ ভাষাৰে প্ৰকাশ কৰিব নোৱাৰো। বিশ্ববিদ্যালয়খনক জানিবলৈ পুৰণি আলোচনীবোৰ চলাথ কৰিছিলোঁ। আলোচনীবোৰৰ পিছফালে থকা আলোকচিত্ৰবোৰ চাই তন্ময়বিভোৰ হৈছিলো। মেজৰৰ নোটবুকুৰ শেষ পৃষ্ঠাত কিমানবাৰ যে লিখিছিলো- 'হে মহান গুৱাহাটী বিশ্ববিদ্যালয়, তোমাক চৰণত মোক ঠাই দিবা আই।'

স্বপ্ন সাৰ্থক কৰি আজি মই বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰ আবাসী। যোৱা এবছৰতে বহু সলনি হ'ল। নতুন নতুন ভৱন হ'ল, অন্য কেতবোৰ সুবিধা হ'ল, আমাৰ দুমহলীয়া ছাত্ৰাবাসটোও তিনিমহলীয়া হ'ল...ইত্যাদি। কিন্তু পদুমপুখুৰীকেইটাৰ অৱস্থাহে সলনি নহ'ল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতি আৱেগিক কৌতুহলত পদুম পুখুৰীয়ে এক বিশেষ স্থান দখল কৰিছিল মোৰ অন্তৰত। কিন্তু নামভৰ্তিৰ প্ৰথম দিনাই মই হতাশ হৈছিলো। পদুম পুখুৰীৰ নামত কেৱল ফলককেইখনহে। প্ৰকৃতি চিৰশ্বাশ্বত আৰু ইয়াক অনুধাৱন কৰাটো আমাৰেইতো কৰ্তব্য। প্ৰকৃতিৰ বৈচিত্ৰময় সৌন্দৰ্যৰে ভৰপুৰ গুৱাহাটী বিশ্ববিদ্যালয় চৌহদ। আমাৰ গৌৰৱে যদি কৃষ্ণচূড়াৰ লগতে পদুম পুখুৰীকো সামৰি লয়, ভুল নহ'ব চাগে। আশাকৰো, গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষ আৰু স্নাতকোত্তৰ ছাত্ৰসন্থাই বিষয়টো ভালকৈ বিবেচনা কৰিব। পদুম পুখুৰীয়ে স্বকীয়তা ঘূৰাই পালে আমিও সুখী হ'ম অন্তঃকৰণেৰে।

স্নেপশ্বট্-১০

**এমুঠি বিষাদ আকাশবন্তিৰ বাবে...**

পৰীক্ষালৈ মাথো এমাহ মাজতে। তথাপিও জন্মভূমি গাঁওখনলৈ অজান মোহগ্ৰস্থতা। সুৰুঙা পালেই ঘৰমুখী যাত্ৰা। তেনে সুযোগ এটাৰ পূৰ্ণ সুবিধা গ্ৰহণ কৰিয়েই শস্য-শ্যামলা মোৰ শৈশৱৰ পথাৰখনিত বিচাৰো সুবাস। প্ৰকৃতিৰ বিনন্দীয়া প্ৰাচুৰ্যতা এতিয়াও পূৰামাত্ৰাই বিদ্যমান। আমাৰ মনবোৰহে সলনি হ'ল। প্ৰকৃতি কিন্তু নিৰবধি ৰূপত গতি কৰিয়েই থাকিল অনন্ত গতিৰে। বিশ্বায়নৰ কোঁৱাল গতিত আমি উটি-ভাঁহি গ'লেও প্ৰকৃতি স্থিতপ্ৰজ্ঞ ইয়াৰ আৱৰ্তময়তাত আৰু এয়া চিৰশাশ্বত।

পৰৱৰ্তিত সময়ৰ গতিধাৰাত বিধ্বস্ত হ'ল মোৰ চেনেহী গাঁওখনো। কাতি বিহুৰ সন্ধিয়া অনেক পোহৰৰ চাকিৰে মুখৰিত মোৰ ল'ৰালিৰ পথাৰখন এতিয়া যেন বিষাদ-বিভোৰ। আমি খোল-তাল বজাই হৰিধ্বনিৰে লখিমী পথাৰত বন্তি দিবলৈ গৈছিলোঁ। আজি তাৰ স্তিমিত পৰিৱেশ দেখি হতাশ হ'লো। আৰু কাতিৰ সন্ধিয়াবোৰ আৰুশ-উজলাই জিলিকি থকা আকাশ-বন্তিবোৰ আজি হেৰাই গ'ল। মোৰ শৈশৱৰ চৰম কৌতুহলৰ উৎস এই আকাশবন্তিৰ অন্তৰ্ধানে মোক বেদনাহত কৰিলে। আৰু কিমান হেৰুৱাম আমি? আমাৰ ভৱিষ্যত প্ৰজন্মই কিহক লৈ গৌৰৱ কৰিব? অনুভৱ কৰিবলৈ বাধ্য হ'লো- বিশ্বায়নৰ প্ৰবল জ্বৰত আক্ৰান্ত হ'ল মোৰ চেনেহী গাঁওখনো। এৰা সঁচাকৈয়ে সকলো পৰিৱৰ্তন হ'ল। (ৰাইজৰ চিঠি, সাদিনত প্ৰকাশিত)

স্নেপশ্বট্-১১

**চাইকেলৰ সাধু**

দৃশ্যপট-১

কালাগ গাৱঁৰ দৌল উৎসৱৰ 'বাঁহভঙা' পৰ্ব আজি। দিনটো

ফাকুৱা খেলি আবেলি দৌল চাবলৈ ওলালো। মোৰ কিশোৰ মনত অনাবিল হেঁপাহ। দেউতাই আমাৰ পুৰণি চাইকেলখন সাজু কৰিলে। মই বহোতে কষ্ট পাম বুলি চাইকেলৰ আগত থকা লোৰ ঢামডালত মাই গাৰু এটা বান্ধি দিয়ে। গাঁৱলীয়া কেঁচা বাটৰ ধুলি উৰুৱাই আমাৰ বাহন আগবাঢ়ে। দেউতাৰ উপদেশ বাণী আৰু অন্যান্য কথাৰ সমাহাৰ আৰু চাইকেলৰ কেৰকেৰণি শব্দৰ সংমিশ্ৰণে সৃষ্টি কৰে অন্য এক মাদকতা।

দৃশ্যপট-২

বৰভাগ হাইস্কুলত অষ্টম শ্ৰেণীলৈ উৰ্ত্তীৰ্ণ হ'লো। এতিয়া আৰু খাকী ৰঙৰ ইউনিফৰ্ম হাফপেন্ট পিন্ধিব নালাগে। লংপেন্ট পিন্ধিলো। ঘৰৰ পৰা খোজকাঢ়ি ১৫ মিনিটৰ বাট স্কুললৈ। এতিয়া ডাঙৰ হ'লো। চাইকেল লাগিব। দেউতাই হ'ব বুলি ক'লে যদিও মাৰ আপত্তি। চাইকেল বাৰু হ'ব। কিন্তু চলাব নাজানিলে কেনেকৈ যাম। মা 'হাইহেল' (পাকঘৰ)ত ব্যস্ত থাকোতে চুৰকৈ দেউতাকৰ চাইকেলখনতেই শিক্ষা আৰম্ভ কৰি দিলোঁ। বৰমাহতৰ নিৰ্মালি বা মোৰ প্ৰশিক্ষক। প্ৰথম দিনাই হাত-ভৰি ভাঙিল। মাই খুঁটাত বান্ধি থ'লে। ক্ৰমাগত চেষ্টাৰ অন্তত এদিন চাইকেল চলাব পৰা হ'লোঁ। সিদিনা পৃথিৱী জয় কৰা যেন অনুভৱ হৈছিল। আনন্দত অধীৰ হৈ দৌৰি দৌৰি আহি দেউতাক ক'লো,"মই পাৰিলো, দেউতা। এতিয়া চাইকেল লাগে।"

দৃশ্যপট-৩

মোৰ জীৱনৰ চাইকেলৰ জয়যাত্ৰা আৰম্ভ হ'ল। স্কুল, টিউচন, বজাৰ, সকলোতে চাইকেলখন অবিচ্ছেদ্য সংগী। এনেকৈয়ে মেট্ৰিকৰ ডেওনা পাৰ হ'লোঁ। উচ্চতৰ মাধ্যমিকত চহৰত থকা বাবে চাইকেলেৰে যোগাযোগ কমিল। বিজ্ঞান শাখাত ভাল ফলাফল কৰিব নোৱাৰি স্নাতক কলা শাখাত নামভৰ্ত্তি কৰি ঘৰৰ পৰাই কলেজ যোৱা কৰিলোঁ। পুনৰ চাইকেলৰ আগমন ঘটিল মোৰ যৌৱনত। মেজৰ শেষৰ ক্লাছটোত মই সযতনে সাঁচি খোৱা ভাতৰ থালখনলৈ খুব মনত পৰে। কোবা কুবিকৈ যাত্ৰা আৰম্ভ কৰোঁ। দুৰন্ত ঘোঁৰাৰ দৰে গতি মোৰ চাইকেলখনৰ লক্ষ্য অভিমুখে।

দৃশ্যপট-৪

অলকানন্দা ছোৱালী হোষ্টেলৰ সন্মুখৰ কালভাৰ্ট। পূৰ্বশ্ৰী ৰেষ্টুৰেন্টত পৰঠা খাই ধনজিতৰ সৈতে চি কে বি ছাৰৰ টিউচনলৈ আগবাঢ়িছোঁ। চিনাকি ছোৱালী চাৰিজনীক দেখি ধনজিতে বৈ দিলে। মোকো চিনাকি কৰি দিলে। 'ঐ, এওঁ মোৰ লগৰেই। ৰিংকু, ইংৰাজী মেজৰ।' তাৰে এজনীৰ সৈতে মোৰ শ্ৰেষ্ঠ বন্ধুত্ব হ'ল। পিছলৈ প্ৰেম। চাইকেলখনত হাত থৈয়েই তেওঁৰে চিনাকি হৈছিলোঁ। আৰু সৰু চহৰখনৰ অলি-গলিবোৰত আমি লগ পোৱা মুহূৰ্তবোৰৰো সাক্ষী হৈ ৰ'ল চাইকেলখনেই।

দৃশ্যপট-৫

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ২ নং ছাত্ৰাবাসৰ সন্মুখ। এজাক তৰুণৰ যৌৱনোদীপ্ত আড্ডা চলিছে। কেইবাখনো বিলাসী গাড়ীৰ সমাহাৰ। এক বিশেষ সকামত মেনুৱেল তপন মামাৰ চাইকেলখন লৈ ওলাই আহিছো। পিছদিনাৰ পৰা বন্ধুবৰ্গৰ অট্টহাস্য মন্তব্য, 'ঐ এইখন চলালে বিশ্ববিদ্যালয়ৰ কোনো মাইনাই তোৰ পিনে ঘুৰি নাচায় অ...।'

চাইকেলক লৈ এনে আৰু বহুত অলিখিত কাহিনী। মোৰ শৈশৱ-কৈশোৰৰ সময়ত চাইকেল আভিজাত্যৰ প্ৰতীক আছিল। দেউতাৰ পুৰণি চাইকেলখনক লৈ বন্ধুমহলাৰ আগত কিমান যে গৰ্ব কৰিছিলোঁ। মোৰ শৈশৱ-কৈশোৰ-যৌৱন-প্ৰেম... প্ৰতিটো স্তৰতে চাইকেল মোৰ আজন্ম সংগী। জীৱনৰ অনেক ঘাত-প্ৰতিঘাত তথা হৰ্ষ-বিষাদ-অনুৰণৰ সাক্ষী মোৰ এই চাইকেলখন। মোৰ এই অনুভূতি চিৰশাশ্বত, বাঙ্ময়।

সময় সলনি হ'ল এতিয়া। পৰিৱৰ্তনৰ চাকনৈয়াত আমাৰ জীৱনবোৰেও সুঁতি সলালে। বিশ্বায়নে অনা মহামাৰীত আমাৰ সমাজ জীৱনো আক্ৰান্ত হ'ল। ইয়াক সহজভাৱে লোৱাৰ বাদে অন্য উপায় নাই। তথাপিও, কিছুমান পৰিৱৰ্তন মই সহ্য কৰিব নোৱাৰো যেন। তাহানিৰ আভিজাত্যৰ নিদৰ্শন চাইকেলখন এতিয়া বহুতৰ বাবে 'আউটডেটেড্', 'আউট অৱ ফেশ্বন।' দুখীয়াবোৰেহে এতিয়া চাইকেল চলায় যেন- এনে মানসিকতা বিয়পিছে যুৱ-মানসিকতাত। বাইকৰ প্ৰয়োজন নিশ্চয়কৈ আছে। কিন্তু ক্ৰমশঃ ই ফেশ্বনত পৰিণত হৈছেগৈ। এইটো অসমীয়া সমাজখনৰ বাবে শুভ-লক্ষণ নহয় যেন লাগে। আজিৰ যুৱ-উশৃংখলতা তথা মানসিক স্খলনত বাইকৰ প্ৰভাৱ নিশ্চিতভাৱে নুই কৰিব নোৱাৰি। বাইক মেনিয়াত সৰ্বস্বান্ত হৈছে বহুতৰে জীৱন। কিন্তু আমি বহুতেই ইয়াক গভীৰভাৱে অনুধাৱন কৰা নাই। এতিয়াতে যদি আমি ইয়াক গুৰুত্ব সহকাৰে নলওঁ পিছলৈ হয়তো বহু পলম হ'ব।

আমাৰ সমাজত চাইকেলৰ জনপ্ৰিয়তা কমিছে। নৱ-প্ৰজন্মৰ চাইকেলক লৈ অহৈতুক হীনমন্যতা। আমাৰ দৰে দুখীয়া ৰাজ্যত বাইকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। লগতে বৃদ্ধি পাইছে বাইক-দুৰ্ঘটনাও। বাইকৰ তুলনাত চাইকেল অধিক বেছি নিৰাপদ, কমখৰছী আৰু স্বাস্থ্যহিতৈষী। অক্সফোৰ্ড-কেম্বিজ তথা ইউৰোপ-আমেৰিকাৰ দেশবোৰত চাইকেলৰ জনপ্ৰিয়তা এতিয়াও তুংগত। কি অধ্যাপক, কি ছাত্ৰ সকলোৰে চাইকেল। কিন্তু আমাৰ বিশ্ববিদ্যালয়ত এনে দৃশ্য দুৰ্লভ। এনে আৰু অনেক আনুষংগিক কাৰণৰ বাবেই আমাৰ উন্নতি নাই। বিশ্বায়নৰ ধুমুহাত উটি-ভাঁহি আমি অন্য সভ্যতা অন্ধ অনুসৰণ কৰিবহে জানো। নিজৰ শিপা

খামুচি ধৰি থাকিবলৈ এতিয়াও আমি শিকা নাই। সেয়ে আমাৰ জাতীয় অস্তিত্ব সংকটৰ গৰাহত। চিন্তাৰ সময় আহি পৰিছে...।

বাৰু যিয়েই নহওঁক, চাইকেলৰ সাধু এৰি এতিয়া আৰু এনেবোৰ বিতৰ্কত নোসোমাওঁ। কিন্তু মোৰ নিজা চাইকেলখন এইবাৰ ঘৰৰ পৰা লৈ আহিব খুজিছো হোষ্টেলত স্থায়ীভাৱে দৈনিক চলাবলৈ। আপোনাসৱে কেনে দেখে? সাধুটো ইয়াতেই শেষ। সাধু হ'লনে বাদু হ'ল আপোনাসৱে বিচাৰ কৰিব। কিন্তু আমাৰ সমাজত চাইকেলক লৈ আন্দোলনৰ প্ৰয়োজন আহি পৰিছে এতিয়া। আপুনিও সুখী হ'ব মোৰ দৰেই। (সাতসৰী, আগষ্ট, ২০১৪ ত প্ৰকাশিত)

স্নেপশ্বট্-১২

**কেনে আছা ৰেডিঅ' উলালা...**

'ষ্টুডিঅ' ৰ ঘড়ীত এতিয়া দহ বাজি দুই মিনিট, 'বুধবৰীয়া লেট নাইট মস্তি' লৈ আপোনাৰ কাষত এয়া মই তন্ময়...।' সুৱদী গভীৰ এক কণ্ঠই শীতৰ নিস্তব্ধ জোনাকী নিশাৰ মৌনতা ভংগ কৰি হৃদয়ত বোৱাই আনিছিল অবুজ এক অনুৰণন। বেকগ্ৰাউণ্ডত বাজি থকা সুৰটোৱে সেমেকা ৰাতিৰ মায়াবী অনুভৱ আৰু গভীৰ কৰি তুলিছিল। জীৱনৰ কিছু সঁচা অনুভৱক লৈ আৰম্ভ হৈছিল সুপৰিৱেশিত এক অনুষ্ঠানৰ। বিভিন্ন শ্ৰোতাৱে মন-বিনিময়ৰ মাজে মাজে হৃদয়স্পৰ্শী একোটা সুমধুৰ গান। এক অপূৰ্ব সু-সংমিশ্ৰণ।

ফাইনেল পৰীক্ষা ওচৰ চাপি আহিছিল। ইংৰাজী সাহিত্য বাগ্মীতাৰ মাজতো এৰা নাছিলো ৰেডিঅ'। 'বেটুপাত', 'দেওবৰীয়া নাটক', 'কেম্পাছ মন্ত্ৰ', 'ঢোল দগৰে' আৰু অন্যান্য অনুষ্ঠানবোৰ। শ্যেলী, ক'লেৰিজৰ কবিতাৰ জটিল বিশ্লেষণৰ মাজতো সেই অনুষ্ঠান আৰু গীতবোৰে তন্ময়বিভোৰ কৰি তুলিছিল। পঢ়া টেবুলৰ সমুখৰ খিৰিকীখন খুলি আকাশৰ বুকুত অনুধাৱন কৰিবলৈ যত্ন কৰিছিলো অন্য এক পৃথিৱীৰ।

বুকুখন অজান আশংকাত কপি উঠে এতিয়া। যে ৰেডিঅ' ওলাল ৯১.৯ এফ এম নাই। ৰিজাল্টৰ পিছত বিশ্ববিদ্যালয়ত নামভৰ্তি কৰি হোষ্টেলত থাকিবলৈ ল'লো। গাঁৱৰ ঘৰলৈ যাওঁ সুবিধা পালেই। পঢ়া টেবুলৰ চুকটো, খোলা খিৰিকীখন সেমেকা হৈ উঠে অন্য এক বিষণ্ণতাৰে। সকলো একেই আছে। কিন্তু তাৰ মাজতো অন্য এক শূন্যতা আৰু বিষণ্ণতাই বেদনাহত কৰে অন্তৰখন। হেডফোনত 'লেট নাইট মস্তি' শুনি শুনি 'দ্য গড অব স্মল থিংছ' পঢ়া মায়াবী ৰাতিবোৰ স্মৃতিকোঠাত ভুমুকি মাৰে।

আজিকালি এফ এম নুশুনো। প্ৰিয়জনক হেৰুওৱাৰ বেদনাৰ দৰে জুকিৰাই সকলো গ্ৰাস কৰিলে। অন্তৰৰ নিভৃত কোণত সাঁচ বহুৱাইছিল ৰেডিঅ' উলালাই। এতিয়া সেইবোৰ স্মৃতি মাথোন। তথাপিও অন্য শ্ৰোতাৰ দৰেকৈ ময়ো অকুণ্ঠ হৃদয়ৰে কামনা কৰো- 'আকৌ সম্প্ৰাচাৰ হওঁক ৰেডিঅ' য়লালা। মোৰ দৰে অনেক শ্ৰোতাই ঘূৰাই পাওঁক সেই সঞ্জীৱনী অনুষ্ঠান।' সমাগত পৰীক্ষাৰ ব্যস্ততাৰ মাজৰাতি আৱেগিক হৈ পৰো-জানিবলৈ বৰ মন যায়-

'কেনে আছা ৰেডিঅ' উলালা?'✦

**অসম আন্দোলন ঃ** অসম আন্দোলন হৈছে ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ অবৈধ অনুপ্ৰৱেশকাৰীসকলৰ বিৰুদ্ধে কৰা অসমীয়া মানুহৰ আন্দোলন। ইয়াক স্বাধীন ভাৰতৰ অন্যতম শক্তিশালী আন্দোলন হিচাপে গণ্য কৰা হয়। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণসংগ্ৰাম পৰিষদে এই আন্দোলনৰ নেতৃত্ব বহন কৰিছিল। ১৯৮৫ চনত আন্দোলনৰ নেতাসমূহ আৰু ভাৰত চৰকাৰৰ মাজত হোৱা অসম চুক্তি মতে অসম আন্দোলনৰ অন্ত পৰে। এই আন্দোলনৰ প্ৰথম শ্বহীদ আছিল ভৱানীপুৰৰ খৰ্গেশ্বৰ তালুকদাৰ।

# মহৎলোকৰ বাণী



- ধৈৰ্য্যৰ লগত অধ্যৱসায় যোগ হ'লে সি অসাধ্য সাধন কৰিব পাৰে

  - উইলিয়াম পেন।

- নৈতিক উৎকৰ্ষ তথা সদগুণৰ প্ৰধান উপাদান হ'ল চাৰিটা- গাম্ভীৰ্যতা, মহানুভৱতা, একাগ্ৰতা আৰু দয়া

  - কনফিউচিচ।

- প্ৰশংসাই মানুহক কলুষিত কৰে। তাৰ পৰা হাত সাৰি থকাৰ একমাত্ৰ উপায় হ'ল অবিৰামভাৱে কাম কৰি থকা।প্ৰশংসা শুনিবলৈ থমকি নৰবা। প্ৰশংসালৈ পিঠি দি কামৰ ফালে মুখ কৰা। তাৰ বাহিৰে কৰিবলগীয়া আন একো নাই।

  - এলবাৰ্ট আইনষ্টাইন।

- আমাক গঢ় দিয়ে আমাৰ চিন্তাই। সেই কাৰণে চিন্তা কৰিবৰ সময়ত খুব সাৱধান হ'ব লাগে। শব্দবোৰ গৌণ। চিন্তা এটা জীৱন্ত সত্বা, সি বহুদূৰলৈ ভ্ৰমণ কৰে।

  - স্বামী বিবেকানন্দ

- জগতত জীয়াই থাকিবলৈ প্ৰেম আৰু সাহসৰ অতি প্ৰয়োজন

  - আব্ৰাহাম লিংকন

# কুইজ

(১) আধুনিক যুগত যোগাযোগৰ একমাত্ৰ অন্যতম জনপ্ৰিয় মাধ্যম ই-মেইল। ই-মেইল কৰা প্ৰথমজন লোকৰ নাম কি আছিল?
উঃ ৰেই ইমালিনচন।

(২) চাৰ্লি চেপলিনৰ প্ৰথম সবাক ছবি কি আছিল?
উঃ দি গ্ৰেট ডিকটেটৰ।

(৩) ভাৰতৰ বৃহত্তৰ ষ্টুডিঅ' কমপ্লেক্স কোনটো?
উঃ চেন্নাইৰ 'বিজয়া ৰোহিনী ষ্টুডিঅ'।

(৪) ভাৰতবৰ্ষই নিজাকৈ সাজি উলিওৱা প্ৰথম ছুপাৰ কম্পিউটাৰটোৰ নাম কি?
উঃ পৰম

(৫) 'অসমীয়া মানুহে তাঁতশালৰ কাপোৰত সাধুকথা লিখে'- এই উক্তি কোন বিখ্যাত ব্যক্তিৰ?
উঃ মহাত্মা গান্ধীৰ।

(৬) অসমৰ কোনখন জিলা সৰ্বপ্ৰথমে ধপাঁত নিষিদ্ধ হিচাপে ঘোষণা কৰা হৈছিল?
উঃ যোৰহাট।

(৭) অসমলৈ অহা প্ৰথমজন চীনা পৰিব্ৰাজক কোন?
উঃ হিউৱেন চাং।

(৮) অসম চৰকাৰে গঠন কৰা বিশেষ মহিলা কমাণ্ডো বাহিনী কি?
উঃ বীৰাংগনা।

# সাথঁৰ

(১) ওপৰত জুই, তলত পানী , বুঢ়াই থাকে টানি টানি ।
উঃ ধপাঁত খোৱা হোকা চিলিম।

(২) এটা মাছৰ দুখন ফিচা, বুৰ মাৰিলেই সকলো মিছা।
উঃ নাওঁ।

(৩) মাত আছে মানুহ নাই, ঘৰ আছে দুৱাৰ নাই ।
উঃ ৰেডিঅ'।

(৪) বাঁহত থাকে বতাহত উৰে, খাদ্য বিচাৰি পানীত ফুৰে।
উঃ বগলী।

(৫) তুমি দিলে ময়ো দিম কিনো কোৱা ভাই লাভ লোকচানৰ ঘৰত কাৰো একো নাই ।
উঃ নমস্কাৰ।

(৬) দিনত ভৰি পৰে লৰা-ছোৱালী, ৰাতি নাথাকে কোনো প্ৰাণী।
উঃ পঢ়াশালি।

(৭) বগা বগা চাহাবে ৰঙা ক'লা টুপি পিন্ধে, এক ঘোচ মাৰি দিলে জ্বলি পকি উঠে।
উঃ জুইশলা।

# কৌতুক



(১)

শিক্ষক : (জিন্টুলৈ আঙুলিয়াই দি) জিন্টু এটা নীতি শিক্ষা থকা কাহিনী শুনোৱা।

জিন্টু : মই মোৰ গাৰ্লফ্ৰেণ্ডক ফোন কৰোতে তাই শুই আছিল আৰু তাই ফোন কৰোতে মই শুই আছিলো। এই কাহিনীটোৰ নীতি শিক্ষা হ'ল 'যেনে কৰ্ম তেনে ফল'।

(২)

শিক্ষক : কাণেৰে নুশুনা মানুহক কি বুলি কোৱা হয়?

ছাত্ৰ : তেওঁক মন গ'লে যি টি ক'ব পাৰি কাৰণ তেওঁতো একো নুশুনেই।

(৩)

দেউতা : ডাক্তৰ বাবু, মোৰ ছোৱালীজনীয়ে এটা পঞ্চাশ পইচা খাইছিল।

ডাক্তৰ ঃ কিমান দিন হ'ল?

দেউতাকঃ চাৰিমাহ।

ডাক্তৰ ঃ ইমান দিনে উলিওৱা নাই কিয়?

দেউতাকঃ খুচুৰা পইচাৰ দৰকাৰ হোৱা নাছিল বাবে।

(৪)

বিচাৰক ঃ তুমি এতিয়ালৈকে ১০ বাৰ জেললৈ আহিলা।
মই তোমাক ১০০ টকাৰ জৰিমনা বিহিছো।

ৰাজ ঃ আপোনাৰ নিয়মীয়া গ্ৰাহক হোৱাৰ বাবে আপুনি মোক অলপ ৰেহাই নিদিয়নে?

(৫)

ডাক্তৰে ঃ ৰোগীক সুধিছে-

ডাক্তৰ ঃ তোমাৰ পাইখানা কেনেকুৱা?

ৰোগী ঃ ছাৰ, মোৰ পাইখানাটো তামোলৰ ঢকুবাৰে বনোৱা।

(৬)

এহাল দম্পতীৰ কথা-বতৰা চলি থকাৰ মাজতে ঘৈণীয়েকে গিৰীয়েকক ক'লে হেৰা তোমাক কথা এটা সোধো

ঘৈণীয়েক ঃ মই মৰাৰ পিছত তুমি কি কৰিবা?

গিৰীয়েকঃ মই পাগল হৈ যাম।

ঘৈণীয়েক ঃ তুমি বাৰু আকৌ বিয়া পাতিবা নেকি?

গিৰিয়েকঃ মই ক'ব নোৱাৰো, পাগল মানুহে যি ইচ্ছা তাকে কৰে।

(৭)

এবাৰ এজন মানুহে আন এজনক সুধিলে

প্ৰথম ব্যক্তি ঃ আপুনি দিনটোত কেইবাৰ চুলি কাটে?

দ্বিতীয় ব্যক্তি ঃ ৩২ বাৰমান হ'ব।

প্ৰথম ব্যক্তি ঃ তথাপি চুলিবোৰ দীঘল হৈয়ে আছে?

দ্বিতীয় ব্যক্তি ঃ নহয় আচলতে মই এজন নাপিতহে।

**অন্যান্য ঃ**

### দি লাইব্ৰেৰী অব্ কংগ্ৰেছ (The library of Congress)

বিশ্বৰ সৰ্ববৃহৎ পুথিভঁৰালটো হ'ল দি লাইব্ৰেৰী অব কংগ্ৰেছ। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাজধানী ৱাশ্বিংটন ডি চি ৰ ডিচিৰ কেপিটল হিলট (capital hill) এই পুথিভঁৰালটো অৱস্থিত। এই পুথিভঁৰালটোৰ মজিয়াৰ কালি ২৬.১৪ হেক্টৰ (৬৪.৬ একৰ) আৰু ইয়াত থকা কিতাপৰ ৰেকবোৰ লগ লগালে দৈৰ্ঘ্য হ'বগৈ ৮৬০ কিলোমিটাৰ। এই পুথিভঁৰালত চাৰে তিনি কোটি পাণ্ডুলিপি আৰু লিখিত দলিল সংৰক্ষণ কৰা হৈছে। তাৰ ভিতৰত আমেৰিকা ৰাষ্ট্ৰপতিসকলৰ কাগজ পত্ৰ শিল্পীৰ পাণ্ডুলিপি আৰু ছবি, বিজ্ঞনী সকলৰ খচৰাও আছে। পুথিভঁৰালটোৰ অমূল্য সংগ্ৰহৰ ভিতৰত গুটেনবাৰ্গে ছপা কৰা প্ৰথম বাইবেল। বৰদিনৰ ছুটী আৰু ১ জানুৱাৰীৰ বাহিৰে বছৰৰ আন আটাইকেইটা দিনতে লাইব্ৰেৰী খোলা থাকে।

### খ্ৰীষ্টানসকলৰ এটি পবিত্ৰ প্ৰতীক চিহ্ন ক্ৰুছ।

যীশুখ্ৰীষ্টক কেতবোৰ শাসকে তথা ধৰ্মীয় নেতাই কুট বুদ্ধিৰে ক্ৰুছবিদ্ধ কৰি হত্যা কৰিছিল। সেয়ে ক্ৰুছ খ্ৰীষ্টানসকলৰ বাবে এটি অতি পবিত্ৰ প্ৰতীক চিহ্ন। যীশুক শুকুৰবাৰে ক্ৰুছবিদ্ধ কৰি হত্যা কৰা হৈছিল আৰু সেয়ে এই দিনটো শুভ শুকুৰবাৰ অৰ্থাৎ গুদফ্ৰাইদে নামেৰে পালন কৰে। ✦

সংগ্ৰাহক ঃ **ৰঞ্জিত কলিতা**, স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ

# THE BIOGRAPHY OF A STAR

**Pulama Talukdar**
*Assistant professor of dept.of physics*

"Twinkle,Twinkle,Little Star,
How I wonder What you are!
Up above the world so high,
Like a diamond in the sky."

We all have heard this famous nursery rhyme,written by jane taylor. But have you ever pondered upon the question that it poses?What are stars?Do they last forever?

A star is a massive,Lumious ball of hot gases,mostly hydrogen and helium,bound by its own gravity.



when a huge cloud of gas,mostly hydrogen and dust,starts to contract due to gravitational attraction,then the molecules collide with each other frequently with vigorous speed.As a result the gas heats up. The temperature becomes so high (about 7 million degree kelvin) that hydrogebn molecules start to fuse with each other,forming helium molecules and release a huge amount of heat energy.This energy makes the gas shine and increases the outward pressure.When the outward pressur exerted by the nuclear fusion becomes sufficiently large to balance the inward pull due to gravity,the contraction of gas stops and a stable young star is formed.The star remains in this stable condition for a very long period until it run out of hydrogen gas.

The life time of a star depends on its mass. The more massive star needs to be more hot to balance its gravitational pull and to become more hot,it uses up its fuel quickly. As the star runs out of fuel,it cools off and starts to contract.Thus the massive star has a comparatively short lifetime of about few hundred thousand years.As a smaller star uses up its fuel more slowly,it shines for several billion years.

All stars fuse hydrogen nuclei in the core to create helium.When the hydrogen in the core is exhausted,the star begins to use hydrogen in a shell surrounding the core.This causes the outside of the star to expand and cool changing its colour to red Over time the star becomes a red giant.A red giant has its mass 400 times its original mass.While the outer layer of the star grows,core of the star shrinks because of gravity. In the Core,temperature and pressure increase till the nuclear fusion starts again.But this time helium is fused.Again the star starts to shrink,become hotter changing its colour to blue.As the helium runs out rapidly,this stage lasts for a very small period of about a million years.As

soon as helium runs out,the star starts to shrink again and it begins to use helium in a shell surrounding the core.At the same time,hydrogen may fuse in a shell around that.The outer layer again starts to expand,cool and turn red again.It is the second red giant phase.After that,depending upon the mass of the star it may go through different Phases.

Subrahmaniyam chandrasekhar,an Indian Nobel Laureate calculated that a cold star (white dwarf) of more than 1.4 times the mass of the sun would not be able to support itself against its own gravity.This mass is known as "Chandrasekhar Limit" for an original star's mass, this limit is 8 times the mass of the sun.

A star having mass less then Chandrasekhar limit,can moves through planetary nebula phase and ultimately settle down as a white dwarf.Planetaey nebula is an expanding glowing shell of very hot gas. A star turns into a planetary nebula towards the end of the red giant phase.At this time, the highly unstable star starts to pulsate, resulting in strong stellar wind which ejects the outer layers leaving a very hot, highly bright and highly dense core with a radius of a few thousand miles,called a white dwarf star.The ejected material is scattered into space and will be used in the formation of new star.

A white dwarf is made of highly compact carbon and oxygen.As there is no nuclear fusion in white dwarf,it emits only the thermal energy as heat and light.Over time,this energy will gradually radiate away allowing it to cool down and to change colour.Eventually,they will stop glowing completely ,become a cold black dwarf and disappear from sight.

A star having mass more then Chandrasekhar Limit is a massive star.A massive star continues the nuclear fusion in the core after exhausting the helium.The next set of fusion reaction is carbon fusion and neon fusion carbon fuses to create heavier elements like Ne,na, and mg while neon fusion produces more oxygen and magnesium.These fusion rections continus with heavier elements until Iron is produced in the core.The star in which these types of processes are happening is called a super giant.In a supergiant a new shell of core material is created in each stage of evaluation.Hence the star has different elements in different phases.Once iron is formed,fusion stops.The outer thermal pressure stops abruptly and the gravitational pressure trying to collapse the star,wins.This happens very repidly,relesing a huge amount of energy and forming new elements.The collapsing outer layer particles when reach the highly dense core,they bounce off the surface sending shock waves through the stars.This leads to an enormous explosion called a core collapse supernova.After the explosion there may be a remnant neutron star or a black hole when the core mass is too large.✦

**Reference :**


- Mathew D. Schwartz: Statistical Mechanics,Spring 2019,Lecture 15
- Rudolf Kippenhahn,Alfred Weigert and Achim Weiss: Astronomy and Astrophysics Library,Springer.
- Stephen W Hawkins: The Theory of Everything,Phoenix books,Beverly Hills,CA 90212

# MOTHER TERESA-AN ICON OF WOMAN EMPOWERMENT

**Prativa Deka**
*Head of the Dept.zoology*



History points out many great men and woman who have strived to do this. The saintly mother teresa,the nobel laureate for peace,is unique among them and stands as an inspiration and symbol of woman empowerment.Striving and living for a good cause requires immense courage.with a small-built and make appearance,she was a woman of great inner strength and unbreakable will power.

Born on august 26 to pious and righteous albanian couple and baptized as anjeze Gonxhe Bojaxhiu,she found her,religious calling and become a christian nun. She came to India in 1929 and served as a teacher in Darjeeling and then in calcutta. For almost twenty years, Mother Teresa dedicated her life as a teacher at the St Mary's school,graduating to the past of the principal in 1944. Her undaunted commitment to serve the society and mankind was gretly recognized by students and teacher. Though she enjoyed teaching young girls,she was greatly disturbed by the poverty and misery that was prevalent in calcutta.

During her jurney from Calcutta to Darjeeling she experienced another call from gat asking her to establish a society for saving the poorest of the poor.She determined to do this although seemed to be impossible .Here began a test for her determination and strenght.It was not easy to get permission from her religious community as she had already took her final profession of vows in a community called sisters of Loreto.She neither rebelled nor gave up. Her exceptional patience and perseverance convinced her religious superiors and finally her dream came true on October 7,1950, a historic day in the life of Mother Teresa when she finally received permission from the Vatican to start the congregation known as missionaries of charity.

Clad in a white blue -bordered saree,Mother Teresa begun her journey to reach the unreachable star,to win the unbetable fow,to love the unloved to touch the untouchable,to serve the abandoned and to comfort the uncared.With a strong deter- mination and unflinching courage,she entered the world of poor,a world that needed her,a world of her own!

With no big plans,not much money and with merely thirteen members.She started the journey to accomplish her vision.With a humble beginning,the missionaries of charity became one of the most significant and recognized congregations in the world under the dynamic leadership of mother teresa.

Mother Teressa opened her first home for the sick,destitute and the dying in Kalighat,Kolkata with the help from Indian officials after much struggle.Known as the kalighat home for the dying,provided medical attention to those in need and it gave people the opportunity to die with dignity in accordarce with thier faith.In the word of

mother teresa it was "for people who lived like animals to die like angels-Loved and wanted".

In 1955, teresa's missionaries of charity opened Nirmala Shishu Bhavan,the children's home to take care of homeless children and provide them with food,shelter and medical care.True bravery is to walk where the brave dare not go. Mother teresa exhibited this rare valor and undying spirit by starting shanti nagar, a home for lepers.In India a large numbers of people were infected with leprosy,a disease that can lead to major disfiguration. Mother teresa created a leprosy fund and a leprosy day to help educate the public about leprosy as many people feared the contagions disease she also established several mobile leper clinics provide the infected with medicine and bandages near their home.Missionaries of charity had almost 4000 sisters working in 610 foundations.In 450 centres in 123 countries across the six continents.The congregation had several hospices and homes for people with HIV/AIDS,leprosy and tuberculosis, soup kitchens children's and family counselling programs,personal helpers,orphanages,and schools functioning under it.

"Those who humble themselves will be exalted"-jesus christ.Mother Teresa was bestowed with highest National and International awards and honors. The goverment of India honored her with Padmashri, Jawaharlal Nehru Award for international understanding and.Bharat Ratna,Indians highest civilian award.She was honoured with Ramon magsaysay award for international understanding,for her merciful cognizance of the object of a foreign land,in whose servise she led a new congregation,In 1971,she was awarded the first Pope John XXIII peace prize for her work with the poor display of christain charity and efforts for peace.In 1979,mother Teresa was awarded the novel peace prize, "for the work undertaken in the struggle to overcome poverty and distress, which also constitutes a threat to peace." During her lifetime, Mother teresa was among the to 10 women in the annual Gallup's most admired man and women poll 18 times. In 1999, Mother Teresa ranked first in Gallup's List of Most widely admired people of the 20th century.

And above all, she has been canonized as a Saint, by theVatican ;Declaring a person as a saint by the Catholic Church is only offer a grueling process ,involving volumes of historical research ,the hunt for miracles and teams of experts to weigh the evidence.

Mother Teresa is a big sign of woman empowerment. Being a woman Mother Teresa accomplished her great vision, mostly by women in her mission ,though she was rendered support from men at good will she gave hope for her sisters in a hopeless situation. her life, which was devoted to helping people in need, led to many hurdles from men of religious and political influence. She faced huting humiliation when she went asking for her poor people with just a smile on her wrinkled face, she won not only won the heats of men who opposed her unparalleded patience, She set right the unrightable wrong.

Looked upon as a channel of peace and love, the Saint Mother Teresa is surely a source of inspiration, a symbol of dynamic and great valor, not only to women but to men as well.

"It is not how much we do,
but how much love we put in the doing
It is not how much we give,
but how much love we put in the giving
"Not all of us can do great things. But we can
do small things with great love ."

-Mother Teresa✦

**References :**

Alpion, Gezim, "Mother Teresa: Saint as celebrity? London," Chawla, Navim. Mother Teresa: Routledge press, 2007. The Authorized Biography." Diane pub cp.1992.

# SEE THE SELF : UPANISHADIC MYSTICSM

**Bijoy Kr. Das**
*Assistant prof.of Dept.of Logic and Phil.*

**Abstract:**

Mysticism implies teaching and belief that knowledge of God and of real truth may be obtained through meditation or spiritual insight, independently of the mind and the intellect from the angle, everything in the Upanishadas is full of mysticism and to outline this seems to be a very difficult task But even then let us try our hand at outlining this Upanishadic mysticism. Brahman is the real essence of man but the ignorance of man makes him forget this real essence. This ignorance is in the nature of man and due to this ignorance he falls into the Chakra (Cycle) of transmigration, birth and rebirth. Removal of this ignorance by sustained efforts, achievement of true knowledge and merging the self with the Universal self, is the aim of the Upanishadas. Self-realization frees man of all bondage, and gets to liberation.

Key Words:- Mysticism, God, Upanishada, Brahman, Chakra, Universal Self, Self-realization Liberation.

Introduction:-

As a student of Philosophy, we know that the aim of all Upanishads is to investigate the nature of Self (Atman). The authorship of most Upanishads is uncertain and unknown. Radhakrishnan states, "Almost all the early literature of India was anonymous, we do not know the names of the authors of the Upanishads. According to the Upanishadas, ignorance is the cause of bondage and liberation is the result of knowledge. Because man in this world is under bondage of birth and rebirth. The cycle of birth and rebirth does not break due to ignorance. So due to ignorance, man is unable to distinguish between the eternal and ephemeral. We know ignorance causes egoism, dualism and plurality. Ignorance is the intellectual knowledge, which makes distinction between the subject and the object. Ignorance is the intellectual knowledge of things in the contexts of time, space and causality. Ignorance is the field of action. Ignorance is the cause of birth and rebirth. Knowledge provides liberation from bondage and the bondage of transmigration is broken. But this knowledge is not intellectual knowledge. It is the knowledge, through own immediate intuitive experience. This knowledge is not determined by time, space and causality. It is the sphere of higher knowledge through identity.

Out of ignorance is born the ego, which is mainly responsible for bondage. The ego makes the Jiva identify itself with the senses, mind, intellect or body. The knowledge of and identification with the physical world gives birth to bondage the causes of which are egoism, selfishness and attachment. Upanishadas plead for the annihilation of this ego through true knowledge and realization and identification of Brahaman.This will cause the disappearance of the bondage.The knowledge and realization of Brahman implies,"Being Brhaman",which means seeing Brahaman everywhere and in everything and seeing Self in everything and everywhere."I Am the Brahaman" should be the liva's motto. It is the multiple status in which there is unity and identity of the Jiva and God. It is beyond dualism and pluralism, beyond fear of merit and demerit, beyond attachment and aversion, beyond pain and pleasure. It is the status of self- play, self-enjoyment, absolute freedom and bliss. It is the state of Self Consciousness, Self-Will, Attributes less, Consciousness and finally indescribable bliss. In other words, it means that by which something is to be seen and visualized. It connotes the direct,

immediate and intuitive vision of Reality, the actual seeing of Truth, and also the means or instruments which lead to this realization. So the keynote of all Schools of Indian Philosophy is "See the Self".

Means of achieving liberation:

The Upanishadas not only discuss bondage and liberation theoretically but also suggest positive means to achieve liberation from bondage. They have presented these means of achieving liberation in comprehensive details. These constitute, the whole ethics of the Upanishadas as liberation from bondage is the ultimate aim sought by them. They hold that self-realization or the realization of Brahman is the only means of liberation from bondage. For this Self-realization a number of other means have to be adopted and utilized. The spiritual life has its own conditions peculiar to it and unless these conditions are fulfilled one cannot hope for self-realization. These conditions may be summed up as follows.

1. The first condition is introversion. The soul lives inside and the self cannot be realized by running after the outside, worldly objects. There is the natural tendency in man to run after the external worldly objects. This tendency has to be checked and curbed, extroversion has to be checked and converted into introversion consists in concentrating the mind on the inner self by restraining extroversion by taking off the sense from the external worldly objects. So the first and foremost condition for Self-realization is introversion.

2. Katha Upanishada says that the self cannot be realized either by speech or by hearing of by intellect but by conditioning yourself to the inward, the soul. Mundaka Upanishada goes a step further by saying that truth, real knowledge and the life of celibacy are essential for Self-realization.

3. Initiation from the teacher on the path to self-realization is considered a prerequisite. In the Chhandogya Upanishada, Satyakarma Jabala says that he has heard from many learned person, great like teacher, that no one can achieve his aim in the path of self-realization without initiation from a teacher. Katha Upanishada puts it thus: "Arise, away and learn from those who are better than you, because and path of self-realization is difficult like the edge of the knife". This Upanishads further, says that the initiator teacher must have himself realized the Self. In the parable of the man living in the country of Gandhara in the Chhandogya Upanishada ,it has been said that the dacoits closed the eyes of the man of Gandhara and took him to the forest in the far country and left him there. He came back to his country only upon another man guided him to the proper path. This other man in the parable is the teacher who guides properly the man from Gandhara. This parable presents beautifully the need of a teacher for initiating in the path of self-realization: "He that has a teacher knows.

For self-realization, one should have sufficient devotion to Brahman and faith in the initiator, i.e. the teacher, Shvetashvatar Upanishada holds that the enquirer should not be initiated into the path of self-realization by the teacher, unless, he has sufficient faith in the teacher and devotion for God. This is why we find that the teacher does not impart knowledge and initiate in the path of self-realization until he finds that the inquirer is a worthy recipient of the knowledge. Chhandogya Upanishada, Indra and virochana approach Prajapati to learn the teaching about self, and the teacher asks them to; undergo penance for thirty two years to qualify themselves to receive the teaching. They fulfill the condition and come to receive the teaching. Thus they show faith and devotion.

Some Upanishadas prescribe renunciation as the necessary condition for Self realization. But the condition has not been accepted as a pre-requisite for self realization by majority of them. It is not necessary to renounce the world and become a Sanyasin for self-realization. In this regard, the example of Janak is a classic one. He was a king and a family man, yet he attained self-realization

that became Vidaih (above body).

Thus after introversion, catharsis, devotion and initiation by the teacher, man goes forward on the path of Self-realization. The Upanishadas mention two significant and important aids, on this Path of self-realization. These are: The practice of Yoga, and The concentration on 'Om". With the practice of yoga one becomes adept in concentration and when the concentration on 'Om' is complete then the Self-realizes. Let us discuss what the Upanishads have to say with regard to these two aids.

1) The practice of Yoga: **Brahadaranyaka Upanishada** regards that for **Self-realization**, it is necessary to have control over body and mind and the catharsis of the **Chitta** through the Yoga and Yogic penance is helpful in the catharsis of the Chitta.One should practice the **Eightfold Path of Discipline (Ashtanga Yoga)**, which is **Yama, Niyama, Asana, Pranayama, Pratyahara, Dharma, Dhyana,** and **Samadhi, Shandilya Upanishada** describes the ten forms of **Yama as Ahimsa** (Non-Violence), **Satya** (truth), **Asteya** (non-stealing), **Brahmancharya** (Celibacy), **Daya** (Pity), **Kshama** (forgiveness), **Dhriti** (steadfastness), **Mitahara** (restrained diet), **Arjava** (honesty) and **Sauca** (Purity). Ten forms of **Niyama** have also been mentioned as **Tapas** (austerity), **Santosha** (contentment), **Astikya** (faith in God), **Dana** (charity), **Archana** (Worship of God), **Siddhanta Sravana** (hearing of spiritual principle), **Shradha** (faith), **Japa** (incantation), **Vrata** (fasting), and **Hri** (modesty). **Shveteshvatara Upanishada** also describes the physical effects of the practice of Yoga.

**2) Concentration on Om :**

After the necessary control over body and mind, and the catharsis of the **Chitta** thought, the **Yoga** and the **Upanishadas** lay emphasis on the concentration on **'Om'** or **'Aumkara'.** The three parts of 'Aumkara' namely **A-U M** lead an enquirer through the three states of **waking, dreaming** and **sleeping** and their cumulative effect takes him to the fourth state called **" Turtya"** where the **Self becomes Brahman**. It is a calm, non-dual, blissful and all consciousness where all plurality is merged and then the process of self-realization is complete.

All this description of self-realization or spiritual evolution given in the Upanishadas has been represented through a five-step ladder by **Prof. Ranade.** These five steps, as suggested by him are summed up below:

**1.** In the first step, as described in the **Brahadaranyaka Upanishada**, the enquirer regards himself as separate from others and feel it inside him through **mystic intuition.**

**2.** The second step comes when the enquirer begins to experience that he is neither the body vital nor intellectual nor emotional and that he is essentially entirely identical with the pure or upper self. **Brahadaranyaka Upanishada** puts it thus: the Being, which calls itself the **'I'** within us must be identified with **the Self.**

**3.** In the third step the enquirer realizes that ***the Self*** he has realized an identical and must be identified with Brahman. In this way, the enquirer feels no difference between the self and the Absolute. **Brahadaranyaka Upanishada** emphasizes upon the need for identification of **Atman** and **Brhaman**, the individual self and the universal self, the self and the absolute. **Isha Upanishada** says the same thing in the different manner. **The self is infinite** and the Brahman is also infinite and infinite must merge and unite with infinite.

**4.** In the fourth step, the enquirer comes to realize that since he is the self and the **Self is Absolute,** so he is Absolute.**Brahadaranyaka Upanishada** speaks of identifying the **"I"** with the Absolute; **Chhandogya Upanishad** speaks of **"Thou"** to be **"Protectively"** identified with the Absolute.

**5.** In the final and final step, the enquirer sees everything in the universe as constituting the Absolute. **Chhandogya Upanishada** regards that the Brahman is verily the "All" this and the realization is not intellectual but mystic and is the state of **absolute monism.**

**The Upanishadas also explain the consequences or results of this mystic realization.**

**1)** **Brahadaranyaka Upanishada** says that when the desire of the enquirer has been satisfied, and his **aim of self-realization** has been achieved, he does not indulge in physical activities. In other words, all the physical attachment and desires of the identified perfect Seer are destroyed.

**2)** As a consequence of the **mystic self-realization,** all doubts, illusions, misconception and fears disappear and all the problems are automatically solved, The **Mundaka Upanishada** puts it thus, **"All the knots of his heart are opened, all his doubts are removed and efforts of his karmas are destroyed."**

**3)** The meaning of **Self into Brahman,** the Absolute, provides great strength The **Mundaka Upanishada** compares the strength prior to the self realization and succeeding it in their words.

**4)** Union of individual self with the universal self-results into **"Absolute bliss"** (Parama Ananda). **Brahadaranyaka Upanishada compares this bliss with the happy and perfect sexual union with one a dear wife. In this bliss the man forgets himself as completely as in the other.**

**5)** The Absolute bliss felt after realization makes all fears disappear. The man is completely self-assured and confident. **Taittirtya Upanishada** describes this state in the following words: **"He becomes fearless be- cause he has found a place in that imperceptible, bodiless, indescribable; fearless and the beseless basis of all.**

**6)** The last results that ensures from **Self-realization** is the satisfaction of all desires of the man. Chhandogya Upanishadas expresses the conse quences of self-realization in these words - **"One who finds the self after its search attains all the Universe and all his desires are ful filled".**

**Conclusion :**

Thus, we see that after **Self-realization,** man's all physical attachments and desires are annihilated, and all his doubts and illusions, and problems are removed and solved. He feels **great strength** and **enjoys absolute bliss,** and all his fears disappear and all his wishes reach **fulfillment.** For all this, and for much more, the Upanishadas declare the **"Ultimate end of all Philosophy"** and **mysticism** is the **Self-realization,** which is regarded the **real essence of man.** Finally Self-realization frees man of all bondage, and gets to **liberation.** ✦

**References:-**


1) The Philosophy of the Upanishads: Sri Aurobindo.

2) The Principal Upanishads: S. Radhakrishnan.

3) Eight Upanishads (with the commentary of Sankaracarya): Translated by Swami""Gambhirananda.

4) Dialogues from the Upanishads: Swami Sivananda.

5) The Brhadaranyaka Upanisad (with the commentary of Sankaracarya): Translated by Swami Madhavananda.

6) Chandogya Upanisad (with the commentary of Sankaracarya):- Translated by Svami Gambhirananda.

# 'Jou': The Traditional beverage of Boro Tribe of Assam

Monalisha Brahma
Assistant Prof. ofdept.of history

The Boros are the aboriginal tribe of northeast India speaking Sino Tibetan language. The Boros has been practicing fermentation of 'jou' since time immemorial. And it has become an integral part of socio cultural life of the Boros, "Jou" or "zu" is a form of rice beer and has a very significant role in every occasion of the social events. Ever wondered why alcoholic beverage are a drink of wonder?

On June 10, 1980, his followers smuggled a letter from Mandela in prison and made it public: "UNITE! MOBILIZE! FIGHT ON! BETWEEN THE ANVIL OF UNITED MASS ACTION AND THE HAMMER OF THE ARMED STRUGGLE WE SHALL CRUSH APARTHEID!"

In 1976, when thousands of Black children in Soweto, a Black township outside Johannesburg, demonstrated against the Afrikaans language requirement for Black African students, the police opened fire with tear gas and bullets.

The protests and government crackdowns that followed, combined with a national economic recession, drew more international attention to South Africa and shattered any remaining illusions that apartheid had brought peace or prosperity to the nation.

The United Nations General Assembly had denounced apartheid in 1973, and in 1976 the UN Security Council voted to impose a mandatory embargo on the sale of arms to South Africa. In 1985, the United Kingdom and United States imposed economic sanctions on the country.

Under pressure from the international community, the National Party government of Pieter Botha sought to institute some reforms, including abolition of the pass laws and the ban on interracial sex and marriage. The reforms fell short of any substantive change, however, and by 1989 Botha was pressured to step aside in favor of another conservative president, F.W. de Klerk, who had supported apartheid throughout his political career.

Conclusion - Though a conservative, De Klerk underwent a conversion to a more pragmatic political philosophy, and his government subsequently repealed the Population Registration Act, as well as most of the other legislation that formed the legal basis for apartheid. De Klerk freed Nelson Mandela on February 11, 1990.

A new constitution, which enfranchised Black citizens and other racial groups, took effect in 1994, and elections that year led to a coalition government with a nonwhite majority, marking the official end of the apartheid system. ✦

# BHAKTI-AN ANALYSIS WITH SPECIAL REFERENCE OF SOCIETY

**Ranjit Kalita**

The origin of the Bhakti cult first began in south India in the 7TH -8TH century in order to bridge the gulf between the shaivas and vaishnavas It stood for intense personal devotion and complete self surrender to god .It belived in the unity of godhead brotherhood of man and equality of all religion .The roots of the Bhakti movement can be traced to the Upanishads and Purans and the Bhagvad Gita .The Bhakti movement gained importance in the northern parts of the century during the 12th-17th century CE. There is no single opinion about the origin of Bhakti movement, there is unamimity of thought over the fact that Bhakti movement was based on eqality and devotional surrender to a personally conceived supreme god. The Bhakti movement was a reforms movement in Hinduism. During the time of muslim rule in India the Hindu society was full of many social anomalies like rigidity of caste system, irrelevant rituals and religious practices, blind faiths and social dogmas .The society also suffered from polytheism, segregation, severe economic disparity due to casteism. Untouchability etc.

The religion itself was monopolized by the Brahmins who themselves led a degenerated and corrupt moral life common men in general had developed on adverse attitude towards these social evils and were in need of a liberal form of religion where they could identify themselves with simple religious practices. There fore popular dissatisfaction against the existing social religious evils was a major catalyst behind the spread of Bhakti movement all over India for a long period of time SOCIAL CONTENT OF BHAKTI MOVEMENT INTRODUCTION The origin of the Bhakti cult first began in south India in the 7TH -8TH century in order to bridge the gulf between the shaivas and vaishnavas It stood for intense personal devotion and complete self surrender to god .It belived in the unity of godhead brotherhood of man and equality of all religion .The roots of the Bhakti movement can be traced to the Upanishads and Purans and the Bhagvad Gita .The Bhakti movement gained importance in the northern parts of the century during the 12th-17th century CE. There is no single opinion about the origin of Bhakti movement, there is unamimity of thought over the fact that Bhakti movement was based on eqality and devotional surrender to a personally conceived supreme god. The Bhakti movement was a reforms movement in Hinduism. During the time of muslim rule in India the Hindu society was full of many social anomalies like rigidity of caste system,irrelevant rituals and religious practices,blind faiths and social dogmas .The society also suffered from polytheism ,segregation,severe economic disparity due to casteism .Untouchability etc. The religion itself was monopolized by the Brahmins who themselves led a degenerated and corrupt moral life common men in general had developed on adverse attitude towards these social evils and were in need of a liberal form of religion where they could identify themselves with simple religious practices. There fore popular dissatisfaction against the existing social religious evils was a major catalyst behind the spread of Bhakti movement all over India for a long period of time SOCIAL CONTENT OF BHAKTI MOVEMENT The Bhakti movement was a special reform that began with the idea of removing cast and gender distinction.Superstitious beliefs of Indian society in pre-medieval and medieval era,Indian social structure was based on

rigid and discriminatory caste system which determined on individuals status and place.in society based on social hierarchy. The mechanism of social hierarchy started producing relationships based on superiority and inferiority complexes which later an on also established the practice of untouchability, differences and discrimination based on religion was widespred. Relationship between men and woman were based on an unequal positioning of woman in society. Woman's freedoms were restricted and basic rights were denied. As a result the Bhakti movement was started. The most famous Bhakti saints came from lower strata of society .So their understanding and knowledge was based on their experiences. They could feel the sufferings of people and they could also see the oppressed people in themselves because they were once them. Kabir, who was one of the most important figure of Bhakti movement like many other poet saints, He peached the doctrine of monotheism, which is a belief is a one single god. He said that god is one whom people call by different names such as Ram and Rahim. Through this conception of monotheism 'He condemned the inequality of men on the basis of religion,caste tribe or race or family .Kabir says that everybody is created by the same super power, difference and inequality do not exist and one creation is the same like another in the eyes of god .inequalities based on religion,caste race etc are social construct and thus divide the people and fail to see everyone with compassion and humanitarian approach. Kabir saw the greatest enemy of humanity and equality in Hindu caste system, its rituals, conservation and superstitions. Kabir said that the original Hindu religion is captured by Brahmanical misinterpretation and dominance through rituals and supertitions. So kabir said that equality in Hindu society will not come until the brahmanic rituals and practices will go away from the religion. Kabir also attacked the ill trartment and mentality of society for certain occupants and theire occupations.Kabir spread his ideas that no job is lowly and every individual is equal and respect worthy irrespective of jobs and occupations he or she is doing .Another Bhakti saints Ravidas preached the importance of purity of mind and soul instead of ceremonial purity of body .Ravidas said that if you are honest in your prefession and good by heart thus respecting humanity, you are pure and so there is no need to take bath in the holy ganga and visit religious places. Medieval period was not just at all for woman .womans sufferings were much more acute than today though all the Bhakti saints did not raise the issues of woman equality and rights properly, but we can find the voices for woman in the writings of Surdas and Meerabai. For them a woman and her body was not an object of sex and bodily pleasures. In Meerabai and Surdas writings woman were seen on an uqual footing with men .Both advocated the liberation of woman from the ideology of male dominance .The established ordere of male subjugation which confines a woman on the four walls of the house and restricts her freedom would have to be forsaken. In the Bhakti poetry, consemed issues of woman were raised through attacking the existing social order where a woman was seen only in relation to her husband and famlily there by detaching the self of a woman from worldly and socially constructed relationship and attaching the self to the creator was felt necessary.

**CONCLUSION** :

The Bhakti movement was a sublimation of terrible worldly sufferings pain and misery that found natural outlet in sweet sad and poignant devotional songs' Bhakti movement had a tremendous impact on society .It could also became so popular because the Bhakti saints who led this movement were mainly from the oppressed and lower sections of society and they spoke out the things which they experienced as well. Bhakti movement did not only addressed the issue of religional issues, it also addressed the socialy constructed caste and gender issues. ✦



# সভাপতিৰ প্ৰতিবেদন

"মোৰ প্ৰাণৰো প্ৰাণৰ, মোৰ গাণৰো গাণৰ মোৰ দেশ।" - হীৰেন ভট্টাচাৰ্য্য

প্ৰতিবেদনৰ আৰম্ভনীতে যিসকল ব্যক্তিয়ে মনত অদম্য সাহস লৈ অসমী আইৰ দুৰ্যোগৰ সময়ছোৱাত নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি প্ৰাণাহুতি দিলে আৰু যিসকল ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত এই মহাবিদ্যালয় জন্ম হ'ল সেই সকল মহান ব্যক্তিলৈ মই জনাইছো অশ্ৰুসিক্ত প্ৰণিপাত তথা যিসকল ব্যক্তিয়ে অসমী আইৰ অস্তিত্ব ৰক্ষাৰ হেতুকে আজিও পংগুত্ব জীৱন আকোঁৱালি ল'বলৈ কুণ্ঠাবোধ নকৰিলে তেখেতসকললৈ যাচিলোঁ গভীৰ শ্ৰদ্ধা।

২০১৯-২০২০ ইং শিক্ষাবৰ্ষৰ বৰভাগ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক সভাপতি হিচাপে নিৰ্বাচিত কৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা মোৰ বন্ধু-বান্ধৱী, ভাইটি-ভন্টিলৈ এই ছেগতে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

অইন বেলিৰ দৰে এইবেলিও 'মহাবিদ্যালয় সপ্তাহ' আৰু 'নৱাগত আদৰণি সভাখন' অতি জাক-জমকতাৰে অনুষ্ঠিত হয়। যদিও 'নৱাগত আদৰণি সভাখন' কৰোনাৰ দৰে ভয়াবহ মহামাৰীয়ে সৃষ্টি কৰা ত্ৰাসৰ বাবে পলমকৈ অনুষ্ঠিত হয়। 'মহাবিদ্যালয় সপ্তাহৰ ' বিভিন্ন প্ৰতিযোগিতাত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিয়ে আমাক বাৰুকৈয়ে আনন্দিত কৰি তুলিছিল। ইয়াৰ লগতে নৱাগত আদৰণি সভাখনত অসমৰ জনপ্ৰিয় ইউটিউবাৰ দিম্পুবৰুৱা, বিশিষ্ট চিত্ৰশিল্পী অবিনাশ মজুমদাৰৰ লগতে বিশিষ্ট অভিনেতা সুকুমাৰ বৰ্মন উপস্থিত থাকি সভাখন শুৱনি আৰু অধিক আকৰ্ষনীয় কৰি তোলে। তদুপৰি বিভিন্ন গীত-মাতৰ অনুষ্ঠানেৰে সভাখন সাফল্যমণ্ডিত হয়।

মহাবিদ্যালয়খনক সকলো দিশৰ পৰা জাতিস্কাৰ কৰাৰ ক্ষেত্ৰত ছাত্ৰ একতা সভাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কিন্তু দেখা যায় যে আমাৰ ছাত্ৰ একতা সভাৰ গুৰুত্বপূৰ্ণ পদবীত থকা বিষয়ববীয়াসকলে কেৱল মহাবিদ্যালয় সপ্তাহৰ সামৰণিৰ দিনটোতে নিজৰো দায়িত্বৰ সামৰণি মাৰে। মই বিশ্বাস কৰো ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলে নিজৰ পদবীৰ দায়িত্বতে সীমাবদ্ধ নাৰাখি মহাবিদ্যালয়খনৰ সকলো আভ্যন্তৰীন আৰু বাহ্যিক দিশতো চোৱা-চিতা কৰি শ্ৰদ্ধাৰ শিক্ষা গুৰুসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰো প্ৰিয়ভাজন হ'ব পাৰে। লগতে মহাবিদ্যালয়খনৰ উন্নতিৰ বাবে অহোপুৰুষাৰ্থ কৰিব ।

মহাবিদ্যালয়খনৰ অভাৱ-অভিযোগৰ কোনো সীমা নাই। এটা সমাধান হ'লে আন এটাই গা কৰি উঠে। বৰ্তমান সময়ত মহাবিদ্যালয়খনৰ বহু উন্নতি পৰিলক্ষিত হৈছে। অভাৱ-অভিযোগ বহুখিনি দূৰ হৈছে। মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী একলগ হৈ ছাত্ৰ একতা সভাৰ লগত সহযোগ কৰি ভৱিষ্যতে যিকোনো অভাৱ-অভিযোগৰ সন্মুখীন হ'লে দূৰ কৰিবলৈ চেষ্টা কৰিব লাগিব। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ ছাৰ-বাইদেউসকলৰ সহযোগিতাক নুই কৰিব নোৱাৰি।

**কৃতজ্ঞতা স্বীকাৰ** ঃ সকলো কাম কৰিবলৈ কাৰোবাৰ সহায়-সহযোগিতা, দিহা-পৰামৰ্শ, প্ৰেৰণা অতিকৈ প্ৰয়োজনীয়। এটা কাম তেতিয়াহে সফল হ'ব যেতিয়া তাত থাকিব সহায়-সহযোগিতা, প্ৰেৰণা আৰু জ্ঞানীজনৰ দিহা-পৰামৰ্শ। মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ গৰিষ্ঠসংখ্যক ছাৰ-বাইদেউ আৰু কৰ্মচাৰীয়ে দিহা পৰামৰ্শ আগবঢ়াইছিল। এই ছেগতে তেওঁলোকক মই কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ লগতে মোৰ কাৰ্যকালত প্ৰতিটো মুহূৰ্তত মোৰ লগত জড়িত থাকি শাৰীৰিক আৰু মানসিকভাৱে সহায় আগবঢ়োৱা মোৰ সমূহ বন্ধু-বান্ধৱী, ভাইটি-ভন্টি আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলক ধন্যবাদ জ্ঞাপন কৰিছো।

**সামৰণি** ঃ সৰ্বশেষত অজানিতে মোৰ হৈ যোৱা অনিচ্ছাকৃত ভুল-ক্ৰুটিৰ বাবে আটাইৰে ওচৰত ক্ষমা বিচাৰিছোঁ। বৰভাগ মহাবিদ্যালয়ৰ চিৰগৌৰৱ আৰু উন্নতি কামনা কৰি শিক্ষাগুৰুসকলৰ ওচৰত প্ৰণিপাত জনাই অনাগত দিনত সকলোৰে সহায়-সহযোগিতা আশা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু বৰভাগ মহাবিদ্যালয়।"

ধন্যবাদেৰে-
শ্ৰী শিখৰজ্যোতি লহকৰ,
সভাপতি, ছাত্ৰ একতা সভা, ২০১৯-২০

# উপ-সভাপতিৰ প্ৰতিবেদন



*নতুন প্ৰাণৰ ন চকুস্ফুৰিত দীপ্তিমান পৃথিৱীখন ন কৈ চোৱাৰ মানসৰে যিসকল মহান ব্যক্তিৰ অক্লান্ত প্ৰচেষ্টাৰ ফলত ন শিক্ষা সংস্কৃতিৰ প্ৰাণকেন্দ্ৰস্বৰূপ বৰভাগ মহাবিদ্যালয় গঢ় লৈ উঠিছে সেইসকল চিৰনমস্য ব্যক্তিৰ প্ৰতি সহস্ৰ প্ৰণিপাত জনাইছোঁ।*

*২০১৯-২০ ইং বৰ্ষৰ বৰভাগ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ সভাপতিৰ পদত মোক সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে জয়যুক্ত কৰি যি এক দায়িত্ব দিলে তাৰ বাবে মই আপোনাসৰৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম। সততা আৰু নিষ্ঠা সহকাৰে কাম কৰি উপ-সভাপতিৰ দায়িত্ব পালন কৰি কিমান দূৰ সফল হৈছো সেইটো আপোনালোকৰ ওচৰত এৰি দিছোঁ। মোক বিভিন্ন দিশত দিহা পৰামৰ্শ দিয়া ছাৰ বাইদেউ, বন্ধু-বান্ধৱী, ভাইটি-ভণ্টি লৈ অন্তৰৰ নিভৃত কোণৰ পৰা আন্তৰিক কৃতজ্ঞতা নিবেদিছোঁ।*

*শেষান্তৰত, মোৰ কাৰ্যকালত অজ্ঞাতে হৈ যোৱা ভুল ভ্ৰান্তিৰ বাবে প্ৰতিবেদনৰ দ্বাৰা আপোনালোকৰ ওচৰত ক্ষমা মাৰ্জনা বিচাৰি প্ৰতিবেদনৰ দ্বাৰ বন্ধ কৰিলো।*

*'জয়তু বৰভাগ মহাবিদ্যালয়'*

ধন্যবাদেৰে-

**ভাস্কৰ জ্যোতি দাস**

উপ-সভাপতি, বৰভাগ মহাবিদালয় ছাত্ৰ একতা সভা২০১৯-২০



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

স্বদেশ আৰু স্বজাতি ৰক্ষাক দায়িত্ব আৰু কৰ্তব্য হিচাপে লৈ নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ যাওঁতে যিসকলে কলিজাৰ কেঁচা শোনিত দেশৰ পূজাত পুষ্প, ধূপ, দ্বীপ, নৈবেদ্য হিচাপে আহুতি দিলে,সেইসকল ত্যাগৰ প্ৰতীক দেশপ্ৰেমিক মহান আত্মাক সশ্ৰদ্ধ প্ৰণিপ্ৰাত জনাইছোঁ।

ঐতিহাসিক ১৯৬৪ চনৰ কোনোবা এটা শুভ লগনত যিসকল ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম আৰু আশাশুধীয়া প্ৰচেষ্টাত বানে গৰকা বৃহত্তৰ বৰভাগ অঞ্চলৰ মাজমজিয়াত উচ্চশিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান বৰভাগ মহাবিদ্যালয়ে জন্ম লাভ কৰিছিল, সেই সকল জ্ঞাত-অজ্ঞাত জ্ঞানাক্ষী দাতাঁক এই প্ৰতিবেদনৰ জৰিয়তে শ্ৰদ্ধাৰে সোৱৰিছোঁ।

অসমৰ মানচিত্ৰত বানে গৰকা বৰভাগৰূপে ঠাই অধিকাৰ কৰা এই অঞ্চলটোত দুখীয়া, মধ্যবিত্ত পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীয়ে উচ্চশিক্ষাৰ পৰা বঞ্চিত হ'বলগীয়া হোৱা নাই। সীমাহীন অভাৱ-অনাটনেৰে জুৰুলা অঞ্চলটো স্থাপন হোৱা এই মহান অনুষ্ঠানটোৰ পৰা বহু ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে বিভিন্ন ক্ষেত্ৰত বিশেষ বিশেষ পাৰদৰ্শিতা লাভ কৰিবলৈ সক্ষম হৈছে।

সম্পাদকীয় কাৰ্যকালঃ

সোণালী সুদিনৰ সপোন বাস্তৱত ৰূপায়িত কৰাৰ আশা বুকুত বান্ধি যিসকল ছাত্ৰ-ছাত্ৰীয়ে ২০১৯-২০ ইং শিক্ষা বৰ্ষৰ বৰভাগ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদকৰ নিচিনা এটা গুৰুত্বপূৰ্ণ পদত এই অভাজনক নিৰ্বাচিত কৰিলে, সেইসকল ছাত্ৰ-ছাত্ৰীক মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ মোৰ ক্ষুদ্ৰ অভিজ্ঞতা আৰু সীমিত জ্ঞানেৰে মহাবিদ্যালয়খনৰ বিভিন্ন দিশ প্ৰতিফলিত কৰাত সফল নহ'বও পাৰোঁ, তৎসত্বেও বাৰ্ষিক প্ৰতিবেদনৰ মাজেৰে মোৰ কাৰ্য্যকালৰ চমু বিবৰণ দাঙি ধৰিবলৈ প্ৰয়াস কৰিছোঁ। লগতে মহাবিদ্যালয়খনৰ এজন ছাত্ৰ হিচাপে মোৰ মনত উদ্ৰেক হোৱা কিছুভাবনাক ইয়াৰ সৈতে সংযুক্ত কৰিব বিচাৰোঁ।

২০১৯ বৰ্ষৰ ২৬ অক্টোবৰ তাৰিখে এক শপত গ্ৰহণ অনুষ্ঠানৰ জৰিয়তে আমি কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে ইং ০৫ নৱেম্বৰ তাৰিখে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ মৃত্যু বাৰ্ষিকীত তেখেতলৈ স্মৰণ কৰি এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানেৰে মোৰ কাৰ্যকাল আৰম্ভ হয়।

ইং ০৮ ডিচেম্বৰ, ২০১৯ তাৰিখে জাতি ধ্বংস নাগৰিকত্ব সংশোধনী আইন বাতিলৰ দাবীত এক বিশেষ কাৰ্যসূচী গ্ৰহণ কৰোঁ। ২০২০ চনত মহাবিদ্যালয়ৰ সৰস্বতী পূজাভাগ ছাত্ৰ একতা সভাৰ অংশিদাৰীত্বত হৈ যায়। ইং ১৩ মাৰ্চৰ ২০২০ ৰ পৰা ইং ১৭ মাৰ্চ ২০২০ লৈ পাঁচদিনীয়া কাৰ্যক্ৰমণিকাৰে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰিবলৈ লোৱা হয় যদিওঁ তিনিদিনৰ কাৰ্যসূচী সমাপন হোৱাৰ পাছত বিশ্বজুৰি সৃষ্টি হোৱা কৰুণা মহামাৰীৰ বাবে শিক্ষানুষ্ঠান সমূহ বন্ধ ৰখা হয় যাৰ ফলত কাৰ্যসূচী সম্পূৰ্ণৰূপে শেষ নৌহওঁতে আধাতে সামৰিব লগীয়া হয়।

ইং ০৩ আগষ্ট ২০২০ ,তাৰিখে বৰভাগ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ বাবে আসনৰ সংখ্যা বৃদ্ধিৰ হেতু নলবাৰী জিলাৰ উপায়ুক্ত মহোদয়াক এখনি স্মাৰক পত্ৰ প্ৰদান কৰোঁ।

ইং ০৪ নৱেম্বৰ ২০২০ তাৰিখে, বৰভাগ মহাবিদ্যালয়ৰ সন্মুখত বিপদ সংকুলভাৱে থকা বিদ্যুত পৰিবাহী ট্ৰেন্সফৰ্মাটো স্থানান্তৰিত কৰাৰ বাবে সহঃকাৰ্য্যবাহী অভিযন্তা নলবাৰী, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ নলবাৰী উপ সংমণ্ডল ২ক এখনি স্মাৰক পত্ৰ প্ৰদান কৰোঁ।

ইং ০৭ নৱেম্বৰ ২০২০ তাৰিখে, বিশ্বজুৰি সৃষ্টি হোৱা মহামাৰী কৰ'নাৰ চিকিৎসাৰ বাবে শিক্ষানুষ্ঠান সমূহত স্থাপন কৰাৰ দৰে বৰভাগ মহাবিদ্যালয়তো স্বাস্থ্য বিভাগে এটি covid care centre স্থাপন কৰে কিন্তু দুখ আৰু পৰিতাপৰ কথা যে স্বাস্থ্য বিভাগৰ কাম সমূহ শেষ হোৱাৰ পাছতো মহাবিদ্যালয়ৰ SB1 নামৰ শ্ৰেণী কোঠাটো মুকলি কৰি দিয়া নাছিল। এই ক্ষেত্ৰত চৰকাৰী পক্ষই কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰাত ছাত্ৰ একতা সভাই বৰভাগ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মহোদয়ক এখনি স্মাৰক পত্ৰ প্ৰদান কৰোঁ। ইয়াৰ পৰৱৰ্তী সময়ত চক্ৰ বিষয়া মহোদয়াই শ্ৰেণীকোঠাটো মুকলি কৰি দিয়ে।

ইং ২৭ জানুৱাৰী ২০২০ তাৰিখে, যি সকল মহান বীৰ পুৰুষে নিজৰ জীৱন কেৱল জাতিটোৰ বাবে বলী দি গ'ল সেই মহান শ্বহীদ সকলৰ স্মৃতিত বৰভাগ মহাবিদ্যালয় চৌহদত নিৰ্মিত শ্বহীদ বেদীটোৰ মেৰামতি কৰি এটা আটক ধুনীয়া শ্বহীদ বেদীলৈ

ৰূপান্তৰিত কৰিবলৈ দাবী জনাই বৰভাগ মহাবিদ্যালয়ৰ ভাঃ প্ৰাঃ অধ্যক্ষা মহোদয়াক এখনি স্মাৰক পত্ৰ প্ৰদান কৰোঁ। দয়ালু মহোদয়াই বিষয়টো বিবেচনা কৰি কম সময়ৰ ভিতৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আমাক আশ্বাস দিয়ে।

কৰ'ণা মহামাৰীৰ বাবে চৰকাৰে ঘোষণা কৰা লকডাউনৰ বাবে ২০১৯-২০ ইং শিক্ষাবৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ বৈ যোৱা কাৰ্যসূচীখিনি ৰূপায়ণ কৰিব পৰা নাছিলো। কিন্তু বৰ্তমান সময়ত কৰু'ণাৰ পৰিৱেশ লাহে লাহে শান্ত হোৱাৰ সুযোগ লৈ যোৱা ইং ০১ ফেব্ৰুৱাৰী, ২০২১ তাৰিখে এদিনীয়া কাৰ্য্যসূচীৰে মহাবিদ্যালয় সপ্তাহৰ বৈ যোৱা কাৰ্যসূচীখিনি ৰূপায়ন কৰোঁ।

আজি ইং ০৩ মাৰ্চ ২০২১ তাৰিখে নৱাগত ছাত্ৰ-ছাত্ৰীসকলক মহাবিদ্যালয়ৰ বুকুলৈ আনুষ্ঠানিকভাৱে আদৰণি জনোৱাৰ উদ্দেশ্যে নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। উক্ত দিনৰ কাৰ্যসূচী মৰ্মে মুকলি অধিৱেশনত সভাপতিত্ব কৰে বৰভাগ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সন্মানীয় তত্বাৱধায়ক তথা গণিত বিভাগৰ মুৰব্বী অধ্যাপক ড° কৰুণা বৰুৱা ছাৰে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসমৰ ভ্ৰাম্যমান নাট্য জগতৰ সুদক্ষ অভিনেতা সুকুমাৰ বৰ্মন ডাঙৰীয়া। বিশিষ্ট অতিথিৰ আসন শুৱনি কৰে বিশিষ্ট চিত্ৰ শিল্পী অবিনাশ মজমদাৰ দেৱে। লগতে প্ৰীতি সন্মিলন উদ্বোধন কৰাৰ বাবে আমি আমন্ত্ৰণ জনাও জনপ্ৰিয় ইউটিউবাৰ দিম্পু বৰুৱা দেৱক আনহাতে সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰাৰ বাবে আমি আমন্ত্ৰণ জনাওঁ অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জেকিং ৰাজ দেৱক। ছাত্ৰ-ছাত্ৰী সকলৰ পূৰ্ণ সহযোগে কাৰ্যসূচী সফল ৰূপায়ণ কৰে।

বৰভাগ মহাবিদ্যালয়ৰ হকে কি কৰিব পাৰিছো নাজানো কিন্তু, সঁচা অৰ্থত বৰভাগ মহাবিদ্যালয়ে মোক দিছে জ্ঞান আৰু সত্য অন্বেষণৰ এক সুবিধা। যথেষ্ট আৱেগিক হৈছো কাৰণ যি খন বৰভাগ মহাবিদ্যালয় ত্যাগ আৰু তেজৰ প্ৰতীক সেইখন মহাবিদ্যালয়ৰ সাধৰণ সম্পাদক হিচাপে এক দীঘলীয়া সময়ৰ বাবে কাৰ্যনিৰ্বাহ কৰিবলৈ সুবিধা পাইছোঁ। ধন্যবাদ বৰভগীয়ান।

**ক্ষমা বিচাৰি ঃ**

বৰভাগ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰোঁতে মহাবিদ্যালয়ৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থত তথা ছাত্ৰ সমাজৰ স্বাৰ্থ ৰক্ষাৰ উদ্দেশ্যে ওলাই আহোতে বাটত সন্মুখীন হোৱা তোষামোদ নীতিত ভোল নগৈ নিজৰ দায়িত্ব পালন কৰি গৈছিলোঁ। উক্ত দায়িত্ব পালন কৰিবলৈ যাওঁতে কাৰোবাৰ ওচৰত অজানিতে কৰা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিলোঁ।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

মোৰ এই দীঘলীয়া কাৰ্যকালৰ সকলো সময়তে দিহা পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ অৱসৰ প্ৰাপ্ত ভাঃ প্ৰাঃ অধ্যক্ষ ইউনুছৰ ৰহমান ছাৰ আৰু বৰ্তমানৰ ভাঃ প্ৰাঃ অধ্যক্ষ মহোদয়া, নিবেদিতা গোস্বামী বাইদেউ, শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল, কৰ্মচাৰীবৃন্দ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলে, মোৰ লগত ছাঁৰ দৰে লাগি থকা বন্ধু-বান্ধৱী সকল তথা মোৰ দাদা-বাইদেউ আৰু ভাইটি-ভন্টি সকলক কৃতজ্ঞতা জনাই বৰভাগ মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনাৰে মোৰ কাৰ্যকালৰ প্ৰতিটো দিনত প্ৰতিপল কিমান দূৰ সফল তাৰ বিচাৰ কৰাত দায়িত্ব প্ৰতিগৰাকী শিক্ষাৰ্থীলৈ দি মোৰ নীৰস প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু বৰভাগ মহাবিদ্যালয়।

ধন্যবাদেৰে-

**শ্ৰীনিকুঞ্জ শৰ্মা**

সাধাৰণ সম্পাদক, বৰভাগ মঃ ছাঃ এঃ সভা,২০১৯-২০



# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণীতে যিসকল বিদ্যানুৰাগী তথা প্ৰজ্ঞাৰ পূজাৰীৰ আশাসুধীয়া প্ৰচেষ্টাত বৰভাগ মহাবিদ্যালয় গঢ় লৈ উঠিছিল সেই সকল মহান ব্যক্তিলৈ মই অন্তৰৰ নিভৃত কোণৰ পৰা নিগৰি অহা শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদন  কৰিছো।

২০১৯-২০২০ইং বৰ্ষৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত গনতান্ত্ৰিক পদ্ধতিৰে সহঃসাধাৰণ সম্পাদকৰ দৰে গুৰু দায়িত্ব অৰ্পণ কৰা বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছো।

ছাত্ৰ একতা সভাৰ সহ-সাধাৰণ সম্পাদক হিচাপে শপত গ্ৰহণ কৰাৰ পিছৰ পৰাই মই সাধাৰন সম্পাদক ৰ লগতে অন্যান্য বিষয়ববীয়া সকলক পাৰ্যমানে তেওঁলোকৰ বিভিন্ন কাম-কাজত সহায় সহযোগীতা আগবঢ়াইছো।

মোৰ কাৰ্য্যকালত অইন বেলিৰ দৰে এই বেলিও 'মহাবিদ্যালয় সপ্তাহৰ' লগতে 'নৱাগত আদৰণি সভাখন' বনাৰ্ঢ্য কাৰ্য্যসূচীৰে উদ্‌যাপন কৰা হয়।

দায়িত্বত থাকি মই কিমান দূৰ সফল হৈছোঁ নাজানো, কিন্তু মহাবিদ্যালয়ৰ উন্নতিৰ বাবে মই যিমান পাৰি চেষ্টা কৰিছিলো। মোৰ এই এবছৰীয়া কাৰ্যকালত মই কিমান দুৰ সফল হৈছো তাক মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু ছাত্ৰ-ছাত্ৰীয়ে বিচাৰ কৰিব।

প্ৰতিবেদনৰ সামৰণীত মোৰ কাৰ্য্যকালৰ প্ৰতিটো ক্ষেত্ৰত দিহা পৰামৰ্শ আৰু সহায় সহযোগীতা আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ লগতে বন্ধু-বান্ধৱী আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলক ধন্যবাদ আৰু কৃতজ্ঞতা জনাই অজানিতে মোৰ কাৰ্য্যকালত হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি প্ৰতিবেদনৰ সামৰনি মাৰিলো।

"জয়তু বৰভাগ মহাবিদ্যালয়"

ধন্যবাদেৰে-

**শ্ৰী মানস প্ৰতিম দাস**
সহঃসাধাৰণ সম্পাদক,
বৰভাগ মহাবিদ্যালয়, ছাত্ৰ  একতা সভা,
২০১৯-২০



# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ আৰম্ভণীতে যিসকল প্ৰথিতযশা দূৰদৰ্শী ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম আৰু চেষ্টাৰ ফলশ্ৰুতিত নলবাৰী জিলাৰ বৰভাগৰ মাজমজিয়াত বৰভাগ মহাবিদ্যালয় গঢ় লৈ উঠিছে সেইসকল বৰেণ্য ব্যক্তিলৈ মই মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ।

২০১৯-২০২০ ইং শিক্ষাবৰ্ষৰ বৰভাগ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ খেলবিভাগৰ দায়িত্ব মোৰ দৰে অভাজনক অৰ্পণ কৰা বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত আজীৱন কৃতজ্ঞ হৈ ৰম।

খেলবিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছত 'মহাবিদ্যালয় সপ্তাহ' জাক-জমকতাৰে অনুষ্ঠিত হয়। মহাবিদ্যালয় সপ্তাহত আয়োজন কৰা খেল প্ৰতিযোগীতাসমূহ এনেধৰণৰ- দৌৰ, হাইজাম্প, লংজাম্প, ডিছকাছ থ্ৰো, জেভলিন থ্ৰো, ওজন দলিওৱা বা ওৱেইট থ্ৰো, ক্ৰিকেট, ফুটবল, ভলীবল ইত্যাদি। আটাইবোৰ খেলত যথেষ্টসংখ্যক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণে প্ৰতিযোগীতাসমূহ অধিক আকৰ্ষণীয় কৰি তুলিছিল।

মোৰ কাৰ্যকালত মোক সকলো সময়তে দিহা-পৰামৰ্শ আৰু সহায়-সহযোগীতা আগবঢ়োৱা খেল বিভাগৰ তত্বাৱধায়ক হেমন্ত ডেকা ছাৰক ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ প্ৰতিটো কামতে সহায়ৰ হাত আগবঢ়োৱা মোৰ বন্ধু-বান্ধৱী, ভাইটি- ভন্টি লগতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলক মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ মাৰ্জনা বিচাৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰনি মাৰিলো। মোৰ কাৰ্যকালত অনুষ্ঠিত কৰা বিভিন্ন খেল প্ৰতিযোগীতাৰ ফলাফল সমূহ তলত উল্লেখ কৰা হ'ল-

ল'ৰাৰ খেল প্ৰতিযোগীতাৰ ফলাফল-

১) **ল'ৰাৰ ১০০ মিটাৰ দৌৰ ঃ**

প্ৰথম ঃ আচিকুল হক (উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ)

দ্বিতীয় ঃ শিখৰ জ্যোতি লহকৰ ( স্নাতক তৃতীয় বৰ্ষ)

তৃতীয় ঃ জিৎজ্যোতি কলিতা ( স্নাতক তৃতীয় বৰ্ষ)

২) **ল'ৰাৰ ২০০ মিটাৰ দৌৰ ঃ**

প্ৰথম ঃ আচিকুল হক (উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ)

দ্বিতীয় ঃ জিৎজ্যোতি কলিতা ( স্নাতক তৃতীয় বৰ্ষ)

তৃতীয় ঃ জাভেদ আখতাৰ ( স্নাতক প্ৰথম বৰ্ষ)

৩) **ল'ৰাৰ ৪০০ মিটাৰ দৌৰ ঃ**

প্ৰথম ঃ কৌশিক ৰাজ তালুকদাৰ (স্নাতক প্ৰথম বৰ্ষ)

দ্বিতীয় ঃ বিকাশ কলিতা (উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ)

তৃতীয় ঃ শিখৰ জ্যোতি লহকৰ ( স্নাতক তৃতীয় বৰ্ষ)

৪) **ল'ৰাৰ ৮০০ মিটাৰ ঃ**

প্ৰথম ঃ বিকাশ কলিতা (উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ)

দ্বিতীয় ঃ কৌশিক ৰাজ তালুকদাৰ (স্নাতক প্ৰথম বৰ্ষ)

তৃতীয় ঃ বিশাল কলিতা (উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ)

৫) **ল'ৰাৰ হাইজাম্প ঃ**

প্ৰথম ঃ বিকাশ কলিতা (উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ)

দ্বিতীয় ঃ ৰাতুল আলি ( উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ)

তৃতীয় ঃ নৰদ্বীপ লহকৰ ( উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ)

৬) **ল'ৰাৰ লং জাম্প ঃ**

প্ৰথম ঃ ৰাতুল আলি (উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ)

দ্বিতীয় ঃ বিশাল কলিতা (উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ)

তৃতীয় ঃ অমৰ জ্যোতি দাস (স্নাতক তৃতীয় বৰ্ষ)

৭) **ল'ৰাৰ ডিছকাছ থ্ৰো ঃ**

প্ৰথম ঃ শিখৰ জ্যোতি লহকৰ ( স্নাতক তৃতীয় বৰ্ষ)

দ্বিতীয় ঃ কৌশিক ৰাজ তালুকদাৰ (স্নাতক দ্বিতীয় বৰ্ষ)

তৃতীয় ঃ মানস তালুকদাৰ ( স্নাতক প্ৰথম বৰ্ষ)

৮) **ল'ৰাৰ জেভলিন থ্ৰো ঃ**

প্ৰথম ঃ অমৰ জ্যোতি দাস ( স্নাতক দ্বিতীয় বৰ্ষ)

দ্বিতীয় ঃ কৌশিক ৰাজ তালুকদাৰ ( স্নাতক দ্বিতীয় বৰ্ষ)

তৃতীয় ঃ নৰ তালুকদাৰ (উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ)

ছোৱালীৰ খেল প্ৰতিযোগীৰ ফলাফল ঃ

১) **ছোৱালীৰ ১০০ মিটাৰ দৌৰ ঃ**

প্ৰথম ঃ ধীতাশ্ৰী তালুকদাৰ (স্নাতক প্ৰথম বৰ্ষ)

দ্বিতীয় ঃ মানসী তালুকদাৰ ( স্নাতক প্ৰথম বৰ্ষ)

তৃতীয় ঃ পৰিস্মিতা লহকৰ ( স্নাতক প্ৰথম বৰ্ষ)

২) **ছোৱালীৰ ২০০ মিটাৰ দৌৰ ঃ**

প্ৰথম ঃ ধীতাশ্ৰী কলিতা (স্নাতক প্ৰথম বৰ্ষ)

দ্বিতীয় ঃ মানসী তালুকদাৰ ( স্নাতক প্ৰথম বৰ্ষ)

তৃতীয় ঃ পৰিস্মিতা লহকৰ (স্নাতক প্ৰথম বৰ্ষ)

৩) **ছোৱালী ৪০০ মিটাৰ দৌৰ ঃ**

প্ৰথম ঃ ধীতাশ্ৰী কলিতা ( স্নাতক প্ৰথম বৰ্ষ)

দ্বিতীয় ঃ ৰূপাঞ্জলী নমঃশূদ্ৰ (স্নাতক প্ৰথম বৰ্ষ)

তৃতীয় ঃ মানসী তালুকদাৰ (স্নাতক প্ৰথম বৰ্ষ)

৪) **ছোৱালীৰ ৬০০ মিটাৰ দৌৰ ঃ**

প্ৰথম ঃ জুৰি নমঃশূদ্ৰ (উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ)

দ্বিতীয় ঃ ৰূপাঞ্জলী নমঃশূদ্ৰ (স্নাতক দ্বিতীয় বৰ্ষ)

তৃতীয় ঃ মানসী তালুকদাৰ (স্নাতক দ্বিতীয় বৰ্ষ)

৫) **ছোৱালীৰ হাইজাম্প ঃ**

প্ৰথম ঃ দিপামনি কলিতা (স্নাতক তৃতীয় বৰ্ষ)

দ্বিতীয় ঃ দিপামনি কলিতা (উচ্চতৰ মাধ্যমিক ২ বৰ্ষ)

তৃতীয় ঃ প্ৰীতিৰেখা কলিতা (স্নাতক তৃতীয় বৰ্ষ)

৬) **ছোৱালী লং জাম্প ঃ**

প্ৰথম ঃ জুৰি নমঃশূদ্ৰ (উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ)

দ্বিতীয় ঃ হিমাশ্ৰী ভূএগ্ৰা (স্নাতক তৃতীয় বৰ্ষ)

তৃতীয় ঃ ৰূপাঞ্জলী নমঃশূদ্ৰ (স্নাতক দ্বিতীয় বৰ্ষ)

৭) **ছোৱালী ডিছকাছ থ্ৰো ঃ**

প্ৰথম ঃ দিপামনি কলিতা (উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ)

দ্বিতীয় ঃ গীতাশ্ৰী ডেকা (স্নাতক তৃতীয় বৰ্ষ)

তৃতীয় ঃ দিপামনি কলিতা (স্নাতক তৃতীয় বৰ্ষ)

৮) **ছোৱালীৰ জেভলিন থ্ৰো ঃ**

প্ৰথম ঃ দিপামনি কলিতা (উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ)

দ্বিতীয় ঃ ধীতাশ্ৰী কলিতা (স্নাতক প্ৰথম বৰ্ষ)

তৃতীয় ঃ গায়ত্ৰী ভৰালী (স্নাতক প্ৰথম বৰ্ষ)

৯) **ল'ৰাৰ ওৱেইট থ্ৰো ঃ**

প্ৰথম ঃ শিখৰ জ্যোতি লহকৰ
(উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ)

দ্বিতীয় ঃ অমৰজ্যোতি দাস (স্নাতক দ্বিতীয় বৰ্ষ)

তৃতীয় ঃ মানস তালুকদাৰ (স্নাতক প্ৰথম বৰ্ষ)

১০) **ছোৱালীৰ ওৱেইট থ্ৰো ঃ**

প্ৰথম ঃ দিপামনি কলিতা
(উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ)

দ্বিতীয় ঃ ধীতাশ্ৰী কলিতা (স্নাতক প্ৰথম বৰ্ষ)

তৃতীয় ঃ গায়ত্ৰী ভৰালী (স্নাতক প্ৰথম বৰ্ষ)

**ভলীবল প্ৰতিযোগীতা ঃ**

বিজয়ী দল ঃ হিবজুল আলিৰ দল।

ৰাৰ্নাছ আপ দল ঃ অসীম তালুকদাৰৰ দল।

**ক্ৰিকেট খেল প্ৰতিযোগীতাৰ ফলাফল ঃ**

বিজয়ী দল ঃ শিখৰ জ্যোতি লহকৰৰ দল।

ৰাৰ্নাচ আপ দল ঃ ৰূপম বৰুৱাৰ দল।

শ্ৰেষ্ঠ খেলুৱৈ (ল'ৰা) ঃ শিখৰ জ্যোতি লহকৰ

শ্ৰেষ্ঠ খেলুৱৈ (ছোৱালী) ঃ ধীতাশ্ৰী কলিতা

"জয়তু বৰভাগ মহাবিদ্যালয়"

**শ্ৰদ্ধাৰে,**

**ইকবাল হুছেইন**
সম্পাদক, খেলবিভাগ
বৰভাগ মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৯-২০



# খেল বিভাগৰ সহঃসম্পাদকৰ প্ৰতিবেদন

**প্ৰ**তিবেদনৰ প্ৰাৰম্ভণীতে যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট, ত্যাগ আৰু শ্ৰমৰ বিনিময়ত বানপীড়িত বৃহত্তৰ অঞ্চলত উচ্চশিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ 'বৰভাগ মহাবিদ্যালয়' গঢ় লৈ উঠিছে সেইসকল ব্যক্তিক সশ্ৰদ্ধ প্ৰনাম জনাইছোঁ।

২০১৯-২০ ইং শিক্ষাবৰ্ষৰ ছাত্ৰ একতা সভাৰ খেলবিভাগৰ সহকাৰী সম্পাদকৰ দায়িত্বভাৰ মোৰ ওপৰত অৰ্পণ কৰা বাবে মই আপোনালোকৰ ওচৰত আজীৱন কৃতজ্ঞ হৈ ৰ'ম।

খেলবিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে 'মহাবিদ্যালয় সপ্তাহ' অতি জাক-জমকতাৰে অনুষ্ঠিত হয়। মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা বিভিন্ন বিভিন্ন খেল ধেমালী প্ৰতিযোগীতা সমূহ হ'ল- ক্ৰিকেট, ফুটবল, হাইজাম্প, দৌৰ, লংজাম্প, ডিছকাছ থ্ৰো, জেভলিন থ্ৰো, ওজন দলিওৱা ইত্যাদি। আটাইবোৰ প্ৰতিযোগীতাত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণে আমাক আপ্লুত কৰে।

**কৃতজ্ঞতা স্বীকাৰ ঃ** মোৰ কাৰ্যকালত মোক বিভিন্ন দিহা পৰামৰ্শ আৰু সহায় সহযোগীতা কৰা ছাৰ-বাইদেউ, বন্ধু-বান্ধৱী, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌশেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সদৌটিৰ ওচৰত মাৰ্জনা বিচাৰিছোঁ।

ধন্যবাদেৰে-

**বেদান্ত শৰ্মা**
সহঃসম্পাদক, খেলবিভাগ
ছাত্ৰ একতা সভা, ২০১৯-২০



# তৰ্কবিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছোঁ যি সকল মহান মনিষীৰ অক্লান্ত প্ৰচেষ্টা, অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত শিক্ষা সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ বৰভাগৰ মাজমজিয়াত এক উন্নত মানৰ শিক্ষানুষ্ঠান বৰভাগ মহাবিদ্যালয় গঢ় লৈ উঠিছে, সেই সকল চিৰ নমস্য ব্যক্তিলৈ শত-সহস্ৰ প্ৰণিপাত জনাই মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ পাতনি মেলিছোঁ।

২০১৯-২০ ইং শিক্ষাবৰ্ষৰ বৰভাগ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰ্ক বিভাগৰ সম্পাদিকাৰ দায়িত্ব মোৰ হাতত অৰ্পণ কৰা বাবে আপোনাসবৰ ওচৰত চিৰ ঋনী হৈ ৰ'ম। মোৰ কাৰ্যকালত মই বৰভাগ মহাবিদ্যালয়, তথা ছাত্ৰসমাজৰ হৈ কাম কৰি কিমান সফল বা বিফল হৈছো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

তৰ্ক বিভাগৰ সম্পাদিকাৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত ইং ১৩ মাৰ্চৰ পৰা ১৭ মাৰ্চ, ২০২০ লৈ পাঁচদিনীয়া কাৰ্যক্ৰমনিকাৰে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰিবলৈ লোৱা হয় যদিও তিনিদিনৰ কাৰ্যসূচী সমাপন হোৱাৰ পিছত বিশ্বজুৰি সৃষ্টি হোৱা ক'ৰনা ৰ দৰে মহামাৰীৰ বাবে শিক্ষানুষ্ঠান বন্ধ ৰখা হোৱাৰ ফলশ্ৰুতিত কাৰ্যসূচী সম্পূৰ্ণৰূপে শেষ ন'হওতেই আধাতেই সামৰিব লগা হয়। প্ৰায় এবছৰৰ পিছত 'কৰোনা' ভাইৰাচৰ কিছু শাম কটাৰ পাছত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই বৈ যোৱা মহাবিদ্যালয়ৰ সপ্তাহ ০৩-০৩-২০২১, ০৪-০৩-২০২১ এই দুদিনৰ ভিতৰত শেষ কৰিবলৈ ছাত্ৰ একতা সভাক পৰামৰ্শ দিয়ে। তৰ্কবিভাগৰ সম্পাদিকা হিচাপে মহাবিদ্যালয় সপ্তাহত মোক কুইজ, তৰ্ক, বক্তৃতা প্ৰতিযোগীতা চলাবলৈ দিয়ে। ইয়াৰ উপৰিও ১৮,১৯ ফেব্ৰুৱাৰী ২০২১ ইং তাৰিখে মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সহযোগত তৰ্ক বিভাগৰ উদ্যোগত "Design, Art and craft for New Enterprise" শীৰ্ষক কৰ্মশালাৰ আয়োজন কৰা হয়। ইয়াত অংশগ্ৰহণ কৰা ২৪ গৰাকীৰো অধিক শিক্ষাৰ্থীক এই বিষয়ৰ প্ৰমান পত্ৰও প্ৰদান কৰা হয়। এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলক মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**কৃতজ্ঞতা স্বীকাৰ ঃ** মোৰ কাৰ্যকালৰ ভিতৰত মোক সকলো সময়তে পৰামৰ্শ আৰু সহায় কৰা তৰ্কবিভাগৰ তত্বাৱধায়ক শ্ৰদ্ধাৰ নন্দিতা গোস্বামী বাইদেউৰ, লগতে বৰভাগ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ ওচৰত মই চিৰকৃতজ্ঞ। মহাবিদ্যালয়ত নামভৰ্তিকৰণৰ পৰা আৰম্ভ কৰি বৰভাগ মহাবিদ্যালয়ৰ নিৰ্বাচন, মহাবিদ্যালয় সপ্তাহ এই সকলো সময়ছোৱাত সকলো দিশতে সহায় সহযোগ আগবঢ়োৱা বিশেষকৈ ভাস্কৰ দাস, ৰঞ্জন বৈশ্য, ৰাজু তালুকদাৰ, সংগীতা তালুকদাৰ, প্ৰৱাল কলিতা, কিশোৰ দাস, মনোজ দাস, গীতিমা আদি সকলোলৈ মোৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জনাইছোঁ।

সদৌ শেষত, বৰভাগ মহাবিদ্যালয় তথা মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি, মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। মোৰ কাৰ্যকালত অনুষ্ঠিত কৰা প্ৰতিযোগীতাৰ ফলাফল তলত উল্লেখ কৰা হ'ল-

**কুইজ প্ৰতিযোগীতা ঃ**

প্ৰথম পুৰস্কাৰ ঃ বিক্ৰম মেধি
ঃ দিপাংশু ভট্টাচাৰ্য্য

দ্বিতীয় পুৰস্কাৰ ঃ জ্যোতিস্মান কলিতা
ঃ হীৰকজ্যোতি বৰুৱা

তৃতীয় পুৰস্কাৰ ঃ ধৃতিমান বুজৰবৰুৱা
ঃ অনুপ দাস
ঃ কিশোৰ দাস
ঃ হিৰন্ময় তালুকদাৰ

**তৰ্ক প্ৰতিযোগীতা ঃ**

প্ৰথম পুৰস্কাৰ ঃ দীপাংশু ভট্টাচাৰ্য্য
দ্বিতীয় পুৰস্কাৰ ঃ ৰঞ্জন বৈশ্য
তৃতীয় পুৰস্কাৰ ঃ নিকুঞ্জ শৰ্মা
নিচুকনি পুৰস্কাৰ ঃ কৃষ্ণাজুৰি ডেকা

**বক্তৃতা প্ৰতিযোগীতা ঃ**

প্ৰথম পুৰস্কাৰ ঃ ৰঞ্জন বৈশ্য
দ্বিতীয় পুৰস্কাৰ ঃ কৃষ্ণাজুৰি ডেকা
তৃতীয় পুৰস্কাৰ ঃ জেউতি মিশ্ৰ

"জয়তু বৰভাগ মহাবিদ্যালয়"
'জয় বৰভাগ মহাবিদ্যালয় ছাত্ৰ একতা সভা'
ধন্যবাদেৰে-

**সীমামনি দাস**
সম্পাদিকা, তৰ্ক বিভাগ
ছাত্ৰ একতা সভা, ২০১৯-২০
বৰভাগ মহাবিদ্যালয়



# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণত, সেইসকল জীৱিত বা পৰলোকপ্ৰাপ্ত বৰভগীয়াৰ ওচৰত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছো যিসকল ব্যক্তিৰ অশেষ ত্যাগ আৰু কষ্টৰ বিনিময়ত 'বৰভাগ মহাবিদ্যাল' গঢ় লৈ উঠিছিল। লগতে অসমী আইৰ অস্তিত্ব ৰক্ষাৰ বাবে যিসকল ব্যক্তিয়ে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি প্ৰাণ আহুতি দিলে তেখেত সকললৈ মোৰ ভক্তি আৰু শ্ৰদ্ধা আগবঢ়াইছোঁ।

২০১৯-২০২০ ইং বৰ্ষৰ মহাবিদ্যালয় ছাত্ৰএকতা সভাৰ নিৰ্বাচনত সমাজ সেৱা বিভাগৰ সম্পাদকৰ পদত বৰভাগ মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক নিৰ্বাচিত কৰিলে সেইসকললৈ মোৰ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা মহাবিদ্যালয় সপ্তাহৰ তৃতীয়দিনা সমাজ সেৱা প্ৰতিযোগীতা অনুষ্ঠিত কৰা হয়। উক্ত প্ৰতিযোগীতাত মহাবিদ্যালয়ৰ যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল। প্ৰতিযোগীসকলক চাৰিজনীয়া দল হিচাপে ভাগ কৰা হৈছিল। বিজয়ী প্ৰথম তিনিটা দলক নগদ ধনেৰে পুৰস্কৃত কৰা হৈছিল।

নৱাগত আদৰণি সভাৰ লগত সংগতি ৰাখি সমাজ সেৱা বিভাগৰ উদ্যোগত এটি বৃক্ষৰোপন কাৰ্যসূচী হাতত লোৱা হৈছিল। বৃক্ষৰোপন কাৰ্যসূচীত, বৰভাগ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰাক্তন অধ্যাপক শ্ৰী যুত কনক চন্দ্ৰ লহকৰ ছাৰ মহাবিদ্যালয়ৰ অধ্যক্ষা নিবেদিতা গোস্বামী বাইদেউ, চিত্ৰশিল্পী অবিনাশ মজুমদাৰ, তত্বাৱধায়ক ড°চন্দন কলিতা ছাৰৰ দ্বাৰা বৃক্ষৰোপন কৰা হয়। এক বুজন সংখ্যক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু ৰ উপস্থিতিয়ে এই কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তোলে। মোক মহাবিদ্যালয়ত প্ৰত্যেক দিশত দিহা-পৰামৰ্শ, সহায়-সহযোগিতা প্ৰদান কৰা মোৰ তত্বাৱধায়ক ড°চন্দন কলিতা ছাৰৰ লগতে মোৰ বন্ধু-বান্ধৱী, দাদা-বাইদেউ ভাইটি-ভন্টিৰ সহিতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক মই আন্তৰিক শ্ৰদ্ধা আৰু ধন্যবাদ জনালোঁ।

সদৌশেষত মই অনিচ্ছাকৃতভাৱে কৰা ভুল ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি নিৰস প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু বৰভাগ মহাবিদ্যালয়।

ধন্যবাদেৰে-

**ৰাজু তালুকদাৰ**

সম্পাদক, সমাজসেৱা বিভাগ

বৰভাগ মহাবিদ্যালয়, ছাত্ৰ একতাসভা, ২০১৯-২০



# সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

যিসকল মহান ব্যক্তিৰ অক্লান্ত প্ৰচেষ্টা আৰু ত্যাগৰ বিনিময়ত বানেগৰকা বৃহত্তৰ বৰভাগ অঞ্চলত শিক্ষা সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ বৰভাগ মহাবিদ্যালয় গঢ় লৈ উঠিছে সেইসকল ব্যক্তিক প্ৰণিপাত জনাই মই মোৰ প্ৰতিবেদনৰ দ্বাৰা মুকলি কৰিলোঁ।

২০১৯-২০ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদক পদত মোক সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত কৰি এক গধুৰ দায়িত্ব মোৰ ওপৰত অৰ্পন কৰা বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত আজীৱন কৃতজ্ঞ হৈ ৰ'ম।

দায়িত্বভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছত 'মহাবিদ্যালয় সপ্তাহ' আড়ম্বৰপূৰ্ণতাৰে অনুষ্ঠিত হয়। এই সময়ছোৱাত মহাবিদ্যালয় সপ্তাহত আয়োজিত মোৰ বিভাগীয় প্ৰতিযোগীতা সমূহ হ'ল- জ্যোতি সংগীত, ৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, আধুনীক গীত, জিকিৰ, লোকগীত, বিহুগীত, বিয়াগীত, আধুনীক নৃত্য যদিও কভিড সৃষ্ট পৰিৱেশৰ বাবে কেইটামান প্ৰতিযোগীতা অনুষ্ঠিত কৰিব পৰা নগ'ল। আটাইবোৰ প্ৰতিযোগীতাত বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি মোক উৎসাহিত কৰিছিল। মোৰ কাৰ্যকালত বিভিন্ন সময়ছোৱাত দিহা পৰামৰ্শ আৰু সহায় সহযোগীতা আগবঢ়োৱা শ্ৰদ্ধাৰ ছাৰ-বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি-ভন্টিলৈ ধন্যবাদ জ্ঞাপন কৰিলো।

পৰিশেষত , মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল ভ্ৰান্তিৰ বাবে ক্ষমা বিছাৰি প্ৰতিবেদনৰ মোখনি মাৰিলো।

'জয়তু বৰভাগ মহাবিদ্যালয়'

ধন্যবাদেৰে

**শ্ৰী গৰিমা ভূঞাঁ**
সম্পাদিকা, সাংস্কৃতিক বিভাগ
বৰভাগ মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৯-২০



# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাৰম্ভণীতে যিসকল মহান ব্যক্তিৰ অশেষ ত্যাগ আৰু শ্ৰমৰ বলত বৰভাগৰ মাজমজিয়াত বৰভাগ মহাবিদ্যালয় গঢ় লৈ উঠিছিল সেইসকল মহান ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।

২০১৯-২০ ইং বৰ্ষৰ বৰভাগ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ সুযোগকন দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰকৃতজ্ঞ।

'ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক' হিচাপে কাৰ্যভাৰ লোৱাৰ কিছুদিন পিছতে 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হৈছিল। মহাবিদ্যালয়, সপ্তাহত মোৰ বিভাগীয় প্ৰতিযোগীতাসমূহ যেনে - কেৰম(একক আৰু দ্বৈত), বেডমিন্টন(একক আৰু দ্বৈত), ৰংগুলি, ডবা ইত্যাদি। আটাইবোৰ প্ৰতিযোগীতাত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণে মোক বাৰুকৈয়ে আপ্লুত কৰিছিল।

মোৰ কাৰ্যকালত মোক বিভিন্ন দিশত দিহা-পৰামৰ্শ প্ৰদান কৰা মোৰ তত্বাৱধায়ক ড° ৰন্টুমনি ডেকা ছাৰৰ লগতে মোৰ কাৰ্যকালত প্ৰথমৰ পৰা শেষলৈ প্ৰতিটো কামত সহায়-সহযোগীতা কৰা মোৰ প্ৰিয় বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভন্টিৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

পৰিশেষত, মোৰ কাৰ্যকালত হৈ যোৱা জ্ঞাত-অজ্ঞাত ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰনি মাৰিলো।

"জয়তু বৰভাগ মহাবিদ্যালয়"

ধন্যবাদেৰে-

**শ্ৰী মানস প্ৰতীম কলিতা**
সম্পাদক, ছাত্ৰ জিৰণি কোঠা
বৰভাগ মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৯-২০ বৰ্ষ



# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাৰম্ভিকতে বৰভাগ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ লগত জড়িত নমস্য ব্যক্তিসকলৰ অক্লান্ত পৰিশ্ৰম আৰু ত্যাগলৈ সশ্ৰদ্ধ প্ৰনাম জনাইছোঁ।

২০১৯-২০২০ ইং বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত গণতান্ত্ৰিক পদ্ধতিৰে ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা পদত মোক নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছো।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ দায়িত্ব লোৱাৰ পিছতে আড়ম্বৰপূৰ্ণতাৰে 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হৈছিল। মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগীয় প্ৰতিযোগীতাসমূহ যেনে - কেৰম(একক আৰু দ্বৈত), বেডমিন্টন, মেহেন্দী, কানিমুনি, সংগীত চকী, পৰম্পৰাগত অসমীয়া সাজ-পাৰ, আৰু ৰংগুলি। এই প্ৰতিযোগীতাসমূহত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে উৎসাহেৰে অংশগ্ৰহণ কৰি মোক নথৈ আনন্দিত কৰি তুলিছিল।

মোৰ কাৰ্যকালত মোক বিভিন্ন দিশত গঠনমুলক দিহা-পৰামৰ্শ আগবঢ়োৱা মোৰ তত্বাৱধায়িকা শ্ৰদ্বাৰ নিবেদিতা গোস্বামী বাইদেউৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাৰ-বাইদেউসকলক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ লগতে মোৰ প্ৰতিটো খোজতে সহায়-সহযোগীতা আগবঢ়োৱা ৰঞ্জন দা, কিশোৰ দা, নিৰ্মল দা, কাকলী, লভিতা, গায়ত্ৰী, নৱজ্যোতি, ভাস্কৰ, হিমাশ্ৰী, লিপিকা, কৰিষ্মা তথা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

অৱশেষত, মোৰ কাৰ্যকালত হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰিলো লগতে বৰভাগ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ মোখনি মাৰিলো।

"জয়তু বৰভাগ মহাবিদ্যালয়"

**ধন্যবাদেৰে-**

**শ্ৰী সংগীতা তালুকদাৰ**
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা
বৰভাগ মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০১৯-২০

# বৰভাগ মহাবিদ্যালয়

## ছাত্র একতা সভাৰ আলোচনী বিভাগৰ সম্পাদকসকলৰ তালিকা

| | |
|---|---|
| ১৯৭২-৭৩ | ৰবীন্দ্র গোস্বামী |
| ১৯৭৩-৭৪ | .......... |
| ১৯৭৪-৭৫ | হৰেন বৰো |
| ১৯৭৫-৭৬ | নৰেন দাস |
| ১৯৭৬-৭৭ | ভৰেন চন্দ্র লহকৰ |
| ১৯৭৭-৭৮ | ভৰেন চন্দ্র লহকৰ |
| ১৯৭৮-৭৯ | কৃষ্ণকান্ত কলিতা |
| ১৯৮১-৮২ | প্রবোধ শৰ্মা |
| ১৯৮২-৮৩ | জ্যোতিষ চন্দ্র শৰ্মা |
| ১৯৮৩-৮৪ | মণ্টু তালুকদাৰ |
| ১৯৮৪-৮৫ | সত্যব্রত শৰ্মা |
| ১৯৮৫-৮৬ | বলেন্দ্র শৰ্মা |
| ১৯৮৬-৮৭ | দীপক লহকৰ |
| ১৯৮৭-৮৮ | উপেন চন্দ্র কলিতা |
| ১৯৮৮-৮৯ | মঃ জয়নাল হক চৌধুৰী |
| ১৯৮৯-৯০ | যোগেশ চন্দ্র কলিতা |
| ১৯৯০-৯১ | অমৰজিত শইকীয়া |
| ১৯৯১-৯২ | মুকুল লহকৰ |
| ১৯৯২-৯৩ | মধুৰাম কলিতা |
| ১৯৯৩-৯৪ | প্রকাশ কলিতা |
| ১৯৯৪-৯৫ | প্রবীণ কলিতা |
| ১৯৯৫-৯৬ | ভৱেশ ডেকা |
| ১৯৯৬-৯৭ | বিপুল কলিতা |
| ১৯৯৭-৯৮ | লিলাধৰ কলিতা |
| ১৯৯৮-৯৯ | ডিম্বেশ্বৰ কলিতা |
| ৯৯-২০০০ | ৰাজীৱ ডেকা |
| ২০০০-০১ | খনীন্দ্র শৰ্মা |
| ২০০১-০২ | পুলক কলিতা |
| ২০০২-০৩ | চিণ্টু কলিতা |
| ২০০৩-০৪ | উৎপল কলিতা |
| ২০০৪-০৫ | অৰূপ কুমাৰ ডেকা |
| ২০০৫-০৬ | দীনমণি তালুকদাৰ |
| ২০০৬-০৭ | চন্দ্রকান্ত কলিতা |
| ২০০৭-০৮ | নয়নমণি কলিতা |
| ২০০৮-০৯ | প্রাঞ্জল মহন্ত |
| ২০০৯-১০ | জয়ন্ত মেধি |
| ২০১০-১১ | মানবেন্দ্র লহকৰ |
| ২০১১-১২ | মিণ্টু ভূঞা |
| ২০১২-১৩ | সঞ্জীৱ তালুকদাৰ |
| ২০১৩-১৪ | নিতুমণি কলিতা |
| ২০১৪-১৫ | ধ্রুৱজ্যোতি ভূঞা |
| ২০১৫-১৬ | ৰাজীৱ ঠাকুৰীয়া |
| ২০১৬-১৭ | তাজিমউদ্দিন আহমেদ |
| ২০১৭-১৮ | জ্যোতিষ বৈশ্য |
| ২০১৮-১৯ | কিশোৰ দাস |

২০১৯-২০ বৰ্ষৰ সম্পাদক ঃ কংকন কলিতা

# বৰভগীয়ান সম্পাদনা সমিতি





ইউনুচৰ ৰহমান
সভাপতি



ড° বিপুল কলিতা
তত্ত্বাৱধায়ক



কংকন কলিতা
সম্পাদক



চাজিদ আহমেদ
সদস্য



প্ৰাঞ্জল কলিতা
সদস্য



ৰঞ্জিত কলিতা
সদস্য



ৰাকেশ মজুমদাৰ
সদস্য



কংকন হালৈ
সদস্য



ময়ুৰ ৰহমান
সদস্য



জুবলি দাস
সদস্যা



দিপাংকৰ ভট্টাচাৰ্য্য
সদস্য

# বৰভগীয়ান

## সম্পাদনা সমিতিৰ উপদেষ্টা মণ্ডলী, ২০১৯-২০ ইং বৰ্ষ



ড° কৰুণা বৰুৱা
উপদেষ্টা



সুশান্ত নাৰায়ণ চৌধুৰী
উপদেষ্টা



ড° ধনেশ্বৰ বৈশ্য
উপদেষ্টা



ড° বিপ্লৱ ডেকা
উপদেষ্টা



ড° চন্দন কলিতা
উপদেষ্টা



ড° নন্দিতা গোস্বামী
উপদেষ্টা



ড° নমিতা দেৱী
উপদেষ্টা



পুলমা তালুকদাৰ
উপদেষ্টা



ড° ৰন্টুমণি ডেকা
উপদেষ্টা



কৈলাশ চন্দ্ৰ দাস
উপদেষ্টা

# বৰভাগ মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০১৯-২০ ইং বৰ্ষৰ তত্ত্বাৱধায়ক মণ্ডলী



ড° কঞ্জলা বৰুৱা
তত্ত্বাৱধায়ক, ছাত্ৰ একতা সভা



নিবেদিতা গোস্বামী
তত্ত্বাৱধায়ক, ছাত্ৰী জিৰণি কোঠা



হেমন্ত ডেকা
তত্ত্বাৱধায়ক, খেল বিভাগ



ড° সতীশ চন্দ্ৰ ভুঞা
তত্ত্বাৱধায়ক, সাংস্কৃতিক বিভাগ



ড° বিপুল কলিতা
তত্ত্বাৱধায়ক, আলোচনী বিভাগ



ড° চন্দন কলিতা
তত্ত্বাৱধায়ক, সমাজসেৱা বিভাগ



ড° নন্দিতা গোস্বামী
তত্ত্বাৱধায়ক, তৰ্ক বিভাগ



ড° কণ্ঠমণি ডেকা
তত্ত্বাৱধায়ক, ছাত্ৰ জিৰণি কোঠা

# বৰভাগ মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০১৯-২০২০ ইং বৰ্ষ




ভাৰপ্ৰাপ্ত অধ্যক্ষৰ সৈতে ছাত্ৰ একতা সভাৰ একাংশ সদস্য



শিখৰজ্যোতি লহকৰ
সভাপতি



ভাস্কৰ দাস
উপ-সভাপতি



নিকুঞ্জ শৰ্মা
সাধাৰণ সম্পাদক



মানস প্ৰতিম দাস
সহঃ সাধাৰণ সম্পাদক



কংকন কলিতা
সম্পাদক, আলোচনী বিভাগ



গৰিমা ভূঞা
সম্পাদক, সুকুমাৰ কলা আৰু সাংস্কৃতিক বিভাগ



ইকবাল হুছেইন
সম্পাদক, খেল বিভাগ



বেদান্ত শৰ্মা
সহঃ সম্পাদক, খেল বিভাগ



মানস প্ৰতিম কলিতা
সম্পাদক, ছাত্ৰ জিৰণি কোঠা



সংগীতা তালুকদাৰ
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা



ৰাজু তালুকদাৰ
সম্পাদক, সমাজসেৱা বিভাগ



সীমামণি দাস
সম্পাদিকা, তৰ্ক বিভাগ



মহাবিদ্যালয়ৰ শিক্ষক গোটৰ একাংশ

ভাৰপ্ৰাপ্ত অধ্যক্ষৰ সৈতে কৰ্মচাৰী গোটৰ একাংশ





ভাৰপ্ৰাপ্ত অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ পুথিভঁড়ালৰ বিষয়ববীয়াসকল



ভনিতা কলিতা
শ্ৰেষ্ঠ স্নাতক, অসমীয়া বিভাগ, ২০১৯-২০



ধৃতাশ্ৰী কলিতা
শ্ৰেষ্ঠ খেলুৱৈ (ছোৱালী)



দিপাংশু ভট্টাচাৰ্য
শ্ৰেষ্ঠ তাৰ্কিক



সাগৰিকা শৰ্মা
শ্ৰেষ্ঠ গায়িকা



শিখৰজ্যোতি লহকৰ
শ্ৰেষ্ঠ খেলুৱৈ (ল'ৰা)



আমানুৰ হক
শ্ৰেষ্ঠ চিত্ৰ শিল্পী

# মহাবিদ্যালয়ৰ দ্বাৰা অনুষ্ঠিত হোৱা অনুষ্ঠান সমূহৰ কিয়দাংশ























# মহাবিদ্যালয় সপ্তাহ আৰু নৱাগত আদৰণি সভাৰ কেইটিমান মুহূর্ত, ২০১৯-২০













মহাবিদ্যালয় সপ্তাহ
মহাবিদ্যালয় সপ্তাহ উপলক্ষে
সাংস্কৃতিক শোভাযাত্ৰা